# সুদক্ষিণা

ঊনত্ৰিংশত্তম আৰু ত্ৰিংশত্তম সংখ্যা

ইং ২০২১ আৰু ২০২২ বৰ্ষ

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা



সম্পাদিকা- অঞ্জলি নাথ

D.K. GIRLS' COLLEGE LIBRARY
MIRZA
Class No. ..............................
Book No. ..............................
Acc. No. ..............................

## orial Board of 'SUDAKSHINA'



From Left (Sitting) : Dr. Lilabati Choudhury, Dr. Narakanta Adhikary (Principal), Dr. Jagannath Barman, Dr. Ranjan Bhuyan (Vice-Principal)

From Left (Standing) : Harshita Goswami, Anjali Nath, Jinti Das, Monikangkana Das.

## PRINCIPAL WITH UNION BODY & TEACHER IN-CHARGE




From Left (Sitting) : Dr. Haren Ch. Kalita, Dr. Ranjan Bhuyan (Vice Principal), Harshita Goswami, Ranjana Deka, Dr. Lilabati Choudhury, Dr. Narakanta Adhikary (Principal), Dr. Jagannath Barman, Dr. Ripun Dole, Jinti Das, Jinu Das, Mitali Goswami.

From Left (Standing) : Susmita Mali, Sabana Begum, Anjali Nath, Manikangkana Das, Mandira Doloi, Sangita Das, Indrani Nath.

LIBRARY COPY

# সুদক্ষিণা

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

উনত্ৰিংশত্তম আৰু ত্ৰিংশত্তম সংখ্যা

ইং ২০২১ আৰু ২০২২ বৰ্ষ

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা

# SUDAKSHINA

29th & 30th ISSUE

2021 & 2022

প্ৰীতি আৰু শ্ৰদ্ধাৰে—

..........................................................................

..........................................................................

NOT FOR ISSUE

তত্ত্বাৱধায়িকা
ড° লীলাৱতী চৌধুৰী

সম্পাদিকা
অঞ্জলি নাথ

LIBRARY COPY

Kamrup ... College ... Estd. 1968

# সুদক্ষিণা

উনত্রিংশত্তম আৰু ত্রিংশত্তম সংখ্যা
ইং ২০২১ আৰু ২০২২ বৰ্ষ

## 'সুদক্ষিণা' সম্পাদনা সমিতি

সভাপতি
ড° নবকান্ত অধিকাৰী (অধ্যক্ষ)

উপ-সভাপতি
ড° ৰঞ্জন ভূঞা (উপাধ্যক্ষ)

তত্বাবধায়িকা
ড° লীলাৱতী চৌধুৰী

সম্পাদিকা
অঞ্জলি নাথ

শিক্ষক সদস্য
ড° জগন্নাথ বৰ্মন


ছাত্রী সদস্য
জিন্টি দাস, হৰ্ষিতা গোস্বামী,
মণিকংকনা দাস

বেটুপাত পৰিকল্পনা
ড° লীলাৱতী চৌধুৰী

ছপা
শ্ৰীবিষ্ণু অফছেট প্ৰেছ
মিৰ্জা-৭৮১১২৫, কামৰূপ (অসম)

# একাঁজলি শ্ৰদ্ধাঞ্জলি



অভিনেতা
পুনীত ৰাজকুমাৰ
জন্ম : ইং ১৭-০৫-১৯৭৫
মৃত্যু : ইং ২৯-০৯-২০২১


অভিনেতা
ঘনশ্যাম নায়ক
জন্ম : ইং ১২-০৫-১৯৪৪
মৃত্যু : ইং ৩-০৯-২০২১


বিশিষ্ট লেখক
সনন্ত তাঁতী
জন্ম : ইং ০৪-১১-১৯৬২
মৃত্যু : ইং ২৫-১১-২০২১


বিশিষ্ট অভিনেতা
নিপন গোস্বামী
জন্ম : ইং ০৩-০৯-১৯৪২
মৃত্যু : ইং ২৭-১০-২০২২


জনপ্ৰিয় অভিনেতা
কিশোৰ দাস
জন্ম : ইং ২৩-১১-১৯৯১
মৃত্যু : ইং ০২-০৭-২০২২



চিত্ৰশিল্পী
নীলপৱন বৰুৱা
জন্ম : ইং ০১-০৬-১৯৩৬
মৃত্যু : ইং ২৮-১০-২০২২


বিশিষ্ট গায়িকা
লতা মংগেশকাৰ
জন্ম : ইং ২৮-০৯-১৯২৯
মৃত্যু : ইং ০৬-০২-২০২২


সংগীত পৰিচালক
বাপ্পী লাহিড়ী
জন্ম : ইং ২৭-১১-১৯৫২
মৃত্যু : ইং ১৫-০২-২০২২



জনপ্ৰিয় গায়ক
কৃষ্ণ কুমাৰ কুন্নথ (কে.কে.)
জন্ম : ইং ২৩-০৮-১৯৬৮
মৃত্যু : ইং ৩১-০৫-২০২২



কৌতুক অভিনেতা
ৰাজু শ্ৰীবাস্তৱ
জন্ম : ইং ২৫-১০-১৯৬৩
মৃত্যু : ইং ২১-০৯-২০২২


নৃত্যবিদ
পণ্ডিত বিৰজু মহাৰাজ
জন্ম : ইং ০৪-০২-১৯৩৮
মৃত্যু : ইং ১৬-০১-২০২২



কণ্ঠশিল্পী
সিদ্ধু মুছেৱালা
জন্ম : ইং ১১-০৬-১৯৯৩
মৃত্যু : ইং ২৯-০৫-২০২২


বিশিষ্ট পণ্ডিত
বুঢ়া সত্ৰীয়া বশিষ্ঠ দেৱ শৰ্মা
জন্ম : ইং ০১-০৪-১৯৩৮
মৃত্যু : ইং ২৪-১০-২০২২


কণ্ঠশিল্পী
অপূৰ্ব বেজবৰুৱা
জন্ম : ইং ১৫-১০-১৯৫১
মৃত্যু : ইং ০৯-০২-২০২২


চিত্ৰশিল্পী
বৰীন বৰুৱা
জন্ম : ইং ১৫-০৮-১৯৫০
মৃত্যু : ইং ২০-০৬-২০২২


মহাৰাণী
এলিজাবেথ
জন্ম : ইং ০৬-০২-১৯৫২
মৃত্যু : ইং ০৮-০৯-২০২২


ৰাজনীতিবিদ
মিখাইল গৰ্বাচেভ
জন্ম : ইং ০২-০৩-১৯৩১
মৃত্যু : ইং ৩০-০৮-২০২২


জাপানৰ প্ৰধানমন্ত্ৰী
পদ্ম বিভূষণ শিনজো আবে
জন্ম : ইং ২১-০৯-১৯৫৪
মৃত্যু : ইং ০৮-০৭-২০২২

এই মহান ব্যক্তিসকলৰ উপৰিও
জ্ঞাতে-অজ্ঞাতে বিশ্বৰ বিভিন্ন প্ৰান্তত জীৱন-বন্তি নিৰ্বাপিত হোৱা
মহান ব্যক্তিসকললৈ 'সুদক্ষিণা'ৰ জৰিয়তে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

—সম্পাদনা সমিতি

ৰণোজ পেগু
মন্ত্ৰী
শিক্ষা, জনজাতি পৰিক্ৰমা (ভৈয়াম)
খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু
সংস্কৃতি (সংগ্ৰহালয় আৰু পুথিভঁৰাল
সঞ্চালকালয়)

ব্লক - বি, তৃতীয় মহলা,
জনতা ভৱন, দিশপুৰ,
গুৱাহাটী - ৭৮১০০৬
দূৰভাষ ঃ ০৩৬১-২২৩৭০২৩
৯৯৫৪৭০৩৮২৫



## শুভেচ্ছাবাণী

মই জানিবলৈ পাই সুখী হৈছোঁ যে কামৰূপ জিলাস্থিত নাৰী শিক্ষাৰ অন্যতম আৰু এক অগ্ৰণী শিক্ষানুষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ "সুদক্ষিণা" প্ৰকাশৰ দিহা কৰা হৈছে।

শিক্ষাই মানুহক জ্ঞানৰ পোহৰ দিয়ে, প্ৰগতিৰ পথ দেখুৱায়। মহিলাসকলৰ শিক্ষাৰ ওপৰত দেশ এখনৰ আভ্যন্তৰীণ বিকাশ নিৰ্ভৰ কৰে। মহিলাসকল শিক্ষিত হৈ নুঠিলে দেশ আৰু সমাজখন শিক্ষিত হ'ব নোৱাৰে। কাৰণ মহিলাসকল শিক্ষিত হ'লেহে তেঁওলোকৰ মাধ্যমেৰে সমাজৰ আন এটা প্ৰজন্মলৈ শিক্ষা সম্প্ৰসাৰিত হ'ব।

মহাবিদ্যালয় এখনৰ বাৰ্ষিক আলোচনী বা মুখপত্ৰ খনৰ যথেষ্ট গুৰুত্ব আছে। কাৰণ ইয়াৰ জৰিয়তে ছাত্ৰী সকলৰ মাজত লিখাৰ অভ্যাস জাগ্ৰত হোৱাৰ উপৰিও শিক্ষানুষ্ঠান খনৰ উল্লেখনীয় কৰ্মৰাজী সমূহ সমাজৰ সন্মুখত দাঙি ধৰিব।

মই সম্পাদনা সমিতিৰ সদস্য সকলক তেওঁলোকৰ এই প্ৰয়াসৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে মুখপত্ৰ খনে পাঠকৰ সমাদৰ লাভ কৰিব বুলি আশা কৰি শিক্ষানুষ্ঠান খনৰ উজ্জ্বল ভৱিষ্যত আন্তৰিকতাৰে কামনা কৰিলো।

ৰণোজ পেগু


(ডাঃ ৰণোজ পেগু)

Mr. Hemanga Thakuria, M.Sc, LLB, MBA
MLA, 50 No. Palasban Constituency, Assam

98640-24976 / 86382-32601 (M)
E-mail: hemangat@rediffmail.com

Ref.

Date : 24-07-2023



## শুভেচ্ছাবাণী

আমাৰ পলাশবাৰী সমষ্টি লগতে সমগ্ৰ দক্ষিণ কামৰূপৰ নাৰীশিক্ষাৰ উন্নত শিক্ষানুষ্ঠান মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশন "সুদক্ষিণা"ৰ ২০২১-২০২২ বৰ্ষৰ সংখ্যাটি প্ৰকাশ পাব বুলি জানিব পাৰি আনন্দিত হৈছো। মই আশা কৰিছো যে বিগত বৰ্ষবিলাকত যিদৰে বহুজন স্বনামধন্য সাহিত্যিক আৰু লেখক লেখিকাই গঠনাত্মক দিশত থকা উন্নত লিখনীৰ জৰিয়তে 'সুদক্ষিণা'ৰ স্তৰ উন্নতমানৰ কৰিছিল ঠিক তেনেদৰে এই বৰ্ষৰ প্ৰকাশিত হ'ব লগীয়া লিখনী বিলাকে অকল আমাৰ শিক্ষাৰ্থীসকলোকে নহয় গোটেই দক্ষিণ কামৰূপৰ সমাজ জীৱনত বহু গঠনাত্মক বাৰ্তা প্ৰেৰণ কৰিব। মই মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলক, শিক্ষক-শিক্ষয়িত্ৰি, কৰ্মচাৰীবৃন্দ, অভিভাৱক আৰু মহাবিদ্যালয়ৰ সমূহ শুভাকাংক্ষীক আন্তৰিক হিয়াভৰা শুভেচ্ছা জ্ঞাপন কৰিছো। আৰু মহাবিদ্যালয়ৰ উন্নতি কামনা কৰিছো।

হেমাংগ ঠাকুৰীয়া

**(হেমাংগ ঠাকুৰীয়া)**
বিধায়ক
৫০ নং পলাশবাৰী বিধানসভা সমষ্টি, অসম

**ড° ৰমেশ চন্দ্ৰ কলিতা**
সভাপতি, পৰিচালনা সমিতি
দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা



# শুভেচ্ছাবাণী

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশন 'সুদক্ষিণা' প্ৰকাশৰ পথত উপনীত হোৱা বুলি জানিবলৈ পাই যথেষ্ট আনন্দিত হৈছোঁ।

মহাবিদ্যালয়ৰ এই বাৰ্ষিক আলোচনীখনে ছাত্ৰীসকলৰ চিন্তা, যুক্তি, কল্পনা আৰু সৃজনীশক্তিৰ বিকাশ ঘটোৱাত সহায় কৰিব। মোৰ বিশ্বাস যে, এই সংখ্যাটিত ছাত্ৰী, শিক্ষক-কৰ্মচাৰী সকলোৰে লিখনিয়ে এক উৎকৃষ্ট মান লাভ কৰিব। মই এই সুযোগতে সুদক্ষিণাৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ আৰু মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গলৈও আন্তৰিক শুভকামনা জনালোঁ।

সুদক্ষিণাৰ এই সংখ্যাটিয়ে পঢ়ুৱৈসকলক সন্তুষ্টি প্ৰদান কৰিব বুলি আশা ৰাখিলোঁ।

ৰমেশ চন্দ্ৰ কলিতা
(ড° ৰমেশ চন্দ্ৰ কলিতা)

দিনাংক ঃ ইং ২৪-০৭-২০২৩

*Anil Das*
Barnil Tower, Mirza - Palashbari Road
Kamrup (R) - 781125
Contact No. : 90856-75105



# শুভেচ্ছাবাণী

ঐতিহ্যমণ্ডিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ২০২১-২২ বৰ্ষৰ বাৰ্ষিক মুখপত্ৰ 'সুদক্ষিণা' প্ৰকাশৰ বাবে পূৰ্ণ প্ৰস্তুতি চলা বুলি জানিবলৈ পাই মই অতিশয় আনন্দিত হৈছোঁ। মহাবিদ্যালয়খনৰ মুখপত্ৰ 'সুদক্ষিণা'ৰ জৰিয়তে ছাত্ৰীসকলৰ সামাজিক, সাংস্কৃতিক, শৈক্ষিক, সাহিত্যিক সকলো দিশতে বৌদ্ধিক চিন্তা-চৰ্চাৰ প্ৰতিফলন ঘটিব বুলি পৰম আশা কৰিলোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অনাশিক্ষক কৰ্মচাৰী আৰু ছাত্ৰীসকললৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

ধন্যবাদেৰে—
**অনিল দাস**

# অধ্যক্ষৰ কলম

১২/০৫/২০২২ ইং তাৰিখে অধ্যক্ষ হিচাপে দায়িত্ব লোৱাৰেপৰা অন্তঃকৰণেৰে দুটামান লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি এদিনো জিৰণি নোলোৱাকৈ কামত অগ্ৰসৰ হৈ আহিছোঁ। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ক উন্নতিৰ পথত আগুৱাই নিয়া, মহাবিদ্যালয়খনৰ মানদণ্ড উন্নত কৰা আৰু মহাবিদ্যালয়খনক অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে গঢ়ি তোলাই হ'ল আমাৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্য। এই সপোন আগত ৰাখি মহাবিদ্যালয়ৰ বিদ্যায়তনিক কেন্দ্ৰবিন্দু কেন্দ্ৰীয় গ্ৰন্থাগাৰটোৰ উন্নীতকৰণৰ চিন্তা কৰি আমি স্থানীয় বিশিষ্ট সমাজসেৱক তথা উচ্চ মানৰ ব্যৱসায়ী, উদ্যোগপতি, মহানুভৱ শ্ৰীঅনিল দাসদেৱৰ ওচৰলৈ যাওঁ। তেখেতক আমি অনুৰোধ জনাওঁ যে, আমাৰ মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰটো নতুনকৈ নিৰ্মাণ কৰি সমগ্ৰ দক্ষিণ কামৰূপ অঞ্চলৰ শিক্ষাৰ ক্ষেত্ৰখনক আগুৱাই নিয়াৰ ক্ষেত্ৰত এক সবল নেতৃত্ব লওক। শ্ৰীদাসদেৱে আমাৰ অনুৰোধ ৰক্ষা কৰি 'কেন্দ্ৰীয় গ্ৰন্থাগাৰ'টো আধুনিক ৰূপত নিৰ্মাণ কৰিবলৈ লয়। ৩০/০৬/২০২২ ইং তাৰিখে শুভ মুহূৰ্তত তিনিমহলীয়া 'কেন্দ্ৰীয় গ্ৰন্থাগাৰ'ৰ শিলান্যাস তেখেতৰদ্বাৰাই সম্পন্ন হয় আৰু ৩০/০৭/২০২৩ ইং তাৰিখে ই সম্পূৰ্ণ হৈ উঠে। অতি কম দিনৰ ভিতৰতে সম্পূৰ্ণ হোৱা 'কেন্দ্ৰীয় গ্ৰন্থাগাৰ'টোৰ সন্মুখ আৰু ভিতৰৰ Furniture, Partition, Electrification, Academic Discussion Roomকে ধৰি সমস্ত ব্যৱস্থা তেখেতেই সম্পূৰ্ণ কৰি দিয়ে। একেধৰণে দক্ষিণ কামৰূপকে ধৰি সমগ্ৰ অসমৰ বিভিন্ন স্থানত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানলৈ আগবঢ়োৱা তেখেতৰ অনবদ্য বৰঙণি উজলি আছে। আমাৰ দৃষ্টিত শ্ৰীঅনিল দাসদেৱে কষ্টোপাৰ্জিত ধনেৰে নিৰ্মাণ কৰি দিয়া দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ 'কেন্দ্ৰীয় গ্ৰন্থাগাৰ'টো অসমৰ মহাবিদ্যালয়সমূহৰ ভিতৰত এটা আগশাৰীৰ গ্ৰন্থাগাৰ। এই গ্ৰন্থাগাৰটো অহা ০৩/০৮/২০২৩ ইং তাৰিখে শুভ উদ্বোধন কৰিব বিশিষ্ট সমাজসেৱী তথা প্ৰাইড্ ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক শ্ৰীৰিণিকি ভূঞা শৰ্মাই।

আমাৰ মহাবিদ্যালয়ৰ দীৰ্ঘদিনীয়া এটা সমস্যা হ'ল মহাবিদ্যালয়ৰ কেণ্টিনৰ। সেই সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি কেণ্টিনৰ স্থায়ী সমাধানৰ বাবে আটকধুনীয়া আহল-বহল কেণ্টিন গৃহ নিৰ্মাণ কৰা হয় আৰু যোৱা ২০/০৭/২০২৩ ইং তাৰিখে মহাবিদ্যালয় পৰিচালনা সমিতিৰ মাননীয় সভাপতি ড° ৰমেশ চন্দ্ৰ কলিতাদেৱে নৱ-নিৰ্মিত কেণ্টিনখনৰ শুভ উদ্বোধন কৰে। ইতিমধ্যে সন্মানীয় বিধায়ক শ্ৰীযুত হেমাংগ ঠাকুৰীয়াদেৱৰ উদ্যোগত মুখ্যমন্ত্ৰী মহোদয়ৰ 'আনটাইড ফাণ্ড'ৰ ধনেৰে মুকলি মঞ্চ এখন নিৰ্মাণৰ কাম আৰম্ভ হৈছে। পূৰ্বৰ এটা Digital Classroomৰ লগতে বৰ্তমান পুনৰ চাৰিটা Smart Classroom সংযোগ কৰি মুঠ পাঁচটা Smart Classroom সংস্থাপন কৰা হয়। ইয়াৰে এটা Smart Classroomৰ আভ্যন্তৰীণ Digital আৰু Electronics সামগ্ৰীসমূহ নিজা খৰচেৰে দান দি সংস্থাপন কৰি দিব মাননীয় যুৱ সমাজসেৱক শ্ৰীযুত হিমাংশু শেখৰ বৈশ্যদেৱে। ইতিমধ্যে কাৰ্যব্যৱস্থা হাতত লোৱা হৈছে। Departmental Complexৰ সন্মুখত বাৰাণ্ডাৰ ষ্টীল ৰেলিং আৰু গ্ৰীলেৰে সৈতে নতুন ফুলনি বাগিচা এখন বিশিষ্ট ব্যৱসায়ী তথা সমাজকৰ্মী মাননীয় শ্ৰীযুত নাৰায়ণ চৌধুৰীদেৱৰ দানেৰে তৈয়াৰ কৰা হয়। Sun Pharma কোম্পানীয়ে আগবঢ়াইছে দহটা Solar Light।

বিগত তিনি বছৰ ধৰি বন্ধ হৈ থকা 'মামণি ৰয়ছম গোস্বামী ছাত্ৰী নিবাস'টো নতুন ৰূপত সজাই পুনৰ সঞ্চালন কৰা হৈছে। চৰকাৰী অনুমতি নোপোৱাত 'ৰুচা' অনুদানেৰে নিৰ্মিত বিজ্ঞান ভৱনটো Laboratory Building হিচাপে ব্যৱহাৰ কৰাৰ উপযুক্ত ব্যৱস্থা কৰা হয়। পূৰ্বৰ সৰু Computer Labটোক মুঠ ২৫টা কম্পিউটাৰ যুক্ত কৰি নতুন ৰূপ দিয়া হয়। গাৰ্হস্থ্য বিজ্ঞান বিভাগ আৰু Laboratory, Education Laboratory, স্বাৱলম্বী ভাৰত অভিযানৰ উত্তৰ-পূৰ্বাঞ্চলৰ মূল তথ্যকেন্দ্ৰ, ছাত্ৰী একতা সভাৰ কাৰ্যালয়, ছাত্ৰী জিৰণি কোঠা, N.S.S. কাৰ্যালয়, Career Guidance Cell কাৰ্যালয় আদি নতুনকৈ গঢ়ি তোলা হয়।

এই সময়ছোৱাতেই মহাবিদ্যালয়ৰ কেইবাটাও গুৰুত্বপূৰ্ণ কাম সম্পন্ন কৰা হয়। তাৰ ভিতৰত Green Audit, Academic and Administrative Audit আৰু Energy Audit কৰা হৈছে। ৩৫ বছৰৰ পিচত মহাবিদ্যালয়ৰ Permanent Affiliationৰ কাম শেষ পৰ্যায়ত আছে। Society Registrationৰ ম্যাদ উকলি যোৱাত বহু অনুসন্ধানৰ পিচত Renew কৰা হৈছে। ছাত্ৰীসকলৰ সুবিধাৰ বাবে 40 K.V.ৰ দুটা নতুন Power Generator (D.G.)ৰ ব্যৱস্থা কৰা হয়। ইয়াৰে এটা ইতিমধ্যে সংস্থাপিত হৈছে আৰু আনটো হোৱাৰ পথত। ছাত্ৰীসকলৰ খোৱাপানীৰ সমস্যা সমাধান কৰিবলৈ দুটা ডাঙৰ Water Cooler সংস্থাপন কৰা হয়। মহাবিদ্যালয়ত Rain Water Harvestingৰ আন্তঃগাঁথনি সম্পূৰ্ণ কৰা হয়। Waste Managementৰ আঁচনি মতে Degradable আৰু Non-Degradable দুটা পকীগৰ বনোৱা হয়। প্ৰায় ৫০০ আসনযুক্ত Community Hallৰ ব্যৱস্থা কৰা হৈছে। গাড়ী ৰখোৱা চালি নতুনকৈ নিৰ্মাণ কৰা হৈছে। প্ৰাক্তন ছাত্ৰীসকলৰ স্বাৱলম্বনৰ সুবিধাৰ্থে দুখন দোকানৰ গৃহ নিৰ্মাণ কৰা হৈছে। আন দুখন দোকানৰ গৃহ নিৰ্মাণৰ যো-জা চলি আছে।

আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু গ্ৰন্থাগাৰিকৰ লিখনিৰে 'প্ৰজ্ঞা-পুষ্প' শীৰ্ষক গৱেষণামূলক গ্ৰন্থ আমাৰ সম্পাদনাত প্ৰকাশ হৈ ওলায়। মহাবিদ্যালয় প্ৰতিষ্ঠাকালৰেপৰা আজিলৈ চাকৰিসূত্ৰে আমাৰ মহাবিদ্যালয়ত সেৱা আগবঢ়াই অহা অধ্যক্ষসকল আৰু অধ্যাপক-অধ্যাপিকাসকলে লিখা আৰু সম্পাদনা কৰা গ্ৰন্থসমূহৰ Cateloguing গ্ৰন্থ এখন প্ৰকাশৰ পথত। ইয়াৰ উপৰিও ICSSRৰ বিত্তীয় সাহায্যত ৰাষ্ট্ৰীয় পৰ্যায়ৰ দুদিনীয়া আলোচনা চক্ৰ সম্পন্ন হয় আৰু ইয়াৰ আধাৰত প্ৰকাশিত হয় Undivided Kamrup District in India's Freedom Struggle শীৰ্ষক গৱেষণা গ্ৰন্থ ড° বিপুল দলেৰ সম্পাদনাত।

মহাবিদ্যালয় সপ্তাহ, নৱাগত আদৰণি সভা, সৰস্বতী পূজা, মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস, সংগ্ৰহালয় প্ৰতিষ্ঠা দিৱসকে আদি কৰি মহাবিদ্যালয়ৰ নিত্য-নৈমিত্তিক কাৰ্যসমূহ আৰু চৰকাৰী নিৰ্দেশনাও সুচাৰুৰূপে সম্পাদন কৰাৰ উপৰিও ইংৰাজী বিষয়ৰ সহকাৰী অধ্যাপিকাৰ নিযুক্তিৰ লগতে তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীও নিযুক্তি দিয়া হয়। তদুপৰি আন কেইবাটাও গুৰুত্বপূৰ্ণ কামৰ ভিতৰত ৫টা চৰকাৰী পৰীক্ষা সম্পাদন কৰা, চৰকাৰী নিৰ্দেশনা পালন কৰি ৭-১৫ দিনলৈ 'আজাদী কা অমৃত মহোৎসৱ' উদ্‌যাপন, টিলাৰায় দিৱস আদিও সুচাৰুৰূপে পালন কৰা হয়। মহাবিদ্যালয়ৰ বিভিন্ন বিদ্যায়তনিক আৰু অন্যান্য কাৰ্যসূচীত অসম তথা ভাৰতৰ কেবাগৰাকীও প্ৰখ্যাত ব্যক্তিয়ে আমাৰ মহাবিদ্যালয়ত উপস্থিত থাকি আমাক ধন্য কৰিছে।

আমাৰ মহাবিদ্যালয়ৰ ২০২২-২০২৩ শিক্ষাবৰ্ষত মুঠ ছাত্ৰীৰ সংখ্যা এনেধৰণৰ—

| | |
|---|---|
| উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ— | ৫৩৫ |
| উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ— | ৬৫৬ |
| স্নাতক পৰ্যায়ত মুঠ ছাত্ৰী— (৩৪২+৩৮৪+২৪৮) | ৯৭৪ |
| স্নাতকোত্তৰ পৰ্যায়ত মুঠ ছাত্ৰী— (১১+৪) | ১৫ |

যোৱাটো শিক্ষাবৰ্ষত চূড়ান্ত পৰীক্ষাৰ ফলাফল এনেধৰণৰ—

| | |
|---|---|
| উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ— | ৭৬১ |
| উত্তীৰ্ণ— | ৩০৩ |
| প্ৰথম বিভাগ— | ১৬ |
| দ্বিতীয় বিভাগ— | ৪২ |
| তৃতীয় বিভাগ— | ২৪৫ |
| স্নাতকৰ মুঠ পৰীক্ষাৰ্থী— (অনাৰ্চ-১২৮, জেনেৰেল-১১৯) | ২৪৭ |
| উত্তীৰ্ণ— (অনাৰ্চ-১১৫, জেনেৰেল-১০৩) | ২১৮ |
| স্নাতকোত্তৰ শ্ৰেণীৰ মুঠ পৰীক্ষাৰ্থী— | ৫ |
| উত্তীৰ্ণ— | ৫ |

ইতিমধ্যে ২০২৩-২০২৪ বৰ্ষৰ বাবে NEP-2020ৰ আধাৰত SAMARTHৰ মাধ্যমেৰে স্নাতক পৰ্যায়ত নামভৰ্তি চলি আছে।

বৰ্তমান আমাৰ মহাবিদ্যালয়ৰ NAACৰে মূল্যায়নৰ 3rd Cycleৰ বাবে পুৰামাত্ৰেই প্ৰস্তুতি চলি আছে। ইতিমধ্যে IIQA প্ৰেৰণ কৰা হৈছে। আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, গ্ৰন্থাগাৰিক, অনাশিক্ষক কৰ্মচাৰী, বৰ্তমানৰ ছাত্ৰীসকল, প্ৰাক্তন ছাত্ৰী সন্মিলন আৰু অভিভাৱক সন্মিলনকে ধৰি সকলো শ্ৰেণীৰ শুভাকাংক্ষীয়ে মানসিক আৰু শাৰীৰিকভাৱে লাগি থাকি NAACৰে মূল্যায়নৰ বাবে প্ৰস্তুতি চলাইছে। আশা কৰিছোঁ আমি ভাল ফলেই পাম।

মহাবিদ্যালয়ৰ এই সকলোবোৰ উন্নয়নৰ মূল চালিকাশক্তি হ'ল 'মহাবিদ্যালয় পৰিচালনা সমিতি' আৰু IQAC। আমাক সকলো সময়তে দিহা-পৰামৰ্শ দি প্ৰতিটো মুহূৰ্ততে লাগি থাকি বাট দেখুৱাই আগবঢ়াই লৈ যোৱা মহান ব্যক্তিগৰাকী হ'ল মহাবিদ্যালয় পৰিচালনা সমিতিৰ সন্মানীয় সভাপতি ড° ৰমেশ চন্দ্ৰ কলিতাদেৱ। এই সুযোগতে তেখেতলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়

ধন্যবাদেৰে—

(ড° নৰকান্ত অধিকাৰী)

অধ্যক্ষ

# ভাৰপ্ৰাপ্ত অধ্যক্ষৰ একলম

২০২১ চনৰ ৩০ ছেপ্তেম্বৰ তাৰিখে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীয়ে অৱসৰ গ্ৰহণ কৰাত ইতিপূৰ্বে উপাধ্যক্ষ হিচাপে দায়িত্বত থকা সূত্ৰে আমাৰ ওপৰত স্বাভাৱিকভাৱে সাময়িক কালৰ বাবে ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব পৰে। সেই সূত্ৰে এক নিৰ্দিষ্ট সীমাৰ ভিতৰত কাম-কাজ চলাবলগীয়া হয়। কাৰণ পূৰ্ণ পৰ্যায়ৰ অধ্যক্ষৰ কাম কৰাৰ সুবিধাবোৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ নাথাকে। তথাপি গতানুগতিক কামবোৰ, যিবোৰ নকৰিলে নচলে, নিয়াৰিকৈ চলাই নিয়াৰ স্বাৰ্থত সমূহ শিক্ষক-শিক্ষয়িত্ৰীৰ অধিকাংশকে জড়িত কৰি বিভিন্ন সমিতি তথা প্ৰতিখন সমিতিতে এগৰাকীকৈ সমন্বয়কৰ অধীনত কামবোৰ চলাই নিবলৈ চেষ্টা কৰা হৈছিল। সেই সময়ছোৱাত সকলোৱে হাতে-কামে আগবঢ়োৱা সহায়-সহযোগৰ বাবে এই ছেগতে ধন্যবাদ জনাইছোঁ। নামভৰ্তি, পৰীক্ষাৰ যাৱতীয় কাম, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ বহী পৰীক্ষণ কেন্দ্ৰৰ কাম, দা-দৰমহা সংক্ৰান্তীয় আদি কামবোৰ মোৰ কাৰ্যকালত সুচাৰুৰূপে সম্পন্ন হৈছিল বুলি অনুভৱ কৰোঁ। মহাবিদ্যালয়ৰ উত্তৰ দিশৰ অসম আৰ্হিৰ সুবৃহৎ ঘৰটো ভাঙি পেলোৱাত ভঙা শিল, ইটা আদিৰে অসমান হৈ থকা ভেটিটো সমান কৰি, সুবৃহৎ তিনিমহলীয়া আৰ.চি.চি. ঘৰটোৰ সন্মুখৰ মাটিখিনিত বাগিচা এখনি আৰু পথৰ কাম কিছু পৰিমাণে কৰা হৈছিল। ২০২১ চনৰ ২ অক্টোবৰ তাৰিখে মোৰ প্ৰথম কাৰ্যসূচী 'গান্ধী জয়ন্তী'ৰ লগত সংগতি ৰাখি এক বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল। প্ৰাক্তন অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীদেৱে উক্ত অনুষ্ঠানৰ উদ্বোধক আৰু বৃক্ষৰোপক হিচাপে নিমন্ত্ৰণ ৰক্ষা কৰি সৌষ্ঠৱ বৃদ্ধি কৰিছিল। ক'ভিডকালীন পৰিস্থিতিৰ কাৰণে বন্ধ হৈ পৰা ছাত্ৰী একতা সভাৰ নিৰ্বাচন পুনৰ অনুষ্ঠিত কৰি এখনি শক্তিশালী ছাত্ৰী একতা সভা গঠন কৰা হৈছিল; কিন্তু মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা আদি চৰকাৰী বিধিৰ ভিতৰত কৰিবলগীয়া হোৱা বাবে স্বাভাৱিকভাৱে সম্পন্ন কৰিব পৰা নগ'ল।

মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত ড° সৰস্বতী কলিতাৰ ঠাইত নতুনকৈ নিযুক্তি দিয়া আৰু যোগদানৰ যাৱতীয় কাম, ইংৰাজী বিভাগৰ ড° মালবিকা বয়ে স্বেচ্ছা অৱসৰ লোৱাত সেই পদ পূৰণ কৰাৰ বাবে যাৱতীয় পদক্ষেপ সম্পন্ন কৰা হৈছিল। কেৱল সাক্ষাৎকাৰহে বাকী আছিল। সেইদৰে হঠাতে অসম চৰকাৰৰ উচ্চ শিক্ষাধিকাৰৰ নিৰ্দেশ পোৱাত খালী হোৱা অধ্যক্ষ পদ পূৰণৰ কাৰণে অনুমতি, বিজ্ঞাপন, নিমন্ত্ৰণকে ধৰি সকলো ধৰণৰ কামৰ দায়িত্বভাৰ আমাৰ ওপৰত পৰে। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° জগন্নাথ বৰ্মনৰ সহযোগত তথা পৰিচালনা সমিতিৰ নৱনিযুক্ত মনোনীত সভাপতি, দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতাদেৱৰ তত্বাৱধানত এই কাম সম্পন্ন কৰা হৈছিল। আমাৰ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ মুৰব্বী ড° নৱকান্ত অধিকাৰী অধ্যক্ষ হিচাপে বাছনিত উঠে আৰু অনুমোদন লাভ কৰে। ২০২২ চনৰ ১২ মে' তাৰিখে নতুন অধ্যক্ষ হিচাপে ড° নৱকান্ত অধিকাৰীয়ে যোগদান কৰাত মোৰ সাতমহীয়া এঘাৰ দিনীয়া ভাৰপ্ৰাপ্ত অধ্যক্ষৰ কাৰ্যকালৰ অন্ত পৰে। এই ছেগতে ড° অধিকাৰীলৈ মোৰ শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ সমূহ অনাশিক্ষক কৰ্মচাৰী, গ্ৰন্থাগাৰিক আৰু গ্ৰন্থাগাৰৰ অন্যান্য কৰ্মচাৰী, ছাত্ৰী আৰু ছাত্ৰী একতা সভা তথা সমূহ শিক্ষক-শিক্ষয়িত্ৰীকে উক্ত কালছোৱাত কৰা সহায়-সহযোগৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলোঁ। মোৰ কাৰ্যকালত সাহিত্য আৰু আলোচনী বিভাগৰ দায়িত্বত থকা তত্বাৱধায়িকা ড° লীলাৱতী চৌধুৰী বাইদেৱে মহাবিদ্যালয়ৰ আলোচনীখন অশেষ কষ্ট কৰি সময়মতে প্ৰস্তুত কৰি উলিওৱাৰ বাবে বাইদেউলৈ আন্তৰিক ধন্যবাদ আৰু শুভেচ্ছা জ্ঞাপন কৰিলোঁ। মোক বিশেষভাৱে সকলো সময়তে সহায়-সহযোগেৰে আগবঢ়াই নিয়াৰ বাবে ড° জগন্নাথ বৰ্মন বিশেষ শলাগৰ পাত্ৰ হৈ ৰ'ব। শেষত, মহাবিদ্যালয়খনিৰ সৰ্বতো প্ৰকাৰৰ উন্নতি কামনা কৰিলোঁ।

ড° ৰঞ্জন ভূঞা

# তত্ত্বাৱধায়িকাৰ কলম

২০২১-২০২২ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাহিত্য আৰু আলোচনী বিভাগৰ তত্ত্বাৱধায়িকাৰ দায়িত্ব পালনৰ সুযোগ দিয়া বাবে প্ৰথমে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়ক আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। এই দায়িত্ব অতি সুকলমে সম্পন্ন কৰাত অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰীসকলৰ সহায়-সহযোগিতাৰ বাবে আন্তৰিক ধন্যবাদ যাচিছোঁ। এই বৰ্ষটোত ক'ভিডৰ বাবে নিৰ্দিষ্ট সময়ত কলেজ সপ্তাহ পাতিব পৰা নগ'ল। অৱশ্যে কিছুদিন পিচত পতা হয় যদিও আকৌ বন্ধ হৈ যায়। গতিকে 'সুদক্ষিণা'খন সময়মতে উলিয়াব পৰা নগ'ল। সেয়ে পলমকৈ হ'লেও সকলোৰে আন্তৰিক সহযোগিতাৰ বাবে 'সুদক্ষিণা'ক আপোনালোকৰ হাতত দিবৰ বাবে চেষ্টা কৰা হৈছে।

এই বৰ্ষটোত কলেজ সপ্তাহ সম্পূৰ্ণ নহয় যদিও বিভিন্ন বিভাগৰ কাৰ্যসূচী প্ৰায় শেষ হয়। বিশেষকৈ সাহিত্য আৰু আলোচনী বিভাগৰ কাৰ্যসূচী অৰ্থাৎ প্ৰতিযোগিতাসমূহ সম্পূৰ্ণ হয়। বছৰটোৰ বিভিন্ন সময়ত বিভিন্ন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। বিশেষকৈ 'হাৱাঘাট', 'শ্ৰীপঞ্চমী' আৰু 'জোনাকী' উন্মোচন কৰা হয়। ইয়াৰ মাধ্যমত ছাত্ৰীসকলৰ মনৰ ভাব, কল্পনা, চিন্তা-ধাৰণা প্ৰকাশ কৰাৰ সুবিধা পায়। ইয়াৰ উপৰিও 'শ্ৰীপঞ্চমী' সৰস্বতী পূজা উপলক্ষে শিক্ষক-শিক্ষয়িত্ৰীসকলৰদ্বাৰা প্ৰস্তুত কৰা হয়। এই প্ৰাচীৰ পত্ৰিকাখন বিভিন্ন অসুবিধাৰ মাজতো অতি কম সময়ৰ ভিতৰত উলিয়াবলৈ সক্ষম হওঁ।

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সাহিত্যৰ ভঁৰাল 'সুদক্ষিণা'ই পৰিপূৰ্ণ কৰক— তাৰেই আশা ৰাখিলোঁ। লগতে এই ভঁৰাল চহকী কৰাৰ বাবে ছাত্ৰীসকলক আদৰণি জনালোঁ। 'সুদক্ষিণা'ৰ পাতে পাতে ছাত্ৰীসকলৰ ভিন্নমুখী চিন্তাধাৰাই ঠাই পাওক— তাৰেই কামনা কৰিলোঁ। মহাবিদ্যালয় সপ্তাহত সাহিত্য আৰু আলোচনী বিভাগৰপৰা বিভিন্ন প্ৰতিযোগিতা পতা হয়। এই প্ৰতিযোগিতাসমূহত উচ্চ মাধ্যমিকৰপৰা স্নাতকোত্তৰ শ্ৰেণীলৈ সকলো ছাত্ৰীয়ে অংশগ্ৰহণ কৰি সাহিত্যৰ প্ৰতি থকা অনুৰাগ প্ৰকাশ কৰে। এই অনুষ্ঠানটি সুকলমে সম্পন্ন কৰাত সহায় কৰা বাবে ছাত্ৰীসকলক আন্তৰিক ধন্যবাদ জনাইছোঁ। সাধাৰণতে মনৰ চিন্তা, আৱেগ-অনুভূতি আৰু সৃজনীশক্তিক সাহিত্য আৰু সংস্কৃতিয়ে নতুন ৰূপত সজাই তুলিব পাৰে। সেয়ে ছাত্ৰীসকলক এই দিশটো আন্তৰিকতাৰে আঁকোৱালি লোৱাৰ বাবে আহ্বান জনালোঁ। যাতে ভৱিষ্যতে 'সুদক্ষিণা'ৰ মানদণ্ডই সকলোকে আকৰ্ষণ কৰিব পাৰে।

পলাশবাৰী সমষ্টিৰ মাননীয় বিধায়ক শ্ৰীযুত হেমাংগ ঠাকুৰীয়াদেৱে তেখেতৰ বহুমূলীয়া সময় খৰচ কৰি 'সুদক্ষিণা'লৈ শুভেচ্ছাবাণী পঠোৱা বাবে আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ।

অসমৰ মাননীয় শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুদেৱে তেখেতৰ বহুমূলীয়া সময় খৰচ কৰি 'সুদক্ষিণা'লৈ শুভেচ্ছাবাণী পঠোৱা বাবে আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ।

মাননীয় ড° ৰমেশ চন্দ্ৰ কলিতা আৰু মাননীয় শ্ৰীযুত অনিল দাসে বহুমূলীয়া সময় খৰচ কৰি 'সুদক্ষিণা'লৈ শুভেচ্ছাবাণী পঠোৱা বাবে শ্ৰদ্ধা নিবেদন কৰিছোঁ।

শেষত 'সুদক্ষিণা' প্ৰস্তুতকৰণত প্ৰথমৰপৰা শেষলৈ দিহা-পৰামৰ্শ আগবঢ়াই অহা মাননীয় অধ্যক্ষ ড° নৱকান্ত অধিকাৰীদেৱলৈ কৃতজ্ঞতা জনালোঁ। লগতে উপাধ্যক্ষ, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দলৈ 'সুদক্ষিণা' সম্পাদনা সমিতিৰ ফালৰপৰা আন্তৰিক ধন্যবাদ জনালোঁ আৰু শ্ৰীবিষ্ণু অফছেট প্ৰেছৰ স্বত্বাধিকাৰীৰ লগতে কৰ্মচাৰীবৃন্দলৈ কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত সম্পাদনা সমিতিৰ সভাপতি অধ্যক্ষ মহাশয়, শিক্ষক সদস্য ড° জগন্নাথ বৰ্মনক ধন্যবাদ জ্ঞাপন কৰিলোঁ। মৰমৰ ছাত্ৰী জিণ্টি দাসে সকলো সময়তে সহায়-সহযোগিতা আগবঢ়োৱা বাবে ধন্যবাদ যাচিছোঁ। লগতে সম্পাদিকা অঞ্জলি নাথ, হৰ্ষিতা গোস্বামী, সুস্মিতা মালী আৰু মোক সহায় আগবঢ়াই থকা ছাত্ৰীসকলক মৰম যাচি 'সুদক্ষিণা'ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'

ধন্যবাদেৰে—

লীলাৱতী চৌধুৰী

(ড° লীলাৱতী চৌধুৰী)

তাৰিখ ঃ ২৬ জুলাই, ২০২৩ ইং চন

## সম্পাদকীয়...



প্ৰতিবেদনৰ আৰম্ভণিতে পৰম সৃষ্টিকৰ্তা আৰু যিসকল ব্যক্তিয়ে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খনৰ বাবে অশেষ পৰিশ্ৰমৰ ফলত মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল, সেইসকল ব্যক্তিৰ নাম স্মৰণ কৰি মই মোৰ বছৰেকীয়া সম্পাদকীয়ৰ কলম ধৰিলোঁ।

২০২১-২২ ইং বৰ্ষৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা হিচাপে মোক নিৰ্বাচিত কৰা মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ভণ্টি-বান্ধৱী আৰু মৰমৰ বাইদেউসকলক মই আন্তৰিকতাৰে ধন্যবাদ জনাইছোঁ।

এবছৰীয়া কাৰ্যকালত হোৱা মহাবিদ্যালয় সপ্তাহ উপলক্ষে সাহিত্য আৰু আলোচনী বিভাগৰ ফালৰপৰা বিভিন্ন প্ৰতিযোগিতাসমূহ পতা হয়। যিহেতু ক'ৰোণা মহামাৰীৰ আতংকৰ বাবে সমগ্ৰ বিশ্বত ক'ভিড প্ৰট'কল মানি চলি প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে কৰিবলগা হয়; কিন্তু ক'ভিডৰ বাবে আমাৰ মহাবিদ্যালয় সপ্তাহৰ মুকলি সভাখন অনুষ্ঠিত কৰা নহ'ল। তদুপৰি অন্যান্য বছৰৰ দৰে এইবেলিও আয়োজিত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী মাৰ পূজাত অতি কম সময়ত প্ৰাচীৰ পত্ৰিকা 'শ্ৰীপঞ্চমী' প্ৰকাশ কৰা হয়। উন্মোচন কৰে ড° নৱকান্ত অধিকাৰী মহোদয়ে।

তৃতীয় কাৰ্যসূচী আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে প্ৰাচীৰ পত্ৰিকা 'হাবাঘাট'ৰ প্ৰথম সংখ্যাত আমাৰ ছাত্ৰীসকলৰ মনৰ চিন্তা-ধাৰণা প্ৰকাশ কৰাৰ বাবে চেষ্টা কৰিছোঁ। উন্মোচন কৰে জিনু দাস বাইদেৱে। আমাৰ মহাবিদ্যালয়ত নতুনকৈ নামভৰ্তি কৰা ছাত্ৰীসকলৰ বাবে নৱাগত আদৰণি সভা পতা হয়। আদৰণি সভাখন শৃংখলাবদ্ধভাৱে চলাই নিয়া হয়। সেই দিনটোতেই প্ৰাচীৰ পত্ৰিকা দুখনকৈ উন্মোচন কৰা হয়। প্ৰথম হৈছে প্ৰাচীৰ পত্ৰিকা 'হাবাঘাট'ৰ দ্বিতীয় সংখ্যা, উন্মোচন কৰে ড° জগন্নাথ বৰ্মন ছাৰে। লগতে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক বেদব্ৰত দাসে 'জোনাকী' দ্বিতীয়খন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে।

আলোচনী হ'ল ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল প্ৰতিভা বিকাশৰ থলী। একো একোখন আলোচনীয়ে জন্ম দিয়ে বহু নতুন লেখক আৰু প্ৰসাৰিত কৰে বহু অখ্যাত-বিখ্যাত লেখকৰ। এখন আলোচনী অকল লেখক আৰু প্ৰকাশকতকৈ তাৰ পঢ়ুৱৈ সমাজৰ ওপৰত বেছি নিৰ্ভৰশীল।

মোৰ কাৰ্যকালত তত্ত্বাৱধায়িকা ড° লীলাৱতী চৌধুৰী বাইদেৱে মোৰ প্ৰতিটো পদক্ষেপতে অতি নিষ্ঠাৰে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়ায়। প্ৰাচীৰ পত্ৰিকাৰ কামেই হওক অথবা সাহিত্য চ'ৰাৰ অনুষ্ঠান আয়োজনৰ কামেই হওক, ব্যস্ততাৰ সেই দিনবোৰত আমাৰ ভাগৰ লগা নাছিল। চেমিম চুলতানা বাইদেউ আছিল বিশেষ সাৰথি। বাইদেউসকলৰ পৰামৰ্শ আৰু সহযোগিতাৰে কামবোৰ চলাই নিয়াত সাহস দিছিল। আমি কিমান সফল আছিলোঁ, সেই কথা ক'বলৈ নাযাওঁ; কিন্তু তেতিয়া কৰা কামবোৰৰপৰা আমি অজস্ৰ শিকিবলৈ পাইছিলোঁ।

'সুদক্ষিণা' সম্পাদনাত মোক সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° নৱকান্ত অধিকাৰ ছাৰৰ লগতে উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা ছাৰ আৰু মোৰ তত্ত্বাৱধায়িকা ড° লীলাৱতী চৌধুৰী বাইদেউ, অসমীয়া বিভাগৰ অধ্যাপক ড° জগন্নাথ বৰ্মন ছাৰ আৰু ড° প্ৰশান্ত বৰা ছাৰলৈ মই মোৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ।

'সুদক্ষিণা' সম্পাদনা সমিতিৰ সমূহ সদস্য-সদস্যাবৃন্দ, ছাত্ৰী একতা সভাৰ সদস্যাবৃন্দ, কৰ্মচাৰীবৃন্দ, লগতে এন.এছ.এছ. ইউনিটৰ ছাত্ৰীসকলকো কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তাৰ মাজতে প্ৰতিটো কামতে সহায়ৰ হাত আগবঢ়োৱা মোৰ মৰমৰ জিন্টি তালুকদাৰ, লিনু কুমাৰী, ফুলমণি কুমাৰী, সংগীতা দাস, নিৰ্মালী ঠাকুৰীয়া, সুনীতা বড়ো, ধৰিত্ৰী ৰাভা, অৰ্চনা হাজৰিকা, চেহেনাজ পাৰবিন, জয়শ্ৰী বৰ্মন, নাজমিন বেগম, অঞ্জলি হাজৰিকা আৰু যিসকল ভণ্টি-বান্ধৱীয়ে মোক সহায়ৰ হাত আগবঢ়াই মোৰ কাৰ্যসমূহ সম্পন্ন কৰাত সহায় কৰিছে, সেইসকললৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত জ্ঞাতে-অজ্ঞাতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি 'সুদক্ষিণা'ৰ লগতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি সম্পাদকীয়ৰ কলম ইমানতে সামৰণি মাৰিছোঁ।

'জয় আই অসম'
'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'
'জয়তু ছাত্ৰী একতা সভা'

ধন্যবাদেৰে—
অঞ্জলি নাথ

## সূচীপত্ৰ


**প্ৰবন্ধ শিতান**

- পিতৃ-মাতৃৰ প্ৰতি অনুভৱ — সংগীতা বৈশ্য — ১
- মহাত্মা গান্ধীৰ দৰ্শন — কমলেশ্বৰ বৰা — ২
- তীৰ্থনাথ শৰ্মাৰ 'নাহস্যিক মাধৱদেৱ' তুলনামূলক সমালোচনাৰ অনন্য নিদৰ্শন — ড° জাহ্নৱী দেৱী — ৬
- New Economic Policy of India-2023 — Dr. Nibedita Devi — ৮
- Integration of Personality in Psychoanalysis and Yoga — Alaka Das — ১০
- নৱকান্ত বৰুৱাৰ 'এটা প্ৰেমৰ পদ্য' — ড° জগন্নাথ বৰ্মন — ১২
- Regionalism in India and Future of Regional Politics in Assam — Dr. Haren Ch. Kalita — ১৪

**কবিতা শিতান**

- জন্মভূমি — লভিতা দাস — ১৬
- Midnight Guest — Dr. Ranjan Bhuyan — ১৬
- অস্তিত্বহীন এক জীৱন — মধুস্মিতা ৰাভা — ১৭
- জীৱন — টিনা মালী — ১৭
- তুমি এবি গ'লে — চন্দামিতা শৰ্মা — ১৮
- মৰমৰ মৃগাংক — বনজিতা ৰাভা — ১৮
- মা — পম্পী দাস — ১৯
- নষ্টালজিয়া — বৰষা কলিতা — ১৯
- মা — বন্দনা ৰাভা — ২০
- সপোন — তৰালি দাস — ২০
- জাক হেৰুওৱা পখীৰ বিননি — মিনা ৰাভা — ২১
- ৰাতিপুৱা — হিমাশ্ৰী দাস — ২১
- আই — পল্লৱী দাস — ২১
- অনাগত কাল — কৰবী দাস — ২২
- মায়াৰ বান্ধোন — টিনা তালুকদাৰ — ২২
- বন্ধু — দীপামণি দাস — ২৩
- পাহিত নিয়ৰৰ টোপাল — চন্দ্ৰমা দেৱী — ২৩
- শৰৎ — জুবি বৈশ্য — ২৪
- ধনতকৈ বিদ্যা শ্ৰেষ্ঠ — নিৰ্মালী ঠাকুৰীয়া — ২৪
- দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় — ৰঞ্জিতা ৰাভা — ২৪

**গল্প শিতান**

- সপোন — টিনা কলিতা — ২৫
- নীতাৰ সপোন — জুবলী তালুকদাৰ — ২৬
- অলংকাৰ — প্ৰিয়ংকা কলিতা — ২৭
- মমতাৰ জীৱনৰ লক্ষ্য — গৰিমা দাস — ২৮

**সংস্কৃতি শিতান**

- অংকীয়া নাটৰপৰা মাতৃভাষাৰ নাট (ভাওনা)লৈ বিকাশ আৰু পৰিবৰ্তন — ড° প্ৰশান্ত বৰা — ২৯
- বিহুগীতত অসমীয়া সমাজ জীৱনৰ প্ৰতিচ্ছবি — ড° লীলাৱতী চৌধুৰী — ৩৩
- কামৰূপীয়া নিচুকণি গীত — যমুনা মালী — ৩৫

অনুভৱ শিতান


| | | |
|---|---|---|
| ❑ আজিৰ নৱ প্ৰজন্ম আৰু এক অনুভৱ | ➻ চন্দামিতা শৰ্মা | ৩৭ |
| ❑ অ'স্কাৰ হোল | ➻ মল্লিকা দাস | ৩৯ |
| ❑ বতৰ আৰু জলবায়ু | ➻ মন্দিৰা দলৈ | ৪০ |
| ❑ **Lipstick Under Our Masks** | ➻ **Nitumoni Das** | ৪১ |
| ❑ সপোন আৰু বাস্তৱৰ স্বীকাৰোক্তি | ➻ জুৰি মহন্ত | ৪২ |
| ❑ **Save water and save life** | ➻ **Nabanita Rabha** | ৪৩ |
| ❑ এৰি অহা দিনবোৰ | ➻ ৰূপালী ৰাভা | ৪৪ |


'শ্ৰীপঞ্চমী' শিতান


| | | |
|---|---|---|
| ❑ ধৰ্ম, অধৰ্ম | ➻ ড° নিবেদিতা দেৱী | ৪৬ |
| ❑ শ্ৰীশ্ৰীসৰস্বতী দেৱী | ➻ ড° লীলাৱতী চৌধুৰী | ৪৬ |
| ❑ মহীয়সী নাৰী জয়মতী চৰিত্ৰত একলম | ➻ যমুনা মালী | ৪৭ |
| ❑ ম'বাইলৰ অভিজ্ঞতা | ➻ ইন্দ্ৰাণী দেৱী | ৪৮ |
| ❑ সোণোবালী সূতাৰ দেশ আমাৰ অসম | ➻ ড° মনশ্ৰী দাস | ৪৮ |
| ❑ প্ৰাচীন অসমত সূৰ্য পূজা : এক ঐতিহাসিক অৱলোকন | ➻ সংঘমিত্ৰা সিনহা | ৪৯ |
| ❑ গৃহ বিজ্ঞানৰ ছাত্ৰী | ➻ ৰুক্মিণী বড়া | ৪৯ |
| ❑ দেখখেন গেল্ কিবা এটা কৰ | ➻ ড° জগন্নাথ বৰ্মন | ৫০ |
| ❑ আইনা | ➻ শেৱালি মেধি | ৫০ |
| ❑ ডি. কে. জি. চি. | ➻ ড° জাহ্নৱী দেৱী | ৫০ |


সাহিত্য আৰু আলোচনী বিভাগৰ প্ৰতিযোগিতা শিতান


| | |
|---|---|
| ❑ থিতাতে লিখা ৰচনা প্ৰতিযোগিতা | ৫১-৫৩ |
| ❑ থিতাতে লিখা ৰস-ৰচনা প্ৰতিযোগিতা | ৫৪-৫৫ |
| ❑ থিতাতে লিখা কবিতা প্ৰতিযোগিতা | ৫৬ |
| ❑ থিতাতে লিখা পেৰডী কবিতা প্ৰতিযোগিতা | ৫৭ |
| ❑ থিতাতে লিখা মুকলি চিঠি প্ৰতিযোগিতা | ৫৮ |
| ❑ থিতাতে লিখা চুটিগল্প প্ৰতিযোগিতা | ৫৯-৬১ |
| ❑ আকস্মিক লিখিত প্ৰতিযোগিতা | ৬২-৬৩ |
| ❑ **Different Activities of N.S.S. Unit : 2021-2022** | ৬৪-৬৬ |
| ❑ বিভাগীয় প্ৰতিবেদন | ৬৭-৮১ |
| ❑ ২০২১-২০২২ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাসমূহৰ ফলাফল | ৮২-৮৩ |
| ❑ **Students who successfully completed B.A. in Major Course in the Year 2021** | ৮৪ |
| ❑ **Students who successfully completed M.A. in Assamese in the Year 2021** | ৮৫ |
| ❑ **Achievement of Our College : 2021-2022** | ৮৫ |
| ❑ **Principal and Teaching Staff** | ৮৬ |
| ❑ **Library Staff of Our College** | ৮৬ |
| ❑ **The Non-Teaching Staff of Our College** | ৮৭ |
| ❑ **The Union Body and the Teacher In-Charge** | ৮৭ |
| ❑ **Governing Body : 2021-2022** | ৮৮ |
| ❑ **Ex-Editors and In-Charges of 'Sudakshina'** | ৮৯ |
| ❑ **General Secretaries of the Student's Union since-1988** | ৯০ |
| ❑ মহাবিদ্যালয় সংগীত | ৯১ |


o o o o o

# প্ৰবন্ধ শিতান

## পিতৃ-মাতৃৰ প্ৰতি অনুভৱ


◆ সংগীতা বৈশ্য
স্নাতক প্ৰথম ষাণ্মাসিক


পিতৃ-মাতৃ হ'ল আমাৰ জন্মদাতা, পালনকৰ্তা আৰু জীৱনৰ দিশ নিৰ্ণয়কাৰী। পিতৃ-মাতৃৰ যেনেদৰে এজন সন্তান জন্ম হোৱাৰ পিচত দায়িত্ব বাঢ়ে, ঠিক সেইদৰে সন্তানৰ কিছুমান দায়িত্ব থাকে। পিতৃ-মাতৃৰ যেনেকৈ সন্তানক লৈ দায়িত্ব, ঠিক সেইদৰে সন্তানৰ পিতৃ-মাতৃৰ প্ৰতি দায়িত্ব থকা উচিত। পিতৃ-মাতৃ আৰু সন্তানৰ দায়িত্ব এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি ক'লেও ভুল বুলি কোৱা নহ'ব।

এটি সন্তানে পিতৃ-মাতৃৰ বাবে এই পৃথিৱীৰ পোহৰ দেখে। পিতৃ-মাতৃয়ে বহু কষ্ট আৰু ত্যাগৰ বলত ল'ৰা-ছোৱালীক জন্ম দি আৰু ডাঙৰ-দীঘল কৰে। এই ক্ষেত্ৰত পিতৃতকৈ মাতৃৰ দায়িত্ব অত্যন্ত বেছি। সন্তানক লৈয়ে পিতৃ-মাতৃৰ দায়িত্ব আৰম্ভ হয়। সন্তান হৈ পৰে পিতৃ-মাতৃৰ কেন্দ্ৰবিন্দু। এটি শিশুৰ প্ৰথম শিক্ষা আৰম্ভ হয় পিতৃ আৰু মাতৃৰপৰা, বিশেষকৈ মাতৃৰপৰা; কাৰণ পিতৃতকৈ মাতৃৰ লগত সন্তানে বেছি সময় অতিবাহিত কৰে। পিতৃ-মাতৃয়ে সাধাৰণতে সন্তানৰ বাবে নিজৰ জীৱনটোক লৈ একেবাৰেই চিন্তা নকৰে। জীৱনৰ মূল্যবান সময়বোৰ তেওঁলোকে নিজৰ সন্তানৰ বাবে অতিবাহিত কৰে।


❝ পিতৃ-মাতৃয়ে নিজৰ সন্তানক মৰম কৰাত কেতিয়াও অৱহেলা নকৰে। তেওঁলোকৰ বাবে সকলো ত্যাগ কৰে; কিন্তু কালক্ৰমত সেই সন্তানে মাক-দেউতাকৰ সকলো ত্যাগক পাহৰি যোৱা দেখিবলৈ পোৱা যায়। বৰ্তমান সময়ত কিছুমান ঘটনা শুনিবলৈ পোৱা যায় যে, পুত্ৰ-বোৱাৰীয়ে নিজ পিতৃ-মাতৃক বৃদ্ধ বয়সত ৰাস্তাৰ দাঁতিত, বৃদ্ধাশ্ৰমত এৰি থৈ যায়। এনে ঘটনাবোৰে সঁচাকৈ মনটো গধুৰ কৰি তোলে। ❞


'মা' শব্দটি উচ্চাৰণ কৰিলে মনলৈ আহে এখন ধুনীয়া ছবি। পৃথিৱীৰ আটাইতকৈ ধুনীয়া শব্দটি হৈছে 'মা'। যাক ভাষাৰে বুজাব নোৱাৰি, মাথোঁ অনুভৱহে কৰিব পাৰি। শৈশৱৰ সেই সোণালী দিনবোৰ আৰম্ভ হয় এগৰাকী মাতৃৰ কোলাৰপৰাই। মাকৰ আঙুলিত হাত ধৰিয়েই ধৰিত্ৰীৰ বুকুত জীৱনৰ প্ৰথম খোজ পেলোৱা হয়। সন্তান এগৰাকীয়ে যেতিয়া থুনুক-থানাককৈ 'মা' বুলি মাতিব পৰা হয়, তেতিয়া এগৰাকী মাতৃক গৌৰবান্বিত কৰি তোলে মাতৃত্বৰ গৌৰৱে। জীৱনৰ সকলো আশা-ভৰসাৰ কেন্দ্ৰস্থল হৈ পৰে সন্তানক লৈয়ে।

বৰ্তমান সময়ত শিক্ষা-দীক্ষা, ডিগ্ৰী-ডিগ্ৰি মাৰে মানুহবোৰ শিক্ষিত হৈ আছে; সেয়ে মানুহবোৰ বেছি সচেতন আৰু অভিজ্ঞতাপ্ৰাপ্ত হয় বুলি কোৱা হয়। বৰ্তমান মানুহবোৰৰ জীৱন ধাৰণ, পোছাক-পৰিচ্ছদ আধুনিক হৈছে যদিও কিন্তু মন-মানসিকতা এতিয়াও আদিম প্ৰবৃত্তিৰ হৈয়ে আছে। মানুহবোৰ উচ্চ শিক্ষাৰে শিক্ষিত হৈছে; কিন্তু মানুহবোৰৰ ধ্যান-ধাৰণাৰ ইমানেই অৱনতি হৈছে যে, সেই উচ্চ শিক্ষা মূল্যহীন বুলি ক'লেও বঢ়াই কোৱা নহ'ব। মানুহবোৰে ধৰ্ম, ভাষা, জাতি, বৰ্ণকি লৈ বিভেদ কৰিছে। তাৰ লগে লগে মাক-দেউতাক, ভাই-ভনীয়েককো শত্ৰু জ্ঞান কৰিছে। গতিকে মানুহৰ মানসিকতা ইমানেই নীচ যে, ইয়াৰ স্থান উন্নত হোৱাৰ পৰিবৰ্তে নিম্নগামীহে হৈছে। ফলত আজিৰ সমাজত অপৰাধপ্ৰৱণতা, দুৰ্নীতি, ব্যভিচাৰ আদি বাঢ়ি গৈ আছে।

পিতৃ-মাতৃয়ে নিজৰ সন্তানক মৰম কৰাত কেতিয়াও অৱহেলা নকৰে। তেওঁলোকৰ বাবে সকলো ত্যাগ কৰে; কিন্তু কালক্ৰমত সেই সন্তানে মাক-দেউতাকৰ সকলো ত্যাগক পাহৰি যোৱা দেখিবলৈ পোৱা যায়। বৰ্তমান সময়ত কিছুমান ঘটনা শুনিবলৈ পোৱা যায় যে, পুত্ৰ-বোৱাৰীয়ে নিজ পিতৃ-মাতৃক বৃদ্ধ বয়সত ৰাস্তাৰ দাঁতিত, বৃদ্ধাশ্ৰমত এৰি থৈ যায়। এনে ঘটনাবোৰে সঁচাকৈ মনটো গধুৰ কৰি তোলে।

সেয়েহে শেষত ক'ব খোজোঁ যে— পিতৃ-মাতৃক শ্ৰদ্ধা কৰা, ভক্তি কৰা, তেতিয়াহে জীৱন সাৰ্থক হ'ব। পিতৃ-মাতৃৰ আশীৰ্বাদ অবিহনে কেতিয়াও এজন সন্তানে জীৱন বাটত আগবাঢ়ি যাব নোৱাৰে। যি পিতৃ-মাতৃয়ে অনবৰতে আমাৰ কথা চিন্তা কৰে, যি পিতৃ-মাতৃয়ে আমাক আত্যধিক মৰম কৰে; তেওঁলোকৰ মৰমত কোনো স্বাৰ্থ জড়িত নাথাকে, সকলো কৰ্তব্য অতুলনীয়ভাৱে কৰি যায়। সেই পিতৃ-মাতৃক আমি সদায় শ্ৰদ্ধা জনোৱা উচিত, যাৰ কোনো শেষ নাই। ❑



# মহাত্মা গান্ধীৰ দৰ্শন

◆ কমলেশ্বৰ বৰা
সহকাৰী অধ্যাপক, দৰ্শন বিভাগ

**গান্ধীৰ** চিন্তাধাৰাৰ মৌলিকতা আৰু নতুনত্বৰ মূল ভেটি আছিল হিন্দু পৰম্পৰাৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা। তেওঁ এনে এটা পৰিয়ালত জন্মগ্ৰহণ কৰিছিল, য'ত নিষ্ঠাবান হিন্দুৰ ধৰ্ম সম্পৰ্কীয় নিয়ম আৰু পূজা-সেৱা মানি চলিছিল। অতি কম সময়তে তেওঁ গীতা, ৰামায়ণ আদি শাস্ত্ৰ অধ্যয়ন কৰাৰ উপৰি বৈষ্ণৱ আৰু জৈন সাহিত্যও অধ্যয়ন কৰিছিল। খ্ৰীষ্টধৰ্মত বাইবেল, টলষ্টয়ৰ 'The Kingdom of God', ৰাস্কিনৰ সাহিত্য, জোৰা-ষ্ট্ৰিয়ান, ইছলাম ধৰ্মগ্ৰন্থ আদি অধ্যয়ন কৰিছিল। এনেবোৰ সাহিত্যৰ উপৰিও বিভিন্ন প্ৰখ্যাত পণ্ডিত লোকৰ উক্তি আৰু ভাৱধাৰাৰ সৈতে গান্ধীৰ পৰিচয় ঘটিছিল। এই আটাইবোৰ ভাৱধাৰা অনুধাৱন কৰি গান্ধীয়ে নিজৰ চিন্তাৰ লগত জড়িত কৰিলে। তেওঁ জীৱন আৰু অস্তিত্বৰ ধৰ্মীয় আৰু নৈতিক সমস্যাসমূহৰ ওপৰত নানান প্ৰকাৰৰ পৰীক্ষা চলালে। ছাত্ৰাৱস্থাৰপৰা ওকালতি কৰা বয়সলৈকে লাজকুৰীয়া হিচাপে পৰিচিত গান্ধীয়ে জনগণৰ কল্যাণৰ হকে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, ধৰ্মীয়, সংস্কৃতি— এই আটাইবোৰ দিশত দেখা দিয়া সমস্যাৰ তাত্ত্বিক সমাধানৰ ওপৰত ব্যৱহাৰিক সমাধানৰ উদ্দেশ্যে নেতৃত্ব ল'লে। তেওঁৰ লক্ষ্য আৰু উদ্দেশ্য আছিল ভাৰতক 'ৰামৰাজ্য' ৰূপে প্ৰতিষ্ঠা কৰা। 'সত্য' আৰু 'অহিংসা'ক নৈতিক প্ৰমূল্যবোধৰ আধাৰ হিচাপে তেওঁ সমগ্ৰ জীৱন ব্যাপী ব্ৰতৰূপে পালন কৰিলে। ভাৰত ত্যাগ আন্দোলন, লোণ আইন, ৰৌলত আইন আদি সামাজিক-ৰাজনৈতিক সমস্যা, গ্ৰাম্য অৰ্থনীতিত স্ব-নিৰ্ভৰতা আহৰণ কৰা, বিদেশী বস্ত্ৰ পৰিহাৰ কৰা, বৃহৎ উদ্যোগৰ বিৰোধিতা কৰা আদি অৰ্থনৈতিক সমস্যা সমাধানৰ পথত সত্য আৰু অহিংসা অৱলম্বন কৰিবলৈ তেওঁ সকলোৰে প্ৰতি আহ্বান জনাইছিল। তেওঁৰ মতে এনেবোৰ সমস্যাৰ সমাধানৰ প্ৰধান অস্ত্ৰ হ'ল অহিংসা পদ্ধতি। অহিংসা আন্দোলন আৰু সত্যাগ্ৰহৰ মাধ্যমেৰে তেওঁ প্ৰতাপী ইংৰাজ শাসনৰ ওৰ পেলাবলৈ সক্ষম হ'ল।

গান্ধীয়ে তেওঁৰ সমগ্ৰ সত্তাত নৈতিকতাক ঠাই দিছিল আৰু সত্যক নৈতিকতাৰ সাৰবস্তুৰূপে গ্ৰহণ কৰিছিল। "এই সত্যই মোৰ একমাত্ৰ লক্ষ্য। ই প্ৰতিদিন আয়তন বৃদ্ধি পাবলৈ ধৰিলে আৰু মোৰ সত্যৰ সূত্ৰত প্ৰসাৰিত হৈয়ে আছে।" তেওঁ দেখিছিল যে মানৱ জীৱনক ধৰ্মীয়, নৈতিক, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, ব্যক্তিগত আদি ভাগত বিভক্ত কৰিব নোৱাৰি। মানৱ জীৱন এই সকলোবোৰৰ সমষ্টি আৰু এই দিশবোৰ এটাৰ লগত আনটো জড়িত হৈ থাকে। এনে এটা মানৱ জীৱন উপযুক্তভাৱে আৰু যোগ্যভাৱে কামত লগাবলৈ হ'লে এটা আদৰ্শ আৰু আঁচনি অনুসৰি জীৱন নিয়ন্ত্ৰণ কৰিব লাগিব। তাৰ বাবে মূল্যবোধ আৰু কিছুমান বিশেষ মৌলিক সূত্ৰ লৈ জীৱন পৰিচালনা কৰা আৱশ্যক। অন্যথা জীৱন উদ্দেশ্যবিহীন আৰু অনিশ্চিত হ'ব। ধৰ্ম বা দৰ্শন সম্পৰ্কে নতুন পদ্ধতি আগবঢ়োৱাৰ পৰিবৰ্তে ব্যৱহাৰিকভাৱে উদাৰ নৈতিকতা বা সাধুতা গুণ অৱলম্বনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ উল্লেখ কৰিছে যে যুক্তিসংগত পদ্ধতিৰ অভাৱে একালে যিদৰে অসুবিধাৰ সৃষ্টি কৰে, তেনেকৈ আন কিছু ক্ষেত্ৰত সুবিধাও হয়। পদ্ধতি নাথাকিলে চিন্তাৰ সমন্বয় নাথাকে। আকৌ উদাৰ ভাৱাপন্ন পদ্ধতিও সম্পূৰ্ণভাৱে স্থান, কাল আৰু পৰিস্থিতিৰপৰা মুক্ত নহয়। গতিকে এই দুয়োটা চৰম পদ্ধতিৰ মাজত এটা মধ্যৱৰ্তী পন্থা আছে। এই পন্থা অনুসৰি মৌলিক সূত্ৰ আৰু মূল্য মানি লোৱা হয় যদিও সেইবোৰৰ প্ৰয়োগ নিৰ্ভৰ কৰে সাধু ব্যক্তি বা দলৰ ওপৰত, যিসকলে অৱস্থান অনুসৰি কাৰ্য নিৰূপণ কৰিব। গান্ধীয়ে এই মধ্যম পন্থাৰ পোষকতা কৰে।

গান্ধীয়ে বুজি পাইছিল যে, বৰ্তমান যুগত সিদ্ধপুৰুষ বা সন্ন্যাসীৰ অন্তৰ্জ্ঞানক গুৰুত্ব দিয়া নহয়; কিন্তু ধৰ্ম, দৰ্শন, বিজ্ঞান, কলা— এই সকলোবোৰ অন্তৰ্জ্ঞানৰ ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত। এনে সত্যৰ ইতিহাস, অতীত, ঘটনা আৰু বৰ্তমানৰ বৌদ্ধিক পৰিবেশৰ ওপৰত সামঞ্জস্য থাকিব লাগিব। গতিকে এই কথা সহজে অনুমেয় যে, গান্ধীয়ে প্ৰাচীন সংস্কাৰক আৰু সিদ্ধপুৰুষসকলৰ আদৰ্শ অনুসৰণ কৰিছিল। গান্ধীয়ে গীতাৰ আদৰ্শৰে বিশ্বৰ মানৱক উদ্ধাৰ কৰাৰ চেষ্টা কৰিছিল। গীতাৰ কৰ্মযোগৰ সাধনাৰে পৰিবেশ আৰু পৰিস্থিতি অনুযায়ী কৰ্মত ব্ৰতী হোৱাৰ সবল মানসিক শক্তি তেওঁ আহৰণ কৰিছিল। 'কৰ্মই ধৰ্ম' আদৰ্শৰে জীৱন যাপন কৰা আৰু মৰণশীল জীৱনৰ সীমিত শক্তিৰে সত্যৰ অনুসন্ধান কৰাই তেওঁৰ উদ্দেশ্য আছিল। অধিবিদ্যাৰ বিষয় আলোচনা কৰা দাৰ্শনিক হিচাপে পৰিচয় দি তেওঁ উল্লেখ কৰিছিল যে, বৈজ্ঞানিক অভিমত প্ৰকাশিত হ'বলৈও কাৰণ-কাৰ্য সম্বন্ধযুক্ত হ'ব লাগিব। সকলোবোৰ অনুসন্ধান কাৰ্য-কাৰণৰ সন্দৰ্ভতহে কৰা হয়। কাৰ্য বা পৰিণাম কাৰণৰপৰা উদ্ভৱ হ'বই লাগিব। যদি কোনো উক্তি বৈজ্ঞানিক নিয়মেৰে ব্যক্ত কৰা হয় আৰু যুক্তিসম্মতভাৱে পৰিণাম কাৰণৰপৰা নিঃসৃত হয় আৰু সেই পৰিণামৰ বৈজ্ঞানিক আৰু ইতিহাসমূলক অনিবাৰ্যতা থাকে, তেতিয়াহে সেই উক্তি গৃহীত হয়। গান্ধীয়ে উপলব্ধি কৰে যে, বৈজ্ঞানিক বিশ্লেষণে মানৱ জীৱনৰ চৰম মূল্য আৰু তাৎপৰ্য সম্পৰ্কে আলোচনা নকৰে। গান্ধীয়ে মুখ্যতঃ মানৱ জীৱনৰ মূল্য আৰু তাৎপৰ্যৰ ওপৰতে অধিক গুৰুত্ব দিছিল। সমাজৰ ক্ষেত্ৰত পুনৰ বিচাৰ আৰু পুনৰ গঠনমূলক চিন্তা প্ৰয়োগ কৰিলে। সংশ্লেষণমূলক আৰু গঠনমূলক প্ৰচেষ্টাৰ কাৰণে যিমান প্ৰয়োজন বিশ্লেষণ প্ৰক্ৰিয়াৰ ওপৰত নিৰ্ভৰ কৰিলে। আকৌ দৰ্শনৰ দৃষ্টিৰে ভিন্নতাৰ মাজত থকা সামাজিক ঐক্য বুজাৰ চেষ্টা কৰিলে।

গান্ধীয়ে জীৱনৰ বিভিন্ন প্ৰকাৰৰ জটিলতা বিচাৰ কৰিছিল, ভৌতিক আৰু আধ্যাত্মিকতাৰ সমন্বয় কৰিবলৈ চেষ্টা কৰিছিল, সময় আৰু পৰিস্থিতি অনুযায়ী ঘটনাৰ গুৰুত্বৰ প্ৰতি চিন্তা কৰিছিল। এনেবোৰ সামগ্ৰিক দৃষ্টিভংগী গ্ৰহণ কৰি গান্ধীয়ে সমাজ সংস্কাৰৰ ক্ষেত্ৰত বিশেষকৈ সামাজিক-মানসিক পৰিবৰ্তনৰ বাবে প্ৰায়োগিক উপায় অৱলম্বন কৰিলে। এই ক্ষেত্ৰত সত্য আৰু অহিংসাক উপায় হিচাপে লৈ মানৱ জীৱন সম্পৰ্কে বিচাৰ কৰিলে, ব্যক্তি আৰু সমাজৰ সম্পৰ্ক বিচাৰ কৰিলে, গ্ৰাম্য অৰ্থনীতি, স্বাধীনতা আদিৰ প্ৰায়োগিক দিশবোৰ অনুধাৱনৰ পথ দেখুৱালে। এনেবোৰ দিশ তেওঁ বৈজ্ঞানিক যুক্তিৰে প্ৰমাণ কৰা নাছিল; বৰঞ্চ নৈতিকতাসৰ্বস্ব ব্যৱহাৰিক উপযোগিতাৰ দিশবোৰ উন্মোচিত কৰিলে। উদাহৰণস্বৰূপে খাদী আৰু গ্ৰামোদ্যোগৰ আঁচনি দাঙি ধৰোঁতে গান্ধীয়ে পদ্ধতিগতভাৱে আঁচনিৰ তাৎপৰ্য অৰ্থনীতিবিদৰ ভাষাৰে প্ৰকাশ কৰা নাছিল; সহজ-সৰল যুক্তি আৰু ঘৰুৱা দৃষ্টিভংগীৰে তেওঁ নতুন বৈপ্লৱিক ধাৰণাবোৰ প্ৰকাশ কৰিছিল। দৰিদ্ৰতা নিৰ্মূলিকৰণৰ উপায় চিন্তা কৰিও তেওঁ গ্ৰাম্য শিল্প উদ্যোগ, খাদী উদ্যোগ আদিৰ প্ৰসংগ জড়িত কৰি মূল অৰ্থনীতি গাঁৱতহে থাকে বুলি উল্লেখ কৰিছে। যঁতৰ আৰু খাদীৰ মাধ্যমেৰে ভাৰতবাসীৰ মনত স্বাধীনতাৰ প্ৰেৰণা জগাই তুলিলে। বাহ্যিকভাৱে দেখাত যঁতৰ আৰু খাদীৰ লগত স্বাধীনতাৰ পোনপটীয়া সম্পৰ্ক প্ৰত্যক্ষ কৰা নাযায়; কিন্তু তেওঁ দেখুৱালে যে, কৰ্মই ধৰ্ম। আনৰ হাতলৈ নোযোৱাকৈ ব্যক্তিয়ে কৰ্মৰ জৰিয়তে নিজৰ স্বাধীনতা আয়ত্ত কৰিব পাৰে। অন্ন-বস্ত্ৰৰ অনটন দূৰ কৰি প্ৰয়োজনীয় সামগ্ৰী উৎপাদন কৰিব পাৰিলে ব্যক্তিয়ে স্বাধীনতা লাভ কৰিব পাৰে। সত্য আৰু সততা আছিল গান্ধীৰ জীৱনৰ ব্ৰত। সত্যৰ প্ৰতি তেওঁৰ চিন্তা আছিল গভীৰ। তেওঁ কৈছিল— "মোৰ মনৰ ভিতৰত এটা কথাই নিগাজিকৈ স্থিতি ল'লে। ই হ'ল এটি দৃঢ় প্ৰত্যয় যে সকলো বস্তুৰ ভিত্তি হ'ল নৈতিকতা আৰু নৈতিকতাৰ সাৰবস্তু হ'ল সত্য। এই সত্যই মোৰ একমাত্ৰ লক্ষ্য হ'ল। ই প্ৰতিদিন আয়তনত বৃদ্ধি পাবলৈ ধৰিলে আৰু মোৰ সত্যৰ সূত্ৰও প্ৰসাৰিত হৈয়ে আছে।" যৌক্তিক অৰ্থত সত্য হ'ল অৱধাৰণৰ এটা গুণ; কিন্তু তাত্ত্বিকভাৱে সত্যক ভিন্নভাৱে লোৱা হয়। ই হ'ল যথাৰ্থ জ্ঞান, যি জ্ঞান ঈশ্বৰৰ অনুৰূপ। গান্ধীয়ে নৈতিক অৰ্থৰ ওপৰতো অধিক গুৰুত্ব দিছে আৰু কৈছে যে, সততাৰ আধাৰত সত্য প্ৰতিষ্ঠিত। মৌলিকভাৱে 'সৎ' আৰু 'সত্য'ৰ মাজত পাৰ্থক্য নাই। 'সৎ' শব্দৰপৰা 'সত্য' শব্দটো আহিছে আৰু গান্ধীৰ মতে সৎ আৰু সততা একে। তেওঁৰ মতে সত্যৰ লগত ঈশ্বৰৰ ধাৰণা জড়িত হৈ আছে। তেওঁ এজন অধিবিদ্যাবাদী হিচাপে সত্য আৰু ঈশ্বৰত তাত্ত্বিক-যৌক্তিক ব্যাখ্যা বিচাৰ কৰিছে। আকৌ ধৰ্মীয় বিশ্বাসীসকলৰ দৃষ্টিৰে ধৰ্মীয় যুক্তি সাব্যস্ত কৰিছে।

সৰুকালৰেপৰা পৰিয়ালভিত্তিক যি ধৰ্মীয় ঈশ্বৰ ধাৰণা তেওঁ লাভ কৰিছে, সেয়াই তেওঁৰ বাবে একমাত্ৰ সত্য আছিল আৰু কৈছিল যে— 'ঈশ্বৰেই সত্য'। তেওঁ ক'লে— "সৰুকালত হিন্দু শাস্ত্ৰৰ বিধান অনুসৰি মোক ঈশ্বৰৰ এহেজাৰ নাম জপ কৰিবলৈ শিকোৱা হৈছিল; কিন্তু এই এহেজাৰ নাম কোনোমতেই ব্যাপক নহয়। আমি বিশ্বাস কৰোঁ আৰু এইটোৱেই সত্য যে যিমান জীৱ আছে, সিমানেই ঈশ্বৰৰ নাম আছে। সেই কাৰণে এই বুলিও কোৱা হয় যে, ঈশ্বৰ নামহীন আৰু ঈশ্বৰৰ বহুত আকাৰ আছে কাৰণেই তেওঁক নিৰাকাৰ বোলা হয়। তেওঁ ইমানবোৰ ভাষাত কয় যে, তেওঁক অব্যক্ত বোলা হয় আৰু যদি মানুহৰ ভাষাৰে ঈশ্বৰৰ পূৰ্ণ বৰ্ণনা দিয়া সম্ভৱ হয়, মই এই সিদ্ধান্তলৈ আহিছোঁ যে মোৰ কাৰণে ঈশ্বৰেই সত্য।" কিন্তু পিচত গান্ধীয়ে যুক্তিৰে সাব্যস্ত কৰিলে যে, সত্যই ঈশ্বৰ। তেওঁৰ মতে 'সত্য' শব্দটো ঈশ্বৰৰ দৰে অনেকাৰ্থক নহয়। ঈশ্বৰক বিভিন্ন ধৰ্মাৱলম্বীয়ে বিভিন্নভাৱে বৰ্ণনা কৰে। ঈশ্বৰ এক, দ্বৈত, বহু হ'ব পাৰে। নিৰ্গুণ বা সগুণ হ'ব পাৰে। আনকি সবল যুক্তিৰে ঈশ্বৰৰ অস্তিত্ব সংশয় কৰিব পাৰোঁ বা অস্বীকাৰ কৰিব পাৰোঁ। ঈশ্বৰ বিশ্বাসী, ঈশ্বৰ অবিশ্বাসী আদি অনেক পাৰ্থক্য থাকিব পাৰে; কিন্তু সত্য সম্পৰ্কে তেনে বিৰোধ নাথাকে। সত্যৰ তাৎপৰ্য সদায় সকলোৰে কাৰণে একে। সত্য সাৰ্বজনীন, ব্যাপক। কিয়নো ঈশ্বৰ বিশ্বাসী, ঈশ্বৰ অবিশ্বাসী, জাতি-ধৰ্ম নিৰ্বিশেষে সকলোৱে বিশ্বাস কৰে। তেওঁ এই বুলিও উল্লেখ কৰিছে যে, ঈশ্বৰ সম্পৰ্কে অন্ধ ধৰ্মীয় বিশ্বাসে মানৱ জাতিৰ অশেষ ক্ষতি সাধন কৰিছে। সেইবাবে 'সত্যই ঈশ্বৰ'— এনে অভিমত প্ৰতিষ্ঠা কৰিছে।

গান্ধীৰ দৰ্শনত সত্যৰ লগত জড়িত আন এটা দিশ অহিংসা। গান্ধীৰ ভাষাত— "সত্য সন্ধান কৰি ফুৰোঁতে মই অহিংসা আৱিষ্কাৰ কৰিলোঁ।" তেওঁ কৈছে যে, অহিংসা আৰু সত্য এনেভাৱে মেৰ খাই আছে যে, দুয়োটাকে বিচ্ছিন্ন কৰা প্ৰায় অসম্ভৱ। সত্য হ'ল অহিংসাৰ স্বাভাৱিক পৰিণাম। গান্ধীয়ে পৰম্পৰাগতভাৱে গ্ৰহণ কৰি অহা অহিংসাৰ ধাৰণা, বৌদ্ধ দৰ্শন, জৈন দৰ্শন অধ্যয়নৰপৰা লাভ কৰা অহিংসাৰ ধাৰণা মানি চলাৰ উপৰিও নতুন বৈশিষ্ট্য সংযুক্ত কৰি ইয়াৰ ব্যৱহাৰিক দিশ প্ৰকাশ কৰিছে। তেওঁ বিস্তৃতভাৱে লৈ অহিংসাক সদৰ্থক আৰু নঞৰ্থকৰূপে বিভক্ত কৰিছে। তেওঁ দেখুৱাইছে যে, হিংসাৰ বিপৰীত হ'ল অহিংসা। অৰ্থাৎ আনক হত্যা কৰা, আনক দুখ দিয়া, স্বাৰ্থগত মনোভাবেৰে আনক অপকাৰ কৰা আদি কামৰপৰা বিৰত থকাই অহিংসা। এনেবোৰ ক্ষেত্ৰত জৈনসকলৰ অহিংসাৰ প্ৰভাৱ গান্ধীৰ ক্ষেত্ৰত স্পষ্ট; কিন্তু গান্ধীয়ে ইয়াৰ বিস্তৃত অৰ্থ গ্ৰহণ কৰি কৈছে যে, মানৱ জীৱনত কেতিয়াবা হিংসাৰ স্থান স্বীকাৰ কৰিবলগীয়া হয়। কেতিয়াবা নিজৰ দেহ ৰক্ষাৰ কাৰণে আহাৰ খাওঁতে, উশাহ লওঁতে, খোজকাঢ়োঁতে অন্য দেহৰ ওপৰত আঘাত পৰে। গতিকে কিছু ক্ষেত্ৰত হিংসা অপৰিহাৰ্য। গান্ধীয়ে উল্লেখ কৰিছে যে, অহিংসা মানৱ জাতিৰ প্ৰধান নীতি; মানুহৰ স্বাভাৱিক প্ৰবৃত্তি। নিঃস্বাৰ্থ প্ৰেম আৰু সহানুভূতিৰে বিবেকৰ নিয়মেৰে পৰিচালিত হৈ মানৱে অহিংসা অৱলম্বন কৰিব। অহিংস অৱলম্বনৰ পথ হ'ল সত্যাগ্ৰহ। ই হ'ল সত্য আৰু দৃঢ়তাৰ অনুধাৱন, সত্যাগ্ৰহ এটা সত্য শক্তি, যাক টলষ্টয়ে 'আত্মশক্তি' বা 'প্ৰেমশক্তি' বুলি কৈছে।

গান্ধীৰ মতে, সত্য প্ৰতিষ্ঠাৰ কাৰণে কষ্ট স্বীকাৰ কৰিবই লাগিব। অহিংসা হ'ল চেতন কষ্ট। সত্যাগ্ৰহী লোকে অহিংস উপায়েৰে বিৰোধীক নিজৰ শুদ্ধমত গ্ৰহণ কৰিবলৈ বাধ্য কৰে। প্ৰতিপক্ষই নিজৰ ভ্ৰান্ত অভিমত উপলব্ধি কৰিবলৈ বাধ্য হয়। সেয়ে সত্যাগ্ৰহক পৰিবৰ্তন পদ্ধতি বুলিও কোৱা হয়। গান্ধীয়ে লগতে কৈছে যে, বিৰোধীৰ প্ৰতি শ্ৰদ্ধা অতি আৱশ্যক। প্ৰেম আৰু শ্ৰদ্ধাৰে সত্যাগ্ৰহীয়ে বিৰোধীক ভুল পথ পৰিহাৰ কৰিবলৈ বাধ্য কৰাব পাৰে। তাৰ বাবে সত্যাগ্ৰহীৰ চৰম ধৈৰ্যৰ আৱশ্যক। কিয়নো অনিষ্টকাৰী লোকে নিজৰ ভুল তৎক্ষণাৎ উপলব্ধি নকৰে। তেওঁৰ সত্য প্ৰবৃত্তি জগাই তুলিবলৈ, খং আৰু ঘৃণা জয় কৰিবলৈ সত্যাগ্ৰহীয়ে ধৈৰ্যৰে অপেক্ষা কৰিব লাগিব। তেওঁ কৈছে যে, সত্যাগ্ৰহৰ প্ৰয়োগ সাৰ্বজনীন। শিশু, প্ৰাপ্তবয়স্ক, পুৰুষ-মহিলা সকলোৱে এই পদ্ধতি অভ্যাস কৰিব পাৰে। ঘৰুৱা জীৱন, সামাজিক জীৱন, ৰাজনৈতিক জীৱন আদি সকলো ক্ষেত্ৰতে ইয়াক প্ৰয়োগ কৰিব পাৰি। আনকি ব্যক্তিগত আৰু সামাজিক ন্যায় পাবলৈ ব্যৱহাৰ কৰা ধৰ্মঘট আদি কাৰ্যক্ষেত্ৰতো সত্যাগ্ৰহ পদ্ধতিৰ আৱশ্যক বুলি তেওঁ উল্লেখ কৰিছে। অন্যায়, অত্যাচাৰ, হিংসাৰ বিৰোধী শক্তি হ'ল সত্যাগ্ৰহ। সৰ্বব্যাপক সত্যক অৱজ্ঞা কৰা কাৰণেই এই অসৎ প্ৰবৃত্তিবোৰৰ উৎপত্তি হয়। অসত্যৰদ্বাৰা যদি অশুভ প্ৰতিৰোধ কৰা যায়, ক্ৰোধৰদ্বাৰা যদি ক্ৰোধ প্ৰতিৰোধ কৰা যায়, তেন্তে সেয়া হিংসাৰ আৰু প্ৰতিশোধৰ বাহিৰে আন একো নহয়। সবাতোকৈ কাৰ্যক্ষম শক্তি সত্যাগ্ৰহৰদ্বাৰা তেনে অশুভক সম্পূৰ্ণভাৱে নিৰ্বাপন কৰিব পাৰে। সত্যাগ্ৰহে এনে কিছুমান চৰ্তৰ সৃষ্টি কৰে— যাৰ ফলত বিৰোধীৰ প্ৰতিকূল মনোভাব নিজেই বিলুপ্ত হয়। প্ৰত্যেক মানুহৰ ভিতৰত দৈৱশক্তি আছে বাবে মৌলিক সত্য শুভই বিৰাজ কৰে। কেৱল আমাৰ ঘৃণা, ক্ৰোধ আদি অসৎ প্ৰবৃত্তিবোৰৰ বাবে এই দৈৱশক্তি অদৃশ্য ৰূপত থাকে। অহিংসা সত্যতাৰ দিশ জাগ্ৰত হ'লে দৈৱশক্তি প্ৰকাশ কৰিব পাৰে, মানুহ দেৱতাৰ শাৰীলৈ উন্নীত হ'ব পাৰে।

গান্ধীয়ে সমাজ বা ৰাষ্ট্ৰ, ব্যক্তি আৰু সমাজৰ সম্পৰ্কতো প্ৰায়োগিক চিন্তাধাৰা বহন কৰিছিল। মানৱ জীৱনৰ পূৰ্ণতাৰ ক্ষেত্ৰত এইকেইটা দিশ সম্পৰ্কে কেৱল তাত্ত্বিক মতবাদ প্ৰতিষ্ঠা কৰাৰ পৰিবৰ্তে তেওঁ ব্যৱহাৰিক প্ৰয়োগেৰে আগবাঢ়িছিল। তেওঁ কৈছে যে, সমাজ সৃষ্টিৰ ইতিহাস সম্বন্ধে বিভিন্ন মতবাদ আমি পাওঁ। সেইবোৰৰে অন্যতম হ'ল সামাজিক চুক্তি মতবাদ। হবচ, লক, ৰুছো আদি সমাজতত্ত্ববিদৰ সমৰ্থনত প্ৰতিষ্ঠা হোৱা এই মতবাদে কয় যে, পূৰ্বতে সমাজ নামৰ কোনো ব্যৱস্থা নাছিল। ব্যক্তিৰ ইচ্ছাই শেষ কথা আছিল। গতিকে পৰস্পৰৰ বাধ্যবাধকতা বুলি কোনো কথা



নাছিল। ফলস্বৰূপে নানা বিশৃংখলা আৰু বিৰোধে ঠাই ল'লে। ইয়াৰ পৰিত্ৰাণ বিচাৰি ব্যক্তিয়ে চুক্তি কৰি সমাজ সৃষ্টি কৰিলে। তেওঁলোকে উপলব্ধি কৰিলে যে, সুস্থ আৰু শান্তিপূৰ্ণ জীৱনৰ কাৰণে আনৰ লগত সদ্ভাৱৰ অতিকৈ আৱশ্যক হ'ল। সমাজ সৃষ্টিৰ এইবোৰ দিশ বিচাৰ কৰি গান্ধীয়ে কৈছে যে, স্বাৰ্থপৰতাৰ ওপৰত জীৱন নিৰ্বাহ কৰা সম্ভৱ নহয়। হিংসাৰ অপসাৰণৰ কাৰণেই সমাজ প্ৰতিষ্ঠা কৰা হৈছিল। গতিকে সমাজৰ মূল ভেটি হ'ল অহিংসা আৰু আত্মত্যাগ। অহিংসা আৰু আত্মত্যাগ থাকিলে ব্যক্তিগত কল্যাণ আৰু সামাজিক কল্যাণৰ মাজত কোনো বিৰোধ নাথাকে। মানুহে প্ৰথমে জন্তু চিকাৰ কৰি জীৱন নিৰ্বাহ কৰিলেও পিচলৈ খেতি-বাতি কৰি জীৱ-জন্তু পোহপাল কৰিবলৈ শিকিলে। মানুহে কৰ্ম কৰিবলৈ শিকিলে নিজৰ লগতে পৰিয়ালৰ সদস্যৰ বাবে, সমাজৰ বাবে। কৰ্মই মানুহক জন্তুৰপৰা পৃথক কৰিলে আৰু ব্যক্তিয়ে নিজৰ উদ্দেশ্যৰ লগতে সমাজৰ মংগলো কামনা কৰে।

গান্ধীৰ ব্যৱহাৰিক প্ৰায়োগিক দৰ্শনৰ আন এটা দিশ হ'ল— স্বৰাজ আৰু স্বাধীনতাৰ ধাৰণা। স্বৰাজ হ'ল আত্ম-অনুশাসন বা আত্মনিয়ন্ত্ৰণ। স্বৰাজ আৰু স্বাধীনতা সামাজিক-নৈতিক প্ৰপঞ্চ। সামাজিক জীৱন বিভিন্ন ভাগত বিভক্ত কৰিব নোৱাৰি। সামাজিক, ধৰ্মীয়, নৈতিক, অৰ্থনৈতিক আদি জীৱনৰ ভাগবোৰ কেৱল বৌদ্ধিক কৰ্ষণৰ ফলহে। যিহেতু মানৱ জীৱনক কৃত্ৰিমভাৱে বিভক্ত কৰিব নোৱাৰি আৰু ইয়াক যদি উপযুক্ত আৰু যোগ্যভাৱে কামত লগাব লাগে, তেন্তে এটা আদৰ্শ আৰু এক শুদ্ধ আঁচনি অনুসৰি জীৱন নিয়ন্ত্ৰণ কৰিব লাগে। ইয়েই আত্মাৰ শাসন ব্যক্ত কৰে। সমাজ ব্যৱস্থা সুস্থ হোৱা কাৰণে এটা সহযোগৰ মনোবৃত্তি আৰু কৰ্ম বিভাজনৰ আৱশ্যক। ব্যক্তিগত উন্নতিৰ কাৰণে ব্যক্তিৰ পাৰস্পৰিক সহযোগিতা লাগিব। যিজনৰ আত্মাৰ শাসন থাকে, যিজনৰ নৈতিক মনোভাব জাগ্ৰত হৈছে, তেৱেঁই সৎ আৰু আনৰ লগত বস্তু ভাগ কৰাৰ সন্তোষ তেৱেঁই উপলব্ধি কৰিব পাৰে। তেওঁ কৈছে যে, ব্যক্তিৰ শক্তিশালী আৰু বিত্তশালী হ'ব পৰা ক্ষমতাই ব্যক্তিৰ স্বাধীনতা নুবুজায়। ব্যক্তি হ'ল একক, যাৰ ওপৰত নিৰ্ভৰ কৰি সামাজিক-ৰাজনৈতিক সংগঠন গঢ়ি উঠে। গতিকে এজন ব্যক্তিয়ে সমাজৰ আকাংক্ষিত আচৰণৰ শিক্ষা গ্ৰহণ কৰি দায়বদ্ধতাৰে উপযুক্ত স্থানত কৰ্ম কৰিব লাগে। তেওঁ কৈছে যে, বাহ্যিকভাৱে স্বাধীনতাই ৰাজনৈতিক স্বাধীনতা বুজায়। গান্ধীৰ মতে এই স্বাধীনতা এখন অনুজ্ঞাপত্ৰ প্ৰাপ্তিৰ দৰে স্বাধীনতাহে। প্ৰকৃত স্বাধীনতা অধিকাৰত থাকে, যি দায়বদ্ধতাক সূচনা কৰে। ই হ'ল সহানুভূতিশীল মানসিক শক্তিৰ অধিকাৰী হ'ব পৰা স্বাধীনতা। এই স্বাধীনতাৰ লগত নৈতিক অধিকাৰ, অৰ্থনৈতিক স্বাৱলম্বিতাৰ অধিকাৰ, সামাজিক উন্নতি সাধনৰ স্বাধীনতা জড়িত হৈ থাকে।

ধৰ্ম, অৰ্থ, কাম, মোক্ষ— এই আটাইবোৰ দিশৰ মূল হৈছে জ্ঞান। গতিকে গান্ধীয়ে এনে সিদ্ধান্ত কৰিছে যে, মানৱ জীৱনটো এটা মানসিক ঐক্য। এই জীৱন বিভিন্ন পৃথক ভাগত ভাগ কৰিব নোৱাৰি। ধৰ্মীয়, নৈতিক, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আদি ভাগবোৰ এটাৰ লগত আনটো জড়িত হৈ থাকে। প্ৰায়োগিক চিন্তাবিদ হিচাপে গান্ধীয়ে এই আটাইবোৰ দিশ নিজৰ জীৱনবোধেৰে বিচাৰ কৰি চাইছে। গান্ধীয়ে পৰম্পৰাগত হিন্দু শাস্ত্ৰৰ আদৰ্শৰে নতুন এক বিপ্লৱী চিন্তাধাৰা প্ৰয়োগ কৰিলে। তেওঁৰ সময়ত সামাজিক পৰিস্থিতিৰ জটিলতা আৰু অসুবিধাবোৰ আঁতৰোৱাৰ বিভিন্ন প্ৰায়োগিক পদ্ধতি উলিয়াইছিল। কিয়নো সামাজিক পৰিস্থিতিৰ জটিলতা আৰু অসুবিধা কেৱল কিতাপৰপৰা লোৱা তাত্ত্বিক জ্ঞানেৰে সমাধান দিয়া সহজ নহয়। গতিকে জীৱন আৰু অভিজ্ঞতাৰপৰা আহৰণ কৰা জ্ঞানক সৰ্বসাধাৰণৰ উপকাৰৰ বাবে প্ৰয়োগ কৰি সমস্যাৰ সমাধান বিচাৰিছিল। অতীতৰ ঐতিহাসিক ঘটনা নতুনৰ লৈতে খাপ খুৱাই নতুন আৱিষ্কাৰৰ পথৰ সূচনা কৰিলে। সেয়ে ক'ব পাৰি যে— "তেওঁৰ কৰ্মপদ্ধতিৰ কাৰ্যকৰী আঁচনি আৰু ব্যাখ্যাই তেওঁৰ জীৱনৰ দৰ্শন সৃষ্টি কৰিলে।" ■


সহায়ক গ্ৰন্থপঞ্জী ঃ

১। গান্ধী, মহাত্মা ঃ ইয়ং ইণ্ডিয়া।

২। মুখী, এইচ. আৰ. ঃ গান্ধীৰ দৰ্শন (Gandhian Thought)।

৩। গান্ধী, মহাত্মা ঃ হিন্দু স্বৰাজ।

৪। দত্ত, ডি. এম. ঃ গান্ধীৰ দৰ্শন (The Philosophy of Mahatma Gandhi)।

৫। গান্ধী, মহাত্মা ঃ মোৰ সত্য অন্বেষণৰ কাহিনী (অনু ঃ অমিয় কুমাৰ দাস)।

৬। ভট্টাচাৰ্য, জ্যোৎস্না ঃ সমসাময়িক ভাৰতীয় দৰ্শন।

৭। ভট্টাচাৰ্য জ্যোৎস্না ঃ সমাজ দৰ্শন, প্ৰথম সংস্কৰণ।

৮। দাস, বিপিন পাল ঃ বৰ্তমান জগতত গান্ধীৰ প্ৰাসংগিকতা, গৰীয়সী, চতুৰ্থ বছৰ, একাদশ সংখ্যা, ১৯৯৭।

৯। গগৈ, পুৰন্দৰ ঃ ৰাজনৈতিক তত্ত্ব (২০১৩)।

১০। শৰ্মা, নীলিমা ঃ কুৰি শতিকাৰ ভাৰতীয় দৰ্শন।

# তীৰ্থনাথ শৰ্মাৰ 'ৰাহস্যিক মাধৱদেৱ'

## তুলনামূলক সমালোচনাৰ অনন্য নিদৰ্শন

◆ ড° জাহ্নৱী দেৱী
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ

সংস্কৃত পণ্ডিত তীৰ্থনাথ শৰ্মা (১৯১১-১৯৮৬) অসমৰ এগৰাকী আগশাৰীৰ প্ৰাচ্যতত্ত্ববিদ আছিল। কেৱল সেয়ে নহয়, তেওঁ একাধাৰে কবি, গল্পকাৰ, জীৱনী লেখক, শিশু সাহিত্যিক, সমালোচক ৰূপেও প্ৰায় কুৰিখনৰো অধিক উচ্চ প্ৰশংসিত পুথি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি গৈছে। তেওঁৰ জন্ম হৈছিল শিৱসাগৰৰ জৰাবাৰী বামুণগাঁৱত। ১৯৩৮ চনৰপৰা ১৯৫০ চনলৈ কলকাতা বিশ্ববিদ্যালয়ত অধ্যাপনা কৰাৰ পিচত ১৯৫৪ চনত তেওঁ গুৱাহাটীৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰূপে যোগদান কৰিছিল। 'বেণুধৰ শৰ্মা' শীৰ্ষক পুথিৰ বাবে ১৯৯৬ চনৰ সাহিত্য অকাডেমি বঁটা মৰণোত্তৰৰূপে তেওঁক প্ৰদান কৰা হৈছিল। শৰ্মাই ৰচনা কৰা গ্ৰন্থসমূহৰ ভিতৰত 'কামসেন্দুৰ' (কবিতা), 'পঞ্চপুষ্প' (প্ৰবন্ধ), সাহিত্য বিদ্যা পৰিক্ৰমা' (প্ৰাচ্য সাহিত্য তত্ত্ব), 'আউনীআটী সত্ৰৰ বুৰঞ্জী', 'বেণুধৰ শৰ্মা', 'ভক্তিবাদ' আদি পুথিয়ে অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। আলোচিত প্ৰবন্ধটি 'পঞ্চপুষ্প' পুথিৰ অন্তৰ্গত।

অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ মূল সত্তা হৈছে নিষ্কাম ভক্তি। পৰম বৈষ্ণৱ মহাপুৰুষ মাধৱদেৱ আছিল মুক্তিতো নিস্পৃহ। তেওঁৰ ৰচনাত অনুভূত হয় ভক্তিমূলক ৰহস্যবাদৰ। এই ৰহস্যবাদ (mysticism)ৰ ব্যাখ্যা কৰা সহজ নহয়। ই কোনো তত্ত্ব নহয়, ই এক অনুভূতিহে। ৰহস্যবাদীসকলে বিশ্বাস কৰে, এই পৃথিৱীত জড়জগত আৰু জীৱজগতৰ সত্তাবোৰৰ সুকীয়া অস্তিত্ব নাই। জগতৰ সকলো সত্তাৰ গুৰিতে এক পৰম সত্তাৰহে অস্তিত্ব আছে। অৰ্থাৎ জগতৰ সকলো বস্তু বা শক্তিৰ মূলতে আছে এক পৰম শক্তি। এই পৃথিৱীতে থাকি এক দুৰ্জ্ঞেয় পৰম সত্তাৰ লগত পৰম অনুৰক্তি আৰু ধ্যানেৰে মিলিত হ'ব পৰাটোৱেই ৰহস্যবাদীজনৰ জীৱনৰ একমাত্ৰ লক্ষ্য। উপনিষদৰ দাৰ্শনিক ৰহস্যবাদ মধ্যযুগত ভক্তিমূলক ৰহস্যবাদত পৰিণত হয়। ভক্তিমূলক ৰহস্যবাদত ভগৱান ভক্তৰ আপোনতকৈও আপোন।[১]

নিষ্কাম ভকত মাধৱদেৱৰ ৰচনাত ৰহস্যবাদ সম্পৰ্কে আলোচনা আগবঢ়াই সমালোচক তীৰ্থনাথ শৰ্মাই প্ৰবন্ধটোৰ নামকৰণ কৰিছে 'ৰাহস্যিক মাধৱদেৱ'। ভাৰততত্ত্ববিদ শৰ্মাই আলোচনাৰ আৰম্ভণিতে মহাপুৰুষ শ্ৰীশংকৰদেৱৰ সাহিত্যৰ সৈতে তেওঁৰ শিষ্য মাধৱদেৱৰ সাহিত্যৰ তুলনা দাঙি ধৰিছে। শংকৰদেৱ আৰু মাধৱদেৱৰ ৰচনাসমূহৰ সুকীয়া আৰু স্বকীয় বৈশিষ্ট্যৰ বিষয়ে একেটি মাত্ৰ বাক্যৰে প্ৰকাশ কৰিছে— *"শ্ৰী শংকৰৰ সুৰ প্ৰায়ে নীতিমূলক বা তত্ত্বগৰ্ভী, মাধৱদেৱৰ ৰহস্যমূলক (mystic) বা ভাবগৰ্ভী।"*

সমালোচনাৰ নীতি অনুসৰি ৰচনা বিশেষৰ গুণাগুণ নিৰ্ণয় কৰিবলৈ অৱলম্বন কৰা বিভিন্ন পন্থাসমূহৰ ভিতৰত তুলনামূলক আলোচনাও বিধিসন্মত। সাধাৰণতে সমকালৰ সমধৰ্মী ৰচনাৰ তুলনাই বৌদ্ধিক সমাজক আকৰ্ষণ কৰে। সমালোচক শৰ্মাই অসমৰ দুজনা গুৰুৰ বৰগীত, অন্যান্য কাব্য আৰু তেওঁ লোকৰ শ্ৰেষ্ঠ কীৰ্তি 'নাম-ঘোষা' আৰু 'কীৰ্তন-ঘোষা'ৰ তুলনা আগবঢ়াই মাধৱদেৱৰ সাহিত্যত নিহিত ৰহস্যবাদক স্পষ্ট ৰূপত উন্মোচিত কৰিছে। শংকৰদেৱৰ 'কীৰ্তন-ঘোষা' যে নীতিমূলক বা উপদেশধৰ্মী— সেই কথা স্পষ্ট কৰিবলৈ লেখক শৰ্মাই উদাহৰণসমূহো দাঙি ধৰিছে। *"'অজামিল উপাখ্যান', গজেন্দ্ৰোপাখ্যান' আদি আখ্যানৰ শেষত নামধৰ্মৰ মাহাত্ম্য আৰু শ্ৰৱণ-কীৰ্তনৰ উপদেশ পোৱা যায়.... ।"* শৰ্মাই উল্লেখ কৰিছে যে, এই ৰচনাসমূহত কবি শংকৰদেৱৰ ভক্তিব্যাকুলতা আৰু অন্তৰৰ উচ্ছ্বাসৰ সলনি নীতি-উপদেশ প্ৰকাশ পাইছে। পদসমূহত শব্দালংকাৰৰ ঝংকাৰে শ্ৰোতা-পাঠকৰ মন আন্দোলিত কৰি আকৰ্ষিত কৰে। শব্দপুঞ্জ আৰু ছন্দসজ্জাৰ শ্ৰুতিমধুৰতাই শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰি ৰাখে।

শংকৰদেৱৰ দৰেই মাধৱদেৱৰ বৰগীততো অদ্বৈতবাদী দৰ্শনৰ তাত্ত্বিক ভাব আছে। সমালোচক শৰ্মাই মাধৱদেৱৰ প্ৰকাশভংগীৰ সৰলতা আৰু তাত্ত্বিক আদৰ্শৰ গূঢ়তাক পকা বগৰীৰ লগত বিজাইছে। বাহিৰখন কোমল আৰু মিঠা আৰু ভিতৰৰ গুটিটো টান। তত্ত্ব দৰ্শনৰ গভীৰতাৰ আভাস দিবলৈ; মাধৱদেৱৰ বৰগীতৰ সৰসতা, সৰলতাৰ তুলনা দিবলৈ ইয়াতকৈ সহজ উদাহৰণ পাবলৈ টান। তীৰ্থনাথ শৰ্মাৰ পাণ্ডিত্যৰ বাবে ই সম্ভৱ হৈ উঠিছে। এই তুলনা উপমা অলংকাৰৰ ভিতৰুৱা।

দাস্যভাৱৰ একান্ত সাধক মাধৱদেৱৰ 'নামঘোষা'ত প্ৰকাশ হৈছে তেওঁৰ হৃদয়ৰ ভক্তিৰ গাঢ়তা আৰু আকুলতা। দৰ্শনৰ অতি সূক্ষ্মাতিসূক্ষ্ম ৰহস্যবাদী তত্ত্ব মাধৱদেৱৰ ৰচনাত হৃদয়স্পৰ্শী ৰূপত প্ৰকাশ হৈছে। তীৰ্থনাথ শৰ্মাই আলোচিত প্ৰবন্ধটিত এই বিষয়ে বৰ্ণনা কৰিছে—

*নামঘোষাৰ সৌন্দৰ্য কিন্তু কোমল-কঠিনৰ সমাৱেশতে সীমাবদ্ধ নহয়। ইয়াৰ প্ৰধান সৌন্দৰ্য ৰস সমাহিত ভক্তচিত্তৰ ভাবময় প্ৰকাশত। আনকি ৰাজসূয়, ৰামায়ণৰ আদিকাণ্ড, ভক্তি ৰত্নাৱলী, আদি আখ্যানমূলক বা অনুবাদ গ্ৰন্থকেইখনৰ অধ্যায় সমাপ্তিবোৰতো উপদেশতকৈ নিজ অন্তৰৰ কাতৰ নিবেদন আৰু বিগলিত প্ৰাৰ্থনাৰ আবেগময় প্ৰকাশ দেখা পাওঁ। শংকৰদেৱে যেনেকুৱা ঠাইত উপদেশ পাঠেৰে অধ্যায় সমাপন কৰে, মাধৱদেৱে ঠিক তেনে ঠাইত অকল উপদেশ পাঠ ৰচনা কৰিয়ে সন্তুষ্ট নাথাকি লগতে আপোন মনৰ উপচি পৰা ভক্তিৰ আবেগো ঢালি দিহে নামৰণি মাৰে।*

তুলনহি বিষয়ক অধিক স্পষ্ট আৰু জ্বলজ্বল পটপটকৈ উদঙাই দেখুৱায়। প্ৰাচ্যতত্ত্ববিদ শৰ্মাই ওপৰত উল্লেখ কৰা ধৰণে দুয়োজনা মহাপুৰুষৰ লেখনিৰ তুলনা দাঙি ধৰি বক্তব্যক দ্বিধাহীন, দ্ব্যৰ্থহীন কৰি উপস্থাপন কৰিছে। সমালোচকৰ দৃষ্টিভংগীত এই তুলনা ভাল-বেয়া, উচিত-অনুচিত বা উচ্চ-নীচ নহয়। দুয়োগৰাকীৰ ৰচনা যে হুবহু নহয়, শিষ্যই গুৰুৰ বা গুৰুৱে শিষ্যৰ ৰচনা চৰ্বিত-চৰ্বণ কৰা নাই, দুয়োৰে সুকীয়া সুকীয়া মহত্ত্ব আছে; তাকেহে স্পষ্ট কৰিছে। ওপৰৰ উদাহৰণেই শেষ নহয়। উত্তৰাকাণ্ডৰ ৩০ অধ্যায়ৰ শেষত (শংকৰদেৱৰ) আৰু আদিকাণ্ডৰ ২১ অধ্যায়ৰ সমাপ্তিত (মাধৱদেৱৰ) দিয়া উপদেশ পাঠবো উদ্ধৃত কৰি সমালোচক শৰ্মাই নিজৰ বক্তব্যক পতিয়নযোগ্য ৰূপত সিদ্ধ কৰিছে। শংকৰদেৱে উপদেশ দিছে—

*লভিয়া ভাৰতে নৰতনু যিটো*
*নকৰে হৰি কীৰ্তন*
*হৃদয়তে হৰি আছন্ত জানিয়া*
*আৰু নজানিল মন।*

আনহাতে মাধৱদেৱে কৈছে-

*তোমাৰ ভৃত্যৰ ভৃত্যৰ ভৃত্যৰ*
*ভৃত্য বুলি ধৰা মোক*
*তেজি আন কাম বোলা ৰাম ৰাম*
*যত সামাজিক লোক।।*

মাধৱদেৱে বৰগীতত নিজকে দাসৰো দাস, ভৃত্যৰো ভৃত্য বুলি কৈ ভগৱানৰ চৰণ বাঞ্ছা কৰিছে। *'আলোমাই কি কহব দুখ, পৰাণ নিগৰে নাদেখিয়া চান্দ মুখ'* বৰগীতটি ভক্ত হৃদয়ৰ চৰম প্ৰকাশ। কৃষ্ণৰ বিৰহত গোপীসকলৰ হৃদয় গলি চকুলো ৰূপে নিগৰি অহাৰ বৰ্ণনা তুলনাবিহীন। মাধৱৰ অন্তৰৰ হুমুনিয়াহক গোপীৰ মুখেৰে কোৱাৰ ছলেৰেহে বৰ্ণনা কৰা বুলি সমালোচকে যি অনুমান কৰিছে; সি সমৰ্থনযোগ্য। ড° বাণীকান্ত কাকতিয়ে এই কাতৰ আবেদনক মাধৱদেৱৰ হৃদয়ৰ আত্মলঘিমা বুলি অভিহিত কৰিছিল। আখ্যানমূলক কাব্যসমূহ, ৰামায়ণৰ আদিকাণ্ড আদিৰ বাহিৰেও মাধৱদেৱৰ বৰগীতসমূহত অনুভূত অনুৰূপ আকুলতাক সৌৰৱাই দি সমালোচক শৰ্মাই মাধৱৰ হৃদয়ত নিমজ্জিত ভক্তি আৰু আত্ম উৎসৰ্গিত মনৰ পৰিচয় দাঙি ধৰিছে।

মাধৱদেৱ বিৰচিত 'নামঘোষা'ৰ আলোচনা প্ৰসংগত তীৰ্থনাথ শৰ্মাই সমসাময়িক অন্যান্য বৈষ্ণৱ সাধকসকলৰ সৈতে তুলনা দাঙি ধৰিছে। তদুপৰি 'নামঘোষা'ৰ পদত নিগৰি ওলোৱা 'আত্মাৰ আন্ধাৰ ৰাতি'ৰ অৱস্থা, আত্মখেদ, আত্মনিন্দা আদিত কাতৰ কাকুতি আৰু ব্যাকুলতাৰ কথা আঙুলিয়াই উদাহৰণ দাঙি ধৰিছে। শৰ্মাৰ মতে—

*ঘোষা পুথিখন কেইদিনমানৰ ভাবাবেগত সাধাৰণ কৰিয়ে লেখা কাব্যপুথিৰ শাৰীৰ পুথি নহয়; ই ভক্তজনৰ স্থায়ী প্ৰেৰণাৰ দীৰ্ঘকালব্যাপী ভাব-সমাধিৰ ফল।*

'নামঘোষা'ৰ পদসমূহ হৃদয়ংগমৰ অন্তত সমালোচকৰ কাপ নিগৰি ওলোৱা এনে মন্তব্যই সমালোচকগৰাকীৰ সূক্ষ্ম, একনিষ্ঠ বিশ্লেষণ শক্তিৰ পৰিচয় বহন কৰিছে।

আলোচনাটিত দক্ষিণ ভাৰতৰ তামিল আলৱাৰ নম্মালোৱাৰৰ 'তিৰুৱৈমোলি' নামৰ গ্ৰন্থৰ সৈতেও তুলনা দাঙি ধৰিছে। নম্মালোৱাৰৰ 'তিৰুৱৈমোলি'ত থকাৰ দৰেই মাধৱদেৱেও মুক্তিত নিস্পৃহ ভক্তক প্ৰণাম কৰি ৰসময়ী ভক্তিৰে আৰম্ভ কৰিছে আৰু সেই ৰসত মজি তাকে গাই ঘোষা সামৰিছে। ভকতিৰ উচ্চতাই দুয়োকো এনে এক অৱস্থাত উপনীত কৰোৱাৰ বাবেই এনে মিল সম্ভৱ হৈছে।

প্ৰবন্ধৰ শেষত সমালোচক শৰ্মাই কৈছে যে, সহানুভূতিশীল জনেহে সাহিত্যৰ ৰস গ্ৰহণ কৰিব পাৰে। ৰস গ্ৰহণৰ বাবে পৰিৱেশৰ প্ৰয়োজন। সাহিত্য সাধনাৰ জৰিয়তেহে মাধৱৰ 'এল্হস'ৰ সন্ধান পোৱাটো সম্ভৱ।

সমালোচক শৰ্মাৰ ভাষা বিনম্ৰ, কম কথাৰে অধিক ভাব প্ৰকাশক আৰু গাম্ভীৰ্যপূৰ্ণ। গদ্য ৰচনাত তৎসম শব্দৰ প্ৰাচুৰ্য দেখা গ'লেও ঘৰুৱা কথিত গদ্যৰ সাৱলীল প্ৰকাশ লক্ষ্য কৰা যায়। শৰ্মাৰ সমালোচনামূলক প্ৰবন্ধসমূহ গৱেষণাধৰ্মী। তথ্য, সমল আদি প্ৰত্যক্ষ ৰূপত পৰীক্ষা-নিৰীক্ষাৰ অন্ততহে নিজা মত আগবঢ়ায়।

ওপৰৰ আলোচনাৰপৰা দেখা গ'ল— মাধৱদেৱৰ ৰচনাসমূহত ৰহস্যবাদৰ আলোচনা কৰিবলৈ তীৰ্থনাথ শৰ্মাই বিশ্লেষণাত্মক আৰু তুলনামূলক সমালোচনা পদ্ধতিৰ সহায় লৈছে। মাধৱদেৱৰ সাহিত্যত ৰহস্যবাদৰ সন্ধান দিবলৈ ক্ৰমে শংকৰদেৱ, ভাৰতীয় বৈষ্ণৱ কবি আৰু তামিল কবি নম্মালোৱাৰৰ ৰচনাৰ সৈতে তুলনা কৰা হৈছে। আলোচনাত বহলাই উত্থাপন নকৰিলেও mysticism আৰু Dark night of the soulৰ প্ৰসংগ উত্থাপনে পাশ্চাত্যৰ ৰহস্যবাদৰ প্ৰসংগলৈও পঢ়ুৱৈক মনত পেলাই দিয়ে। এনে ধৰণৰ তুলনামূলক আলোচনাই অনুসন্ধানী পাঠকক নতুন নতুন তথ্য আৰু ক্ষেত্ৰৰ সন্ধান দিয়ে। ■

পাদটীকা ঃ দত্ত, অনিমা; *মাধৱদেৱৰ 'নামঘোষা'ত ৰহস্যবাদ*, শইকীয়া ৰুৱা, লীলাৱতী (সম্পা.), *প্ৰবন্ধাৱলী*, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী, ১৯৯৯; পৃঃ ১৮-২৩

# NEW ECONOMIC POLICY OF INDIA : 2023

◆ **Dr. Nibedita Devi**
Associate Prof., Dept. of Economics

New economic policy aims to make India the global economic leader in sectors such as Information technology, innovation and manufacturing. The policy also aims to create jobs, reduce poverty and improve the country's infrastructure.

In India Inflation, geopolitical instability and Conflicts and rising interest rates are still the top three risks to economic growth.

According to the centre for Economics and Business Research (CEBR), a global recession will start in 2023. New borrowing costs put in place to fight inflation will cause Several economies to Shrink. Global Risk perception Survey says that there will be " Energy Supply Crisis, Cost of living crisis, 'Rising inflation Food Supply Crisis and Cyberattacks on Critical infrastructure" as among the top risks of 2023. The economic survey of India 2022-23 notes that India has faced economic challenges and overcome - economic contraction Caused by the global pandemic, high inflation, Currency depreciation and external deficit caused by the dearer oil in 2022-23.

The Survey report said that India is expected to grow by 5.8 percent in 2023 and 6.7 percent in 2024. India is expected to remain the fastest growing major economy in the world.

Here are some of the important schemes of Indian government as of 2023–

- Pradhan Mantri Jan Dhan Yojana (PMJDY)
- Pradhan Mantri Jeevan Jyoti Bima Yojana (PMJJBY)
- Pradhan Mantri Suraksha Bima Yojana (PMSBY)
- Another important scheme Launched by the Indian government to provide Skill development training to Youth across the country is?
- Pradhan Mantri Kaushal Vikas Yojana (PMKVY).

Some of the latest schemes include the Pradhan Mantri Garib Kalyan yojana (PMGKY) providing relief measures during the covid-19 pandemic. Another Scheme Named Pradhan Mantri Garib Kalyan Ann Yojana (PMGKAY) which is implemented from 1st January 2023, benefiting more than 80 Crore poor and poorest of people. The Atal pension yojana is a pension scheme mainly aimed at providing an universal pension scheme for those who are a part of the unorganised Sector. The Rastriya Uchchatar Shiksha Abhiyan (RUSA) is another scheme for higher education. The qualifying State higher education institute receives strategic funding from RUSA. The Central Ministry provides the financing, which then goes to the state government. It seeks to improve efficiency and access to excellence at a higher level in the state





higher education system responsiveness, accountability, and openness. The Another Scheme (SMILE) Support for marginal individuals for livelihood and enterprise - has a strong emphasis on recovery, medical facility provision, Counselling, fundamental documentation, Skill Development etc. Jal Jeevan Yojana mission hopes to have Connected four Crore rural families to the public water system in India.

There are all total 740 Central Sector Scheme, 65 centrally sponsored Schemes in the year 2022 in India.


Until now the best government schemes in India are–

- Sukanya Samriddhi yojana (SSY)
- National Pension Scheme (NPS)
- Public provident Fund (PPF)
- National Savings certificate (NSC)
- Pradhan Mantri Jan Dhan Yojana (PMJDY)
- Prime minister Vaya Vandana Yojana (PMVVY) And Sovereign Gold Bonds.

Thus, these Schemes are as to the necessary part of India's development programme which may increase the total National income of the Country, India's GDP has touched the $3.75 trillion mark in 2023, up from around $2 trillion in 2014. India is now the fifth largest economy in the world.

India will remain the fastest-growing major economy in terms of both aggregate and per Capita GDP. ■

# INTEGRATION OF PERSONALITY IN PSYCHOANALYSIS AND YOGA




◆ **Alaka Das**

Asst. Prof., Dept. of Philosophy

The integration of personality is a very important problem of Psychology. The uniting of all mental traits into personality is called integration. It includes all Psycho-physical traits of personality. Integration of personality is the central need of modern man. The father of Psycho analysis Sigmund Freud gave a new perspective to integration of personality both in theory and practice. According to Psychoanalysis Personality is a triad consisting of three major systems called id Ego and Super Ego.

Freud divided the human mind into three stages- conscious, sub-conscious and unconscious. According to Freud these three levels of consciousness shapes our personality. He discussed three aspects of personality. These types are id Ego and Super Ego. The id is reservoir of Psychic energy and the source of instincts drives or urges. It is unorganized, unstructured without any unity purpose. The ego is special part of the id which keeps the individual in touch with the external world and finds an outlet for the expression in instincts. Its function is to take over the instincts from the id where pleasure principle reigns supreme and make them comply with the reality principle so far as possible. According to Freud "the ego represents what we may call reason and sanity in contrast to the id which contains the passions."

The super ego is an outgrowth of id and is a modification of the ego acts as a kind of moral censor which passes judgments on an individual's strivings. In a normal person, the id and the ego are in harmony, the neurosis is often the result of id- ego Conflict. According to Psycho-analysis the individual with the help of defense mechanism efforts to maintain his Psychological equilibrium. The personality disintegrated if the stress is too great for the personality and his defenses are weakened.


In a well adjusted individual the ego is strong and the super ego is most economically adjusted. Then the individual can live his social life well.

It is an age of anxiety and mental health has become a serious problem for the modern man. For the mental well being of a person modern Psychology is now almost willing to accept the aid of other Psychology such as Yoga Psychology. Yoga is a very powerful ally which can provide modern Psychology with additional therapeutic techniques. According to Psychoanalysis the human Psychology is broadly divided into conscious and unconscious level. Freud asserted in his autobiography that the whole Psychic life was primarily unconscious, with the quality of consciousness only sometimes superadded. With 'the unconscious' as a central concept, he made it his task to discover those determining forces of personality of which the individual is generally ignorant. Thus making the unconscious conscious constitutes the distinctive feature of Psychoanalytic approach with regard to integration of personality. The unconscious essentially consists of motives. Whenever an unconscious motive seeks to emerge into consciousness, it meets with a certain amount of opposition from the conscious mind. This opposition is technically called 'resistance' and the function of the Psychoanalyst is to remove resistance. The technique of Psychoanalytic therapy is characterized by the following broad features. These are– (i) Free Association, (ii) Analysis of dreams, (iii) the Transference Neurosis and (iv) Interpretation. Regarding the 'Integration of Personality' there is a vital difference between western Psychology and Yoga Psychology. According to Patanjali Yoga means the restraint of the modification of citta (citta-vritti- Norod). Patanjali's yoga is a Psychological discipline and hence we find in it a thorough and critical study of the problem of the mind. In the Indian Philosophy, mind is quite distinct from Jiva (ego) and Atman (self). Mind is composed of elements thought (manas), ego (ahamkara) and intelligence (buddhi). Regarding the structure of mind yoga Psychology is differ from western Psychology. Like Freud yoga Psychology also accept the unconscious level of mind. Vasanas (innate disposition) and samskara (latent impressions), which co-exist in the citta may be called the unconscious mental processes. Thus yoga upholds with Psychoanalysis that the unconscious processes play a very important part in life. Both Yoga and Psychoanalysis agree that the conscious actions are controlled by deep cravings and urges of the unconscious.

But Indian Psychology does not regard mind (conscious and unconscious) as the highest Psychic function as is conceived by Western Psychology. According to Indian Psychology Atman is the highest Psychic function (soul) and the mind is but unconscious instrument of Atman. The Western Psychology does not take into consideration the highest level of consideration, which is called in Indian Psychology the super conscious level or 'Turiya-avastha'.

In yogic view the core of the personality is Purusa, which stands behind the mental the vital and the Psychical being in us. It is the concealed witness (sakshi), the inner controller (antaryamin) the silent influence and the hidden guide. This Atman or Purusa is our real self and personality. Therefore the discovery of Purusa of realization of the self is the true secret of personality.

The 'asmita' or egoism is a false conception according to Indian wisdom. It arose due to ignorance or avidya. Ego personality an illusion therefore Indian Psychology suggest that to die to this Predo-self is to realize one's real personality. The real personality is 'Atman' or 'Purusa' or 'soul'. The yoga is directed towards this central core of personality.



Yogic system has a special approach to personality and seeks to develop it to highest possible status.

The concept of integrated personality has been presented in concrete pictorial form in yogic literature. In the Patanjala yoga, the integrated personality is pictured as a man in Samadhi (samadhistha). The mind of such a person is calm because he experiences the eternal peace of Purusa. All the yogas agree that the full integration of personality can be achieved in trans-ego state; transcendence of ego is a necessary requirement in every yoga. The technique of meditation, japa and the higher steps in Rajayoga are intended to make us rise above our little personality, ego, or the individual consciousness. The aim of yoga is to bring the ego in touch with the universal consciousness. By transcending the ego, the Personality is integrated in one's real being. Here Patanjali prescribed eight steps of his yoga. These are– Yama, Niyama, Asana, Pranayama, Pratyahara, Dharana, Dhyana and Samadhi. ■

**Source :** 1. Surendranath Dasgupta : Yoga as Philosophy and Religion, Motilal Banarsidass Publishers, Delhi, 2007.
2. সিগমুণ্ড ফ্রয়েড : মনঃ সমীক্ষণের ভূমিকা, স্নায়ুরোগ দীপায়ন, ভাষান্তর : অরুণরঞ্জন বসু, কলকাতা, ২০০৭।

# নৱকান্ত বৰুৱাৰ 'এটা প্ৰেমৰ পদ্য'

✦ ড° জগন্নাথ বৰ্মন
বিভাগীয় প্ৰধান, অসমীয়া বিভাগ

**(ক) নৱকান্ত বৰুৱাৰ কাব্য চেতনা ঃ** অসমীয়া সাহিত্যৰ আধুনিক বা নতুন কবিতাৰ ইতিহাসত কবি নৱকান্ত বৰুৱা সন্দেহাতীতভাৱে আটাইতকৈ এটি তাৎপৰ্যপূৰ্ণ নাম। বিংশ শতাব্দীৰ পঞ্চম দশকটিত কবিতাৰ নতুন ভাববস্তু, ৰূপবস্তু, ন ন আংগিক আৰু ছন্দ চেতনাৰ সুষমাৰে কবিতাক বিশিষ্ট শিল্প হিচাপে গঢ়ি তোলাত নৱকান্ত বৰুৱাৰ ভূমিকা একক আৰু অনন্য আছিল। এনে কথাৰ ভিত্তিতে অনেকে কুৰি শতিকাৰ পঞ্চাশৰ দশকটিক 'নৱকান্ত বৰুৱাৰ দশক' বুলি অভিহিত কৰি আহিছে। উক্ত সময়ছোৱাত প্ৰকাশিত 'হে অৰণ্য হে মহানগৰ' স্বৰূপাৰ্থত আধুনিক মহানাগৰিক জীৱনক প্ৰতিফলিত কৰা, আধুনিক নগৰকেন্দ্ৰিক সভ্যতাৰ ক্লীৱতাবোধ, বিষাদৰ সুৰ নিঃসৃত প্ৰথম আধুনিক কবিতাৰ পুথি আছিল। এই বিষাদৰ অন্তৰালত প্ৰিয়াৰূপী পৃথিৱীৰ বিগত যৌৱনা আৰু মৰণশীলতাৰ প্ৰতীকৰূপে কবিক ব্যথিত কৰি তুলিছিল। সেয়েহে 'সন্ধ্যাৰ বেপচ'দিত 'মৰা জোন উঠি আছে কবৰৰপৰা' অথবা 'এন্ধাৰ ৰাতিৰ ইলিজি' কবিতাত 'মৰি যোৱা শতাব্দীৰ দেহা/উঠি আছে কবৰৰপৰা' শীৰ্ষক ধাৰণাই নৱকান্তৰ কবিতাত চল্লিশৰ দশকৰপৰাই এক মৃত্যু চেতনাৰে প্ৰকাশ পাই আহিছিল। ইয়াৰ বিপৰীতে সেই সময়ছোৱাত অনেক কবিয়ে বিপ্লৱৰ সপোন আৰু জীৱনমুখী চেতনাৰ কবিতাৰে জনগান গাইছিল। আনফালে প্ৰগতিশীল ধাৰাৰ সম্পূৰ্ণ বিপৰীত মেৰুত অৱস্থান লৈ বুদ্ধ চেতনা (বোধিদ্ৰুমৰ কবি), দেহবিচাৰ গীত চেতনা (ক্ৰমশঃ), মৰু চেতনা আদিৰ মাজেৰে নৱকান্তৰ কবিতা বিষাদঘন মৃত্যু চেতনাৰে আবিৰ সনা শোকাকুল উপত্যকা হৈ পৰিছিল। ১৯৪৬ চনৰপৰাই কবি নৱকান্ত বৰুৱাই ঈশ্বৰক 'ধূপৰ ধোঁৱা'ৰপৰা 'এলজেব্ৰাৰ এপ্ৰনৈ' বিচাৰি চোৱাৰ মাজেৰে এক আকৰ্ষণীয় আধুনিক মনৰ পৰিচয় দিছিল। প্ৰগতিশীল ধাৰাৰ কবিতা নিলিখিলেও নৱকান্তৰ কবিতা জীৱন ব্যতিৰেকী শিল্পকলা বুলি নিন্দা কৰিব নোৱাৰি। আনহাতে, একাংশ কবিতাত তাৰ সমান্তৰালভাৱে নৱতম ৰূপত ৰোমাণ্টিক চেতনা ফুটি উঠিছিল। যাৰ মাজত কোনোবা গাঁৱৰ নিৰিবিলি সন্ধিয়াৰ শান্ত স্নিগ্ধ পৰিৱেশৰ আস্বাদন লাভ কৰিব পাৰি। 'স্ব-নিমন্ত্ৰিত', 'উভতি অহাৰ কবিতা', 'এটা প্ৰেমৰ পদ্য' আদি কবিতা এই প্ৰসংগত উল্লেখযোগ্য। প্ৰখ্যাত কবি সমালোচক ভবেন বৰুৱাৰ মতে— "নৱকান্ত বৰুৱাৰ কবিতাক তিনিটা ভাগত ভগাব পাৰি।" প্ৰথম ভাগ— ৰবীন্দ্ৰোত্তৰ যুগৰ আধুনিকতাবাদী মৃত্যু চেতনা, অৱক্ষয় চেতনাৰ; দ্বিতীয় ভাগ— জিৰণিৰ মাজুলীৰূপী ৰোমাণ্টিক চেতনা সমৃদ্ধ স্মৃতিকাতৰ নষ্টালজিক অতীতৰ কোনো মুহূৰ্ত ৰূপায়ণৰ কাব্যিক প্ৰকাশ; তৃতীয় ভাগ— সংবেদনশীল ভাষাৰ পৰিবৰ্তে নতুন ভাষা নিৰ্মাণৰ কবিতা। 'ৰাৱণ', 'ধৃতৰাষ্ট্ৰ' আদি তৃতীয় ধাৰাৰ সাৰ্থক উদাহৰণ।

**(খ) নৱকান্ত বৰুৱাৰ কবিতাত ৰোমাণ্টিক চেতনা ঃ** প্ৰচুৰ অধ্যয়নৰ অভিজ্ঞতা, সংবেদনশীল হৃদয়, দেশী-বিদেশী কবিৰ প্ৰভাৱ আৰু প্ৰেৰণাৰে সমৃদ্ধ শব্দশিল্পৰ অনুপম শিল্পী নৱকান্ত বৰুৱাই দহখনতকৈ অধিক কবিতাপুথি অবিৰতভাৱে ৰচনা কৰি গৈছে। 'হে অৰণ্য হে মহানগৰ' (১৯৫১), 'এটি-দুটি এঘাৰটা তৰা' (১৯৫৭), 'এখন স্বচ্ছ মুখাৰে' (১৯৬০), 'যতি আৰু কেইটিমান স্কেচ্ছ' (১৯৬০), 'ৰাৱণ' (১৯৬৩) আদি অন্যতম কবিতাপুথি। তাৰ সমান্তৰালকৈ অনুবাদ কবিতা, গীত, শিশু সাহিত্য তথা এগৰাকী আগশাৰীৰ ঔপন্যাসিক হিচাপে অৱদান স্মৰণীয়। সেইবোৰৰ ভিতৰত মৃত্যু চেতনাৰপৰা ক্ষণিক সময়ৰ বাবে আঁতৰি অথবা পাহৰিবলৈ আশ্ৰয় লৈছিল ৰোমাণ্টিক চেতনা সমৃদ্ধ, সংবেদনশীল হৃদয় প্ৰকাশক প্ৰেমৰ কবিতাৰ। সেই প্ৰেমৰ প্ৰকাশ মূলতঃ ৰোমাণ্টিক আছিল; কিন্তু তাৰ মাজত অনেক দ্বিধা, শংকা, সন্দেহ আধুনিক কবিতাৰ দৰেই আছিল; প্ৰকাশ লয়যুক্ত মুক্তক ছন্দৰে মুখৰিত। সেই সময়ত বৰুৱাৰ এনে কবিতাই কবিতাৰ ৰসগ্ৰাহী উচ্চ শিক্ষিত তৰুণ কবিসকলক বাৰুকৈয়ে আকৰ্ষণ কৰিছিল। আধুনিকতাৰ আহ্বান আৰু ৰোমাণ্টিক চেতনাই অপূৰ্ব আনুপাতিক মিশ্ৰণেৰে অনেক কবিতাত দ্ৰৱীভূত হৈ অনাবিল আনন্দ দিছিল আৰু দি আহিছে। তেনে এটি কবিতা হ'ল— 'এটি প্ৰেমৰ পদ্য'। পঞ্চাশৰ দশকত লিখা এই কবিতাটি মহেশ্বৰ নেওগ সম্পাদিত 'সঞ্চয়ন' (১৯৭২), কবিৰ 'মোৰ আৰু পৃথিৱীৰ' (১৯৭৩), নীলমণি ফুকন সম্পাদিত (১৯৭৭) 'কুৰি শতিকাৰ অসমীয়া কবিতা' আদিৰ উপৰি অনেক সংগ্ৰহ আৰু সংকলনত ঠাই পাইছে। অসমীয়া কবিতালৈ চকু দিলে আমি কবিতাত প্ৰেমৰ বিভিন্ন ৰূপৰ বহুতো অভিব্যক্তি দেখোঁ। লোক-কবিতাৰ পৰম্পৰাত ই দেহাশ্ৰয়ী প্ৰণয়ৰ স্বতঃস্ফূৰ্ত আবেগ আৰু নিৰ্ভাজ প্ৰকাশ। মধ্যযুগৰ বৈষ্ণৱ সাহিত্যত ভগৱৎ প্ৰেমেই আদৰ্শ।



ৰোমাণ্টিক কবিতাত মানবীয় প্ৰেমৰ সকলো আকৰ্ষণ, সকলো ৰহস্য বৰ্ণাঢ্য ৰূপত প্ৰকাশ পাইছিল। বাস্তৱ সচেতন, দ্বিধা-শংকা মিশ্ৰিত, অতীত নাইবা ভৱিষ্যৎমুখী সপোনযুক্ত প্ৰেম বিষয়ক কবিতা যুদ্ধোত্তৰ যুগত দেখা গৈছিল। 'এটা প্ৰেমৰ পদ্য' এই ধাৰাৰ কবিতা। হেম বৰুৱা, নিৰ্মলপ্ৰভা বৰদলৈ, নীলমণি ফুকন আদিয়ে এনে কবিতা ৰচনা কৰিছে।

**(গ) 'এটা প্ৰেমৰ পদ্য' কবিতাৰ মৰ্মাৰ্থ ঃ** চুটি-দীঘল সৰ্বমুঠ ২৬টা শাৰীৰে সমৃদ্ধ 'এটা প্ৰেমৰ পদ্য' কবিতাটিত আধুনিকতাৰ আহ্বান আৰু ৰোমাণ্টিকতাৰ সংগম ঘটিছে। আধুনিকতা আৰু প্ৰেমে একেলগে গতি কৰা এটি উল্লেখযোগ্য কবিতা। কোনোবা এক বাৰিষাৰ ৰাতি 'বিষয়ী' কবিয়ে কোন কাহানিবাই লগ পোৱা এগৰাকী নাৰীৰ সান্নিধ্যৰ কথা ভাবি স্মৃতিকাতৰ হৈ পৰিছে। সেই নাৰীৰ নাম অৰুন্ধতী। অৰুন্ধতীৰ ৰূপত প্ৰতিফলিত সেই নাৰী কল্পনাতীতভাৱে পৰিশীলিত, মাৰ্জিত। আনফালে কবিতাটিৰ মাজেৰে যি প্ৰেম প্ৰকাশ পাইছে, সেয়া আধুনিকতাৰ দৰে জটিল। ই লোকৰঞ্জী প্ৰেমৰ সৰল প্ৰকাশ কিম্বা অতি ৰোমাণ্টিক নহয়। ছয়াবাৰ আশ্চৰ্যবোধক যতি আৰু দুবাৰ প্ৰশ্নবোধক যতিচিহ্ন ব্যৱহাৰ হোৱা কবিতাটিত কবিতাৰ লেখক কবি আৰু কবিতাটিৰ নায়কস্বৰূপ কবি নামধাৰী 'কবি' এগৰাকী ব্যক্তি নহয়। নায়কস্বৰূপ কবিয়ে কৰা প্ৰশ্নৰ মাজত আধুনিক জীৱনৰ অনিশ্চয়তা, দ্বিধা, শংকা আৰু আশ্চৰ্যবোধক ভাৱ প্ৰকাশত 'অনিৰ্ণেয়' ভাৱ প্ৰকাশ পাইছে। ইয়াৰ মাজেৰে মুখ্যতঃ দুটা কথাৰ প্ৰকাশ ঘটিছে— ই প্ৰেমিক বিষয়ীৰ একপক্ষীয় প্ৰকাশ অথবা কবিৰ কল্পনাই নিৰ্মাণ কৰা আকাংক্ষিত এক প্ৰতিমা।

কবিতাটিত কবিৰূপী 'বিষয়ী'য়ে লগ পোৱাৰ সময়সূচক ইংগিত ঘাইকৈ "তোমাৰ খোপাৰ আবেলি আবেলি গোন্ধ", "দূৰবি বনত মুকুতাৰ মণি", "সেমেকা পোহৰে সৌৰৱাই দিয়া" কথাবোৰৰপৰা অনুমান কৰিব পাৰি শীতকালৰ এটা দিনৰ আবেলিৰপৰা নিশালৈ আছিল। সেই মুহূৰ্ত, সেই সান্নিধ্য, "ভগা সপোনৰ অতনু বাধা"ৰ মাজতো "জোনাকে ডাৱৰে মৰমে বিষাদে/এক নুবুজা কবিতা"ৰ দৰে জটিল আছিল। কাৰণ বিষয়ী কবিয়ে অৰুন্ধতীক কাষতে পাইছিল যদিও দুয়োৰে মাজত "জোৱাৰৰ বাবে সাগৰ নাছিল"। তাত কামনাৰ সিদ্ধিৰ ইংগিত নাই; বৰং "বৰফৰ দৰে চেঁচা পৰশ"হে পাইছিল। এনে কাৰণতে তাক "সি কি যে শান্তি" বুলিহে উপলব্ধি কৰিছে। আনফালে সেই অনুভৱ, উপলব্ধি বিষয়ী কবিৰ মনত বহু ঘাত-প্ৰতিঘাত নেওচি পোৱা এটি জিৰণিৰ ক্ষুপুৰিস্বৰূপ (বহুতো আকাশ পাৰ হৈ অহা/ধুমুহা পখীৰ এটি লহমাৰ নীড়) অথবা "কেঁচা টেপনিৰ ভিৰৰ মাজত/সেই এটা মাখোঁ/উজাগৰ ৰাতি"। তাকেই বিষয়ী কবিয়ে ব্যাকুল ভাৱত প্ৰশ্ন কৰিছে—

"মনত পৰেনে, অৰুন্ধতী?
বাৰিষাৰ ৰাতি মনত পৰেনে
অৰুন্ধতী!" —এই আহ্বান বিষয়ী কবিৰ অৰুন্ধতীৰ প্ৰতি; কিন্তু এই সঁহাৰিৰ নিশ্চয়তা নাই। 'অৰুন্ধতী' সম্বোধন সংশয় আৰু দ্বিধাত দোদুল্যমান। 'বাৰিষাৰ ৰাতি' কথাষাৰে ভাৰতীয় সাহিত্যৰ পৰম্পৰাত প্ৰেমৰ লগত সম্বন্ধৰ কথা কয়। অৰ্থাৎ 'মেঘদূত'ত যক্ষই বিৰহী পত্নীক আষাঢ় মাহৰ প্ৰথম দিনত মনত পেলোৱা, বিদ্যাপতিৰ কবিতাত বাৰিষাত অনুপস্থিত কান্তাৰ কাৰণে ব্যাকুল হোৱা কান্তাৰ কথাৰ মাজেৰে ব্যঞ্জনা অনুভৱ কৰিব পাৰি; কিন্তু সকলো ক্ষেত্ৰতে এই স্মৃতিকাতৰ উপলব্ধিৰ অন্তৰালত আছে— দ্বিধা, শংকা, অনিৰ্ণেয় নিৰ্যাস। এয়ে এটা প্ৰেমৰ পদ্যৰ মূল কথা।

**(ঘ) কবিতাটিৰ ওপৰত পৰা প্ৰভাৱ অনুপ্ৰেৰণা ঃ** আধুনিক কবিতা মানেই দ্বিধা-শংকাৰে আৱৰা এটি মন। পঞ্চাশৰ দশকত ৰচনা কৰা কবিতাটিত হিলেয়াৰ বে'লকৰ ইংৰাজী কবিতা 'টাৰেণ্টেলা'ৰ (Tarentella)ৰ প্ৰথমশাৰী "Do you remember an inn" উদ্ধৃতি হিচাপে ব্যৱহাৰ হৈছিল। পৰৱৰ্তী কালত প্ৰকাশিত কবিৰ 'মোৰ আৰু পৃথিৱীৰ' অথবা সম্পাদিত 'কুৰি শতিকাৰ অসমীয়া কবিতা'ত সেই উদ্ধৃতি নাই। সেইদৰে কবিতাটিৰ বিস্ময়বোধক যতিচিহ্ন (!) প্ৰশ্নবোধক যতিচিহ্নলৈ ৰূপান্তৰিত হৈছে। এনে পৰিবৰ্তনৰ অন্তৰালত সমালোচকসকলে কবিৰ প্ৰেমৰ প্ৰতি থকা দ্বিধাৰ ভাৱ প্ৰকাশ পাইছে বুলি কয়। বে'লকৰ কবিতাত (Hilaire Belloc) 'মিৰাণ্ডা' বুলি এগৰাকী নাৰীক সম্বোধন কৰা হৈছে। দুয়োটা কবিতাতে কবি আৰু প্ৰেয়সীৰ সৌৰৱণ আছে। সেই সৌৰৱণ এদিনৰ এক বিশেষ পৰিৱেশৰ সৌৰৱণ। দুয়োটা কবিতাৰ জনপ্ৰিয়তাই শিল্পৰূপক স্থায়িত্ব দিছে। বে'লকৰ কবিতা সঁচা ঘটনাৰ সৌৰৱণ; কিন্তু নৱকান্ত বৰুৱাৰ কবিতাৰ অন্তৰালত তেনে ঘটনা নাই। এই ফালৰপৰা 'অৰুন্ধতী' এক কাল্পনিক নাৰী। এনে দৃষ্টিৰে 'এটা প্ৰেমৰ পদ্য' কবিতা এটা কবিতা পাঠৰপৰা আন এটা কবিতাই পোৱা প্ৰেৰণাৰ ফল বুলিব পাৰি। সেইদৰে পৰৱৰ্তী কালত প্ৰকাশিত সংকলনবোৰত কবিতাটিৰ শিৰোনাম 'এটা প্ৰেমৰ পদ্য'ৰ পৰিবৰ্তে 'মনত পৰেনে অৰুন্ধতী' নামেৰে প্ৰকাশ পাইছে। বে'লকৰ কবিতাটি মূলতঃ টাৰেণ্টেলা নাচত ভাগ লোৱা কবি আৰু নৃত্য সংগিনী মিৰাণ্ডাৰ এক আনন্দময় সময়ৰ সৌৰৱণ। নৱকান্ত বৰুৱাই প্ৰেমৰ পৰিবৰ্তে 'সৌৰৱণ'ৰ ওপৰত গুৰুত্ব আৰোপ কৰি সম্ভৱতঃ কবিতাটিৰ শিৰোনামৰ লগতে যতিচিহ্ন তথা দুই-এক শব্দলৈ পৰিৱৰ্তন কৰিছিল। নাৰীগৰাকীৰ নাম 'অৰুন্ধতী' ৰখাৰ তাৎপৰ্য বিচাৰি কবি-সমালোচক হৰেকৃষ্ণ ডেকাই অৰুন্ধতীক বশিষ্ঠ পত্নী অলভ্য সুদূৰ নক্ষত্ৰ বুলি ধাৰণা কৰিছে। পুৰাকথা মতে— পৰপুৰুষৰপৰা দূৰৈত থাকিবলৈ অৰুন্ধতী নামৰ মৰ্ত্যৰ নাৰীগৰাকী নক্ষত্ৰ হৈছিল। এক ৰোমাণ্টিক স্মৃতিকাতৰ, অৰুন্ধতী নামত আৰোপ কৰা পৌৰাণিক আয়তন তথা লয়যুক্ত স্পন্দময় প্ৰকাশ হিচাপে কবিতাটি অতি গুৰুত্বপূৰ্ণ।

অসমীয়া সাহিত্যত 'এটা প্ৰেমৰ পদ্য' অথবা 'মনত পৰেনে অৰুন্ধতী' স্বৰূপাৰ্থত এটাই কবিতা। এই কবিতাৰ জনপ্ৰিয়তাই শিল্পৰূপে পাঠক হৃদয়ত স্থায়ী ৰূপ লাভ কৰি আহিছে। ■

# REGIONALISM IN INDIA
## and Future of Regional Politics in Assam

♦ **Dr. Haren Ch. Kalita**
Asst. Prof., Political Science

The term 'Regionalism' is not an easy concept to define. It has not yet acquired any accepted precise definition. However, it can be referred to a tendency to assign primacy to the region vis-a-vis the nation.[1] The tendency finds expression in cultural, linguistic, economic, political and administrative terms. Within a nation state when an area develops a consciousness of its customs and ideas and posses a sense of identity distinct from the rest of the country, it may begin to assert itself and than an ideology of regionalism may emerge. The word 'Regionalism' was first used in 1874 in the works of the Provencal poet de Berlue-Perussis.[2] However, it did not come in to wide currency until the 1890s. Clearly a sense of 'regional awareness' and a desire by states to 'make the best of their regional environment' have long predated the existence of formal regional organizations. And in many parts of the world, where institutionalized regionalism is weak, such terms remain more appropriate in describing the state of regional co-operation today.

Regionalism in India has both positive and negative dimension. Positively its reflects the demands of the people living in a particular area. From negative point of view, regionalism stands the mental makeup of the people mislead by the politico-bureaucratic elite on the grounds of relative deprivation.[3] Historically speaking, regional movements have often played a progressive role in anti-colonial struggle for national independence. This movement helps in the democratic solution of the problems of nationality. In a multi-national country this should be welcome. However, the present day India, parochialism underlying the regionalist movement has sometimes become sources of popular discontent and discord. In India, we find both this processes are in operation.

In India the existence of regional parties is nothing new. They are entry into national level politics is however a new phenomenon. Some regional parties have succeeded in entrenching themselves, while some sprung up from time to time exploiting specific grievances and disappeared subsequently. In post-independence India, some such parties were quite active in the mid-1950s onwards. However, after the reorganization of the state in 1956, most of them merged with the national parties. Yet regionalism, regional consciousness and regional parties have remained on the Indian political scene and have grown in its intensity. Broadly speaking the regional political parties in India fall in to two categories. First, those which emerged as dissident Congress groups in certain states at specific time and for specific purpose but no sooner went out of existence once their raison d'être was fulfilled. To name a few such regional parties– the Bharatiya Kranti Dal (BKD), Bangla Congress, Kerala Congress, Utkal Congress and Telangana Praja Samity. The other category consists of classic regional ethnicity or cultural based parties like the DMK or Shiromani Akali Dal, Asom Gana Parishad (AGP), Telegu Desam Party or the Jharkhand Party.[ibid]

In North-East India many regional parties at the initial stage were set up only as pressure groups. In general, the aims of such groups were mainly to achieve social and economic goals and welfare of the people. Many such groups disappeared as soon as they form themselves into a political party. In Asom Gana Parishad has emerged in Assam politics as a result of six year long Assam Movement during the period 1979-1985, on the foreigner's issue.[4] The question of foreign nationals arose out of the 'illegal migration' of mainly Bengali speaking migrants from what is now Bangladesh, which began during the partition of India in 1947 and continue thereafter. The political focus of the IMDT (Illegal Migrants Determination by Tribunals) Act- terming it as the (black law) acting as the stumbling block in resolving the issue of illegal migration and tried to use this as the main excuse for itself and political instrument against Congress.

It is evident that the future of regionalism in Assam in connection with the Asom Gana Parishad is quite uncertain. Past experiences reveal that unless the regional parties are united, and both intra-party and inter-party rivalries are avoided it may not be possible for a single regional party like AGP to carry out the very agenda of regionalism. We still believe that the grand alliance of all non-Congress parties would have been a better choice as it would have prevented a split of the non-Congress vote. On the floor of the Assembly, we succeeded in exposing rampart corruption, scams and the misrule and failure of the Congress. Legislators of all the opposition parties the AGP, BJP, CPI(M), CPI, and the AIUDF[5]– united and maintained floor coordination. As a goodwill gesture and to send a message to the all opposition parties on the need to forge a grand alliance.

For establishing true regionalist culture the uprising of sub regional needs and aspirations are also to be studied in depth. Action for the desired regional politics and prosperity is to taken on pragmatic analysis of present and future demands and destinations of linguistically and culturally enfolded society of Assam. It must be confessed by ruling parties of India that Assam has not been getting its legitimate share in the development process since independence, in spite of its sizable contributions of natural resources for the growth and development of India. Assam has not been getting anything without being agitated and lost of lives, which is agreed by every gentle Indian except the conjurers of politics.[ibid] So a new trend of regionalism is expected by the people of this country who earnestly desire the peace and progress of every person of this reason.

In the new trend of regionalism, for which the broad masses are eagerly waiting, will not include the Assamese speaking Asomiya only but the people who think themselves. as aboriginal and treat this country Assam as their homeland will be of majority. The Asomiya, the Bengali, the Bodo, the Karvi, the Mishing, the Nepali, the Moran Mottuck, the Ahom, the Koch Rajbanshi, the tea garden labour tribes, the Muslims, the Hindus, the Christian, the Sikh, the Buddha all will be assimilated for the greater interest of regional politics of Assam with a view to establish Assam as a true federal state of India. The lesson from the fable of regionalism in Assam written by Asom Gana Parishad has given the way of achieving the desired, path to regionalism exterminating the present trend of regionalism of Assam.[ibid] So it is the time to think and learn from the fable to work in proper manner for future. Because every fable carries an inherent lesson to teach us the reality and actuality of the subject concerned. ■

**REFERENCES:**

1. Das, Gupta J. (1970) : Language conflict and National Development, Oxford, Bombay. Pp-53-55.
2. Hurrell, Andrew & Fawcett, Louise (ed.) (1997) : Regionalism in World Politics, Oxford University Press, Bombay. P-12
3. Kalita H. (2011) : Regional Politics : The role of Asom Gana Parishad, EBH Publications (India), Guwahati-1. Pp-13, 20
4. Bhatnager, S. & Kumer P. (ed.) (1988) : Regional Political Parties in India, Ess & Ess Publications, New Delhi. P-20.
5. http//www.google.com : 09-08-2014

# কবিতা শিতান

## জন্মভূমি

◆ লভিতা দাস
উঃ মাঃ প্ৰথম বৰ্ষ

অসম মোৰ জন্মভূমি
ভাৰত মোৰ দেশ,
হিন্দু-মুছলমান ইয়াতে আছে
কেতিয়াও নকৰে ক্লেশ।
অসমৰ বিভিন্ন ভাষিক লোক
বহু সংস্কৃতিৰে ভৰা,
ব্ৰহ্মপুত্ৰৰ পাৰতে বসবাস কৰি
মানুহৰ মনলৈ বোৱাইছিল
মিলা-প্ৰীতি, একতাৰ ধাৰা।
অসমৰ মনোমোহা প্ৰাকৃতিক দৃশ্যত
বিদেশীও আকৰ্ষণ হয়,
বেপাৰ কৰিবলৈ আহি অসমখনতে
ৰাজত্ব কৰিবলৈ লয়।
বিদেশীক খেদা বহু বীৰ পুৰুষে
অসমত জন্ম লয়,
যাৰ কথা শুনি অসমৰ মানুহে
আজিও গৌৰৱান্বিত হয়।
অসমৰ কৃষকো শ্ৰেষ্ঠতকৈও শ্ৰেষ্ঠ
নিজে দুখী হৈ আনক সুখী কৰে,
সকলোৰে মুখলৈ আনে হাঁহি
বাৰেবৰণীয়া সংস্কৃতিৰে ভৰা
অসম মোৰ জন্মভূমি। ■



## Midnight Guest

◆ **Dr. Ranjan Bhuyan**
Vice-Principal


Come silently, when the world lays in slumber,
Amidst the hooting of the owls
Knock at door softly, let others lay still.
Whisper my name in pleasant tone,
Anticipating, I shall stand at the doorway.
"Warm-hearted welcome", generous friend
If wearied relax a while beside me,
I shall sing the lullaby of my mother.
And breeze you tenderly.
Come from farthest way!
Long way to go before the sun awakens.
Stealthily I will pursue you.
Omnipotent force, lift me tenderly,
Wrapping with darkness
Swim across the air, meadows and oceans
Where the vast expanse of field lie
Where my forefathers lay eternally.
Let me lie evermore on my mother's lap
Placing her soothing arms round me
Singing melodic lullaby once more
Till eternal sleep wrap up my soul.......
Shanti ! Shanti ! Shanti ! ■



## অস্তিত্বহীন এক জীৱন

◆ মধুস্মিতা ৰাভা
উঃ মাঃ দ্বিতীয় বৰ্ষ

বহুদিন হ'ল লিখিবই পৰা নাই
বহু ৰাতি হ'ল টোপনিয়েই অহা নাই।
নিশাৰ আকাশখন গধুৰ হৈ আহিছে
ডায়েৰীৰ পৃষ্ঠাবোৰ খালী হৈ আছে,
নিষ্ঠুৰ সময়ৰ খুন্দাত যে
ক'ত আহি পালোঁ?
জীৱনটো বৰ জটিল হৈ পৰিল।
বিষাদবোৰে যেতিয়া
হৃদয়ত হেঁচি ধৰে
শান্ত্বনা দিবলৈ কোনোৱেই নাথাকে....
চকুপানীবোৰ নীৰৱে শুকাই যায়।
নিশাৰ এন্ধাৰত নিঃশব্দে
এবুকু বেদনা লৈ হাঁহি আছোঁ।
হেৰাই যোৱা বিষাদ
সেমেকি যোৱা স্বপ্ন
হেৰৌ, শুনিছ....
হিয়াৰ কৰুণ আৰ্তনাদবোৰ শুনিবি।
তেতিয়াহে দেখিবি
মোৰ জীৱনৰ অস্তিত্ব। ■



## জীৱন

◆ টিনা মালী
স্নাতক প্ৰথম ষাণ্মাসিক

জীৱনটো কোনফালে গতি কৰিছে
গমেই নাপাওঁ
মাথোন অবিৰতভাৱে বৈ গৈ আছে
মোৰ জীৱনৰ নৈখন।
জীৱন বাটত বহুতে দিলে সংগ
কোনোৱে দিছে মৰম আৰু
কোনোৱে দিছে আঘাত
এয়াই হয়তো জীৱন
সকলোৱেই খেলাৰ দৰে
ময়ো খেলি চালোঁ
মোৰ জীৱনৰ খেলখন। ■

# তুমি এৰি গ'লে

◆ চন্দামিতা শৰ্মা
স্নাতক তৃতীয় ষাণ্মাসিক

তুমি এৰি গ'লে হৃদয়ে বৰকৈ কান্দিব
জানানে মৰম!
তুমি এৰি যোৱাৰ বেদনা
সহিব জানো পাৰে হৃদয়খনে!
হয়তো কেতিয়াও নোৱাৰে।
তুমি যাব খুজিছা যোৱা
মই তাত বাধা নিদিওঁ।
কিন্তু মই নিজকো সান্ত্বনা দিব নোৱাৰিম যে
পাৰিম জানো কোৱা?
অ' তুমিনো কি ক'বা
মোৰ হৃদয়খন অনুভৱ কৰিলেহে ক'ব পাৰিবা।
কিন্তু মই এতিয়া কি কৰোঁ কোৱা?
শুনিব জানো পাৰিম মই!
সেই কান্দোনৰ বোলবোৰ
মচি দিবও নোৱাৰিম চকুলোবোৰ।
তুমি এৰি গ'লে
হাঁহিবোৰচোন একেবাৰেই
নোহোৱা হৈ যাব অ'
ঠাই পাব কেৱল দুখ, চকুলোবোৰ....। ■



# মৰমৰ মৃগাংক

◆ বনজিতা ৰাভা
স্নাতক পঞ্চম ষাণ্মাসিক

হৃদয়ৰ হিয়াভৰা মৰম ল'বা
আশাকৰোঁ ভালে আছা মৃগাংক
বহুদিন চিঠি নোপোৱাত তোমালৈ বুলি
নাজানো কেতিয়াকৈ গৈ পাব সৈনিক কেম্পত
মোৰ মৰমবোৰ....
আজি দুবছৰে হ'ল তোমাক নেদেখা
সেয়া কিমান বিষাদ তুমিও বুজা
চিন্তা নকৰিবা, মই আৰু সোণটি ভালেই আছোঁ
সি এতিয়া থুনুক-থানাককৈ খোজকাঢ়িব পাৰে
তাৰ দাঁত দুটাও ওলাল নহয়
দুষ্টামিবোৰ কিন্তু বাঢ়িছে তাৰ
হাতত যি পায় সকলো মুখলৈ নিয়ে
অ' শুনাচোন, আমাৰ ছাগলীজনী
যোৱা ৰাতি শিয়ালে লৈ গ'ল নহয়
বৰ বেয়া লাগিছে জানানে
ৰাতি সোণটিক লৈ উঠিবলৈও ভয় লাগে
তথাপি কপালৰ সেন্দুৰকণকে
তোমাৰ উপস্থিতি কামনা কৰোঁ
আমাৰ মৰমবোৰ সদায় তোমাৰ লগত আছে
ব'হাগত আহিলে মায়ে এইবাৰ
ঘৰলৈ মাতিছে তিনিওকে
সোণটিও মোমায়েকৰ ঘৰ দেখাই নাই নহয়
মায়ে হেনো তোমাক খুৱাবলৈ হাঁহ এটাও পুহিছে
অ' সোণটিয়ে টোপনিৰপৰা সাৰ পালেই
এতিয়া থৈছোঁ, পাৰিলে চিঠি এখন দিবা
ইতি তোমাৰ মৰমৰ প্ৰিয়া। ■



# মা

◆ পম্পী দাস
উঃ মাঃ দ্বিতীয় বৰ্ষ

মা এটি এনে শব্দ
যাক বুজাবলৈ কোনো ভাষা নাই।
মাৰ বাবেই
আমি দেখিছোঁ সমস্ত পৃথিৱী।

মনত দুখ থাকিলেও
মায়ে সকলো দুখ দিয়ে পাহৰাই।
বুজিব নোৱাৰা কথাবোৰ
মায়ে মৰমেৰে দিয়ে বুজাই।
মা, তুমি আমাৰ জীৱন
তোমাৰ অবিহনে সকলো অৰ্থহীন।
তুমি আমাৰ ভগৱান
মা, তুমি অনন্যা। ■



# নষ্টালজিয়া

◆ বৰষা কলিতা
স্নাতক পঞ্চম ষাণ্মাসিক

আজি যে নাই তাহানিৰ
সেই মধুৰ ক্ষণবোৰ।
আজি যে নাই তাহানিৰ
সেই নিভাঁজ মৰমবোৰ।
আছে মাথোঁ স্মৃতিৰ জোলোঙাত
সজীৱ হৈ আছে নষ্টালজিয়া দিনবোৰ
আজি যে নাই আইতাই কোৱা
ৰজা-ৰাণীৰ সাধুবোৰ।
আজি যে নাই গাঁৱৰ সেই
ওখ ওখ বিৰিখবোৰ
আছে মাথোঁ আকাশ লম্ভা
কংক্ৰিটৰ অট্টালিকাবোৰ
আজি যে নাই তাহানিৰ
সেই ধুলিময়ৰি বাট
আজি যে নাই সন্ধিয়াৰ আকাশত
ঘৰমুৱা হোৱা চৰাইৰ মাত।
আছে মাথোঁ যান্ত্ৰিকতাৰে ভৰা
ব্যস্ততাৰ মহানগৰী
আৰু আছে বিস্মৃতিৰ গৰ্ভত
কিছু নষ্টালজিয়া। ■

# মা

◆ বন্দনা ৰাভা
স্নাতক প্ৰথম ষাণ্মাসিক

অতিকৈ চেনেহৰ
অতিকৈ আদৰৰ
কৰিছিলা কোলাত লৈ
মোক ডাঙৰ
কেতিয়াবা ধমক দিছিলা
কেতিয়াবা এথাপৰ
আকৌ কৰিছিলা
মৰমেৰে চুম্বন।
তুমিয়ে আপোন মোৰ
তুমিয়ে জীৱন
তোমাৰ অবিহনে
আধৰুৱা মোৰ জীৱন।
পৃথিবীৰ পোহৰ
তুমিয়েই দেখুৱালা
প্ৰথম খোজ দিবলৈ, কথা ক'বলৈ
তুমিয়েই শিকালা
তুমিয়েই মোৰ মৰমৰ মা। ■



# সপোন

◆ তৰালি দাস
উঃ মাঃ দ্বিতীয় বৰ্ষ

সপোন দেখিলোঁ সঁচায়ে
বিচাৰিলোঁ জীৱনৰ অস্তিত্ব,
সপোন সাগৰত বিলীন হৈ
হেৰুৱালোঁ জীৱনৰ মহত্ব।

জীৱনৰ অস্তিত্ব বিচাৰি সপোন দেখিলোঁ
নিঃস্বাৰ্থ মনে,
নিজৰ মাজতে হেৰাই গ'লোঁ
বিচাৰোঁ প্ৰতি ক্ষণে।

জীপাল হৈ উঠিল সপোনবোৰ
সৌ আকাশত নিৰ্জন কোণত,
বিলীন হৈ পৰিলোঁ
সোণালী জোনৰ পোহৰত।

পোহৰৰ চিক্‌মিকনিত উচপ খাই উঠিল
নিস্তব্ধ হৃদয়ে,
ভগা সপোনৰ দোমোজাত পৰি
হৃদয় আজি বিদাৰে।

আজি সপোনবোৰ জীপাল কৰিবলৈ
নাই কাৰো সঁহাৰি,
সপোনবোৰেই গ'ল নেকি ৰঙীণ
জীৱনৰ ৰং মোহাৰি!

ভগা সপোনবোৰে কাঢ়ি লৈ গ'ল
জীৱনৰ সকলো আশা,
সেয়ে আজি ক'বলৈ নাইকিয়া
জীৱনৰ সোণালী ভাষা। ■



# জাক হেৰুওৱা পখীৰ বিননি

◆ মিনা ৰাভা
স্নাতকোত্তৰ দ্বিতীয় ষাণ্মাসিক

কণমানি নয়নত প্ৰজ্বলিত চকুপানী
ডেউকাৰে মচি লক্ষ্যতাৰে উৰিছে
বিভাৱন পৰিধিত সংগী বিচাৰি

নৈৰ কুভাত প্ৰতিফলিত বিভ্ৰম ছবিয়ে
সংগী পথিক জগাই তোলে
অদম্য আশাৰ চিএৰ
বতাহত আহি মেৰিয়াই ধৰে

নিশ্চুপ নিয়তিৰ কেঁকুৰিত
কিজানি পায়েই
বদান্য প্ৰজ্ঞাৰ অচিনা
সংগীৰ কণ। ■

# ৰাতিপুৱা


◆ হিমাশ্ৰী দাস
উঃ মাঃ দ্বিতীয় বৰ্ষ

পুৱাৰ ৰঙা বেলি ধীৰে ধীৰে আহি
ওলাল পূব আকাশত,
খেতিয়কসকলে কান্ধত নাঙল লৈ
ওলালগৈ খেতিপথাৰত।
আধা ফুলা শেৱালিৰ গুলপীয়া কলিটি
চৌপাশে আমোলমোলায়,
ৰঙতে নাচি উঠিল নিয়ৰৰ টোপালবোৰ
তিৰ্‌বিৰ্‌ জেউতি চৰায়।
নিজৰ বাহ এৰি কপৌহাল উৰি গ'ল
আহাৰৰ সন্ধানত,
হাতত বাঢ়নী লৈ জীয়ৰী-বোৱাৰীয়ে
আঁক দিলে বাহী চোতালত।
ব্যৱসায়ীসকলে ওলাল হাটলৈ
লাহে লাহে বেলিটি উঠিলত,
বেগাবেগিকৈ সকলোৱে মৰম-স্নেহ পাহৰি
গ'ল কামলৈ। ■

# আই

◆ পল্লৱী দাস
স্নাতক পঞ্চম ষাণ্মাসিক


তোৰ বুকুত ফুলা ফুলপাহি
আজিও সজীৱ কৰি ৰাখিছোঁ
মোৰ হিয়াৰ উমেৰে
হ'বলৈ নিদিওঁ ম্লান কাহানিও....
তোক শুৱনি কৰি ৰাখিবলৈ
কত কি যে কৰা নাই,
কত বীৰ শ্বহীদৰ কেঁচা তেজৰ বলিদানেৰে
পূজিলোঁ তোক আই।
কণ কণ শিশুৰ খিল্‌খিলনিৰে
আজি তোৰ ভৰা চোতাল
মুকলি মন, মুকলি প্ৰাণ আমাৰ
আকাশে-বতাহে আজি তোৰ জয়গান
বাজক দবা, বাজক শংখ, বাজক আজি চৌদিশে
তোৰেই জয়ধ্বনি....
নহ'বি তই দুৰ্বল
নকৰিবি কালৈকো ভয়
আজি তোৰ বুকুত আছে
অদম্য শক্তিৰ জুই
বিশাল বুকুৰ বিকশিত সাহেৰে জিলিকিছে সন্তান
আজি তোৰ....
আই, তোক লৈ এয়াই যে মধুৰ সপোন মোৰ। ■




# অনাগত কাল

◆ কৰবী দাস
স্নাতক পঞ্চম ষাণ্মাসিক

কি হ'ব মোৰ অনাগত কাল
ব'ত হেৰাই যাব ধৰিছে মোৰ সৰ্বস্ব
জীয়াই থকাৰ সকলো আশংকা।
প্ৰতিটো সময়, প্ৰতিটো নিশাই
পোৱা-নোপোৱাৰ সেই অস্থিৰতাই
মোক যেন বাৰে বাৰে জ্বলাই মাৰিছে।
প্ৰশ্ন কৰোঁ মোৰ সেই বিশ্বাসক
যিয়ে আজি মোক এই দোমোজাত পেলাইছে।
আঃ, কি অভিশপ্ত এই জীৱন
যিয়ে তিল তিল জীয়াই মাৰিছে
বুকুত খুন্দিয়াই খুন্দিয়াই মোৰ ৰক্ত পান কৰিছে
তেজ-মঙহৰ সম্পৰ্কত বিষ ঢালিছে।
হয়তো এই অনুভৱৰ বাস্তৱেই
মোৰ সেই অনাগত কাল। ■





# মায়াৰ বান্ধোন

◆ টিনা তালুকদাৰ
স্নাতক দ্বিতীয় ষাণ্মাসিক

নতুন আশা
নতুন হেঁপাহ
নতুন দিগন্ত

মায়াময় জীৱনৰ সুৰভি
অজানিতে নামি আহে
শীতৰ সেমেকা ৰাতি
নিস্তব্ধ জীৱনৰ এটি মিঠা কাহিনী


নাজানো কিনো কৰিলা যাদু
শুভ্ৰ হৈ মুহিলা মোক
দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে শিহৰণ হয়
তোমাৰ কোমল চিত্ৰপট। ■



# বন্ধু

◆ দীপামণি দাস
স্নাতক ষষ্ঠ ষাণ্মাসিক

বিলাসী জীৱনৰ
তীব্ৰ বাসনাত
হেৰুৱাই নেপেলাবা
হৃদয়ৰ ঠিকনা....
সৰাপাতৰ দৰে
শুকাই যাবলৈ নিদিবা
এই শাশ্বত অনুভৱ।
সাতোৰঙী ৰামধেনুতকৈও
ৰঙীণ তুমি,
তোমাৰ এধানি সহানুভূতিয়ে
জিলিকাই তোলে ৰবণি ওঁঠতো
অজস্ৰ হাঁহিৰ মূৰ্চ্ছনা....
হেজাৰ ব'দৰ দুখতো তুমিয়েইতো
হৈ থিয় দিয়া নাহৰৰ নিৰিবিলি ছাঁ।
বিশ্বাসেৰে বোৱাই দিয়া হৃদয়ত
বন্ধুত্বৰ এনাজৰী....
নিপিন্ধিবা যান্ত্ৰিকতাৰ
কাইটীয়া পোছাক....। ■



# পাহিত নিয়ৰৰ টোপাল

◆ চন্দ্ৰমা দেৱী
উঃ মাঃ দ্বিতীয় বৰ্ষ

সৌ ৰঙা ফুলপাহি চোৱা
কি যে ধুনীয়া!
সঁচাকৈয়ে বৰ ধুনীয়া, কিন্তু অপূৰ্ণ
ইমান যেন উজ্জ্বলতা নাই।
কিন্তু আজি চোৱা
ফুলপাহ পৰিপূৰ্ণ হ'ল,
দূৰৰপৰাই জিলিকি আছে
যেন তাত মুকুতামণি আছে।
কিয় জানানে বান্ধ?
নাজানো—
পুৱতি নিশা নিয়ৰ পৰিছিল
নিয়ৰৰ টোপালত ফুলপাহ তিতিল,
আৰু তাৰেই ফলশ্ৰুতিত
সেই ফুলপাহ পৰিপূৰ্ণ হৈ উঠিল। ■



## শৰৎ

◆ জুবি বৈশ্য
স্নাতক প্ৰথম ষাণ্মাসিক



শৰতৰ সন্ধিয়া আকাশখনবো
যেন আনন্দত সীমা নাই
জোনৰ পোহৰত আকাশখন জিলিকি আছে
তৰাবোৰেও জোনৰ পোহৰত
আনন্দৰ সমভাগী হৈছে।
জোনৰ পোহৰৰ জিলিকনিৰ মাজত
নৈপাৰৰ কঁহুৱাই
লুকা-ভাকু খেলিছে।
শেৱালি ফুলে চাৰিওফালে
আমোলমোল সুবাস বিলাইছে
শেৱালিয়ে বগা দলিচাখন সাজি
শৰতৰ প্ৰমাণ দিছে।
নিয়ৰবোৰ মুকুতা হৈ উজলি উঠিছে
শৰৎ মানে মাথোঁ এটি ঋতু নহয়
ই এক আবেগ, ই এক অনুভূতি।
যাৰ এজাক বতাহে চুই যায়
প্ৰতিজনৰ হৃদয় আৰু মন। ■

## দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়

◆ ৰঞ্জিতা ৰাভা
উঃ মাঃ দ্বিতীয় বৰ্ষ

নাম মোৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়
কাম মোৰ সাহসিকতা
নাই মোৰ কোনো দুষ্কৰ্ম
বুকুত সাহস লৈ সদায় আগবাঢ়ি যাম
দুখ-কষ্ট আমি চিনি নাপাওঁ
সকলো কামতে আগবাঢ়ি যাওঁ।

ভাগৰ আমি অনুভৱ নকৰোঁ
আমি হেনো ছোৱালী হয়
আমি কাৰো বোজা নহয়
নিজ কৰ্মৰে সদায় আগবাঢ়ি যাম
দুচকুত হেজাৰ সপোন লৈ
জীৱন জিলিকাই যাম
দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ নাম
সোণালী আখৰেৰে লিপিবদ্ধ কৰি থৈ যাম। ■

## ধনতকৈ বিদ্যা শ্ৰেষ্ঠ

◆ নিৰ্মালী ঠাকুৰীয়া
স্নাতক তৃতীয় ষাণ্মাসিক

ধনতকৈ বিদ্যা শ্ৰেষ্ঠ
মহৎ লোকে কয়,
মহৎ লোকৰ কথাবোৰ
সদায় সঁচা হয়।
শিক্ষা-দীক্ষা মূলধনেৰে
জীৱন জুখিব পাৰি,
ধনৰ বলত পৃথিৱীত
সুখী হ'ব নোৱাৰি। ■




গল্প শিতান

# সপোন

◆ টিনা কলিতা
স্নাতক পঞ্চম ষাণ্মাসিক

"তাই এতিয়া বহুত সুখী। সৰুৰেপৰাই তাই ভবামতেই একো এটা কামেই হৈ উঠা নাছিল। সৰুতে তাই শান্ত-শিষ্ট আৰু লাজকুৰীয়া স্বভাৱৰ এজনী মৰমলগা ছোৱালী আছিল। লাহে লাহে সময় পাৰ হৈ যাবলৈ ধৰিছিল আৰু সেই মৰমলগা ছোৱালীজনীও ডাঙৰ হ'বলৈ ধৰিছিল। তাই সৰুৰেপৰাই যথেষ্ট কথা বুজি পাইছিল। কেনেকুৱা পৰিস্থিতিত কি কাম কৰা উচিত ইত্যাদি কথাবিলাক তাই ভালদৰেই বুজি পাইছিল।"



তাই এতিয়া বহুত সুখী। সৰুৰেপৰাই তাই ভৱামতেই একো এটা কামেই হৈ উঠা নাছিল। সৰুতে তাই শান্ত-শিষ্ট আৰু লাজকুৰীয়া স্বভাৱৰ এজনী মৰমলগা ছোৱালী আছিল। লাহে লাহে সময় পাৰ হৈ যাবলৈ ধৰিছিল আৰু সেই মৰমলগা ছোৱালীজনীও ডাঙৰ হ'বলৈ ধৰিছিল। তাই সৰুৰেপৰাই যথেষ্ট কথা বুজি পাইছিল। কেনেকুৱা পৰিস্থিতিত কি কাম কৰা উচিত ইত্যাদি কথাবিলাক তাই ভালদৰেই বুজি পাইছিল।

যিহেতু তাই গাঁৱৰ ছোৱালী আছিল, গাঁৱৰ মানুহ আৰু তাইৰ কিছুমান সম্পৰ্কীয় মানুহৰ কথাত তাই বাৰে বাৰে উচুপি উঠিবলগীয়া হৈছিল। কিন্তু তথাপিও তাই হাৰ মনা নাছিল। নিজৰ সপোনৰ কথা সদায় ভাবিছিল। যিদিনা তাইৰ প্ৰথম সপোনটো পূৰণ কৰাৰ বাবে বহুত টকাৰ প্ৰয়োজন হ'ব বুলি গম পাইছিল, সেইদিনাৰপৰাই তাই তাইৰ জীৱনৰ দ্বিতীয় সপোনটো পূৰণ কৰাৰ বাবে প্ৰস্তুতি আৰম্ভ কৰি দিছিল। যিখিনি সময়ত তাইক তাইৰ সপোনৰ দিশত আগুৱাই যাবলৈ উৎসাহ বা সঁহাৰি দিয়াৰ বাবে মানুহৰ প্ৰয়োজন আছিল, সেইখিনি সময়ত তাইৰ সেই মানুহবোৰেই তাইৰ সপোনক উপলুঙাহে কৰিছিল। এফালে তাইৰ সপোন আৰু আনফালে মানুহৰ সমালোচনা। ছোৱালী মানুহ হোৱা বাবেই কিজানি তাই কৰা কামক সমালোচনা কৰে। তাই আজিলৈকে এইটো কথা বুজি নাপালে যে, ছোৱালী মানুহ হ'ল বুলিয়েই অইন মানুহবিলাকে কিয় তাইক ইমান দুৰ্বল বুলি ভাবে? এই কথাবোৰ ভাবিয়েই তাই কিছু ৰাতি উজাগৰে কটাইছিল। পিচত তাই সেই সকলোবোৰ কথাক আওকাণ কৰাৰ অভিনয় কৰি পুনৰ তাই নিজৰ জীৱনত দেখা দ্বিতীয় সপোনৰ পিচত বহুত কষ্ট আৰু আশাৰ ৰেঙণি লৈ দৌৰিবলৈ আৰম্ভ কৰি দিছিল। তাই ঘৰখনৰ কথা খুব ভাবিছিল, বিশেষকৈ দেউতাকৰ কথা বেছি চিন্তা কৰিছিল। কাৰণ দেউতাকক তাই ভগৱানতকৈও বেছি ভাল পাইছিল।

এতিয়া তাই বহুত সুখী। সেই মৰমলগা লাজকুৰীয়া স্বভাৱৰ ছোৱালীজনী বৰ্তমান অসম পুলিচৰ সহঃ আৰক্ষী বিষয়া হিচাপে কৰ্মৰত। তাইৰ লগতে তাইৰ পৰিয়ালটো এতিয়া বহুত সুখী। জীৱনৰ আটাইতকৈ কঠিন সময়খিনিত ঠাট্টা কৰা মানুহকেইজনেও এতিয়া তাইৰ কথা কৈ বাঃ বাঃ দিয়ে। ■

# নীতাৰ সপোন

◆ জুবলী তালুকদাৰ
উঃ মাঃ প্ৰথম বৰ্ষ

নীতা আছিল অতি মেধাৱী ছাত্ৰী আৰু দুখীয়া পৰিয়ালৰ ডাঙৰ ছোৱালী। নীতাৰ দেউতাকে দিন হাজিৰা কৰি চাৰিজনীয়া পৰিয়ালটো বহুত কষ্টৰে পোহপাল দিছিল। নৱম শ্ৰেণীটো তাই বৰ কষ্টৰে পঢ়িছিল। দশম শ্ৰেণী পোৱাৰ কেইমাহমান আগতে মাকে ভাবিছিল— ছোৱালীজনীক যদি এজন ভাল শিক্ষকে পঢ়ুৱায়, তেতিয়াহ'লে দশম শ্ৰেণীৰ মেট্ৰিক পৰীক্ষাত তাই ভাল ফলাফল লাভ কৰিব। সেই ভাবিয়েই মাকে তাইক এজন শিক্ষকৰ যোগাৰ কৰি দিলে। বহুত কষ্টৰে মাক-দেউতাকে তাইক পঢ়ুওৱাৰ বাবে শিক্ষকজনক মাহিলি অলপ টকা দিয়ে আৰু শিক্ষকজনেও সিহঁতৰ অৱস্থা দেখি বহুত কম টকা লয় আৰু বহুত সহায়ো কৰে নীতাক। কাৰণ তাই বহুত ভাল শিক্ষিত ছোৱালী। দশম শ্ৰেণী পোৱাৰ পিচত ২০২০ চনৰ জুলাই মাহত চৰকাৰে ক'ৰোণা মহামাৰীৰ বাবে লক্‌ডাউন দিয়া বাবে স্কুলো বন্ধ, টিউচনো কৰিব পৰা নাই। এই ক'ৰোণা ভাইৰাছ গোটেই পৃথিৱীতে বিয়পি পৰিছে। এই Covid-19ক প্ৰতিৰোধ কৰিবলৈ Cowin আৰু Co-vaccine ইনজেক্‌চন হিচাপে সকলো ওঠৰ বছৰ পাৰ হোৱা মানুহকে ইনজেক্‌চন ল'বলৈ দিছিল। বহুতো মানুহে ভয়তে ভেক্‌চিন লোৱা নাই আৰু ভাইৰাছৰ সংক্ৰমণ সিমান কমা নাই। মেট্ৰিক পৰীক্ষাও কাষ চাপি আহিছে। তাইৰ কিতাপৰ কোৰ্চো পঢ়া হৈছে। ২০২১ চনৰ জানুৱাৰী মাহত এদিনাখন খবৰ আহিল যে— শিক্ষামন্ত্ৰীয়ে ঘোষণা কৰিছে যে হ'বলগীয়া ফেব্ৰুৱাৰী মাহৰ মেট্ৰিক পৰীক্ষা বাতিল কৰি মাৰ্চৰ ২১ তাৰিখৰপৰা অনুষ্ঠিত কৰা হ'ব বুলি কৈছিল। নীতাই সেই খবৰটো শুনি বহুত দুখ পালে। তথাপিও তাই ভাবিছিল যে, আৰু বেছিকৈ পঢ়িব পাৰিব। নীতাৰ লক্ষ্য আছিল ডাঙৰ মানুহ হোৱা।



তেনেকৈয়ে দিন গৈ থাকিল। মাৰ্চ মাহ পৰিছে। লক্‌ডাউনো চলি আছে। এদিনাখন গধূলি খবৰ আহিল যে, মেট্ৰিক পৰীক্ষা বাতিল। নীতাই কান্দি কান্দি শোকত ভাগি পৰিছিল আৰু তাইৰ মেট্ৰিক পৰীক্ষা দিয়া সপোন সপোন হৈয়েই ৰ'ল। ■



# অলংকাৰ

◆ প্ৰিয়ংকা কলিতা
স্নাতক তৃতীয় ষাণ্মাসিক

**"তাই অনুভৱ কৰিলে— মিলন ঢুকোৱাৰ পিচত যেন এই অলংকাৰৰ একো মূল্যই নাই। মিলনৰ নামত লোৱা সেন্দুৰৰ ফোটটোৱে যেন তাইৰ মুখখনি ধুনীয়া কৰি ৰাখিছিল। মিলনৰ মৰমো যেন এযোৰ অলংকাৰ আছিল; যিযোৰে তাইক উজলাই ৰাখিছিল।"**

**ৰাতিপুৱা** শুই উঠি মণিৰ হঠাৎ আইনাখনলৈ চকু গ'ল। তাই নিজকে দেখি আচৰিত। তাইৰ গাত যে কাণফুলিযোৰৰ বাহিৰে একো এটা অলংকাৰ নাই। তাইৰ মনটো সেমেকি উঠিল। বুকুখনত থেঁচা মাৰি ধৰা যেন পালে। কিয়নো তাইৰ মনত পৰিল বহুত দিন আগতে কৰা এটা ভুলৰ কথা।

মণিহঁতৰ ঘৰৰ পৰিস্থিতি সিমান ভাল নাছিল। মাক-বাপেক আৰু চাৰিজনী ছোৱালী। ঘৰৰ ডাঙৰ জীয়েক হিচাপে আৰু বাপেকৰ অসুস্থতাৰ বাবে মণিক সোতৰ বছৰ বয়সতে মিলনৰ সৈতে বিয়া দিলে। মিলন বহুত শান্ত স্বভাৱৰ ল'ৰা। সি দিন হাজিৰা কৰি দুবেলা দুমুঠি খাই ঘৰখন বৰ কষ্টৰে চলাই আছিল। বহুত সৰুতে মণি কষ্ট পোৱা বুলি সি তাইক বহুত মৰম কৰিছিল; কিন্তু মণি ভাল ছোৱালী নহয়। মিলনৰ সৈতে তাই কেতিয়াও সুখী নহয়। কিবা নহয় কিবা কথাৰ কাৰণে মিলনৰ লগত সদায় কাজিয়া কৰিছিল। সেয়েহে বিয়াৰ তিনি-চাৰি বছৰ পিচতো সন্তান নাছিল। মণিয়ে বিচাৰিছিল বহুতো ধুনীয়া অলংকাৰ, ধুনীয়া কাপোৰ। সেইবোৰ পালে যেন তাইক গিৰিয়েকৰ মৰমবো প্ৰয়োজন নহয়। এইফালে মণিয়ে বিচৰা বস্তু মিলনে যোগান ধৰিব নোৱাৰাত সি সদায় মণিৰপৰা অপমান পাইছিল।

এদিনাখনৰ কথা। মণি বাহিৰত বহি আছিল। দুপৰীয়াৰ সময়। হঠাৎ পিচফালৰপৰা কোনোবাই চিঞৰা শুনিলে। তাই পিচফালে চাই দেখিলে— গাঁৱৰ ৰবুল নামৰ ল'ৰাজন তাইৰ ওচৰলৈ আহি ফোপাই-জোপাই ক'লে— "মণি বৌ, মিলনদাৰ কিবা হৈছে। গাঁৱৰ হাস্পতাললৈ কেইজনমানে লৈ গৈছে।" কথাটো শুনি মণিয়ে ৰবুলৰ লগতে দৌৰি গৈ হাস্পতাল পালেগৈ। ডাক্তৰক কি হৈছে বুলি সোধাত ডাক্তৰে কৰ্কট ৰোগ হোৱা বুলি ক'লে। আৰম্ভণিতে চিকিৎসা কৰিলে ভাল হ'ব; কিন্তু বহুখিনি টকাৰ প্ৰয়োজন হ'ব। মণি থমকি ৰ'ল আৰু ভাবিলে— চিকিৎসাৰ কাৰণে ইমানবোৰ টকা ক'ত পাম! আৰু মোৰ যিকেইযোৰ অলংকাৰ আছে, সেইখিনি যদি মই বিক্ৰী কৰি দিওঁ— মই কি পিন্ধিম! কথাবোৰ ভাবি ভাবি তাই মিলনৰ ওচৰলৈ গ'ল। মিলনে তাইৰ মুখলৈ চাই কান্দি কান্দি ক'লে— "মোৰ চিকিৎসা কৰিব নালাগে। তুমিনো ইমানবোৰ টকা ক'ত পাবা? মোক ক্ষমা কৰি দিবা। মই তোমাক একো সুখ দিব নোৱাৰিলোঁ।" মিলনে আকৌ কান্দিলে।

এনেকৈ এমাহ-দুমাহ কৰি দিনবোৰ বাগৰি গ'ল। মিলন এদিন ঢুকাল। মণি বৰ অকলশৰীয়া হৈ পৰিল। এতিয়া মিলনে দিয়া মৰমবোৰৰ কথা মনত পেলাই তাই বহুত দুখ কৰিছে। তাই মানসিকভাৱে মিলনক কৰা অত্যাচাৰ, নিজৰ স্বাৰ্থ, সামান্য অলংকাৰৰ মোহত মিলনৰ চিকিৎসা নকৰা কথাই তাইক জীয়াই জীয়াই মাৰি আছে। তাই অনুভৱ কৰিলে— মিলন ঢুকোৱাৰ পিচত যেন এই অলংকাৰৰ একো মূল্যই নাই। মিলনৰ নামত লোৱা সেন্দুৰৰ ফোটটোৱে যেন তাইৰ মুখখনি ধুনীয়া কৰি ৰাখিছিল। মিলনৰ মৰমো যেন এযোৰ অলংকাৰ আছিল; যিযোৰে তাইক উজলাই ৰাখিছিল। তাই এতিয়া বুজিব পাৰিছে— পত্নীৰ বাবে নিজৰ স্বামী আৰু মাক এজনীৰ বাবে তাইৰ সন্তান পৃথিৱীৰ সবাতোকৈ ধুনীয়া আৰু মূল্যবান অলংকাৰ। যাক এবাৰ হেৰুৱালে কেতিয়াও ঘূৰাই পোৱা নাযায়। ■

# মমতাৰ জীৱনৰ লক্ষ্য

◆ গৰিমা দাস
স্নাতক তৃতীয় ষাণ্মাসিক

মমতা অতিকৈ দুখীয়া ঘৰৰ একমাত্ৰ ছোৱালী। তাইৰ দেউতাকে দিন হাজিৰা কৰে। মাক ঘৰৰ গৃহিণী আছিল। তেনেকৈ বহুত কষ্টৰে সিহঁতৰ তিনিজনীয়া পৰিয়ালটো চলিছিল। মাক-দেউতাকে ভৱিষ্যতৰ সপোন দেখিছিল, মমতাৰ ওপৰত আশা কৰিছিল— তাই ভালকৈ পঢ়ি-শুনি আগুৱাই যাবলৈ। এই পৃথিৱীত টকা অবিহনে যে একোৱেই নহয়, এই কথাটো মাক-দেউতাকে বুজিছিল যদিও তাইৰ মাজত এক ৰঙীণ সপোন বিচাৰি পাইছিল। তায়ো মাক-দেউতাকক কৈছিল— "মই এদিন ডাঙৰ মানুহ হৈ তোমালোকৰ আশা পূৰণ কৰিবলৈ যত্ন কৰিম।"

মমতাৰ মেট্ৰিক পৰীক্ষা কাষ চাপিলে আৰু ভাল ফল পাবলৈ চেষ্টা কৰিলে। তাইৰ ঘৰৰা শিক্ষাগুৰুৰ ব্যৱস্থা কৰি দিব পৰা নাছিল মাক-দেউতাকে। আনকি তাই চাকিৰ পোহৰত পঢ়িছিল। তাইৰ পৰীক্ষাৰ ৰিজাল্ট দিলে। তাই দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ অসমীয়া বিভাগত দুই নম্বৰৰ কাৰণে লেটাৰ মাৰ্ক নাপালে। তাইৰ বহুত দুখ লাগিল আৰু কান্দিবলৈ ধৰিলে। মাকে তাইক ক'লে— "আজিকালিৰ প্ৰজন্মৰ দৰে আমি তোমাক একো সুবিধা দিব নোৱাৰাৰ পিচতো যে তুমি ইমান কষ্টৰে ইমানখিনি আগবাঢ়িব পাৰিছা, তাৰ বাবে আমি সুখী। সেইটোৱেই আমাৰ কাৰণে গৌৰৱ আৰু ভৱিষ্যতে আগুৱাই যাবলৈ চেষ্টা কৰা।" মমতাই ভালকৈ পঢ়িবলৈ চেষ্টা কৰিলে আৰু মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত নামভৰ্তি কৰি ভৱিষ্যতৰ আশা মাক-দেউতাকৰ ৰঙীণ সপোনবোৰ বুকুত বান্ধি আগুৱাই যাবলৈ চেষ্টা কৰিলে। মমতাই জীৱনৰ লক্ষ্য হিচাপে বাছি লৈছিল মাক-দেউতাকৰ আশা পূৰণ কৰাটো। ■

## মহৎ লোকৰ বাণী

সংগ্ৰাহক ঃ
প্ৰণিতা ৰাভা (উঃ মাঃ প্ৰথম বৰ্ষ)

- ❒ সিদ্ধান্ত ল'ব নোৱাৰা মানুহতকৈ দুৰ্ভগীয়া আন কোনো নাই। —উইলিয়া
- ❒ কু-সংস্কাৰ হ'ল পৃথিৱীৰ সবাতোকৈ ডাঙৰ বোজা। —সৰ্বপল্লী ৰাধাকৃষ্ণণ
- ❒ এজন অসৎ লোকৰ লগত কৃৰাতকৈ অকলে থকাই ভাল। —হজৰত
- ❒ শ্ৰদ্ধাৰে মানুহে কি কৰিব নোৱাৰে, সমস্তই কৰিব পাৰে। —মহাত্মা গান্ধী

## সাঁথৰ ?

সংগ্ৰাহক ঃ
জোনমণি ৰাভা
(স্নাতক পঞ্চম ষাণ্মাসিক)

❒ টিক্ টিক্ টাক্ মুৰত লাগিল পাক
পুতি থওঁ, পুতি থওঁ ছমাহলৈ থাক।
উত্তৰ ঃ জেওৰা

❒ একেটা গিলাচত দুই ৰঙৰ পানী
পিয়ে ক'ব নোৱাৰে
সি নহয় পৃথিৱীৰ প্ৰাণী।
উত্তৰ ঃ কণী

❒ এপাৰি আলু, এপাৰি দাঁত,
তাক বিচাৰি নাপালে
ওলায় অবাইচ মাত।
উত্তৰ ঃ কণী







# অংকীয়া নাটৰপৰা মাতৃভাষাৰ নাট (ভাওনা)লৈ বিকাশ আৰু পৰিৱৰ্তন

◆ ড° প্ৰশান্ত বৰা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

**০.০০ প্ৰস্তাৱনা ঃ** পঞ্চদশ শতিকাৰ শেষভাগত শ্ৰীমন্ত শংকৰদেৱে সৃষ্টি কৰা নাট্য সাহিত্যৰ ধাৰাই অসমীয়া নব-বৈষ্ণৱ ধৰ্ম-সংস্কৃতিক মহীয়ান কৰি থৈ গৈছে। সংস্কৃত নাট্য সাহিত্যৰ যি মহান ঐতিহ্য আছিল, তাৰপৰাই শংকৰদেৱে নাট ৰচনাৰ বাবে মুখ্য অনুপ্ৰেৰণা লাভ কৰিছিল। ইয়াৰ লগত মণিকাঞ্চন সংযোগ ঘটাইছিল ওজাপালি, পুতলা নাচ আদি থলুৱা লোক-ৰংগানুষ্ঠান আৰু তীৰ্থ ভ্ৰমণৰ সময়ত ভাৰতবৰ্ষৰ অনেক ঠাইত দেখিবলৈ পোৱা নাট্যধৰ্মী অনুষ্ঠানৰ আৰ্হিৰ। শংকৰদেৱে ব্ৰজাৱলী ভাষা সৃষ্টিৰে ৰচনা কৰা এই মহান নাট্যধাৰাক 'অংকীয়া নাট' বুলি এটা বিশেষ অভিধাৰে সংজ্ঞায়িত কৰা হ'ল। এই অংকীয়া নাট প্ৰকৃততে একাধিক নাট্যানুষ্ঠানৰ সমন্বয়ৰ ফল আৰু শংকৰদেৱৰ সৃজনী প্ৰতিভাৰ অক্ষয় কীৰ্তি।

শংকৰদেৱৰ অপূৰ্ব সৃষ্টি অংকীয়া নাট ৰচনাৰ পিচত পৰৱৰ্তী ধাৰা হিচাপে ভিন্ ভিন্ নাট্যৰূপৰ সৃষ্টি হৈছিল। ধুৰা, ফৌজীয়া, যাত্ৰা, পালাগান, মহাপুৰুষীয়া বা মাতৃভাষাৰ ভাওনা আদি আছিল এনে দিশৰ অন্যতম নিদৰ্শন। এনে নাট্যধাৰাসমূহেও সেই কালৰ জনমানসত প্ৰভাৱ পেলোৱাৰ উপৰি অসমীয়া সংস্কৃতিৰ বিশিষ্টতাবো চানেকি ৰূপেও ধৰা দিছিল। অৱশ্যে কালক্ৰমত মাতৃভাষাৰ ভাওনাৰ বাহিৰে বাকী ৰূপসমূহ সম্পালনিভাৱে বৰ্তি নাথাকিল।

অংকীয়া নাট-ভাওনাৰ পৰিৱৰ্তিত ৰূপ হিচাপে সৃষ্টি হোৱা আৰু অধিকতৰ ৰূপত প্ৰচলিত হৈ থকা মাতৃভাষাৰ ভাওনাৰ কিছু স্বকীয় স্বৰূপো সময়ে সময়ে গঢ় লৈ উঠিল। সাম্প্ৰতিক কালত এনে নাট-ভাওনাৰ সমাৰোহ, প্ৰতিযোগিতা আদিও হ'বলৈ ধৰিলে। বৰ্তমান অসমত মাতৃভাষাৰ ভাওনা কেৱল সাংস্কৃতিক বিশিষ্টতাৰে ভৰপূৰ অনুষ্ঠান হিচাপেই নহয়, সাধাৰণ জনতাৰ বুকুৰ উমেৰে জীপাল তথা ধৰ্মীয় উদ্দেশ্য নিহিত হৈ থকা লোক-ৰংগানুষ্ঠান হিচাপে আন্তৰিকতাৰে বৰ্তি আছে। অংকীয়া নাট-ভাওনাৰ মাৰ্গীয় বৈশিষ্ট্য কিছু পৰিমাণে হ'লেও পৰিহাৰ কৰি ৰচিত হোৱা মাতৃভাষাৰ ভাওনাত বিষয়বস্তু আৰু পৰিৱেশন বা ৰূপায়ণ ৰীতিৰ ক্ষেত্ৰত বহুলাংশে পৰিৱৰ্তন দেখা যায়। বহুক্ষেত্ৰত লোক-সংস্কৃতিগত বৈশিষ্ট্যক প্ৰবলভাৱে গ্ৰহণ কৰাত মাতৃভাষাৰ ভাওনাৰ গুৰুত্ব আৰু জনপ্ৰিয়তা অধিক ৰূপত বৃদ্ধি পাবলৈহে ধৰিছে।

**১.০০ অংকীয়া নাটৰ ৰূপায়ণ পদ্ধতিৰ বৈচিত্ৰ্য ঃ** পুৰাণ-উপপুৰাণ, ৰামায়ণৰপৰা মূল বিষয়বস্তু আহৰণ কৰি শংকৰদেৱে আৰম্ভ কৰা এই নাট্যধাৰাই পঞ্চদশ শতিকাতে অসমত এক গৌৰৱোজ্জ্বল সোপান ৰচনা কৰিবলৈ সক্ষম হৈছিল। অংকীয়া নাটসমূহৰ ৰূপায়ণ পদ্ধতিটো আছিল ঘাইকৈ নৃত্যধৰ্মী। প্ৰৱেশ, প্ৰস্থান, যুদ্ধ আদি আটাইবোৰতে নৃত্য-ভংগিমা আছিল বিদ্যমান। নান্দী, প্ৰৰোচনা, প্ৰস্তাৱনা, পয়াৰ, আদিৰ মাজেৰে কৃষ্ণ বা ৰামৰ গুণানুকীৰ্তন কৰা গুৰুজনাৰ মহান অৱদান এই অংকীয়া নাট-ভাওনা অসমীয়া সমাজত তথা ভক্ত-অনুৰাগীসকলৰ মাজত বাৰুকৈয়ে সমাদৰ লাভ কৰি থকাৰ লগতে আজিও উপাদেয় বিষয় হৈ আছে।

**১.০১ শংকৰোত্তৰ কালৰ নাট আৰু এনে নাটৰ ৰূপায়ণ পদ্ধতিৰ বৈচিত্ৰ্য ঃ** শংকৰদেৱ আৰু মাধৱদেৱৰ পৰৱৰ্তী কালছোৱাত অৰ্থাৎ সপ্তদশ শতিকাৰ প্ৰাৰম্ভৰপৰা অষ্টাদশ-ঊনবিংশ শতিকাৰ ভিতৰত অংকীয়া নাটসমূহৰ আৰ্হিকে অনুসৰণ কৰি ৰচিত হ'ল আন এখিনি নাট, যিসমূহ নাটক শংকৰোত্তৰ কালৰ নাট বুলি জনা যায়। অসমৰ বিভিন্ন স্থানত এই সময়ছোৱাত বহুখিনি সত্ৰ আৰু নামঘৰৰ প্ৰতিষ্ঠা হোৱাত এই সত্ৰ-নামঘৰসমূহেই শংকৰদেৱৰদ্বাৰা প্ৰৱৰ্তিত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ, প্ৰসাৰ আৰু বিকাশৰ থলী হৈ পৰিল। শংকৰদেৱ-মাধৱদেৱৰ ভক্ত-অনুৰাগীসকলৰ মাজত এক সাংস্কৃতিক নৱজাগৰণৰ সৃষ্টি হ'ল আৰু শংকৰদেৱ-মাধৱদেৱৰ নাটসমূহ, বিশেষকৈ শংকৰদেৱৰদ্বাৰা সৃষ্ট অংকীয়া নাটসমূহে ভক্ত-অনুৰাগীসকলৰ মাজত বাৰুকৈয়ে সমাদৰ লাভ কৰিবলৈ ধৰিলে। ইয়াৰ ফলস্বৰূপে শংকৰদেৱৰ অংকীয়া নাটৰ আৰ্হি অনুসৰণ কৰি ভক্ত-অনুৰাগীসকলেও বহুখিনি নাট ৰচনা কৰিবলৈ ধৰিলে। কেৱল ৰচনা কৰাই নহয় ৰজাঘৰ, প্ৰজাঘৰ, নামঘৰ আদি স্থানত সেই নাটসমূহৰ অভিনয়ো হ'বলৈ ধৰিলে। তদুপৰি কোনো কোনো সময়ত নতুন সত্ৰাধিকাৰে আনুষ্ঠানিকভাৱে সত্ৰৰ বিষয়বাব লোৱাৰ সময়ত তেওঁ একো একোখন নাট ৰচনা কৰি আৰু অভিনয় কৰোৱাই তেওঁৰ নাট্য-প্ৰতিভাৰো পৰিচয় দিবলগা হৈছিল। এনেদৰে লিখা নাটৰ সংখ্যাও কম নাছিল।

ক্ৰমশঃ অংকীয়া নাট-ভাওনাৰ অনুষ্ঠান সত্ৰ বা নামঘৰৰ ধৰ্মীয়

পৰিৱেশৰপৰা ওলাই আহি ৰাজকীয় উৎসৱ, বিদেশী ৰাজদূতৰ অভ্যৰ্থনা উপলক্ষেও প্ৰদৰ্শিত হ'বলৈ ধৰিলে। এনেদৰে জনপ্ৰিয়তাৰ খাতিৰত ধৰ্মীয় পৰিৱেশৰপৰা অংকীয়া নাট ওলাই অহাৰ ফলস্বৰূপে নাটসমূহৰ ৰচনা-পদ্ধতি আৰু অভিনয়ৰ ক্ষেত্ৰতো বহু পৰিৱৰ্তনে দেখা দিলে। অৱশ্যে মহাপুৰুষ দুজনাৰ ওচৰা-উচৰি সত্ত-মহন্তসকলৰ নাটত এনে পৰিৱৰ্তন অধিক হোৱা নাছিল যদিও তেওঁলোকৰ পিচৰ নাট্যকাৰসকলৰ নাটত এনে পৰিৱৰ্তন বাৰুকৈয়ে ঘটা পৰিলক্ষিত হ'ল। শংকৰোত্তৰ কালছোৱাৰ নাটসমূহৰ দেখা দিয়া পৰিৱৰ্তনসমূহ আছিল এনেধৰণৰ—

*বেছিভাগ নাটেই অনুকৰণধৰ্মী হৈ পৰাত আখ্যানৰ নতুনত্বৰ বাদে কলা-কৌশলত কোনো নতুনত্ব ৰব কমসংখ্যক নাটতহে লক্ষ্য কৰিব পাৰি।*

*নাটসমূহত সংস্কৃত শ্লোকৰ প্ৰাধান্যও কমি আহিল। শংকৰ-মাধৱৰ ওচৰা-উচৰি মহন্তসকলে ৰচনা কৰা নাটত নান্দীশ্লোক সন্নিবিষ্ট হৈছিল যদিও তেওঁলোকৰ পিচৰ নাট্যকাৰসকলৰ নাটত নান্দীশ্লোকৰ বিপৰীতে স্তুতিগীত একোটাৰহে প্ৰয়োগ ঘটিল। দুই-এখন নাটত নান্দীশ্লোক ব্যৱহাৰ কৰিছিল যদিও সেয়া নিজা ৰচনা নাছিল।*

*নাটৰ গীতসমূহো ব্ৰজাৱলীৰ পৰিৱৰ্তে বহু সময়ত কথিত অসমীয়া ভাষাতে ৰচনা কৰা হ'ল। কেতিয়াবা আকৌ নাটকৰ মাজত শংকৰ-মাধৱৰ গীত এটাকে সংযোজন কৰা দেখা গ'ল।*

*লোকৰঞ্জনৰ হেতু বহুৱা চৰিত্ৰৰ অৱতাৰণা কৰি স্থূল হাস্যৰসৰ পৰিৱেশ সৃষ্টি কৰাটোও নাটসমূহৰ অন্যতম বিশেষত্ব হৈ ধৰা দিছে।*

*শংকৰদেৱৰ নাটত থকা নাটৰ মাজৰ সংস্কৃত শ্লোক শংকৰোত্তৰ কালৰ নাটত নাইকিয়া হ'ল। সেইদৰে নাটৰ শেষত মুক্তিমংগল ভটিমাৰ প্ৰয়োগ নকৰি এটি সামৰণি গীত দিয়েই বহু নাটকৰ সামৰণি মৰা হ'ল। মুক্তিমংগল ভটিমা নথকা কথাটোৱে শংকৰোত্তৰ নাট্যকাৰসকল গুৰুজনাৰ নাটৰ আহিৰপৰা বহুখিনি ফালৰি কাটি অহাটোকে বুজায়। অৱশ্যে কেইখনমান নাটত মুক্তিমংগল ভটিমাৰ সুন্দৰ ব্যৱহাৰ পোৱা যায়।*

শংকৰোত্তৰ কালৰ নাটকসমূহত এনেদৰে কিছু পৰিৱৰ্তন লক্ষ্য কৰা হ'ল যদিও শংকৰদেৱৰ নাটৰ যি মূল উদ্দেশ্য নৃত্য, গীত, বাদ্য আৰু অভিনয়ৰ যোগেদি জনসাধাৰণৰ মাজত কৃষ্ণভক্তি প্ৰচাৰ কৰা, সেই উদ্দেশ্যৰপৰা শংকৰোত্তৰ কালৰ নাট্যকাৰসকল একেবাৰে ফালৰি কাটি অহা নাছিল; বৰং দুই-এজন শংকৰোত্তৰ নাট্যকাৰৰ নাটত কৃষ্ণভক্তিৰ মাহাত্ম্যৰ কথা অধিক শক্তিশালী ৰূপেহে ফুটি উঠিছিল।

**১.০২ অন্যান্য নাট্যধাৰা আৰু সিবোৰৰ ৰূপায়ণ পদ্ধতিৰ বৈচিত্ৰ্য ঃ** শংকৰদেৱৰ সময়ৰপৰা কেইবা শ বছৰ পাৰ হৈ যোৱাৰ পিচত তেখেতৰ অপূৰ্ব সৃষ্টি অংকীয়াসমূহকে আধাৰ কৰি পিচত কালক্ৰমত নাট-ভাওনাৰ পৰৱৰ্তী ধাৰা হিচাপে ভিন্ ভিন্ নাট্যৰূপৰ সৃষ্টি হৈছিল। ধুৰা, ফৌজীয়া, পালা বা যাত্ৰা, মহাপুৰুষীয়া বা মাতৃভাষাৰ ভাওনা আদি ৰূপসমূহেই আছিল উল্লেখনীয়।

উনবিংশ শতিকাৰ আদিভাগত অংকীয়া নাটৰ আৰ্হিত ব্ৰজাৱলী ভাষামুক্ত ধুৰানাট নামেৰে এবিধ নতুন নাট উজনি অসমত ৰচিত হ'বলৈ ধৰিলে। এই শ্ৰেণীৰ নাটত গদ্যৰ ব্যৱহাৰ একেবাৰেই কম। পাত্ৰ-পাত্ৰীৰ বচনবোৰ যেনেকৈ পদত, তেনেকৈ সূত্ৰধাৰৰ নিৰ্দেশ আৰু সংযোগ সূত্ৰও গীতৰ যোগেদি প্ৰকাশ কৰা হয়। সূত্ৰধাৰে ধুতি-চাদৰ, পাগ-চাপকন পিন্ধি চোঁৱৰ এটি ঘূৰাই নাচি নাচি গীতৰ যোগেদি নাট আৰম্ভ কৰে আৰু গীতৰ যোগেদিয়ে নাটৰ সূত্ৰ ধৰি ঘটনা আগবঢ়াই নিয়ে। ধুৰাগীতৰ প্ৰাধান্যৰ হেতুকে ইয়াক ধুৰানাট আখ্যা দিয়া হৈছিল। জনসাধাৰণৰ মনোৰঞ্জনৰ বাবে ৰচনা কৰা এই নাটসমূহত ভক্তি ধৰ্ম প্ৰচাৰৰ বাসনাতকৈ পাত্ৰ-পাত্ৰীৰ কথাৰ কটাকটি, লম্ফ-জম্ফ আৰু উপৰ্যুপৰি যুদ্ধ-বিগ্ৰহৰ দৃশ্যৰ সংযোজনহে ঘটিছিল।

পৰৱৰ্তী সময়ত মাজুলীৰ কমলাবাৰী সত্ৰত আৰম্ভ হোৱা অংকীয়া নাটৰপৰা পৃথক এটি অনুষ্ঠান হ'ল ফৌজীয়া ভাওনা। ফৌজীয়া ভাওনাত সংস্কৃত, ব্ৰজাৱলী আৰু অসমীয়া ভাষা ব্যৱহাৰ কৰা দেখা গৈছিল। অংকীয়া নাটৰ দৰে ইয়াতো সূত্ৰধাৰৰ গুৰুত্ব অধিক আছিল। ঈশ বন্দনা, নান্দীগীত, শংকৰ-মাধৱৰ দীঘলীয়া গুৰু বন্দনাৰ গীত আদিৰে পূৰ্ণ ফৌজীয়া ভাওনাত অংকীয়া নাটতকৈ সাজ-পোছাকত সামান্য ব্যৱধান দেখা গৈছিল। বিশিষ্ট লেখক মাণিক শইকীয়াই উল্লেখ কৰিছে যে— "ফৌজ' শব্দটোৰপৰাই 'ফৌজীয়া' শব্দটো অহা বুলি অনুমান কৰিব পাৰি। শ্ৰীমাধৱদেৱেও নাট্যদলক বুজাবলৈ ফৌজ শব্দটো ব্যৱহাৰ কৰাৰ উদাহৰণ আছে।" (*মাণিক শইকীয়া, 'মাতৃভাষাৰ ভাওনা ঃ ঐতিহ্য আৰু বিৱৰ্তন', পৃ. ৪৮*)

পালাগান আৰু যাত্ৰাৰ দৰে নাট্যানুষ্ঠানেও মধ্যযুগৰ অসমৰ লোক-নাট্যানুষ্ঠান হিচাপে খ্যাতি অৰ্জন কৰিছিল। বিশেষকৈ নামনি অসমত এই যাত্ৰা আৰু পালাগানৰ দৰে লোক-ৰংগানুষ্ঠানৰ প্ৰচলন আছিল। সাধাৰণতে কাহিনী বা নাট অৰ্থতে পালা শব্দটো ব্যৱহাৰ কৰা হৈছিল। আনহাতে গান শব্দটোৱে কেতিয়াবা কেতিয়াবা অভিনয়কো বুজোৱা হৈছিল। সেয়েহে ইয়াক পালা ভাওনাও বোলা হয়। গতিকে পালাগানৰ অৰ্থ হ'ল বিশেষ এক শ্ৰেণীৰ অভিনয় বা ভাওনা। (*মাণিক শইকীয়া, 'উল্লিখিত', পৃ. ৪৯*) আনহাতে যাত্ৰাৰ নাটক বা কাহিনীবোৰো আছিল অতি আকৰ্ষণীয়। উনবিংশ শতিকাৰ শেষৰ ফালে নামনি অসমলৈ প্ৰবাহিত হৈছিল যাত্ৰানাটৰ। এই যাত্ৰাভিনয় প্ৰথম অৱস্থাত বঙলা ভাষাৰেই চলিছিল। অৱশ্যে পিচলৈ অসমীয়া ভাষাৰ যাত্ৰা নাট ৰচিত আৰু পৰিৱেশিত হৈছিল।

**১.০৩ মাতৃভাষাৰ নাট (ভাওনা) আৰু ভাওনাৰ ৰূপায়ণ পদ্ধতিৰ বৈচিত্ৰ্য ঃ** অংকীয়া নাট-ভাওনাৰ জৰিয়তে আৰম্ভ হোৱা অসমীয়া নাট্য পৰম্পৰাৰ ৰূপসমূহ অৱশ্যে সম্পূৰ্ণভাৱে বৰ্তি নাথাকিল। পৰৱৰ্তী সময়ত অংকীয়া নাট-ভাওনাৰ লগতে অসমীয়া সংস্কৃতিৰ চহকী ঐতিহ্যৰ নিদৰ্শন হিচাপে মাতৃভাষাৰ ভাওনাহে অধিকতৰ ৰূপত পৰিৱেশিত হৈ আহিবলৈ ধৰিলে। যাইকৈ উজনি অসমত গঢ় লৈ উঠা ভাওনাই মহাপুৰুষীয়া ভক্তিধৰ্মৰ প্ৰসাৰ আৰু



প্ৰচাৰত আগভাগ ল'বলৈ ধৰিলে। মাতৃভাষাৰ নাট মানে অসমীয়া ভাষাত ৰচিত ভাওনাসমূহ। এই নাটবোৰ সকলোৱে মাজত 'ভাওনা' নামেৰেই পৰিচিত হৈ আহিবলৈ ধৰিলে। 'ভাওনা'ৰ পৰিচয় প্ৰসংগত বিশিষ্ট লেখক পীতাম্বৰ দেৱগোস্বামীয়ে মন্তব্য কৰিছে এনেদৰে— "....উজনি অসমৰ অভিনয় অংকীয়া ভাওনাৰ পৰিৱৰ্তে ভাওনা স্বৰূপেই পিচলৈ চিহ্নিত হ'ল। ফলত অংকীয়া ভাওনাৰ কিছু পৰিৱৰ্তিত ৰূপ এটিও উজনি অসমত গঢ় লৈ উঠিল। নাটকত আদ্যান্ত সূত্ৰধাৰৰ প্ৰাধান্য নোহোৱা হ'ল। নৃত্য পৰিৱেশন আৰু নান্দী শ্লোক-গীত গোৱাৰ পিচতেই অভিনয় ক্ষেত্ৰৰপৰা সূত্ৰধাৰ একেবাৰে আঁতৰি যায়। অংকীয়া ভাওনাৰ গায়ন-বায়নৰ ধেমালি এনে অভিনয়ত থাকিলেও আটাইকেইখন ধেমালিৰ প্ৰয়োগ নঘটে। সূত্ৰধাৰে কথাৰে ভাওনাৰ সামগ্ৰিক পৰিচয় দাঙি ধৰে। সূত্ৰধাৰৰ কথাত ভাওনাৰ নামকৰণ আৰু চমু পৰিচয় প্ৰকাশ পায়।" (*পীতাম্বৰ দেৱগোস্বামী, 'সত্ৰীয়া উৎসৱৰ পৰিচয় আৰু তাৎপৰ্য', পৃ.৪০*)

জনসাধাৰণৰ মুখৰ ভাষাক অৱলম্বন কৰি মহাপুৰুষ শংকৰদেৱৰ নব-বৈষ্ণৱ আদৰ্শকে প্ৰচাৰ কৰিবলৈ আন্তৰিকতাৰে প্ৰয়াস কৰা এই ভাওনা হৈ উঠিল ওখ খাপৰ আধ্যাত্মিক তথা গণতান্ত্ৰিক অনুষ্ঠান। বিশেষকৈ একোখন গাঁৱৰ বাইজে ভাওনা এখনত ভাৰবীয়া, গায়ন-বায়ন, সূত্ৰধাৰী আদিকে ধৰি সকলোখিনি সম্পূৰ্ণ নিজা প্ৰচেষ্টাৰেই কৰিব পৰা হ'ল। সবাতলতে এনে বিধি-ব্যৱস্থাৰ জৰিয়তে জনসাধাৰণক মহাপুৰুষ গুৰুজনাৰ গণতান্ত্ৰিক নীতি-আদৰ্শৰ বেছি ওচৰ চাপিবলৈ সুবিধাহে প্ৰদান কৰা হ'ল। পৰিৱেশনৰ ক্ষেত্ৰতো মাতৃভাষাৰ নাট-ভাওনাত গীত-মাত, সংলাপ, নৃত্য আদিতো ৰাইজে ভালপোৱা ধৰণৰ প্ৰপঞ্চ কিছুমানৰ সংযোগ ঘটিল। প্ৰৱেশ, প্ৰস্থান, যুদ্ধযাত্ৰা, গদাযুদ্ধ, ধনুযুদ্ধ, বাহুযুদ্ধ, বনগমন আদিৰ ক্ষেত্ৰত বাজনা আৰু গীতৰ সুৰ ভিন্ ভিন্ ধৰণৰ স্তুতি অথবা বিলাপ আদিৰ প্ৰয়োগত মাতৃভাষাৰ ভাওনা গাঁওবাসী জনতাৰ হিয়াৰ আমঠু হৈ উঠিল।

উজনি অসমত মাতৃভাষাৰ ভাওনা কেৱল সাংস্কৃতিক বিশিষ্টতাৰ উদাহৰণ হিচাপে নহয়; জনসাধাৰণৰ বুকুৰ উমেৰে জীপাল হৈ ধৰ্মীয় উদ্দেশ্য নিহিত হৈ থকা সত্ত্বেও প্ৰায় ডেৰশ-দুশ বছৰ ধৰি লোক-ৰংগানুষ্ঠান হিচাপে মহাসমাৰোহেৰে চলি আহিছে। কেৱল সিমানেই নহয়, মাতৃভাষাৰ ভাওনাই গাঁওবাসী জনসাধাৰণৰ ঐহিক আৰু পাৰত্ৰিক কল্যাণ কামনাৰ স্বৰূপো প্ৰকাশ কৰি আহিছে। 'শত বৰ সবাহত হৈব যত ফল; এগুটি ভাওনা কৰি পাৱয় সকল' বোলা কথাষাৰ মাতৃভাষাৰ ভাওনাৰ লগতহে বেছিকৈ খাপ খায়। বাছনি কৰি লোৱা ভাওনাখনৰ যি কোনো এটি চৰিত্ৰৰ ভাও বা ভাওনাৰ বচন এখন অতি পৱিত্ৰতাৰে মুৰ দোঁৱাই গ্ৰহণ কৰা, নাট মেলাৰ দিনা গাঁৱৰ সকলো লোকে পৰম পৱিত্ৰতাৰে অংশগ্ৰহণ কৰা, আখৰাৰ বাবে নাটখন মেলোঁতেও বহু ভক্তিৰেহে নাটভাগৰ পাত লুটিওৱা, নাটভাগৰ পাত একোটাও ওলোটা ফালৰপৰা লুটিয়াব নেপায় বুলি বিশ্বাস কৰা, নামঘৰৰ আখৰালৈ গা-পা ধুই চুৰীয়া পিন্ধি পৱিত্ৰভাৱে যোৱা, আখৰা চলি থাকোঁতে ভাৰবীয়াসকলে মিলি শৰাই এভাগ আগবঢ়োৱা, ভাৰবীয়াসকল ভাওনাৰ দিনা উপবাসে থকা আদি কাৰ্যকলাপসমূহেই মাতৃভাষাৰ নাট-ভাওনাক অসমীয়া ৰাইজে কিমান গুৰুত্ব আৰু আন্তৰিকতাৰে গ্ৰহণ কৰে,তাকেই প্ৰমাণ কৰি আহিছে।

অসমীয়া সমাজত ভাওনা বুলি ক'লে সাধাৰণতেই মাতৃভাষা অসমীয়া ভাষাৰ দীঘল নাটভাগিৰ কথাকে বুজা হয়। ৰাজহুৱাভাৱে বা কোনো ব্যক্তি বা পৰিয়াল বিশেষে মাতৃভাষাৰ ভাওনা একোখন ইহজীৱন আৰু পৰজীৱনৰ কল্যাণ কামনাৰে পৰম ভক্তিৰে আগবঢ়াই আহিছে। অসমৰ গাঁৱে-ভূঞে ভাওনাৰ এই পৰম্পৰা এতিয়াও পূৰাদমেই বৰ্তি আছে। অসমীয়া সমাজত বছৰেকৰ মূৰত নামঘৰত অনুষ্ঠিত ৰবসবাহৰ লগত ৰাতিলৈ একোখন ভাওনা পৰিৱেশন কৰাৰ পৰম্পৰা আজি বহুদিন ধৰি চলিয়েই আছে। গাঁৱৰ বয়োজ্যেষ্ঠ গৰাকীৰপৰা আৰম্ভ কৰি কনিষ্ঠজনলৈকে সকলোৱে আন্তৰিক শ্ৰদ্ধা-ভক্তিৰে পুৱাৰেপৰা জড়িত হৈ ভাওনাখন সফল কৰি তোলে। অতীতৰেপৰা অসমীয়া সমাজত চলি অহা অতিকৈ জনপ্ৰিয় এই ভাওনাসমূহৰ ভিতৰত কেইখনমান উল্লেখযোগ্য নাট হৈছে— 'সীতা বনবাস', 'অৰ্জুনৰ দিগবিজয়', 'কৃষ্ণ সিংহাসন', 'প্ৰহ্লাদ চৰিত', 'কৰ্ণপৰ্ব', 'নৃসিংহ মুৰাৰী', 'পাণ্ডৱৰ অজ্ঞাতবাস' 'বকাসুৰ বধ' আদি।

গায়ন-বায়ন, শ্লোক-গীত, পয়াৰ, নৃত্য, ভাৰবীয়া নিৰ্বাচন আৰু ভাৰবীয়াৰ বচনৰ ভাষা আদি সকলোধৰণৰ জটিলতাৰপৰা আঁতৰি আহি সহজ-সৰলভাৱে নাট পৰিৱেশন কৰাটোৱেই আছিল মাতৃভাষাৰ ভাওনাৰ প্ৰধান কথা। অৱশ্যে ইয়াৰ মাজেৰে কিন্তু কোনো ক্ষেত্ৰতে ভক্তিভাৱৰ হীন-দেটি কৰা হোৱা নাছিল; বৰঞ্চ সৰ্বত্তৰৰ ৰাইজৰ মাজত ভক্তিভাৱৰ মাত্ৰা অধিক বাঢ়িছিলহে।

**১.০৪ মাতৃভাষাৰ নাট অথবা ভাওনাৰ শেহতীয়া স্থিতি ঃ** বৰ্তমান অসমৰ অতি জনপ্ৰিয় সাংস্কৃতিক পৰম্পৰাসমূহৰ ভিতৰত ভাওনা অন্যতম। নৈতিক আৰু আধ্যাত্মিক ভাব জাগ্ৰত কৰা এই ভাওনা পৰিৱেশ্য কলা হিচাপেও আগশাৰীৰ। শেহতীয়াকৈ অসমত আৰম্ভ হ'বলৈ ধৰিলে মাতৃভাষাৰ ভাওনাৰ সমাৰোহ আৰু প্ৰতিযোগিতা। বিশেষকৈ উজনি অসমত অঞ্চলবিশেষে অনুষ্ঠিত হোৱা ভাওনা সমাৰোহ অথবা প্ৰতিযোগিতাসমূহত সাত ৰাতি পৰ্যন্ত ভাওনা কৰা হয়। প্ৰায় প্ৰতিদিনে দুই-তিনিখনকৈ ভাওনা অনুষ্ঠিত হোৱা আৰু আবাল-বৃদ্ধ-বনিতাৰ বিপুল সমাৱেশ ঘটাটোৱেই ভাওনাৰ জনপ্ৰিয়তাৰ কথাকে সূচায়। ইয়াৰ লগে লগে এই ভাওনাৰ পৰম্পৰাই পূৰ্বৰ কিছু স্বৰূপ সলাই একপ্ৰকাৰে নতুন ৰূপত উদ্ভাসিত হৈ উঠিল। এনে নতুন ৰূপ পাওঁতে পূৰ্বৰ বহুতো সৌন্দৰ্যশালী উপাদানৰ সাল-সলনি ঘটাৰ উপক্ৰম হ'ল।

সাম্প্ৰতিক কালৰ ভাওনাৰ নাটৰ স্বকীয় স্বৰূপটো বহু পৰিমাণে কমি যোৱা যেন লক্ষণীয় হৈছে। বৰ্তমানৰ মাতৃভাষাৰ ভাওনাৰ প্ৰতিযোগিতাৰ নাটবোৰৰ উপস্থাপনত ভাষাটোৰ বাহিৰে অংকীয়া নাটৰ লগত আন বিশেষ পাৰ্থক্য নথকাৰ দৰেই হৈছেগৈ। সবাতলতে

মাতৃভাষাৰ ভাওনাৰ সৃষ্টি আছিল সময়ৰ দাবী; জনসাধাৰণৰ স্বতঃস্ফূৰ্ততাৰ বহিৰ্প্ৰকাশ। লোক-সংস্কৃতিৰ কিছু বৈশিষ্ট্য থকাৰ বাবেই মাতৃভাষাৰ নাটসমূহ আছিল আঞ্চলিক বৈশিষ্ট্যৰে সমৃদ্ধ। বৰ্তমান সময়ত এনে আঞ্চলিক বৈশিষ্ট্যসমূহ কমাই পেলোৱাৰ প্ৰৱণতা এটাও পৰিলক্ষিত নোহোৱাকৈ থকা নাই।

বিগত শতিকাৰ শেষৰটো দশকৰপৰা মাতৃভাষাৰ ভাওনাৰ প্ৰতিযোগিতা আৰম্ভ হোৱাৰ লগে লগে গাঁৱে-ভূঞে সোমাই পৰা সত্ৰীয়া নৃত্য-গীতৰ পাৰদৰ্শীসকলে অতীতৰেপৰা সাধাৰণভাৱে ভাওনা কৰাই অহা গায়ন-বায়নসকলতকৈ অধিক গুৰুত্ব লাভ কৰিবলৈ ধৰিলে। তেখেতসকলৰ ছেও-চাপৰ, গায়নশৈলী, নৃত্যভংগিমা আনকি পোছাক-পৰিচ্ছদসমূহো পূৰ্বৰপৰা ভাওনা কৰি অহাসকলতকৈ মনোগ্ৰাহী ৰূপত ধৰা দিলে। গতিকে সৰ্বসাধাৰণ গাঁৱৰ বাইজে তেখেতসকলৰ আৰ্হিকে গ্ৰহণ কৰিবলৈ ধৰিলে। তেখেতসকলে জ্ঞাতে বা অজ্ঞাতে সম্পূৰ্ণৰূপে সত্ৰীয়া বা অংকীয়াৰ আৰ্হিৰে মাতৃভাষাৰ ভাওনাসমূহো পৰিচালনা কৰিবলৈ ধৰাৰ ফলস্বৰূপে বহুবোৰ নিয়ম সলনিও হৈ পৰিল। গীত-বাদ্য-নৃত্যত যে তেখেতসকল সম্পূৰ্ণৰূপে পাৰদৰ্শী, সেই সম্পৰ্কে কোনেও দ্বিমত প্ৰকাশ কৰিব নোৱাৰে। অৱশ্যে অংকীয়া ভাওনাৰপৰাই সৃষ্টি হোৱা মাতৃভাষাৰ ভাওনাত তেওঁলোকৰ ভূমিকাৰ বাবেই পৰম্পৰাগত নাচ-গানৰ সুঁতিটোক অংকীয়াৰ আৰ্হিৰ লগত মিলাই পেলোৱাৰ প্ৰচেষ্টাও আৰম্ভ হ'ল। সেইদৰে পূৰ্বৰ নিচিনা প্ৰৱেশ, প্ৰস্থান, যুদ্ধ, স্তুতি, বিলাপ আদি নোহোৱা কৰি পেলোৱা হ'ল। আকৌ শ্লোক বা গীতৰ মাজে মাজে থকা কথা বা সূত্ৰসমূহো অত্যন্ত সুৰ ধৰি পৰিৱেশন কৰিবলৈ ধৰা হ'ল। দোহাৰে সৰহসংখ্যক গীত আৰু কথা সংস্কৃত ভাষাৰে গাবলৈ ধৰিলে। সেইদৰে সূত্ৰধাৰেও কেইবাটাও দীঘল দীঘল সংস্কৃত ভাষাৰ শ্লোক পৰিৱেশন কৰি উঠি 'ইতি সূত্ৰ নৃত্য নিষ্ক্ৰান্ত' বুলি কৈ দোহাৰৰ লগত আসন গ্ৰহণ কৰিবলৈ ধৰিলেগৈ।

আন বহু ক্ষেত্ৰতো বহুবোৰ সাল-সলনি ঘটা দেখা গ'ল। উদাহৰণস্বৰূপে প্ৰতিযোগিতাৰ নাট এখনৰ শ্ৰীকৃষ্ণ চৰিত্ৰৰ প্ৰৱেশ আৰু তেওঁৰ বচনৰ কথাকে উল্লেখ কৰিব পাৰি। সূত্ৰধাৰজনে নিষ্ক্ৰান্ত হোৱাৰ আগতে শ্ৰীকৃষ্ণৰ প্ৰৱেশৰ গীতৰ ৰাগ সিন্ধুৰা আৰু তাল একতাল বুলি কথা কোৱাৰ নিচিনাকৈ নকৈ সুৰীয়াভাৱে জনাই থৈ গৈছিল। ইয়াৰ লগে লগে শ্ৰীকৃষ্ণ চৰিত্ৰই প্ৰৱেশ কৰিব লাগিছিল। অৱশ্যে শ্ৰীকৃষ্ণই প্ৰৱেশ নকৰিলে— নৃত্যহে পৰিৱেশন কৰিলে। অৰ্থাৎ 'প্ৰৱেশ' শব্দটোৱে যি অৰ্থ বহন কৰে, তাৰ পৰিবৰ্তে নৃত্য পৰিৱেশন কৰিবলৈ ধৰিলে।

আনকি গোটেই বংগৰণীখন জুৰি নৃত্য কৰাৰ পিচত সংলাপ আৰম্ভ কৰিলে যদিও পুৰুষসুলভ বলিষ্ঠভাৱে সংলাপ নিক্ষেপ কৰা দেখা নগ'ল। শ্ৰীকৃষ্ণৰ এনেধৰণৰ দীঘলীয়া নৃত্য-ভংগিমা দেখাৰ পিচত এটা কথা প্ৰশ্ন হ'ল যে, গাঁওবাসী জনসাধাৰণে বাৰু এনেদৰেই পূৰ্বতে কৃষ্ণৰ প্ৰৱেশ কৰাইছিলনে?

অংকীয়া নাট ভাওনাৰপৰা মাতৃভাষাৰ ভাওনা সৃষ্টি হোৱাৰ মূল কাৰণটোৱেই আছিল জটিলতাৰপৰা আঁতৰি আহি সহজ-সৰলভাৱে পৰিৱেশন কৰাৰ প্ৰতি জনসাধাৰণৰ মাজত অজানিতে সৃষ্টি হোৱা তাগিদা। এতিয়া উল্লিখিত ধৰণৰ নৃত্য-নাচ পৰিৱেশন কৰাৰ লগতে সংস্কৃত শ্লোকসমূহকে বেছিকৈ দোহাৰি থকা, ৰাইজৰ দৃষ্টি আকৰ্ষণৰ বাবেই দোহাৰসকলে উচ্চস্বৰত গীত-মাত পৰিৱেশন কৰি গোটেই প্ৰক্ৰিয়াটোকে জটিল কৰি পেলোৱা হয়, তেতিয়া দেখোন মাতৃভাষাৰ ভাওনাও আধুনিক নাট্য পৰম্পৰাৰ দৰেহে হৈ পৰিবগৈ। এনেদৰে চলি থাকিলে সাংস্কৃতিক বৈশিষ্ট্যসম্পন্ন তথা আকৰ্ষণীয় লোক-নাট্যানুষ্ঠান মাতৃভাষাৰ ভাওনাৰ প্ৰকৃত উদ্দেশ্যটোতে গভীৰ প্ৰশ্নবোধক এটা আহি যে পৰিবহি, সেয়া নিশ্চিত।

নতুনত্বৰ সোৱাদ ল'বলৈ মানুহ উন্মুখ হৈ থকাটো স্বাভাৱিক কথা। গতিকে ভাওনাৰ ক্ষেত্ৰতো পৰিৱৰ্তন অহাটোও একো অস্বাভাৱিক কথা নহয়। তথাপিও সম্প্ৰতি অতীতৰ নামবিহীন নাট্যকাৰৰ পৰিবৰ্তে এতিয়া নাট ৰচনা কৰি পৰিচালনা কৰা নাট্যকাৰৰ হাতত পৰি নাটবোৰ পুৰণি দুই-তিনিখন নাটৰ বাছকবনীয়া দৃশ্যৰ সমাহাৰ যেনহে হৈ ধৰা দিছে। দৰাচলতে এনে কামৰ ফলস্বৰূপে নাট্যকাহিনীবোৰ অ'ৰ এডোখৰ, ত'ৰ এডোখৰ টানি আনি জোৰা-টাপলি মাৰি সৃষ্টি কৰা যেনহে হৈছেগৈ। পূৰ্বৰ ভাওনাৰ নিটোল কাহিনীৰ সাৱলীল অগ্ৰগতি আৰু এতিয়া নোহোৱা কৰি কেৱল চমৎকাৰপূৰ্ণ ঘটনাবোৰকহে প্ৰাধান্য দিয়া দেখা গৈছে। প্ৰকৃতাৰ্থত বৰ্তমান ভাওনাৰ নৱৰূপ এটাহে দেখিবলৈ পোৱা গৈছে।

**উপসংহাৰ ঃ** অংকীয়া নাট-ভাওনাৰ বৈশিষ্ট্যক কিছু পৰিমাণে হ'লেও ৰূপান্তৰ কৰি ৰচিত আৰু গাঁৱে-ভূঁয়ে অতি জনপ্ৰিয়তাৰ শাৰীলৈ উঠা মাতৃভাষাৰ ভাওনাৰ গুৰুত্ব বৰ্তমানেও কমা নাই, বৰঞ্চ ঠাইবিশেষে বৃদ্ধিহে পাইছে। অসমৰ থলুৱা লোকসকলৰ উপৰি চাহ মজদুৰ সম্প্ৰদায়ৰ গাঁওবাসীৰ লগতে জনজাতীয় সমাজতো এতিয়া ভাওনা একোখন আয়োজনেৰে অসমীয়া সংস্কৃতিৰ এই লোক-কলাবিধৰ প্ৰসাৰ ঘটাই আহিছে। অসমীয়া জাতিৰ প্ৰাণ প্ৰবাহৰ চিনাকি হিচাপেও ভাওনাৰ কথা কৈ অহা হয়। সেয়েহে সময়ৰ লগত খাপ খুৱাই কিছু পৰিৱৰ্তন ঘটালেও আমাৰ বোধেৰে ইয়াৰ মূলগত পৰম্পৰাক যিমানদূৰ সম্ভৱ একে ৰাখিবলৈহে যত্ন কৰা উচিত। ❑


সহায়ক গ্ৰন্থ/স্মৃতিগ্ৰন্থ ঃ

- দেৱগোস্বামী, পীতাম্বৰ ঃ সত্ৰীয়া উৎসৱৰ পৰিচয় আৰু তাৎপৰ্য, কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড়, ২০০১
- দেৱগোস্বামী, কেশৱানন্দ ঃ অংকীয়া ভাওনা, অসম সাহিত্য সভা, যোৰহাট, ১৯৮৪
- শইকীয়া, মাণিক ঃ মাতৃভাষাৰ ভাওনা ঃ ঐতিহ্য আৰু বিৱৰ্তন, শব্দ, যোৰহাট, ২০১৬
- স্মৃতিগ্ৰন্থ, গগৈ, বেণু (সম্পা.) ঃ পূৰ্বৰংগ, সদৌ অসম ভিত্তিক ভাওনা সমাৰোহ, যোৰহাট, ২০০৬




# বিহুগীতত অসমীয়া সমাজ জীৱনৰ প্ৰতিচ্ছবি


◆ ড° লীলাৱতী চৌধুৰী

সহযোগী অধ্যাপিকা, শিক্ষা বিভাগ


যি উৎসৱে এটা জাতিৰ ঐতিহ্য এক পুৰুষৰপৰা আন এটা পুৰুষলৈ কঢ়িয়াই সেই জাতিক গৌৰৱান্বিত কৰে, তেনে উৎসৱ-পাৰ্বণকে জাতীয় উৎসৱ হিচাপে গণ্য কৰা হয়। এনে উৎসৱে সাৰ্বজনীন ৰূপ পৰিগ্ৰহণ কৰি জাতিটোৰ ভৌগোলিক পৰিসীমা বিস্তাৰ কৰে। অসমৰ বিহু হৈছে এনেকুৱা এটা উৎসৱ, যাক সকলো ধৰ্মৰ, সকলো বৰ্ণৰ লোকে আন্তৰিকতাৰে উদ্‌যাপন কৰে। সেইবাবে বিহু উৎসৱক অসমীয়াৰ জাতীয় উৎসৱ বুলি কোৱা হয়।

এই বিহু উৎসৱ কেতিয়া কেনেকৈ আৰম্ভ হৈছিল, তাক সঠিককৈ কোৱা টান যদিও অসমীয়া জাতিৰ উদ্ভৱৰ লগে লগে ইয়াৰ উদ্ভৱ হৈছিল বুলি বিজ্ঞসকলে ক'ব বিচাৰে। অসমীয়া জাতি হৈছে অসমত বসবাস কৰা বিভিন্ন জাতি-উপজাতিৰ সংমিশ্ৰণ। জাতীয় উৎসৱ বিহুটোও হৈছে অসমীয়া জাতিৰ সংমিশ্ৰণৰ জৰিয়তে গঢ়ি উঠা এক বৈশিষ্ট্যপূৰ্ণ উৎসৱ। অসমত বসবাস কৰা বিভিন্ন জাতি-উপজাতিৰ চিন্তা-ধাৰণা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, পৰম্পৰা আদিৰ অন্যতম বাহক হৈছে বিহু উৎসৱ। এই বিহু উৎসৱৰ অন্যতম সমল হৈছে বিহুগীত; য'ত মৰম-চেনেহ, অভিমান আৰু প্ৰেমানুভূতিৰ গোন্ধ পোৱা যায়।

সাধাৰণতে অসমীয়া লোক-সাহিত্যক বিহুগীতসমূহেহে সু-সমৃদ্ধ কৰাত আগভাগ লৈছিল। অসমীয়া লোক-সমাজৰ সুখ-দুখ, হাঁহি-কান্দোন, আশা-আকাংক্ষা, প্ৰেম-প্ৰীতি, ঈৰ্ষা-অসূয়া আদিৰ লগত বিহুগীতৰ জীৱন্ত ছবি পৰিস্ফুট হয়। বিহুগীতৰ মাজেদিয়ে অসমীয়া লোক-সমাজৰ প্ৰেম-প্ৰীতি, বিৰহ-বিচ্ছেদ, উন্মাদনা এক স্বাভাৱিক ৰূপত প্ৰতিফলিত হৈ উঠে।

যিহেতুকে লোক-সমাজ বিহুগীত উদ্ভৱৰ মূল স্থল বা ক্ষেত্ৰ, গতিকে বিহুগীতসমূহ লোক-সমাজৰ ডেকা-গাভৰুৰ প্ৰেম-প্ৰীতি, বিৰহ-বিচ্ছেদ, আনন্দ-অভিমান আদিৰ মাজত সীমাবদ্ধ। এই বিহুগীতসমূহ অসমীয়া সমাজ, অসমীয়া জনসাধাৰণ, অসমৰ প্ৰাকৃতিক সৌন্দৰ্যক লৈ কবিসকলে ৰচনা কৰিছিল বাবে অসমীয়া সমাজ জীৱন আৰু প্ৰাকৃতিক সৌন্দৰ্য বিহুগীতৰ মাজতে স্পষ্টভাৱে পৰিস্ফুট হৈ উঠে। তাৰে কেইটামান উদাহৰণ উল্লেখ কৰা হ'ল—

অসমৰ লোক-সমাজ ভগৱানৰ ভক্তিত গদ্ গদ্ অৰ্থাৎ ভগৱান বিশ্বাসী। ভগৱানে লোক-সমাজক পৰিচালিত কৰে। এই কথাষাৰি বিহুগীতৰ মাজত স্পষ্টভাৱে পৰিলক্ষিত হয়; যেনে—

বিধি হৈ সৃজোঁতা তেৰে পালোঁতা
তেওঁৰে ওপৰত ভৰ,
তোমাৰে মোৰে যদি যোৰা আছে
তেওঁ পাতি দিব ঘৰ।

এই বিহুগীতৰ মাজেৰে ভগৱৎ চিন্তাৰ অনুভূতি স্পষ্টভাৱে প্ৰকাশিত হৈছে। ঠিক সেইদৰে সমাজ জীৱনৰ দৈনন্দিন গৃহস্থালিৰ বিৱৰণো বিহুগীতৰ মাজেৰে পোৱা যায়; যেনে—

মই থাকোঁ চোতালত আই থাকে আখলত
তই থাক ভঁৰালৰ মুখত,
বোপাই বাৰীত থাকে ককাই ধানত লাগে
দেখাও নিদিয়া পাকত।
শালি ধানৰ মৰণা মাৰিলোঁ
কঠীয়াৰ নথ'লোঁ সাঁচ,
উজনি নামনি কেউ বাজ মাৰিলোঁ
টোলোঠাৰ নেপালোঁ গছ।

এই বিহুগীতটিৰ মাজেৰে অসমীয়া সমাজ জীৱনৰ চোতাল, ভঁৰাল, আখল, খেতি-বাতি সকলোৰে এটা সুন্দৰ বিৱৰণ পোৱা যায়। এই বিহুগীতটি লোক-সমাজৰ দৈনন্দিন জীৱনৰ লগত নিবিড়ভাৱে জড়িত। ইয়াৰ মাজত অসমীয়া জনজীৱনৰ এখন সঁচা ছবি ফুটি উঠিছে।

অতীত কালত অসমীয়া সমাজত এজন পুৰুষে তেওঁৰ পত্নী থকা সত্বেও নতুন বিবাহ কৰাইছিল। বিবাহিতা স্ত্ৰীৰ বৰ্তমানত কোনো নাৰী বিবাহ হ'ব ইচ্ছা নকৰে। ইয়াক লৈও অসমীয়া লোক-সমাজত বিহুগীত প্ৰচলিত; যেনে—

গুচি যাওঁ গুচি যাওঁ পানচৈ নাৱত উঠি যাওঁ
কতক মাৰে-কিলে খাওঁ,
সতিনী লগালে যাবৰে সলনি
কতনা কাটিয়ে খাওঁ।

অসমীয়া সমাজত একপ্ৰকাৰৰ লোক আছে, যি কানিকে জীৱনৰ অন্যতম সম্পদ বুলি জীৱনটো উপভোগ কৰিব বিচাৰে। কাম কৰিবলৈ এলাহ কৰে। এওঁলোকক কানীয়া লোক বুলি জনা যায়। এই লোকসকলৰ লগত গাভৰুসকলে বিবাহপাশত আবদ্ধ হ'ব নিবিচাৰে। কানীয়াৰ জীৱনকো বিহুগীতৰ মাজেৰে প্ৰকাশ কৰিব পাৰি; যেনে—

কানীয়ালৈ নাযাবি কানি দিব লাগিব
বাতি দিব লাগিব মাজি,
কানি তিতা মাৰোঁতে পিঠা দিব লাগিব
তাকো দিব লাগিব ভাজি।

সাধাৰণতে কোনো কোনো ক্ষেত্ৰত দেখা যায়, অসমীয়া সমাজত বৌৱেকক পত্নীৰূপে গ্ৰহণ কৰাৰ ৰীতি প্ৰচলিত। ই অতি প্ৰাচীন কালৰপৰা চলি আহিছে। এনেকুৱা ৰীতিকো বিহুগীতৰ মাজেৰে প্ৰকাশ

কৰিব পাৰি; যেনে—

হাবিত জুই লাগিলে  কুকুহা উৰিলে
উৰিকে আছিলে চাই,
ভদবকলি চৰায়ে  পৰাচিত কৰিলে
বৌদেউক আনিব পায়।

অসমীয়া সমাজত প্ৰচলিত বিবাহ হৈছে এক পবিত্ৰ অনুষ্ঠান। য'ত দৰা-কইনাৰ মন আৰু হৃদয়ৰ পবিত্ৰ বান্ধোন গঢ়ি উঠে; কিন্তু এনেকুৱা অনুষ্ঠানতো কইনা পক্ষৰপৰা ধন লোৱাৰ প্ৰথা প্ৰচলিত আছে। অসমীয়া লোক-সমাজত প্ৰচলিত এই প্ৰথাৰ আভাসো বিহুগীতৰ মাজতে পোৱা যায়; যেনে—

তামোলত খাবৰে  লং ঐ লাহৰী
তামোলত খাবৰে লং,
তোমাৰলো বাপেৰে  ল'ব কেইকুৰি
ছাগলী বেচাৰে ধন।
হালবে বেচিম মই  ক'লা, কমলা
গোহালিৰ বেচিমে গাই,
তেওঁ যদি ধনেৰে  জোৰাব নোৱাৰোঁ
বেচিম সমনীয়া ভাই।
পানীলো খাবলৈ  বাতি নাইকিয়া
আৰু নাইকিয়া পাত,
তোমাক আনিবলৈ  ধনে নাইকিয়া
আৰু দিনচেৰেক থাক।

কেতিয়াবা কেতিয়াবা লোক-সমাজত দেখা যায় বয়সীয়া পুৰুষেও বিয়া কৰোৱাৰ বাবে ব্যাকুল হৈ কইনা বিচাৰি ফুৰে। এনেকুৱা লোকক সমাজে নিন্দা কৰে। এই নিন্দাকো বিহুগীতৰ মাজেৰে প্ৰকাশ কৰা দেখা যায়; যেনে—

বুঢ়াটো বুঢ়াটো  খেন্দেলা বুঢ়াটো
উধানত খুন্দা খাই মৰ,
চকুৰে নেদেখা  কাণেৰে নুশুনা
ছোৱালী বিচাৰি ফুৰ।

সাধাৰণতে দেখা যায়, অসমীয়া লোক-সমাজৰ দৈনিক জীৱনৰ প্ৰত্যেক পৰিস্থিতি, প্ৰত্যেক ঘটনাৰ লগত বিহুগীত জড়িত। বিহুগীতৰ মাজেৰে জনসমাজৰ সকলো চিন্তা-ধাৰণা, দুখ-বেদনা, অভিমান, প্ৰেম-ভালপোৱা প্ৰকাশ পায়। অসমীয়া সমাজত ভিনিহিয়েকে খুলশালীয়েকৰ লগত চুপতি মৰা পৰিবেশো পৰিলক্ষিত হয়। লগতে ভিনিহিয়েক আৰু বায়েকৰ মাজত মিলন ঘটোৱাতো সহায় কৰে। ইয়াকো বিহুগীতৰ মাজেৰে ধুনীয়াকৈ পৰিস্ফুট হোৱা দেখা যায়; যেনে—

এবাপাত পিটিয়াওঁ  বায়েৰক নুটিয়াওঁ
তামোল কাটি দিয়া খাওঁ,
সৰুজনী খুলশালী  দুৱাৰ মেলি দিয়া
শোৱা ভিতৰলৈ যাওঁ।

অসমীয়া সমাজত তামোলৰ মূল্য অতি তাৎপৰ্যপূৰ্ণ। প্ৰত্যেক গিৰিহঁতে প্ৰথমে তামোলখনেৰে আলহীক অভ্যৰ্থনা জনায়। এই তামোলখনে প্ৰেম-প্ৰীতি প্ৰকাশ কৰাতো অৰিহণা যোগায়। লগতে একে জাতিৰ বাহিৰে আনে কাটি দিয়া তামোল খালে জাত-কুল মৰিব বুলিও অসমীয়া সমাজত এযাৰ কথা প্ৰচলিত আছে। এই ধাৰণা অতি পুৰণি। ইয়াৰ উল্লেখো বিহুগীতৰ মাজতে পোৱা যায়—

তোমাৰ কটা তামোল  নেখাওঁ ঐ লাহৰী
আমাৰে মৰিব কুল,
অজাতি নহওঁ মই  বিজাতি নহওঁ মই
তোমাৰ-মোৰ একেটি কুল।

এইদৰে অসমীয়া সমাজত প্ৰচলিত তন্ত্ৰ-মন্ত্ৰ, ধৰ্ম, বিশ্বাস সকলোৰে লগত বিহুগীত জড়িত হৈ আছে। অৰ্থাৎ বিহুগীতৰ মাজেৰে ইয়াৰ স্পষ্ট প্ৰতিচ্ছবি ফুটি উঠে। যি প্ৰতিধ্বনিয়ে অসমীয়া লোক-সমাজৰ এখন সুন্দৰ ছবি জনমানসত দাঙি ধৰে। বয়নশিল্পৰ অন্যতম সঁজুলি তাঁতশালখন অসমীয়া জীয়ৰী-বোৱাৰীৰ হৃদয়ৰ সম্পদ। ইয়াৰ অবিহনে তেওঁলোকৰ জীৱন অৰ্থহীন। বিহুগীতৰ মাজেৰে ইয়াকো সুন্দৰকৈ প্ৰকাশ কৰিব পাৰি; যেনে—

দীঘলে দীঘলে  কৰোঁ তাঁতে বাটি
লেখে বুটীআয়ে বিহা,
তলে গৰকা  ওপৰে নাচনী
তাঁতৰ চাৰি বাটি ব'।
বাতিটোৰ ভিতৰত  কাটে পাঁজি সূতা
পুৱালৈ তৰিলে তাঁত,
বহোঁ তাঁতৰ পাতত  চকু আলিবাটত
মাকো সৰি সৰি পৰে।
তাঁতৰ পাতত বহি  মনত ঐ পৰিলে
গৰকাত ভৰি দি তাঁত বৈ আছিলোঁ,
ঢোলত চাপৰ মাৰি  ঢুলীয়া ওলালে
বহি বৈ আছিলোঁ তাঁত,
টোপোলাৰ সেন্দুৰ  টোপোলাতে থাকিল
খাবলৈ নহ'লে ভাত।

এই বিহুগীতৰ মাজেৰে অসমীয়া জীয়ৰী-বোৱাৰীৰ মনৰ আকুলতা প্ৰকাশ পোৱাৰ লগতে এক প্ৰাণচঞ্চল ছবি ফুটি উঠিছে। ইয়াত নাৰীমনৰ গতিচঞ্চলতা স্বতঃস্ফূৰ্তভাৱে প্ৰকাশ পাইছে।

মুঠ কথাত ক'বলৈ গ'লে— বিহুগীতৰ মাজেৰে অসমীয়া সমাজ জীৱনৰ এক সুন্দৰ, আকৰ্ষণীয় গতিশীল ছবি প্ৰতিফলিত হৈছে। ই সম্পূৰ্ণভাৱে অসমীয়া লোক-জীৱনৰ ছবি। এই বিহুগীত কবিসকলৰ সৃজনশীল প্ৰতিভাৰ অন্যতম নিদৰ্শন। ইয়াত কোনো কৃত্ৰিমতা নাই; ইয়াৰ সুৰ, লয়, ছন্দ, অলংকাৰ, ভাষা সম্পূৰ্ণভাৱে স্বতঃস্ফূৰ্ত আৰু মননশীলতাৰ ফল। ই লোক-সমাজৰ মুখে মুখে ৰচিত বাবে ইয়াৰ সৌন্দৰ্যও অকৃত্ৰিম। অসমীয়া সমাজখনৰ প্ৰত্যেক পৰিৱেশতে বিহুগীতৰ এক সুকীয়া স্থান আছে। ইয়াৰ প্ৰতিচ্ছবি অসমীয়া জনসমাজৰ হৃদয়ত বৰ্তমানতো স্পষ্টভাৱে জিলিকি আছে। ইয়াক কেতিয়াও নুই কৰিব নোৱাৰি। সেয়ে অসমীয়া লোক-সমাজত বিহুগীতৰ এক তাৎপৰ্যপূৰ্ণ আৰু বৈচিত্ৰ্যপূৰ্ণ স্থান আছে বুলি ক'ব পাৰি। ■

সহায়ক পুথি ঃ ড° বসন্ত কুমাৰ ভট্টাচাৰ্যৰ 'অসমীয়া লোকগীত সমীক্ষা'।



# কামৰূপীয় নিচুকণি গীত

◆ যমুনা মালী
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ

অসমীয়া লোক-সাহিত্যৰ এক অনবদ্য অংগ হ'ল নিচুকণি গীত। শিশুক কেন্দ্ৰ কৰি এই গীতসমূহ গোৱা হয়। যেতিয়া অবুজ শিশু এটিয়ে টোপনি নগৈ ঠেহ পাতে বা আমনি কৰি থাকে, তেতিয়া শিশুক টোপনি নিয়াবলৈ মাকে বা ধাইমাকে নিচুকাই এই শ্ৰেণীৰ গীত গায়। সেয়ে এই শ্ৰেণীৰ গীতক নিচুকণি গীত বা ধাইনাম বুলি কোৱা হয়। শিশুৰ মন সদায়ে অনুসন্ধিৎসু আৰু কৌতূহলী। শিশুৱে নানা ধৰণৰ প্ৰশ্ন কৰে। তদুপৰি শিশু হৈছে সংগীতপ্ৰেমী। টোপনি ধৰিলে বা ভোক লাগিলে শিশুৱে আমনি কৰে। সেয়ে শিশুটিক শান্ত কৰি টোপনি নিয়াবলৈ গীতৰ প্ৰয়োজন হয়। নিচুকণি গীতবোৰত থাকে সৰু ল'ৰা-ছোৱালীৰ মন জয় কৰিব পৰাকৈ অলৌকিক কল্পনাৰ জগত। গছ-গছনি, জোন-তৰা, চৰাই-চিৰিকটি, জীৱ-জন্তুৰে প্ৰকৃতি লগ লাগি এখন কল্পজগতৰ সৃষ্টি কৰা হয়।

শিশুৰ প্ৰতি মাতৃৰ অফুৰন্ত স্নেহ-প্ৰীতি আৰু শিশুৰ মনস্তত্ত্বৰ দিশ সামৰি এইবিধ গীতৰ উদ্ভৱ হৈছে। শিশুটিয়েই প্ৰতিগৰাকী মাতৃৰ গৰ্ব, সুখ আৰু আনন্দ। সেয়ে শিশুৰ প্ৰতি এগৰাকী মাতৃৰ স্বতঃস্ফূৰ্ত আবেগ-অনুভূতিৰ তীব্ৰ প্ৰকাশতে ধাইনাম বা নিচুকণি গীতৰ সৃষ্টি হৈছিল বুলি ভাবিবৰ থল আছে। সেয়ে গীতবোৰত ৰচকৰ নাম আৰু ৰচনাৰ সঠিক সময় পোৱা নাযায়। বৈষ্ণৱ যুগত শ্ৰীধৰ কন্দলি ৰচিত নিচুকণি গীতৰ পুথি 'কাণখোৱা' কাব্যৰ জনপ্ৰিয়তাই এই গীতৰ প্ৰাচীনত্বৰ ইংগিত দিয়ে।

ঘৰুৱা পৰিৱেশ, নিজস্ব মাত-কথা আৰু নিভাঁজ সুৰেৰে গোৱা এই নিচুকণি গীতসমূহে সকলো জাতিৰ মাজত এক সুকীয়া আসন লাভ কৰি আছে। অসমত বসবাস কৰা বড়ো, ৰাভা, মিচিং, কাৰ্বি, ডিমাচা আদি সকলো জনগোষ্ঠীৰ মাজতে এই গীত সমানে জনপ্ৰিয়। মাথোঁ অঞ্চল আৰু জনগোষ্ঠীভেদে গীতসমূহক বেলেগ বেলেগ নামেৰে নামকৰণ কৰা হয়।

কামৰূপ জিলা এই দিশত অতি চহকী। হৃদয়ৰ আবেগ ঢালি নিজস্ব ভাষা আৰু সুৰেৰে গোৱা এই গীতসমূহ সঁচাকৈয়ে আকৰ্ষণীয়। গীতসমূহ গোৱাৰ সময়ত পূৰ্ণবয়স্ক মানুহগৰাকীও শিশুসুলভ মনৰ অধিকাৰী হৈ পৰে। কামৰূপ জিলাৰ অঞ্চলবিশেষে এই গীতক 'ছলি ভুৰকোৱা গীত' বুলিও কোৱা হয়।

যেতিয়া শিশুৱে ধূলিতে বাগৰি কান্দে, তেতিয়া মাক যশোদাই শিশুকৃষ্ণক নিচুকোৱাৰ দৰে মাটিৰপৰা তুলি লৈ গায় এনেদৰে—

"আমাৰ বাচাই কান্দে ধূলাতে বাগৰি
তুলি লোৱা তুলি লোৱা যশোদা সুন্দৰী।"

জোন পৃথিৱীৰ সকলো শিশুৱে অতি পৰিচিত আৰু আপোন। সেয়ে বিভিন্ন দেশত জোন শিশুৰ মোমায়েক, ককায়েক, বায়েক।

"জোন কাকা এ আহ আহ
ভাত দিম, মাছ দিম
চাঙৰ তলত বাহা দিম
বাপাৰ মুৰত টপকে পৰ।"

* * * * *

"জোনবাই তৰা এটি দিয়া
পাত নাই চোত নাই
কিহতকে দিম?
আমাৰ মইনাৰ হাততে দি।"

মাকে পুতেকৰ ভাত খোৱাৰ সময়ত গোৱা এটি নিচুকণি গীত এনেধৰণৰ—

"আমাৰ মইনা সৰু ল'ৰা পাতত নাখায় ভাত,
বাপেক গেছি কাঁহী আন্‌বা ছয় মাহৰ বাট।
আমাৰ বাচাই কান্দে পেটত নাখায় ভাত,
বাপেক গেছি পুতুলা কিন্‌বা ছয় মাহৰ বাট।"

শিশুৱে কান্দিলে ভয় দেখুৱাই টোপনি অনাৰ বাবে আন এবিধ নিচুকণি গীত গোৱা হয়—

"ঐ মোৰ বাপ, ধমাৰা সাপ।"

শিয়ালৰ মাত শুনিলে শিশুৱে ভয়তে পেপুৱা লাগে। এই ছেগতে শিয়ালৰ নাম লৈ মাক নাইবা ধাইমাকে শিশুটিক টোপনি নিয়াবলৈ যত্ন কৰি গায় এইদৰে—

"শিয়েলী এ নাহিবি ৰাতি
তোৰে কাণ কাটি লগাম বাতি।
শিয়ালীৰ মূৰতে মকুৰা ফুল
শিয়ালী পালেগৈ ৰতনপুৰ।"

টোপনি নোযোৱা যেন দেখিলে পুনৰ গায়—

"শিয়ালী এ ক'ত আছ্ তই
আমাৰ বাপাই কান্‌বা লাগ্‌ছি আহি যা ল'ই।"

শিশুটিক নিচুকাবলৈ জোনাকী পৰুৱাক মাতিও আনন্দ দিয়া হয় এনেদৰে—

"জনকীপুৰা ওচ্ ওচ্
তোৰ চাৰি পুন, মোৰ চাৰি পুন
ঘুঘুৰা কিনি দেওঁ।"

নিচুকণি গীতত কাউৰীয়েও বিশেষ স্থান অধিকাৰ কৰি আছে—

"কাউৰীয়ে কা কা
ক'তে আছিলি গবাৰ খোঁচোৰি
কুম্‌ৰা লালে লৈ গেল
পাখা মোচোৰি।"

* * * * *

"কাউৰে কৰিলা কোলো
এ কইনাৰ মিয়াক
ঝিয়াৰেক উলো।"

কেতিয়াবা অবাস্তৱ কল্পনাৰে শিশুটিক গৰখীয়া ৰূপত সজাই লোৱা হয় এনেদৰে—

"আমাৰ বাপা সৰু
বালাই চাৰে গৰু
কালশালা সাপৰে লৰু।"

* * * * *

"আমাৰ বাপা সৰু
দলত চাৰে গৰু
মামাকে কাটি দেই লৰু
সেই লৰু গতাই দেখুন সৰু
কেনেকে চাৰিবা গৰু!"

কেতিয়াবা সমাজ জীৱনৰ চিত্ৰয়ো এই গীতসমূহত ভুমুকি মৰা দেখা যায়—

"আমাৰ বাপা আমাৰ বাপা
আমাৰ বাপা ঋষি,
গলত আছে গলমুকুতা
মজুমদাৰ হান দেখি।"

কেতিয়াবা নাটকীয় ভংগীতো এই গীতবোৰ গোৱা হয়—

"এখেৰ ঘৰৰ মানুহগিলা কহায় গেছি
ঘুমটি গেছি
ইমান ঘুমটি সিমান ঘুমটি
তলে তলে খানি নেই কেঁচে কুমটি।"

অবুজ শিশুটিক কাণখোৱা নামৰ দৈত্য এটাৰ কথাও সোঁৱৰাই দিবলৈ পাহৰা নাই চেনেহী মাতৃয়ে—

"কাণখোৱা এ নাহিবি ৰাতি,
তোৰ কাণ কাটি লগাম বাতি।"

শিশুৱে খেমালি কৰি বৰ আনন্দ পায়। তেনে খেমেলীয়া সুৰৰ ধাইনাম বা নিচুকণি গীতেৰে মাকে শিশুটিক নিচুকায় এনেদৰে—

"এক আছিল বুঢ়া-বুঢ়ী
বাটত বান্ধিলা ঘৰ,
এক ঝাপুৰ বৰযুণ আহিল
হিৰ্ হিৰ্‌কে লৰ।"

শিশুক কান্ধত তুলি লৈও নিচুকণি গীত গোৱা হয়—

"বান্দেৰী এ পকা কল খায়
বাপেৰেৰ কান্ধত উঠি দেউল চাবা যায়।
বান্দেৰী এ নাচিলি ক'ত? কলৰ তলত
ছুপা বাতি ঘুমটি নাহে তোলেই লগত।"

দক্ষিণ কামৰূপৰ বাভাসকলৰ মাজত প্ৰচলিত এটি নিচুকণি গীত এনেধৰণৰ—

"টাক্ হুৰা হুৰা, মাৰি আনিলুং দুৰা
দিহা নহিকা দাৰা, খাৰি বাপকৰ মুৰা।"

* * * * *

"অ' চকেৱা ধান নাখাবি
ধানখিনি পকিলে ডালত বহি খাবি
ডাল-ডুল ভাঙিলি আতাৰ ঘৰত যাবি।
আবুই দিব ফুল গামুছা, আতাই দিব ফুল
বাজাৰ বিটীৰ বিয়া হ'লি, কায় বজাৰ ঢুল।"

উত্তৰ কামৰূপৰ পছৰীয়া অঞ্চলত মুছলমান সম্প্ৰদায়ৰ মাজত প্ৰচলিত এটি নিচুকণি গীতৰ উদাহৰণ হ'ল—

"চকা এ ধান নাখাবি পকা
ধান পোকৃলি চিৰা দিম ডালত পৰি খাবি
ডাল-ডুল ভাঙি তই তেলীৰ ঘৰত যাবি।
তেলী দিব তেল গামচা মালী দিব ফুল
যাৰ যেনি বিয়া হয় মইনাই কুবৈ ঢুল।"

টোপনিৰ আমেজ আহিব ধৰা শিশুটিৰ মুখৰ ফালে চাই চাই চেনেহী মাতৃয়ে নিচুকণি গীত জোৰে এনেদৰে—

"লাই হালে-জালে পিপিৰাৰে আগে
লফা হালে-জালে পাতে,
আমাৰে মইনা হালিছে-জালিছে
কালি দুপৰীয়াৰ ভাতে।"

প্ৰায়ভাগ নিচুকণি গীতৰেই সাধাৰণতে অৰ্থ বিচাৰি পোৱা নাযায়। তথাপি এই গীতসমূহত এনে এক যাদু সনা আছে যে, শুনাৰ পিচতেই কণমানি শিশুটোৱে টোপনিৰ কোলাত আশ্ৰয় ল'বলৈ বাধ্য হয়। সহজ-সৰল আৰু প্ৰাঞ্জল ভাষাৰে ৰচিত এই গীতবোৰে শিশুৰ কোমল মনত অনুভূতিৰ সঞ্চাৰ কৰে আৰু প্ৰকৃতিৰ সকলো উপাদানেই শিশুৰ মনত জীৱন্ত হৈ ধৰা দিয়ে। সেয়ে এই গীতবোৰ শিশুৰ কল্পনাশক্তিৰ বিকাশতো সহায়ক হৈছে। এই গীতবোৰৰপৰা শিশু আৰু নাৰীৰ মনস্তত্বৰ বহুতো কথা জানিব পৰা যায়।

বৰ্তমান সময়ৰ পৰিৱৰ্তন আৰু যান্ত্ৰিক সভ্যতাৰ বাবে নিচুকণি গীতসমূহৰ প্ৰভাৱ কিছু পৰিমাণে কমিছে যদিও ইয়াৰ আদৰ এতিয়াও কমি যোৱা নাই। এই গীতসমূহে অসমীয়া লোক-সাহিত্যৰ ভঁৰাল টনকিয়াল কৰাত বিশেষভাৱে অৰিহণা যোগাই আহিছে। ■





# আজিৰ নৱ প্ৰজন্ম আৰু এক অনুভৱ

◆ চন্দামিতা শৰ্মা
উঃ মাঃ প্ৰথম বৰ্ষ

মানুহ সমাজপ্ৰিয় প্ৰাণী। মানুহে সমাজখনক যথেষ্ট গুৰুত্ব সহকাৰে মানি চলি সকলোৰে মাজত সন্মানৰ পাত্ৰ হিচাপে জীয়াই থাকিবলৈ বিচাৰে। সমাজ এখনত শিশুৰপৰা আৰম্ভ কৰি বৃদ্ধজনলৈ সকলোৱে বাস কৰে। সমাজখনৰ এটি গুৰুত্বপূৰ্ণ অংগ হৈছে যুৱক-যুৱতীসকল।

যুৱশক্তি মহাশক্তি। ইয়াক সমাজৰ প্ৰধান চালিকাশক্তি বুলি অভিহিত কৰিব পাৰোঁ; কিন্তু বৰ্তমান সময়ত যুৱশক্তিয়ে নিজৰ শক্তিৰ প্ৰতি, নিজৰ সামৰ্থ্যৰ প্ৰতি অজ্ঞ হৈ ভুল ধাৰণাৰ বশৱৰ্তী হৈ উচ্ছৃংখল আৰু নিশকতীয়া পথলৈ গতি কৰিছে। বৰ্তমানৰ যুৱ প্ৰজন্মৰ অস্থিৰ চিন্তা-চৰ্চাই দেশৰ প্ৰগতিত যেন ঋণাত্মক প্ৰভাৱ পেলাইছে। বৰ্তমান নৱ প্ৰজন্মই জাকজমকীয়া আধুনিকতাক আদৰিব গৈ শৃংখলাহীন জীৱন যাপন কৰিছে, অপসংস্কৃতিত বিলীন হৈছে আৰু দুৰ্নীতিৰ মেৰপাকত বান্ধ খাইছে। তেওঁলোকে নিজৰ অজানিতে নিজকে ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। বৰ্তমানৰ যুৱ প্ৰজন্মই শাৰীৰিক, মানসিক আৰু বৌদ্ধিক দিশত কিমানখিনি সুস্থ বিকাশ সাধন কৰিব পাৰিছে, সেয়া আলোচনাৰ বিষয়।

অৱশ্যে এইটো কোৱা ভুল হ'ব যে, নৱ প্ৰজন্মৰ এশ শতাংশ বিপথে পৰিচালিত হৈছে। ইয়াৰ মাজতো দুই-এচামে নিজৰ বিবেকেৰে, সুস্থ চিন্তাৰে সময়ৰ লগত খোজ মিলাবলৈ যত্ন কৰিছে, কিন্তু এতিয়া এশ শতাংশৰ নব্বৈ শতাংশই নিজৰ সভ্যতা-সংস্কৃতি পাহৰি পশ্চিমীয়া সভ্যতা-সংস্কৃতি আঁকোৱালি লৈছে। আজিৰ প্ৰজন্মই যদি নিজৰ লোক-সংস্কৃতিৰ কথা নাজানে, পিচৰ প্ৰজন্মক তেওঁলোকে কি শিক্ষা দিব? সকলো সংস্কৃতিৰে নিজস্ব স্বকীয়তা আছে; কিন্তু এনেদৰে যদি নিজৰ সংস্কৃতিক পাহৰি আনৰ সংস্কৃতিক আঁকোৱালি লওঁ, তেনেহ'লে এদিন আনৰ সংস্কৃতিয়ে আমাৰ সংস্কৃতিক গ্ৰাস কৰি পেলাব। বৰ্তমানৰ নৱ প্ৰজন্মৰ মাজতো নিজৰ সংস্কৃতিক ভালপোৱা, দায়িত্বশীল এচাম আছে। যিয়ে অসমৰ সংস্কৃতিক এক নতুন ৰূপ দি বিশ্বৰ দৰবাৰত দাঙি ধৰিবলৈ চেষ্টা কৰিছে। অৱশ্যে কেৱল যুৱ প্ৰজন্মক দোষাৰোপ কৰিলেই নহ'ব; তাৰ বাবে কিছু পৰিমাণে দায়ী অভিভাৱক তথা সমাজৰ জ্যেষ্ঠসকলো। অভিভাৱকসকলে সৰুৰেপৰাই সন্তানক লোক-সংস্কৃতিৰ জ্ঞান দিয়াৰ প্ৰয়াস কৰা উচিত। সন্তানক ইংৰাজী মাধ্যমৰ স্কুলত দি অভিভাৱক নিশ্চিন্ত হয় যে, তেওঁৰ সন্তানক এখন ভাল স্কুলত দিছে, পিচলৈ এজন সংস্কৃতিবান ব্যক্তি হ'ব; কিন্তু যাৰ ফলত তেওঁৰ সন্তানে অসমীয়া ক'বলৈ টান পায়, নাজানে। আমি পশ্চিমীয়া সভ্যতা-সংস্কৃতিৰ ধনাত্মক দিশখিনি আওকাণ কৰি জাকজমকতাত উটি গৈ নিজক আল্ট্ৰা মডাৰ্ণ হিচাপে সজাই তোলাৰ প্ৰয়াস কৰিছোঁ। হয়তো এটা সময়ত এনে হ'ব যে, আল্ট্ৰা মডাৰ্ণ হোৱাৰ অভিনৱ নাটকত ব্যস্ত থকা এইচাম প্ৰজন্মক আমাৰ পৰম্পৰাগত খাদ্য, সাজ-পোছাকৰ লগত চিনাকি কৰি দিবলৈ মিউজিয়ামলৈ নিব লাগিব। আজিৰ যুৱক-যুৱতীৰ মাজত পিজ্জা, চিকেন বিৰিয়ানীৰ সোৱাদ নোপোৱাজন চুকৰ ভেকুলী; ব্ৰেণ্ডেড কাপোৰ নিপিন্ধাজনৰ বাবে ই এক লজ্জাজনক কথা, পালচাৰ লৈ কলেজলৈ আহিব নোৱাৰাটো বৰ হতাশাৰ বিষয়। আজিকালি স্কুলত পঢ়া ল'ৰা-ছোৱালীৰ হাতে হাতে ম'বাইল। কলেজত হয়তো আইডেণ্টিটি কাৰ্ড আনিবলৈ পাহৰিব; কিন্তু ম'বাইল ফোন নোহোৱাকৈ কলেজলৈ অহাটো লাজৰ বিষয়। তদুপৰি কেৱল ফোন অহা, ফোন বিচিত্ৰ কৰিব পৰা ম'বাইল হাতত থকাটো অতিশয় জৰুৰী। ধনীচামৰ কথা বেলেগ; কিন্তু বাইক, ম'বাইল কিনি দিয়াৰ নামত দুখীয়া পিতৃ-মাতৃয়ে চকুৰে সৰিয়হ ফুল দেখে। কেৱল বাইকখন বা ম'বাইলটো কিনি দিলেই নহ'ব; তাৰ লগে লগে সমান্তৰালভাৱে পেট্ৰ'ল তথা ৰিচাৰ্জ কাৰ্ড, মেছেজ পেক, নেট পেকৰ নামত পইচা দি থাকিব লাগিব। বৰ্তমানৰ যুৱ প্ৰজন্মৰ বাবে ম'বাইল, বাইক, লেপটপ্, ক্লাব, ৰেষ্টোৰা, শ্বপিংমল, চিনেমাহল আজি যেন জীৱনৰ অত্যাৱশ্যকীয় উপাদান।

বৰ্তমান মেট্ৰিকত প্ৰথম বিভাগত উত্তীৰ্ণ হ'লেই কম্পিউটাৰ বা লেপটপ্, ম'বাইল— এইবোৰ লাভ কৰা হয়। কম্পিউটাৰ, লেপটপ্, ম'বাইলে যুৱক-যুৱতীক সমাজমুখী কৰি তোলাৰ বিপৰীতে ব্যক্তিকেন্দ্ৰিক কৰি তুলিছে। আমি ওচৰ-চুবুৰীয়াৰ পূজা-পাৰ্বণলৈ যাব ভাল নাপাওঁ, আত্মীয়-কুটুম্বৰ বিয়া-সবাহলৈ যাবলৈ আমাৰ সময় নাথাকে— এইবোৰ আউটডেটেড্ কাম। বৰং তাৰ সলনি নিজৰ কোঠাত আৰামত বহি ফেচবুক কৰাটো আমাৰ পচন্দৰ কাম। আমাৰ মন বেয়া লাগিলে মা, দাদা, বাইদেউক কোৱাৰ বিপৰীতে ফেচবুকত ষ্টেটাচ্ দিওঁ— "Feeling Sad...."। এইবোৰে যেন আমাক যান্ত্ৰিকতাৰ পৃথিৱীত বেছিকৈ অগ্ৰসৰ কৰাই আছে। তদুপৰি

ম'বাইলৰ মেছেজ পদ্ধতিটোত আমি শব্দসমূহ চুটি চুটি ৰূপত ব্যৱহাৰ কৰোঁ; উদাহৰণস্বৰূপে— butটো সম্পূৰ্ণকৈ নিলিখি লিখোঁ bt— এইসমূহে ইংৰাজী আৰু অসমীয়া ভাষাৰ ওপৰত বিৰূপ প্ৰভাৱ পেলোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ বহীতো নঞৰ্থক প্ৰভাৱ পেলোৱা বুলি বাতৰি কাকতত প্ৰকাশ পাইছে।

সকলো কাৰ্যৰে কাৰণ থাকে। গতিকে নিঃসন্দেহে আজিৰ যুৱ প্ৰজন্ম বিপথে পৰিচালিত হোৱাৰ আঁৰত বহুতো কাৰণ লুকাই আছে। বৰ্তমানৰ এই প্ৰজন্মৰ উচ্ছৃংখলতাৰ বাবে প্ৰকৃততে দায়ী কোন? আজি সকলোৱে নব প্ৰজন্মক উচ্ছৃংখল বুলি কৈছে; কিন্তু এই প্ৰজন্মক উচ্ছৃংখল, শৃংখলাহীন কৰি তোলাত অৰিহণা যোগাইছে সমাজৰ জ্যেষ্ঠ লোকসকলে। বিভিন্ন মন্ত্ৰী-আমোলা, উকীল-হাকিম, ডাক্তৰ, বিখ্যাত অভিনেতা ইত্যাদিয়ে যেন আজিৰ প্ৰজন্মক দুৰ্নীতি বা কেলেংকাৰীৰ মেৰপাকত বন্দী কৰিছে। তদুপৰি বৰ্তমানৰ জ্বলন্ত নিবনুৱা সমস্যাৰ বাবেও যুৱক-যুৱতীসকলে নানা অসৎ কামত লিপ্ত হোৱা দেখা যায়। সেয়ে যুৱ প্ৰজন্মক শুদ্ধ পথেৰে অগ্ৰসৰ কৰাবলৈ হ'লে সমাজৰ জ্যেষ্ঠসকলে পথ দেখুৱাব লাগিব। গতিকে সমাজৰ সকলো ব্যক্তিৰে ঊমৈহতীয়া প্ৰচেষ্টাত সমাজৰ দুৰ্নীতি, কেলেংকাৰী পৰিহাৰ কৰি সমাজখন নিকা কৰি তুলি নব প্ৰজন্মক ধনাত্মক বিকাশৰ পথত আৰোহণ কৰাব পাৰিলেহে সমাজৰ অৰ্থাৎ দেশখনৰ উন্নতি হ'ব। ■

## সাঁথৰ

অংকিতা দাস | উঃ মাঃ দ্বিতীয় বৰ্ষ

✦ ন্যাহে লাহে খোজকাঢ়ে, নাই তাৰ নাড়ী,
কি জীৱ সেইটো, যাৰ জিভাত আছে দাড়ি?
উত্তৰ : কুমজেলেকুৱা

✦ এনেকুৱা কি আছে, ফলৰ ভিতৰত গুটিৰ সলনি গুলী থাকে?
উত্তৰ : বাইফল

✦ ছাল-বাকলি চেলাই দিলোঁ, ওলাল বগা মঙহ
তাৰ তলৰ ৰঙা শিলে বোলে, ময়ো তাৰে মঙহ।
উত্তৰ : লিচু

✦ সেইখন কি ঠাই, য'ত যায় যদি এশজন মানুহ,
ঘূৰি আহে এশ এজন মানুহ?
উত্তৰ : বিয়া পাতিব গ'লে

✦ ক'লা বনত থাকে ক'লা বৰ্ণৰ প্ৰাণী,
তেওঁ কেৱল পান কৰে ৰঙা বৰ্ণৰ পানী।
উত্তৰ : ওকণী

✦ আই বুলিলে আঁতৰ হয়, বোপাই বুলিলে চাপে,
এই দুই কি কোৱাচোন ভাই, ক'তনো সিহঁত থাকে?
উত্তৰ : আমাৰ ওঁঠ দুটা

✦ এডাল লতা, পালেগৈ কলিকতা।
উত্তৰ : টেলিফোন

✦ খালে খিয়ে থাকে, নাখালে শুই থাকে।
উত্তৰ : বস্তা

✦ ভণ্ ভণ্ কৰে কিন্তু ভোমোৰা নহয়,
লগুণ পিন্ধে কিন্তু বামুণ নহয়,
কওকচোন সেইটো কি?
উত্তৰ : যাঁতৰ

✦ চুই চা, চুই চা, চুই চালে পইচা; কওকচোন সেইটো কি?
উত্তৰ : কেৰেলুৱা

✦ এনেকুৱা কি আছে, যিয়ে ভৰি নোহোৱাকৈ দৌৰে আৰু কেতিয়াও ঘূৰি নাহে?
উত্তৰ : সময়

✦ ঘাট আছে ঘাটুৱৈ নাই, নাও আছে নাৱৰীয়া নাই।
উত্তৰ : খৰালি নদী

✦ ঘন ঘন গাঁঠি, সাগৰত পৰি আছে মৈনাৰ পাখি।
উত্তৰ : জাল

✦ চুঙাৰপৰা ওলাল গোম, তাৰ টিকাত এডাল নোম।
উত্তৰ : বেজী-সূতা

✦ এপতীয়া লাই, তাক নহ'লে খাবলৈ নাই।
উত্তৰ : টকা

✦ পাত চুটি গা হাতী, ওলমি ওলমি লাগে গুটি।
উত্তৰ : তেঁতেলী

✦ এনেকুৱা কি ফুল আছে, যিটো কেতিয়াও নুফুলে?
উত্তৰ : এপ্ৰিল ফুল

✦ বামন দেউতাকৰ তিনিজন সন্তান। এজন বাজীৱ, আনজন বাতুল। আনজনৰ নাম কি?
উত্তৰ : বাম

✦ কি পাত বন্ধা হয়, কিন্তু খোৱা নহয়?
উত্তৰ : তেজপাত।

✦ তোমালোকে কোৱাচোন, কলমৰ মাজত কি থাকে?
উত্তৰ : 'ল' আখৰটো



# অ'জ'ন হোল

◆ মল্লিকা দাস
উঃ মাঃ প্ৰথম বাৰ্ষিক

বিজ্ঞানৰ অনিয়ন্ত্ৰিত প্ৰয়োগৰ ফলতেই তৈয়াৰ হৈছে অ'জ'ন হোল। বিজ্ঞানৰ উন্নতিৰ লগে লগে আমাৰ কাষ চাপি আহিছে নিত্য প্ৰয়োজনীয় ৰেফ্ৰিজাৰেটৰ, এয়াৰ কণ্ডিচনাৰ, ফোম, প্লাষ্টিকৰ বিভিন্ন সামগ্ৰী। এই আধুনিক যন্ত্ৰৰপৰা নিৰ্গত CFC বা ক্ল'ৰোফ্ল'ৰো কাৰ্বনে ক্ৰমশঃ ধ্বংস কৰিবলৈ ধৰিছে বায়ুমণ্ডলৰ ষ্ট্ৰেটোস্ফিয়াৰৰ অ'জ'ন স্তৰ। কিছুমান বিমানৰপৰা নিৰ্গত জলীয় বাষ্প আৰু নাইট্ৰ'জেন অক্সাইডেও অ'জ'ন স্তৰ নষ্ট কৰাৰ বাবে দায়ী। অৰ্থাৎ আধুনিক ভোগবাদী মানুহৰ বিলাসিতাই ইয়াৰ অন্যতম কাৰণ।

অ'জ'ন এক ধৰণৰ গেছ। বায়ুমণ্ডলত থকা অক্সিজেন সূৰ্যৰ অতি বেঙুনীয়া ৰশ্মিৰদ্বাৰা ভাঙি অক্সিজেন অণুৰ লগত ৰাসায়নিক সংযোগৰদ্বাৰা অ'জ'ন উৎপন্ন হয়। অ'জ'ন ইমানেই গুৰুত্বপূৰ্ণ গেছ, যিয়ে পৃথিৱীৰ সমস্ত জীৱক ৰক্ষা কৰে আৰু এই গেছক বাদ দি কোনো জীৱৰে অস্তিত্ব সম্ভৱ নহয়। অ'জ'ন স্তৰ পৃথিৱীত নাথাকিলে সূৰ্যৰ অতি বেঙুনীয়া ৰশ্মিয়ে পৃথিৱীক গ্ৰাস কৰি পেলাব আৰু সমস্ত প্ৰাণী পৃথিৱীৰপৰা বিলুপ্ত হৈ যাব।

১৯৫০ চনত গৰ্ডন ডবচনে সৰ্বপ্ৰথমে অ'জ'ন স্তৰৰ ক্ষয় সম্পৰ্কে আলোকপাত কৰায়। বিজ্ঞানী ফাৰমানে ১৯৮৫ চনত পৰীক্ষা কৰি দেখুৱালে যে, এণ্টাৰ্কটিকা মহাদেশৰ ওপৰত অ'জ'ন স্তৰ ক্ৰমশঃ পাতল হ'বলৈ ধৰিছে। যোৱা তিনি দশকত ইয়াৰ ক্ষয়ৰ পৰিমাণ সৰ্বাধিক বুলি বিজ্ঞানীসকলে ঘোষণা কৰিছে। নাছাৰ তথ্য অনুসৰি এণ্টাৰ্কটিকাত অ'জ'ন স্তৰ বেছিকৈ পাতল হৈ গৈছে। ছেটেলাইটৰ সহায়ত পোৱা তথ্য অনুসৰি ২০০০ চনৰ ৯ ছেপ্তেম্বৰত অ'জ'ন হোলৰ আয়তন আছিল ২৯.৯ মিলিয়ন বৰ্গ কিল'মিটাৰ। British Antarctic Survey Ozone Bulletinত ২০১৫ চনৰ নৱেম্বৰ সংখ্যাৰপৰা জনা যায় যে, যোৱা দুই দশকত অ'জ'ন স্তৰৰ মাৰাত্মক ক্ষতিগ্ৰস্ত হৈছে। অ'জ'ন স্তৰ প্ৰতিদিন ১% কৈ ক্ষতিগ্ৰস্ত হৈছে।

অ'জ'ন স্তৰ হ্ৰাস হ'লে মানুহৰ দেহৰ ছালত সূৰ্যৰ অতি বেঙুনীয়া ৰশ্মি লাগি কৰ্কট ৰোগ হ'ব, চকুত ছানি পৰিব, ৰোগ প্ৰতিৰোধ ক্ষমতা হ্ৰাস পাব, অন্ন বৰ্ণুণ হ'ব, মেৰু অঞ্চলত বৰফ গলি সমুদ্ৰৰ পানী বৃদ্ধি পাব, মানুহ হাঁপানি ৰোগত আক্ৰান্ত হ'ব। সেয়েহে অ'জ'ন স্তৰক বচাবলৈ হ'লে মানুহে বিলাস ত্যাগ কৰিব লাগিব। প্লাষ্টিক, ৰেফ্ৰিজাৰেটৰ উৎপাদন আৰু ৰঞ্জক শিল্পৰ ক্ষেত্ৰত পৰিৱেশ আইন কঠোৰ কৰিব লাগিব। প্ৰদূষণ নিয়ন্ত্ৰণ কৰিব লাগিব। ক্ল'ৰোফ্ল'ৰো কাৰ্বনৰ ব্যৱহাৰ আৰু উৎপাদন নিষিদ্ধ কৰিব লাগিব। পৰিৱেশ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আমি সকলো সচেতন হ'ব লাগিব। নিজৰ সুযোগ-সুবিধাৰ বাবে প্ৰকৃতিৰ ওপৰত হস্তক্ষেপ কৰিলে প্ৰকৃতিৰ ৰুদ্ৰমূৰ্তিৰ মুখামুখি হ'ব লাগিব। তেনে পৰিস্থিতি যাতে কোনোদিনেই নাহে, তাৰ প্ৰতি আমি এতিয়াৰপৰাই সচেতন হোৱা উচিত। ❑

## মহৎ লোকৰ বাণী

সংগীতা দাস | স্নাতক প্ৰথম ষাণ্মাসিক

❑ অধ্যৱসায় মনত লুকাই থকা প্ৰতিজ্ঞাৰ ফল। মনত প্ৰতিজ্ঞা থাকিলে কামত অধ্যৱসায় জন্মে। —সত্যনাথ বৰা

❑ এপাচি বিদ্যাতকৈ এমুঠি সততাৰ মূল্য বেছি। —জৰ্জ হাৰ্বাৰ্ট

❑ সুন্দৰৰ পূজাই হৈছে কৃষ্টি বা সংস্কৃতি। —জ্যোতিপ্ৰসাদ

❑ শৰীৰ, মন আৰু আত্মাৰ বিকাশ সাধনেই শিক্ষাৰ লক্ষ্য হোৱা উচিত। —মহাত্মা গান্ধী

❑ মানুহে যিমান কিতাপ পঢ়ি শিকে, সিমানেই ভাবিবলৈ শিকে। —জৱাহৰলাল নেহৰু

# বতৰ আৰু জলবায়ু

◆ মন্দিৰা দলৈ
স্নাতক পঞ্চম ষাণ্মাসিক

আমি সকলোৱে প্ৰায়ে কথা-বতৰাৰ মাজতেই কওঁ— আজি বতৰটো ডাৱৰীয়া বা ফৰকাল ইত্যাদি। কেতিয়াবা ধান, সৰিয়হ, তিল আনকি কাপোৰ-কানি বেছিকৈ ধুবলগীয়া হ'লে বা ৰ'দত শুকাবলগীয়া থাকিলে প্ৰথমে আমি আকাশলৈ চাই বতৰ সম্পৰ্কে ধাৰণা কৰিহে সিদ্ধান্ত লোৱা যায়— বস্তুবোৰ ধুব নে নুধুব বা শুকাব নে নুশুকায়? বৰষুণ দিয়াৰ সম্ভাৱনা থাকিলে বা ৰ'দটো টান নহ'ব যেন পালে সিদ্ধান্তৰ সালসলনি কৰে। পথাৰত কঠীয়াৰ বাবে ধান সিঁচাৰ আগত, সাৰ-কীটনাশক আদি ছটিওৱাৰ আগতো মানুহে বতৰৰ উমান লৈহে সিদ্ধান্ত লয়। পশ্চিম দিশৰপৰা উঠি অহা ক'লা মেঘে আৱৰা গোমা আকাশখনলৈ চাই বয়সস্থসকলে প্ৰায়ে ডাঙৰ বৰষুণ অহাৰ সম্ভাৱনাৰ কথা কয়। আমাৰ এনেবোৰ দৈনন্দিন কাম-কাজৰ লগতে থকা-খোৱা, পিন্ধা-উৰা, খেতি-বাতি, ঘৰ-দুৱাৰ আদি নানা কাম বতৰ আৰু জলবায়ুৰ ওপৰত নিৰ্ভৰশীল। আনকি আমাৰ উপাৰ্জন, ৰীতি-নীতি আদিবো বতৰৰ লগত ওতঃপ্ৰোতঃভাৱে সম্পৰ্ক আছে। কোনো এখন ঠাইৰ প্ৰাকৃতিক সম্পদৰ স্থিতিও বতৰ-জলবায়ুৰ ওপৰত নিৰ্ভৰশীল।

বতৰ হৈছে দিনটোৰ বা দুদিনৰ কথা— গোমা বতৰ, গৰম বতৰ, ঠাণ্ডা বতৰ, বৰষুণ বতৰ আদি আমি দৈনন্দিন ব্যৱহাৰ কৰি অহা কথা। আনহাতে জলবায়ু বহু বছৰৰ কথা। উদাহৰণস্বৰূপে, আপোনাৰ অঞ্চলত আজিৰ দিনটোৰ বতৰ তীব্ৰ গৰম বা হাড় কঁপোৱা ঠাণ্ডা, যিয়েই নহওক লাগিলে আমি তেতিয়াও অসমৰ জলবায়ু সেমেকা, নাতিশীতোষ্ণ বুলিয়েই কওঁ। একেদৰে গুজৰাটৰ জলবায়ু শুকান আৰু গৰম, কাশ্মীৰৰ জলবায়ু ঠাণ্ডা।

বতৰ বুলিলে সাধাৰণতে কোনো এখন ঠাইৰ বায়ুমণ্ডলৰ উষ্ণতা, চাপ, আৰ্দ্ৰতা বা বায়ুমণ্ডলত থকা জলীয় বাষ্প, বায়ুৰ পৰিচালন বা গতি, বায়ুৰ চাপ, বৰষুণ, তুষাৰপাত আদি উপাদানসমূহৰ প্ৰায় ১২ ঘণ্টাৰপৰা ৭২ ঘণ্টা সময় কালৰ এক সামূহিক অৱস্থাক বুজা যায়। আমি বতৰৰ লগত জড়িত সিদ্ধান্তবোৰ নিজাৰৰীয়াকৈ লওঁতে এই উপাদানসমূহেই পৰ্যবেক্ষণ কৰোঁ।

আনহাতে, জলবায়ু বুলিলে কোনো এক অঞ্চলৰ উল্লেখিত উপাদাসমূহৰ বা সহজ কথাত বতৰৰ এক দীৰ্ঘ সময়ৰ গড় অৱস্থাক বুজা যায়। এই সময়কাল কমেও ৩০ বছৰৰপৰা ১০০ বছৰ ধৰা হয়।

এখন ঠাইৰ বতৰ যি কোনো সময়তে সলনি হ'ব পাৰে; কিন্তু জলবায়ু সলনি হ'বলৈ বহু বছৰৰ প্ৰয়োজন। কেতিয়াবা দিনটোতে বেলেগ বেলেগ বতৰ হ'ব পাৰে। ৰাতিপুৱা যদি ৰ'দ, দুপৰীয়ালৈ বৰষুণ বা আবেলি বতৰটো গোমাও হ'ব পাৰে। এনেদৰে মাহ বা বছৰৰ প্ৰতিটো দিনেই বতৰ সলনি হ'ব পাৰে; কিন্তু জলবায়ু তেনেকৈ ইমান কম সময়ৰ ব্যৱধানত সলনি নহয়। ❑

---

# সাঁথৰ ?

সংগ্ৰাহক ঃ
যমুনা মালী, অসমীয়া বিভাগ

◆ জন্ম পাওঁতে শিং গজে
যৌৱনত লুকায়,
মৰিবাৰ কালত শিং গজে
কি হ'ব উপায়?
উত্তৰ ঃ জোন

◆ থাক্ থাক্ থাক্না
একেডাল গছতে মাহ, কপাহ, বেঙেনা।
উত্তৰ ঃ শিমলু গুটি

◆ কি চাইছা মোলৈ
দিছোঁ তোলৈ
মাংস খাবি মোৰ
জান যাব তোৰ।
উত্তৰ ঃ বৰশীৰ টোপ

◆ চূণ, চাধা, তামোল-পাণ
তিৰী-মৰাদৰ বাইশখান কাণ।
উত্তৰ ঃ ৰাৱণ আৰু মন্দোদৰী



# Lipstick UNDER OUR MASKS

◆ Nitumoni Das
B.A. 5th Sem.

The Corona virus pandemic has been a trying time for all sectors of the world. And considering we have not witnessed something of such epic proportions, we were a little unprepared for the effects that the pandemic would have, not just on health but on general lifestyle as well. As wearing masks has become mandatory in order to keep the virus at bay, the pandemic has caused a major downfall for the cosmetics industry, especially lipsticks as the mouth remains completely covered and obscured by the mask. Due to the usage of masks on the rise, more and more people have taken to expressing themselves through bold and dramatic eye makeup. Sales of mascara, eyeliner and shadows has been on the rise for the past few months now. However, lipsticks are not going down without as fight as people are already coming up with creative solutions in order for lipsticks and masks to coexist.

The lipstick is a cultural icon and stands for women's sexuality, sensuality, desire, ambition and even femininity. In fact, references to the lipstick have been repeatedly used in writings and in cinema to convey important suggestion about women's liberation. While Agatha Christie talks about the modern women in the throes of great social transformation in post-war British society, there are constant references to the lipstick. In fact, in one of Hercule Poirot mysteries, the little Belgian detective, who is well aware of female fashion and beauty trends, suggests a particular shade of lipstick to a woman character.

As masks in various colours adorn the shelves of shops, the lipstick has been eclipsed, temporarily going out of view. But the desire to apply it remains as strong as ever. Though the lipstick made its appearance by the end of the 19th century, in the 20th century it became popular, especially in the West. The powerful, sultry and seductive red lipstick, which was associated with prostitution and loose morals, became one of the symbols of the Suffragette movement which demanded women's right to vote.

Over the years, the lipstick has witnessed countless revolutions. From matte finish to glossy to creamy textures, the colour palette has also undergone dramatic changes. Apart from the classic red, one can choose from bold pinks, neons and fuschia to dark wine shades and even black.

Lipstick has seen many wars and histories, yet survived. It keeps on evolving itself to suit the needs of the current times. It will be worn, be it a Zoom call, office online meetings or virtual dates. Brands will introduce new formulas in the market which will help a mask and a lipstick to coexist happily– a spokesperson for Nykka told PTI.

All said and done, the mask can't defeat the lipstick forever, though it has certainly been covered up for the time being. When the scenario improves, it will be back with a vengeance and triumph over the current adversity. As lipstick fans themselves are proving that life without the super bullet is unthinkable. ■

# সপোন আৰু বাস্তৱৰ স্বীকাৰোক্তি

◆ জুৰি মহন্ত
স্নাতক পঞ্চম ষাণ্মাসিক

সপোনৰ পৃথিৱীখনৰ কথাটো সকলোৱেই বুজি পায় বা তাক ভালদৰেই অনুভৱ কৰিব পাৰে। কাৰণ সপোন সকলোৰে জীৱনত বিৰাজমান হৈ থাকে। যিয়ে তাক বাস্তৱত সঁচা কৰিবলৈ প্ৰয়াসৰ আগ্ৰহ তথা উৎসাহ যোগায়; কিন্তু সপোনৰ পাঠবোৰ জানো সকলোৱেই একে হয়? নহয়, এয়া সম্ভৱ নহয়। লক্ষ্য জীৱনৰ সপোন আৰু আশাৰ ঠিকনা সকলোৰে বেলেগ। আকৌ বাস্তৱৰ সঁচা পৃথিৱীখন বহুগুণে পৃথক। কিয়নো সপোন পলকতে দেখিব পাৰি; কিন্তু দিঠকত তাৰ অব্যাহতি বহুত দীঘল। দিঠকে জীৱনত আগুৱাই যাবলগা হয়। যিটো সকলোৰে ক্ষেত্ৰত সম্ভৱ নহয়। কিছু লোকে ইয়াক অস্ত্ৰ হিচাপে লৈ আগবাঢ়ে, কিছুৱে মনত বিষাদ যোগাই পিচফালে গতি কৰে। আচলতে এটা কথা সঁচা যে, কিছুমান লোকে সপোন দিঠক কৰিবলৈ পোৱা প্ৰয়োজনীয় সুবিধা থাকিও নিজৰ মনোবল আৰু সাহসক দুৰ্বল কৰি চেষ্টা কম কৰা বাবে বাস্তৱৰ সন্মুখীন নহয়। আনহাতে একাংশই পৰিয়ালৰ বাধা, অভাৱ, কোনো সুবিধা নথকা লোকে আত্মবিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰি অধিক চেষ্টা কৰে। যাৰ ফলত তাৰে ভিতৰত কিছুৱে সু-বাস্তৱ

**“সপোন প্ৰত্যেক লোকেই দেখে আৰু তাক বাস্তৱ ৰূপ দিবলৈ হেজাৰ প্ৰয়াস কৰে। কাৰণ কিছুমান বহু গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয় সপোন জাগি উঠে। যিটোক লৈ মনত অযুত আশাই দোলা দিয়ে। যাৰ বাবে একাংশ লোকে সপোনৰ পিচত দৌৰি ফুৰে। সপোনবোৰ বাস্তৱ কৰাৰ ক্ষেত্ৰত বহু সাধনা, ত্যাগ, কষ্ট, অভাৱ-অভিযোগ, ইয়াৰোপৰি মানুহ এচামৰ ঠাট্টা আৰু কৌতুকতাৰ বাধা নেওচি আগুৱাই যাবলগা হয়। যিটো সকলোৰে ক্ষেত্ৰত সম্ভৱ নহয়। কিছু লোকে ইয়াক অস্ত্ৰ হিচাপে লৈ আগবাঢ়ে, কিছুৱে মনত বিষাদ যোগাই পিচফালে গতি কৰে।”**

দুটা বস্তুৰ বোল সানে— উকা আৰু ৰঙীণ। যিয়ে কাৰোবাক সেমেকা আৰু আন কাৰোবাক উজ্জ্বল কৰে। অভিনয় যিদৰে সঁচা হ'ব নোৱাৰে, বাস্তৱো সৰল হ'ব নোৱাৰে। এয়াই সপোন আৰু বাস্তৱ।

সপোন প্ৰত্যেক লোকেই দেখে আৰু তাক বাস্তৱ ৰূপ দিবলৈ হেজাৰ প্ৰয়াস কৰে। কাৰণ কিছুমান বহু গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয় সপোন জাগি উঠে। যিটোক লৈ মনত অযুত আশাই দোলা দিয়ে। যাৰ বাবে একাংশ লোকে সপোনৰ পিচত দৌৰি ফুৰে। সপোনবোৰ বাস্তৱ কৰাৰ ক্ষেত্ৰত বহু সাধনা, ত্যাগ, কষ্ট, অভাৱ-অভিযোগ, ইয়াৰোপৰি মানুহ এচামৰ ঠাট্টা আৰু কৌতুকতাৰ বাধা নেওচি পায়, কিছুৱে কষ্টৰ ফলতো নাপায় আৰু বাস্তৱত ভাগ্যক স্বীকাৰ কৰিবলগা হয়। বাস্তৱে একাংশক সুখী কৰে আৰু একাংশক দুখী।

এয়াই সপোন আৰু বাস্তৱতা। যি সকলোৱে স্বীকাৰ কৰিবলৈ বাধ্য হৈ পৰে, সপোনৰ বিপৰীতে বাস্তৱ। বাস্তৱতাৰ মুখামুখি হোৱাৰ যেন কিছুৰ ক্ষমতাই নাই। তাক তেওঁলোকে স্বীকাৰ কৰিবলৈ বাধ্য হয়। গতিকে সকলো লোকৰে সপোন আৰু সেই সপোনৰ বাস্তৱৰ স্বীকাৰোক্তিও বেলেগ হয়। বাস্তৱে কিছুমানৰ সপোনক লৈ জীৱনত পোহৰ দিয়ে, আকৌ কিছুমানক আঁউসী দিয়ে। এয়াই প্ৰকৃত সত্য। তথাপিও সপোনৰ পিচত দৌৰি বাস্তৱক উজ্জ্বল কৰিবলৈ সদায় সকলোৱে প্ৰয়াস কৰিব লাগে। ■



# SAVE WATER and SAVE LIFE

◆ Nabanita Rabha
B.A. 5th Semester

Water covers 70% of earth's surface. But in that only 3% of water is clean and suitable for human consumption. Water has a very important role to play in our daily life. According to a survey, the average family of four members, uses 450 litre of water per day. 1,64,000 litres of water per year. If it is continued in future we are going to face water wars. To avoid this we have to save water for the coming generation.

**Some important tips to save water at home :**

- Turn off the tap when you brush your teeth which can save 6 litres of water per minute.
- Place a cistern displacement device in your toilet cistern to reduce the volume of water used in each flush.
- Fix a dripping tap. A dripping tap can use save 15 litres of water a day or 5,500 litres of water a year.
- Take a shorter shower. Shower can use any thing between 6 and 45 litres per minute.
- Install a water butt to your drain pipe and use the water collected to water your plants, wash your windows or cars.
- Water your garden with a watering can rather than a hope pipe. A hose pipe uses 1,000 liters of water an hour. Watering the plants in the early morning and late afternoon will reduce evaporation and also save water.
- Repair dripping faucets by replacing washers. If your faucet is dripping at the rate of one drop per second, you can expect to waste 2,700 gallons per year which will add to the cost of water and sewer.
- Invest in water efficient goods when you need to replace household products. You can now buy water efficient shower heads, taps, toilets, washing machines, dish washers and many other water saving products.
- Verify that your home is leak-free, because many homes have hidden water leaks. Read your meter before does not read exactly the same, there is a leak.
- When adjusting water temperature, instead of turning water flow up, try turning it down. If the water is too hot or cold, turn the offender down rather that increasing water flow to balance the temperature.

So please, save water and save life.
And save water, secure your future. ■



# এৰি অহা দিনবোৰ

◆ ৰূপালী ৰাভা
স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক

মই.... মই কোন? মই মোৰ পৰিচয় কেতিয়া দিব পাৰিম, মই নাজানো; নে মই এটা 'মই' হৈয়েই থাকিম, মই তাকো নাজানো; কিন্তু মোৰ নাম আৰু বাসস্থানৰ সঠিক ঠিকনা নিশ্চয় দিব পাৰিম। মই পাহাৰীয়া কাৱেকুৰা গাঁৱৰ এজনী ছোৱালী। যিয়ে সৰুৰেপৰা বহু কথা বুটলি আহিছে। আইতাৰ মাৰবোৰ আজিও পিঠিত লাগি ধৰে আৰু মুখখন কোঁচ খাই এটি হাঁহি ওলাই আহে এতিয়াও। প্ৰতিভা আইতা মোৰ দেউতাৰ মাকৰ ভনীয়েক। মই মাতোঁ আইতা বুলি; কিন্তু মোৰ দেউতাৰ মাকক বুঢ়ীমাই বুলিহে মাতোঁ। কিয় তেনেকুৱা হ'ল তাৰ উত্তৰ বিচাৰি নাপাওঁ এতিয়াও মই। মা-দেউতা তেতিয়া ঘৰৰ বিভিন্ন কামত ব্যস্ত আৰু মই প্ৰতিভা আইতাৰ লগতে অংগনবাড়ী স্কুললৈ অহা-যোৱা কৰিলোঁ। নতুন বন্ধু-বান্ধৱী, আইতা, অংগনবাড়ী স্কুলৰ মাষ্টৰণী আৰু কাৱেকুৰা গাঁৱৰ বিপৰীতে মই যাবলগা হ'ল বৰবাকাৰা গাঁৱৰ স্কুললৈ। সকলো নতুন; চিনাকি মাত্ৰ আইতা। এদিন-দুদিনকৈ সকলো মিলি গ'ল। আইতাই চেঙেলৰ পিটিক পিটিক শব্দটো ভাল পোৱা নাছিল আৰু মোৰ চেঙেলৰপৰাহে সেই শব্দটো ওলাইছিল। ভালকৈ খোজ দিব বিচাৰিলেও মই দিব পৰা নাছিলোঁ আৰু আইতাক একো ক'ব পৰা নাছিলোঁ। এনেকৈ বহুদিন মাৰ খালোঁ বাস্তাত আৰু বহুত মৰমো কৰিছিল, আজিও কৰে। স্কুল গৈ পোৱালৈ মোৰ ক'লা ভৰিখন মাখন বৰণৰ হৈ গৈছিল। কিয়নো ৰাস্তাৰ ধুলিবোৰো মোৰ লগত স্কুললৈ গৈ বহিছিল। ক্ৰমে মোৰ বয়স বাঢ়িল। ঘৰৰ ওচৰৰ স্কুল জাৰুবাগাঁও প্ৰাথমিক বিদ্যালয়। আকৌ সকলো নতুন। দুই-এজনীৰ লগত অলপ মিলিলোঁ। মোতকৈ ডাঙৰবোৰে আমাক কিবাকিবি কৈ কন্দুৱাইছিল। গছৰ তলত 'এক এক গুণ এক' পঢ়াবোৰ আজিও মনত পৰে। আমি যে ছাৰে গছৰ তলত পঢ়িব দিলে কাবাদী খেলিছিলোঁ, সেই দিনবোৰে কেতিয়াবা বৰ আমনি কৰে। আমাতকৈ ডাঙৰবোৰে দূৰৰ পথাৰত খেলি আছিল আৰু সিহঁতৰ পানী পিয়াহ লাগিলে আমাক দমকলৰ পাৰত থকা বডা-বগা ফুটফুটীয়া কলুপাতত পানী নিবলৈ কৈছিল আৰু আমি নি দিছিলোঁ। গৈ গৈ এচলু পানীৰ এটোপমানহে বৈছিল। আৰু এবাৰ মোক ডাঙৰবোৰে ছাৰে গম নোপোৱাকৈ কিবা কথা কৈ কন্দুৱাইছিল আৰু মই ঘৰলৈ গৈ মাক কৈ দিছিলোঁ। পিচদিনা মায়ে আহি স্কুলৰ সকলোকে চকলেট খুৱাই কৈছিল— "আজিৰপৰা এনেকুৱা নকৰিবা। নহ'লে ছাৰক কৈ দিম।" সেইদিনাৰপৰা সকলো ঠিকেই চলিল। এতিয়া ভাবিলে কিবা ৰাজনীতি যেনহে লাগে। আৰু মই তাত পঢ়ি থকা সময়তে মই ক্লাছ ফাৰ্ষ্ট নকৰাৰ বাবে এদিষ্টা বহী পুৰস্কাৰ হিচাপে পাইছিলোঁ।

পঞ্চম শ্ৰেণীৰপৰা কৈমাৰী মধ্য ইংৰাজী বিদ্যালয়ত নামভৰ্তি কৰিলোঁ। এল.পি. স্কুলৰ দুজনমান চিনাকি তেনেকুৱাকৈয়ে তাৰ লগৰীয়াবোৰৰ লগতো মিল হ'ল। এনেদৰে দিনবোৰ পাৰ হ'ল। তাত পঢ়ি থকা সময়তে মই গ্ৰীষ্মকালীন পাঠদান শিবিৰত অনুষ্ঠিত কৰা পৰীক্ষাত প্ৰথম হৈ অনুৰাধা শৰ্মা পূজাৰীৰ 'এজন ঈশ্বৰৰ সন্ধানত' নামৰ উপন্যাসখন পুৰস্কাৰ হিচাপে পাই বহুত সুখ পাইছিলোঁ। তাৰপৰা পাছ কৰি কুলশী জনজাতীয় হাইস্কুলত নামভৰ্তি কৰিলোঁ। কেৱল চাৰি-পাঁচজনীমান চিনাকি, বাকী সকলো অচিন। সময়ে সকলোকে চিনাকি কৰিলে, পঢ়াৰো দায়িত্ব বাঢ়িবলৈ ধৰিলে। তেতিয়া মই দশম শ্ৰেণীত। এদিন ৰাভা হাছঙৰপৰা এটি অনুষ্ঠান স্কুলত পাতিলে। স্কুলৰ প্ৰথমৰপৰা দশম শ্ৰেণীৰ সকলোকে এটা দীঘল কামত বহিব ক'লে। সকলো বহিল। আগৰ মুৰবোৰৰ কাৰণে আগফালে থিয় হৈ থকা বিশেষ ব্যক্তিক চাৰৰ বাবে গল দাঙি দাঙি চাবলৈ চেষ্টা কৰিলোঁ। ছাৰহঁতৰ ভাষণৰ পিচত এজন ব্যক্তিয়ে ক'লে— "মই তোমালোকক কিছুমান প্ৰশ্ন কৰিম। তোমালোকৰ যিয়ে পাৰা উত্তৰ দিবা আৰু উত্তৰ শুদ্ধ হ'লে পুৰস্কাৰ দিম।" এই কথা শুনি ভাবিলোঁ— মই যদি এটা পুৰস্কাৰ পাওঁ, ঘৰত মা-দেউতাই কিমান যে ভাল পাব। কিন্তু কিছুমান খুব টান আৰু মই ক'ব বিচৰাটো আনে পটকৈ কৈ দিয়ে। এনেদৰে অনুষ্ঠান শেষ হ'বৰ হ'ল। ব্যক্তিজনে ক'লে— "শেষ এটা প্ৰশ্ন আছে।" আৰু প্ৰশ্ন কোৱাৰ লগে লগে মই থিয় দি উত্তৰ দিলোঁ আৰু উত্তৰটো শুদ্ধ হ'ল। যাৰ বাবে মই সুৰেশ শৰ্মাৰ অভিধান এখন পুৰস্কাৰ হিচাপে পাই সেইদিনা অতি আনন্দৰে ঘৰলৈ উভতিছিলোঁ। কুলশী স্কুললৈ যাবলৈ হ'লে আমি কুলশী নদীখন নাৱেৰে পাৰ হ'ব লাগিছিল। তাতে মই সাঁতুৰিব নাজানো। প্ৰতিটো দিনাই জীৱন-মৰণৰ পথ পাৰ হৈছিলোঁ। তেতিয়া এজন বহুত ভাল নাৱৰীয়া আছিল। যাক সকলোৱে 'ঘড়ী ককা' বুলি মাতিছিল, আজিও মাতে। এদিনো দুৰ্ঘটনা নোহোৱাকৈ দিনবোৰ পাৰ হ'ল। এদিন দশম শ্ৰেণীৰ ফাইনেল পৰীক্ষা। কুলশী নদীৰ পাৰত ভৰপূৰ পানী। ককাই ঘাটৰপৰা আধা কিল মিটাৰ দূৰৰপৰাই নাও মেলি স্কুলৰ ঘাট পোৱাইছিল। মই আজি তেওঁক কি বুলি ধন্যবাদ দিম, ভাষা নাই। মাথোঁ ক'ব পাৰিম— যাতে তেওঁক ভগৱানে সুখ আৰু শান্তিৰে ৰাখে।

মেট্ৰিক পৰীক্ষা সিমান ভাল নহ'ল। মই থাৰ্ড ডিভিজন পাই পাছ কৰিলোঁ। আশা আছিল ছেকেণ্ড ডিভিজন পাম। আমাৰ মা-দেউতাই পঢ়াৰ বিষয়ে একো বিশেষ নাজানে। মায়ে নৱম শ্ৰেণীলৈ পঢ়িছিল আৰু দেউতাই স্কুলৰ দুৱাৰমুখ দেখি নাপালে। আচলতে মোৰ দেউতাক তেওঁৰ মাক-দেউতাকে ভাল নাপাইছিল। সৰুৰেপৰা কেৱল কষ্টৰ কামহে কৰিব দিছিল। সেই কথা দেউতাই আমাক আজিও কয়। যাৰ বাবে দেউতাই আজি অতীতৰ কষ্টৰপৰা শিক্ষা পাই নিজৰ ভৰিত নিজে থিয় হৈ ঘৰখনৰ লগতে মোকো থিয় কৰাই ৰাখিছে। প্ৰথমে ভাবিছিলোঁ ছয়গাঁও কলেজত পঢ়িম। এড্মিচন ল'বলৈও গৈছিলোঁ; কিন্তু সেইদিনা কেৱল ফাৰ্ষ্ট আৰু ছেকেণ্ড ডিভিজন পোৱাবোৰহে এড্মিচন হ'ল, থাৰ্ড ডিভিজন পোৱাবোৰৰ নহ'ল। পিচত ছিট নাপাম বুলি ইফালে-সিফালে বিচাৰোঁতে পালোঁ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খন। মই এতিয়া ভাবোঁ— মোৰ ভাগ্যৰ বলতহে মই এইখন কলেজ পালোঁ। লাহে লাহে ক্লাছ আৰম্ভ হ'বলৈ ধৰিলে। এটি বেলেগ পৰিৱেশ। চাৰিওফালেই নতুন। নিজকে মিলাব পৰা নাছিলোঁ। এদিন-দুদিনকৈ মিলি যাব ধৰিলোঁ। মিৰ্জা অঞ্চলৰে কেইজনীমান ছোৱালীৰ মন মোৰ লগত মিলি গ'ল। কলেজলৈ আহি ভাল লগা হ'ল। ক্লাছবোৰ কৰি মিৰ্জা চ'কলৈ যাওঁ। তাতে এফালে কুলশীলৈ যোৱা গাড়ীবোৰ শাৰী শাৰীকৈ থাকে। লাহে লাহে কথা কোৱাৰ ধৰণবোৰো কিছু সলনি হ'বলৈ ধৰিলে। ক্লাছ তিনিমান বজাত শেষ হয়। গাড়ী ৰখা ঠাইলৈ খোজকাঢ়ি যাব লাগে আৰু গৈ সোধোঁ— "দাদা, কোনখন গাড়ী কুলশীলৈ যাব?" তেতিয়া দেখুৱাই দিয়ে— "সেই ৰঙা বা বগা গাড়ীখন।" আহি বহিলোঁ। তাৰ পিচত গাড়ীৰ আটাইকেইটা আসন সম্পূৰ্ণ নোহোৱালৈ ৰখি থাকিব লাগে। প্ৰায় এঘণ্টা, কেতিয়াবা দুঘণ্টা, কেতিয়াবা আধাঘণ্টা আৰু কেতিয়াবা এৰি যায় গাড়ীখনে। এনেদৰে তিনিমাহমান পাৰ হ'ল। ঠাণ্ডাৰ দিন পৰিল। সোনকালে বেলি যুৰ যায়। কলেজৰপৰা ঘৰ গৈ পাওঁতে ঘোৰ আন্ধাৰ হয়। তাতে আকৌ গছ-গছনিয়ে আগুৰি থকা এটি পৰিৱেশ। কুলশী নৈ পাৰ হৈ আধা ৰাস্তালৈ এজনী বান্ধৱী সংগী হয় যদিও তাই ঘৰ পোৱাৰ পিচত মই অকলশৰীয়া হৈ চাইকেলৰ ঘন পেডেল মাৰিছিলোঁ। দূৰৰ এটি পোহৰ চকুত লাগিছিল। মা আৰু বুঢ়ীমা আহি আছে প্ৰতিদিনৰ দৰে বুলি অনুমান হয় আৰু ভয়ে বাট মেলি দিয়ে। এনেদৰে দিনবোৰ গ'ল। পিচত মোক ভাড়াঘৰত থোৱাৰ কথা ভাবিলে। কথামতে কাম। ঘৰৰপৰা প্ৰয়োজনীয় বস্তু-বাহানিবোৰ বান্ধিব দিলে। মই কি কৰিম, কি হ'ব, একো ভাবি পোৱা নাছিলোঁ। শেষত সেই দিনটো আহিল, যিদিনা মোক ঘৰৰ সকলোয়ে কান্দি কান্দি কৈছিল— "তাত গৈ ভালকৈ পঢ়িবা, ভালকৈ থাকিবা।" মই যেন একো ক'ব পৰা নাছিলোঁ, মাত্ৰ দুচকুৰে নিগৰিছিল চকুপানী। বুঢ়ীমাই যেন অকলশৰীয়া হ'ল। কিয়নো মই সৰুৰেপৰা বুঢ়ীমাৰ লগতে আছিলোঁ— দিনত ঘৰত, ৰাতি বুঢ়ীমাৰ লগত। এদিন নহ'লে মোৰ টোপনি নাহিছিল। দেউতাই পাহৰৰপৰা নামনিলৈ টৰ্চ মাৰি দিয়ে। টৰ্চৰ পোহৰৰ দৰে ময়ো বেগেৰে বুঢ়ীমাৰ ঘৰ পাইছিলোঁ।

ভাড়াঘৰত প্ৰথমদিনা মা আৰু বাবু মোৰ লগত থাকিল। পিচদিনা ঘৰলৈ গুচি গ'ল। তেতিয়া আছিল এটি সন্ধিয়া। এই সন্ধিয়াটোৰ কথা আজিও মোৰ মনত আছে আৰু চিৰদিন থাকিব। সেইদিনাহে মই অকলশৰীয়া অনুভৱ কৰিছিলোঁ। ৰুমৰ খিৰিকীৰ আইনাখনৰপৰা লাহেকৈ পৰ্দাখন দাঙি চালোঁ। আকাশৰ মেঘৰ মাজতে মোৰ সপোনৰ ঘৰখনৰ দিশটো অনুমান কৰিলোঁ— মোৰ ঘৰটো এইখিনিতে। লাহেকৈ চকুপানী ওলাবলৈ ধৰিলে। মই যেন আইনাখনৰপৰা আঁতৰিব পৰা নাই। বাৰে বাৰে মনত পৰিছে মোৰ মৰমৰ মা আৰু ঘৰখনলৈ। সেইদিনা মায়ে বনাই থৈ যোৱা ঠাণ্ডা ভাত খাই শুই থাকিলোঁ। ৰাতি টোপনি নাহিল। খাওঁতেও যেন সেমেকি গ'ল। এনেদৰে সিজা-নিসিজা ভাত খাই কলেজৰপৰা আহি ৰুমৰ কাম কৰা— এনেদৰে দিনবোৰ পাৰ হ'ল। ভাড়াত থকা এজনী সমবয়সীয়া ছোৱালীৰ লগত ভাল বান্ধৱী হৈ পৰিলোঁ। তায়ো অকলশৰীয়া। ভাল-বেয়াৰ মাজেৰে দুয়ো জীৱন পাৰ কৰিলোঁ। তাই থকা বাবেহে মই অলপ হ'লেও দুখৰপৰা মুক্তি লাভ কৰিছিলোঁ। তাইৰ নাম আছিল চাৰা।

কলেজ বন্ধত ঘৰলৈ যাওঁ। ঘৰলৈ গ'লে উভতিবলৈ পাহৰি যাওঁ। ঘৰ এৰাৰ পিচত আকৌ চকুপানীৰে সেমেকি পৰোঁ। এনেদৰে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত মই এতিয়াও পঢ়ি আছোঁ। বৰ্তমান সময়ৰ লগত সকলো মিলিব পৰা হ'লোঁ; বিশেষকৈ ছাৰ-বাইদেউসকলৰ সঁহাৰিৰে। মই এই কলেজখনত সাত বছৰ পাৰ কৰিবৰ হ'ল। মাত্ৰ ছমাহ বাকী আছে। এই ছমাহ মোৰ বাবে ছয় দিন যেন লাগি আছে।

মোৰ ঘৰৰ লগতে মোৰ ইচ্ছা— মই জীৱনত নিজৰ ভৰিত নিজে থিয় হ'ব বিচাৰোঁ আৰু জীৱনত ঘটা হাজাৰ বিপদ-বাধাৰ মাজতো এক নতুন পথৰ সন্ধান বিচাৰিবলৈ চেষ্টা কৰি যাম। ■

# ধৰ্ম, অধৰ্ম

◆ ড° নিবেদিতা দেৱী
সহযোগী অধ্যাপিকা, অৰ্থনীতি বিভাগ

ধৰ্ম মানুহৰ স্বভাৱ, সি শূন্যতাৰ আন এটা নাম। ধৰ্মগ্ৰন্থ কোনো শাস্ত্ৰত লিখিত হোৱা নাই। সেই অলিখিত গ্ৰন্থ মানুহৰ স্বভাৱৰ অনুৱৰ্তী হৈ নিৰন্তৰ ক্ৰমবিৱৰ্তনৰ পথেদি গৈ আছে। প্ৰকৃত ধৰ্ম মানুহৰ অন্তৰৰ বস্তু, ই বাহিৰা একো নহয়। অজ্ঞ লোকে তত্ত্ব নুবুজাকৈয়ে যি কোনো পুথি হাতত লৈ শ্লোক আওৰাবলৈ ধৰে। পানীৰ প্ৰবাহ, বায়ুৰ স্তৱ— সেই শাস্ত্ৰৰ বাণী যে আকাশলংঘা পৰ্বত, সৌ দূৰগামিনী নদী আৰু এই অদ্ভুত জগত— এই সকলোবোৰেই সৃষ্টিৰ বিগ্ৰহ। অজ্ঞ লোকসকলে এইটো নাজানে যে, প্ৰকৃত ধূপ-ধুনা মানুহৰ অন্তৰতে থাকে। প্ৰকৃত ধূপ-ধুনা হ'ল আত্মসংযম, জ্ঞান, ধৈৰ্য, দয়া, দ্বিধাশূন্যতা, ভক্তি আৰু অভিজ্ঞতা। মানুহৰ প্ৰকৃতি যদি উজ্জ্বল হয়, তেনেহ'লে তেওঁৰ ওচৰত স্বৰ্গ থাকিব; অন্ধকাৰ নাথাকিব। নিজৰ ভিতৰত পোহৰ থাকিলে স্বৰ্গ আৰু পৃথিৱী আপোনা-আপুনিয়েই সাধকৰ ওচৰত আলোকিত হ'ব। সেই পোহৰ লাভ কৰিলে মানুহে দেখা পাব যে— বিধাতাৰ বিধান অনন্ত, তাৰ প্ৰতিটোকে স্পষ্টভাৱে দেখা পাব ("Indian Pandit in the land of Snow", S.C. Das)। কোনো শাস্ত্ৰৰ ওপৰত ভিত্তি কৰি কৰ্তব্য নকৰিলেই ধৰ্মৰ হানি নহয়; যুক্তিহীন বিচাৰব্যৱহাৰাহে ধৰ্মৰ হানি হয়। স্বামী অগ্নিবেশে ক্ষোভ প্ৰকাশ কৰি কৈছিল— "ভাৰতৰ দৰে কোনো দেশতে ইমান লক্ষ্মী, সৰস্বতীৰ পূজা নহয়। তথাপি ইমান দৰিদ্ৰ আৰু নিৰক্ষৰ লোক পৃথিৱীৰ ক'তো নাই।" ❑

# শ্ৰীশ্ৰীসৰস্বতী দেৱী

◆ ড° লীলাৱতী চৌধুৰী
সহযোগী অধ্যাপিকা, শিক্ষা বিভাগ

শ্বেতপদ্মসনা দেৱী শ্বেতপুষ্পোপশোভিতা।
শ্বেতম্বৰধৰা নিত্যা শ্বেত গন্ধানুলেপনা।।
শ্বেতাক্ষসূত্ৰহস্তা চ শ্বেতচন্দন চৰ্চ্চিতা।
শ্বেতবীণাধৰা শুভ্ৰা শ্বেতালঙ্কাৰভূষিতা।।
বন্দিতা সিদ্ধগন্ধৰ্বৈ ৰ্অৰ্চ্চিতা সুৰদানবৈঃ।
পূজিতা মুনিভি সৰ্ব্বৈ ঋষিভি স্তূয়তে সদা।।
স্তোত্ৰেনানেনতাং দেৱী জগদ্ধাত্ৰীং সৰস্বতীম।
যে স্মৰন্তি ত্ৰিসন্ধ্যায়াং সৰ্ব্বধাং বিদ্যালভন্তিতে।।

মা সৰস্বতী হৈছে বিদ্যাৰ অধিকাৰী। যিসকলে সৰস্বতী পূজা আন্তৰিকতাৰে কৰে, তেওঁলোক বিদ্যাত পাৰ্গত হয় বুলি সকলোৰে বিশ্বাস কৰে। প্ৰতি বছৰে মাঘ মাহৰ শুক্লা পঞ্চমী তিথিত দেৱী সৰস্বতীৰ পূজা কৰা হয়। শ্ৰীকৃষ্ণৰ মুখৰপৰাই সৰস্বতীৰ জন্ম হৈছিল। গণেশ জননী দুৰ্গা, ৰাধা, লক্ষ্মী, সাবিত্ৰী আৰু সৰস্বতী হৈছে পঞ্চ প্ৰকাৰৰ প্ৰকৃতি। এওঁলোক সকলোতে পূজিতা আৰু এওঁলোকৰ প্ৰভাৱো অদ্ভুত। দেৱী সৰস্বতীয়ে সকলোকে বিদ্যা-বুদ্ধিত পাৰ্গত কৰি তুলিব পাৰে, যদিহে দেৱীক আন্তৰিকতাৰে পূজা কৰে। জগত কৰ্তা কৃষ্ণ নাৰায়ণেও দেৱী সৰস্বতীক পূজা কৰে। সেয়ে অতি ভক্তিভাৱে সৰস্বতী দেৱীক পূজা-অৰ্চনা কৰি তেওঁৰ কৃপা সৰ্বজ্ঞান লাভ কৰিব পাৰি।

এদিন নাৰায়ণে নাৰদক এক কাহিনী ক'লে— যাজ্ঞৱল্ক্য মহামুনি গুৰুৰ অভিশাপত বিদ্যাহীন, স্মৃতি শক্তিহীন হৈ পৰিছিল। যাজ্ঞৱল্ক্যই সূৰ্যদেৱক তপস্যা কৰিলে আৰু সূৰ্যদেৱে মুনিক দৰ্শন দিলে। মুনিৰ শাপ মোচনৰ বাবে সূৰ্য দেৱতাই সৰস্বতীৰ ধ্যান কৰিবলৈ উপদেশ দিলে আৰু ক'লে যে, সৰস্বতীৰ কৃপা পালেহে পাপ খণ্ডিত হ'ব। যাজ্ঞৱল্ক্যই সৰস্বতীৰ ধ্যান কৰি সৰস্বতীৰ দৰ্শন লাভ কৰিলে। দেৱীৰ আশীৰ্বাদৰ বাবে মুনিয়ে পুনৰ বিদ্যালাভ কৰিব পাৰিলে আৰু জ্ঞান অধিষ্ঠাত্ৰী দেৱীৰ বৰপ্ৰাপ্ত হৈ সঁচাকৈ বৃহস্পতিৰ সমান বাগ্মীৰ আৰু কবিকুলৰ শ্ৰেষ্ঠ হৈ উঠিল। শেষত কৃষ্ণই নাৰদক ক'লে যে— মহামূৰ্খজনেও যদি এবছৰ সৰস্বতীৰ স্তৱ পাঠ কৰে, তেওঁ মেধাৱী, সু-কবি আৰু সৰ্বজ্ঞানীৰূপে বিখ্যাত হ'বলৈ সক্ষম হয়। ❑



# মহীয়সী নাৰী
# জয়মতী চৰিত্ৰত একলম

◆ যমুনা মালী
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ



❖ ❖ ❖ ❖

আজি দেশ আৰু জাতিৰ দুৰ্দিনৰ সময়ত এইগৰাকী মহীয়সী নাৰীৰ প্ৰাসংগিকতা অস্বীকাৰ নকৰি নোৱাৰি। তেওঁৰ আদৰ্শ গ্ৰহণ কৰিব পাৰিলে আজি আমাৰ দেশ আৰু সমাজত চলি থকা অন্যায়-অত্যাচাৰ, শোষণ, ষড়যন্ত্ৰ আদিৰপৰা দেশক ৰক্ষা কৰিব পৰা যাব বুলি ভাবিবৰ থল আছে।

❖ ❖ ❖ ❖

**এখন** দেশ, এটা জাতি আৰু এখন সমাজৰ প্ৰগতিত এগৰাকী নাৰীৰ অৱদান পুৰুষতকৈ কোনোগুণে কম নহয়। বিশ্বৰ ইতিহাসত তেনে বহু মহীয়সী নাৰীৰ নাম পোৱা যায়; যিসকল আমাৰ নাৰী সমাজৰ কাৰণে আদৰ্শস্বৰূপ। তেনে এগৰাকী মহীয়সী নাৰী হ'ল আহোম ৰাজবংশৰ গৌৰৱ— মহাসতী জয়মতী।

ইতিহাসৰ পাতত সোণালী আখৰেৰে জিলিকি থকা এগৰাকী দৃঢ়মনা সাহসী নাৰী হ'ল মহাসতী জয়মতী। যি সময়ত আহোম ৰাজবংশৰ অৱস্থা আছিল অস্থিৰ আৰু অৰাজকতাই বিৰাজ কৰিছিল, সেই সময়ত স্থিতপ্ৰজ্ঞ আৰু বজ্ৰসম দৃঢ়তাৰ গৰাকী জয়মতীৰ ওচৰত ৰাজশক্তিয়েও হাৰ মানিবলৈ বাধ্য হৈছিল। যাৰ আত্মত্যাগৰ ফলত পুনৰ প্ৰতিষ্ঠা হৈছিল আহোম ৰাজ্যৰ শৌৰ্য-বীৰ্য। এইগৰাকী মহীয়সী নাৰী আমাৰ প্ৰেৰণাস্বৰূপ।

জয়মতীয়ে বুজি পাইছিল যে, তেওঁৰ নিজৰ জীৱনতকৈ গদাপাণিৰ জীৱনৰ মূল্য বহু হাজাৰ গুণে অধিক। ধ্বংসমুখী আহোম ৰাজবংশক গদাপাণি কোঁৱৰেহে ৰক্ষা কৰিব পাৰিব, আৰু শান্তি ঘূৰাই আনিব পাৰিব— সেই কথা জয়মতীয়ে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। গদাপাণিৰ ওপৰত আছিল তেওঁৰ অগাধ বিশ্বাস। সেয়েহে তেওঁৰ আত্মত্যাগৰ ফলত পুনৰ প্ৰতিষ্ঠা হৈছিল আহোম ৰাজ্যৰ শৌৰ্য-বীৰ্য।

জয়মতী কুঁৱৰীয়ে ল'ৰাৰজাৰ চাওদাঙৰ অৱৰ্ণনীয় অত্যাচাৰ-নিৰ্যাতন ভুগি প্ৰাণ ত্যাগ কৰিলেও অন্যায়-অনীতি আৰু কু-শাসনৰ বিৰুদ্ধে কৰি গ'ল এক বলিষ্ঠ প্ৰতিবাদ। স্বেচ্ছাচাৰী লালুকসোলা বৰফুকনৰ কবলৰপৰা সাতামপুৰুষীয়া আহোম ৰাজসিংহাসন উদ্ধাৰ কৰিবৰ কাৰণে মাতৃভূমিৰ হেৰাব খোজা মৰ্যাদা ৰক্ষাৰ কাৰণে দেশ আৰু প্ৰজাৰ মংগলৰ কাৰণে আত্মত্যাগ কৰি সাহস আৰু ত্যাগৰ প্ৰতিমূৰ্তি হৈ ৰ'ল।

আজি দেশ আৰু জাতিৰ দুৰ্দিনৰ সময়ত এইগৰাকী মহীয়সী নাৰীৰ প্ৰাসংগিকতা অস্বীকাৰ নকৰি নোৱাৰি। তেওঁৰ আদৰ্শ গ্ৰহণ কৰিব পাৰিলে আজি আমাৰ দেশ আৰু সমাজত চলি থকা অন্যায়-অত্যাচাৰ, শোষণ, ষড়যন্ত্ৰ আদিৰপৰা দেশক ৰক্ষা কৰিব পৰা যাব বুলি ভাবিবৰ থল আছে। ❑



## ম'বাইলৰ অভিজ্ঞতা

◆ ইন্দ্ৰাণী দেৱী
সহযোগী অধ্যাপিকা, অৰ্থনীতি বিভাগ

বান্ধৱীজনীক বহুদিন লগ পোৱা নাছিলোঁ যদিও ফোনেৰে দুয়োৰে মাজত প্ৰায় কথা-বতৰা হৈ আছিল। লাহে লাহে কিন্তু কথা পতাৰ সলনি Whatsappৰ যোগেদিহে আমাৰ দুয়োৰে মাজত কথা-বতৰা আৰু খবৰবোৰ পাই থাকিলোঁ। কথা পতাৰো যেন কাৰো সময় নাই। তাই সদায় তাইৰ ঘৰলৈ যোৱাৰ বাবেহে কৈ থাকে। এদিন সময় হোৱাত আৰু তাইৰ কথা পেলাব নোৱাৰি তাইৰ ঘৰলৈ গ'লোঁ। তাইৰ এজনী ছোৱালী আৰু এটা ল'ৰাৰে এখন সুন্দৰ সংসাৰ। তাইৰ লগত ইটো-সিটো কথা পতাৰ পিচত তাইৰ মানুহজনে মোক আহি মাত দিলে আৰু অলপ সময় কথা পাতি ভিতৰলৈ গ'ল। মই তাইৰ ল'ৰা-ছোৱালী দুটাৰ বিষয়ে সোধাত তাই ক'লে— "আছে, ভিতৰতে আছে।" তাই মোক চাহ খাবলৈ ভিতৰলৈ মাতিলে। চাহ খোৱা টেবুলত বহি মই লক্ষ্য কৰিলোঁ— কাষৰ কমটোত বহি তাইৰ ল'ৰাজনে ম'বাইলত ব্যস্ত হৈ আছে আৰু মাকে মতাত আহি অলপ সময় মোৰ কাষত বৈ পুনৰ ম'বাইলত ব্যস্ত হৈ পৰিছে। সৰু ছোৱালীজনীৰ বয়স ছয় বছৰমান হৈছে। তায়ো আনটো কমত ম'বাইলত খেলি আছে; মানুহৰ ফালে চাবলৈ, কথা পাতিবলৈ সময় নাই। ঘৰত থকা পাকঘৰত সহায় কৰি দিবৰ বাবে অহা ছোৱালীজনীয়েও কোনোমতে তাইৰ কামখিনি শেষ কৰি হাতত লৈ থকা দামী ম'বাইলটোত পিচফালে বাৰাণ্ডাখনত বহি গৈ Facebook খুলি ল'লে। মই চাৰিওফালে চাই হতবাক হৈ পৰিলোঁ। ভাবিলোঁ— চৌপাশে পৰিবৰ্তন হৈছে; আমিবোৰহে বহুত পিচ পৰি আছোঁ। মনত ভাব হ'ল— পৰিবৰ্তনবোৰৰ প্ৰভাৱ ভাল হ'ব নে বেয়া হ'ব? আমি আমাৰ দায়িত্ববোৰ ভালদৰে পালন কৰিব পৰা নাই নেকি? নে ইতিমধ্যে সমস্যাৰে ভৰা আমাৰ ৰাজ্যখনে (সন্ত্ৰাসবাদীৰ সমস্যা, নিবনুৱা সমস্যা, বিদেশী সমস্যা) আৰু এটা সমস্যাৰ বোজা কঢ়িয়াবৰ বাবে আগবাঢ়ি গৈছে! ❑

## সোণোৱালী সূতাৰ দেশ আমাৰ অসম


◆ ড° মনশ্ৰী দাস
সহকাৰী অধ্যাপিকা, অৰ্থনীতি বিভাগ

আমি জানো যে, মুগা সূতা আৰু মুগা শিল্প অসমৰ এক আপুৰুগীয়া সম্পদ। পৃথিৱীৰ আন ঠাইত এনে সূতা আৰু বস্ত্ৰ আবিষ্কাৰ হোৱা নাই। ইয়াৰ ব্যৱহাৰিক আৰু বিনিময় মূল্য দুয়োটাই অভেদ্য। মুগা সূতা দেখিবলৈ সোণ বৰণীয়া; কিন্তু অসম যে আন এবিধ 'সোণোৱালী সূতা' উৎপাদনৰ দেশ, তাক আমি সকলোৱে জানো নে? মৰাপাট সূতাক 'সোণোৱালী সূতা' বুলিও জনা যায়। অসম মৰাপাট উৎপাদনত ভাৰতৰ ৰাজ্যবোৰৰ ভিতৰত অন্যতম। মৰাপাট সূতাৰ উন্নতকৰণকৰ্দ্বাৰা বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰাত ব্যৱহাৰ কৰা হয়। এই সামগ্ৰীসমূহৰ ব্যৱহাৰ পাৰিপাৰ্শ্বিকতা সংৰক্ষণৰ বাবে উপযোগী। ই মাটি প্ৰদূষিত নকৰে। প্লাষ্টিক সামগ্ৰীৰ পৰিৱৰ্তে ইয়াৰ ব্যৱহাৰ উপযোগী। মৰাপাট সূতা আন সূতাৰ দৰে তাঁতশালত ব'ব পাৰি। মৰাপাটৰপৰা প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰীসমূহ হ'ল— বিভিন্ন হাতবেগ, ড'ৰমেট, সতৰঞ্চ, পৰ্দা, ছোফাৰেৰ, গাড়ীৰ ক'ভাৰ, ফাইল ক'ভাৰ, বিভিন্ন সাজ-পোছাক, শাৰী, চেণ্ডেলকে আদি কৰি আৰু অনেক। গতিকে এনে সোণোৱালী সূতা ব্যৱহাৰ কৰি অসমে মৰাপাট উদ্যোগ গঢ়ি ৰাজ্যিক আয় বৃদ্ধিত অৰিহণা যোগাব পাৰে। ❑



## প্ৰাচীন অসমত সূৰ্য পূজা ঃ এক ঐতিহাসিক অৱলোকন

◆ সংঘামিত্ৰা সিন্হা
সহযোগী অধ্যাপিকা, ইতিহাস বিভাগ



**প্ৰাচীন** অসম বিভিন্ন ধৰ্মৰ কেন্দ্ৰস্থল আছিল। শিব, শক্তি, বিষ্ণু উপাসনাৰ সমান্তৰালভাৱে প্ৰাচীন অসমত সূৰ্য পূজাৰো প্ৰচলন আছিল। প্ৰাচীন অসমত সূৰ্য পূজাৰ প্ৰচলনৰ বিৱৰণ ষষ্ঠ শতিকাত ৰচিত 'কামৰূপ নিবন্ধনীয় খণ্ড সাধ্য'ত উল্লেখিত আছে। গৃহসূত্ৰত প্ৰাগ্‌জ্যোতিষপুৰক সূৰ্য পাহাৰৰ কেন্দ্ৰৰূপে উল্লেখ কৰা হৈছে। বৃহৎ সংহিতাত প্ৰাগ্‌জ্যোতিষ-কামৰূপক আদিম কালৰেপৰা সূৰ্য উপাসনাৰ কেন্দ্ৰ বুলি অভিহিত কৰিছে। মাৰ্কণ্ডেয় পুৰাণত কামৰূপত সূৰ্য পূজাৰ প্ৰচলন সম্পৰ্কে উল্লেখ পোৱা যায়। এই পুৰাণত উল্লেখ আছে যে, সূৰ্য মন্দিৰত উপাসনা কৰিলে সকলোৰে মনোবাঞ্ছা পূৰণ হয়। ভাৰতত বৌদ্ধধৰ্মৰ ইতিহাস প্ৰণেতা তাৰা নাথে খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাত কামৰূপত সূৰ্য উপাসক ব্ৰাহ্মণৰ কথা উল্লেখ কৰিছে। খ্ৰীষ্টপূৰ্ব দশম শতিকাত কালিকা পুৰাণত সূৰ্য উপাসনাৰ কেন্দ্ৰস্থল হিচাপে যথাক্ৰমে ৰবিক্ষেত্ৰ আৰু চিত্ৰশৈল বা প্ৰাক্-পৰ্বতৰ উল্লেখ আছে। ৰবিক্ষেত্ৰ গোৱালপাৰাৰ সূৰ্য পাহাৰ আৰু প্ৰাক্-পৰ্বত গুৱাহাটীৰ নৱগ্ৰহ পাহাৰত অৱস্থিত। ইন্দ্ৰপালৰ তাম্ৰ ফলিত উল্লেখ থকা 'আদিত্য' শব্দই সূৰ্য দেৱতাক বুজাইছে। সূৰ্যৰ নামত উচৰ্গা কৰা মন্দিৰবোৰৰ বৰ্তমানলৈ ধ্বংসপ্ৰাপ্ত অংশই সূৰ্য পূজাৰ প্ৰচলনৰ সাক্ষ্য দিয়ে। প্ৰাচীন অসমত সূৰ্য পূজাৰ পৌৰাণিক ইতিহাসৰ সত্যতা কালিকা পুৰাণৰ এটা শ্লোকত উল্লেখ কৰা হৈছে। ইয়াত উল্লেখ আছে যে, প্ৰাগ্‌জ্যোতিপুৰত নৰকক প্ৰতিষ্ঠা কৰিবৰ সময়ত বিষ্ণুৱে নৰকক অভয় দান দি কৈছিল— "হে পুত্ৰ, মহাদেৱ, ব্ৰহ্মা আৰু মই ইয়াত প্ৰতিষ্ঠিত হ'লোঁ আৰু লগতে চন্দ্ৰ-সূৰ্যও স্থায়ীভাৱে জড়িত।" ❑

## গৃহ বিজ্ঞানৰ ছাত্ৰী

◆ ৰুক্মিণী বড়া
গৃহ বিজ্ঞানৰ কৰ্মচাৰী

মোৰ চিন্তাধাৰাত গৃহ বিজ্ঞান বিষয়টো সকলো ছাত্ৰীৰ বাবে প্ৰয়োজনীয়। গৃহ বিজ্ঞান বিষয়টো যিবিলাক ছাত্ৰীয়ে লৈছে, তেওঁলোকে নিজৰ দৰকাৰী বহুতো কথা জানিব পাৰিছে; যেনে— কম খৰচী বস্তুৰে নতুন নতুন খাদ্য প্ৰস্তুত কৰি ঘৰত খাব পাৰি। ছাত্ৰীসকলৰ আটাইতকৈ দৰকাৰী কথা হ'ল— শিশু এটা মাতৃৰ গৰ্ভত স্থিতি লোৱাৰপৰা জন্ম হোৱালৈ কেনেকুৱাকৈ থাকিব লাগে, কি কি খাদ্য, কি কি সময়ত খাব লাগে, গোটেইখিনি কথা তেওঁলোকে আগতীয়াকৈ বহলভাৱে জানিব পাৰে। আকৌ এটা কথা যে, আজিকালি বহুতো ছাত্ৰ-ছাত্ৰী পঢ়ি-শুনি বেকাৰ হৈ আছে, কিন্তু গৃহ বিজ্ঞানৰ ছাত্ৰীসকলে যদি মন কৰে, তেওঁলোকে নিজেই নিজৰ ভৰিৰ ওপৰত থিয় হ'ব পাৰে। গৃহ বিজ্ঞানৰ কিছুমান ছাত্ৰীয়ে চিলাই মেচিন কিনি ঘৰতে কাপোৰ চিলাই কৰি কম দামত দি টকা উপাৰ্জন কৰিছে। কিছুমানে আকৌ জাম, জেলিৰ আচাৰ তৈয়াৰ কৰিও টকা উপাৰ্জন কৰি আছে। তেনেকুৱা আৰু বহুতো আছে, মই লিখিব খোজা নাই। সেই কাৰণে বেলেগ বেলেগ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী উভয়ে গৃহ বিজ্ঞান বিষয়টো লোৱা দেখা গৈছে। ❑

# দেখখেন গেল্ কিবা এটা কৰ

◆ ড° জগন্নাথ বৰ্মন

'দেখখেন গেল্ কিবা এটা কৰ্' কিয় তেনেকে কৈছিলি আতা
তোদ্দৰে ভাব্ৰা পাৰা মাহ্নু গন্তিত পাবাৰ নাই
ইয়াত দেশ উধ্ধাৰৰ নামত কেবল নাটক চলছি

জাকে জাকে শিয়াল পণ্ডিত, নীলা শিয়াল, বিড়াল তপস্বী
বাটে-ঘাটে, সভা-মেলে, টিভি-বাতৰিত
দেশ ৰখ্যাৰ আখ্ৰা চল্ছি, ধুম উঠ্ছি
একো এটা বুজ্ৱা নোৱা ঘটিৰাম-বাটিৰাম
বেঙ্গা মেলি চাই থাক্, চাই থাক্

'খেদ ঐ খেদ বিদেশী খেদ', 'মন্ত্ৰি অসম তন্ত্ৰি চৰ্গ'
তাৰ বাইৰ্হে একো ভাৱা নাছ্লি
তিত্তেৰে পৰা কিখেন নহ'ল লাউপাত-কচুপাত
মুখেনং কহিতং 'জয় আই অসম'

আতা! সেই কথা লৈয়ে ৰাইজখেনে বল্লৰ দৰে
কিমান বাৰ্ যে গুলি-পকি নুঠ্ছি, উঠৰ গাখীৰ
সুখল, উঠৰ উপ্ৰত গুৰু গজিল, সংহাৰ হ'ল,
বয়খে ভাটি দিলাক বিদেশীৰ নামত
একো এটা ফুটা কড়ি নহ্লাক

কিত্তেৰা কল আথা লৈ অহাৰা দুটামান মাছ লৈ
ঘটিৰাম বাজাৰত বহে, হাল বাই আধি-ঠিকা খাই
বাটিৰামে দিন পাৰ কৰে, দলা-দলি ঠেলা-ঠেলি
কথাৰ পাক বুজ্ৱা নোৱা ঘটিৰাম-বাটিৰামে
প্ৰতিলাগ ভোটৰ ছবিত চাব মাৰে

লেটাৰ পৰা পলু ওল্দি নেতা ওল্চি
এমেলে মন্ত্ৰী হৈছিহে হৈছি
গালু বালু খলা কুটিৰ তাল সকল কথা
ফুটুকাৰ ফেন
কাক ৰাজা নাপ্তিলি কুনি কি নহল
সকল মাথা ধুৰা চাওত উঠিল

জুপৰি গুচি সিহঁত গিলাৰ দালান হ'ল
ঠায়ে ঠায়ে ঘৰ-মাটি, বেংকে বেংকে টাকা
দামী দামী গাড়ী চয়ং কলিৰ ৰাজা

ঘটিৰাম-বাটিৰাম কাম বিচ্ৰি
বৰেৰপুৰাই আজিও গুলে গৈইছি

'দেখখেন গেল্ কিবা এটা কৰ'
কিয় তেনেকে কৈছলি আতা? ■



# আইনা

◆ শেৱালি মেধি

নয়ন এখন আইনা। জীৱনৰ।
শৈশৱ, বাল্য, যৌৱনৰ....
ব'হাগত কুলি, শৰতত শেৱালি,
আঘোণত সোণগুটি,
ফাগুনত পলাশৰ ৰং।
ৰং মানে ৰঙীণ। নহয়।
সকলো ৰঙে ৰঙীণ নকৰে প্ৰাণক।
কেতিয়াবা পলাশৰ ৰঙে
ৰং সলাই কোবায় জীৱনক।
ডেউকা ভাগে উৰণীয়া প্ৰাণৰ।
তেতিয়া বিয়পি পৰে
দেহৰন্ধ্ৰে দেহৰন্ধ্ৰে এটি গোন্ধ।
তুঁহ জুই পোৱা এটি গোন্ধ।
ওখ পাহাৰৰ সেউজীয়াবোৰ ছাই হৈ
পোৱা এটি গোন্ধ।
সেউজীয়াবোৰো যে কি!
মুহূৰ্ততে সোণালী, ৰূপালী হৈ
পোৱা ৰঙৰ স'তে—
এডাল প্ৰকাণ্ড অজগৰৰ ৰূপত
লুকাই থাকে,
আধা পোৱা লতা, টেকীয়াৰ মাজত।
পাহাৰৰ প্ৰাচীন শিলছটাৰ আঁৰত। ❑

# ডি. কে. জি. চি.

◆ ড° জাহ্নৱী দেৱী

জীৱনৰ সেউজীয়া গান
বেলিমুখী জীৱনৰ আধাৰ

কিমান যে গুনালা
মেখেলাৰ খচমচ, হাঁহিৰ বিজুলী
ৰঙা পাৰীৰ চাদৰৰ ভাঁজে ভাঁজে
চেফ্টি পিনৰ বাহাৰ,
এল.পি.জি. চিলিণ্ডাৰ
ৰঙা পকবাৰ জাক....
কিমান যে মান-অভিমান
এইজাক উজানৰ মাছ।

জীৱন সোণালী হয়
জীৱন জোনালী হয়
সোণালী ৰূপালী মাছৰ দৈ.....

যৌৱনৰ মাদকতা
নে নিচাসক্ত যৌৱন
সপোন পূৰণৰ থলী
ৰঙা-নীলা-হালধীয়া
পখিলাৰ ফুলনি
ৰত্নগৰ্ভা চিৰতৰুণী—
অ' মোৰ মৰমৰ
ডি. কে. জি. চি.
ডি. কে. জি. চি.। ■



## ২০২১-২২ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা

## সাহিত্য আৰু আলোচনী বিভাগৰ প্ৰতিযোগিতাসমূহৰ ফলাফল

দিনাংক ঃ ১০-০১-২০২২ ইং

## থিতাতে লিখা ৰচনা প্ৰতিযোগিতা

বিষয় ঃ অসমৰ লোক-সংস্কৃতিত তামোল-পাণ

**প্ৰথম স্থানপ্ৰাপ্ত**

# লোক-সংস্কৃতিত তামোল-পাণ

❖ ৰীতা দাস
স্নাতক তৃতীয় ষাণ্মাসিক
গণ সংযোগ আৰু সাংবাদিকতা

**আৰম্ভণি ঃ** অসমৰ লোক-সংস্কৃতি বুলিলে বিহু, গামোচা, জাপি, শৰাই, বাঁহ-বেতৰ সামগ্ৰী আৰু লগতে তামোল-পাণ আদিকে ধৰি সকলোবোৰ। অসমৰ লোক-সংস্কৃতি খুব সুন্দৰ, পৰ্যটকৰ মন জয় কৰি তোলে। অসমৰ চুকে-কোণে বিভিন্ন নৃত্য, পৰম্পৰাগত খাদ্য, পৰম্পৰাগত সাজ-পোছাক আদি বিৰাজমান।

**বিষয়বস্তু ঃ** অসমৰ বিভিন্ন লোক-সংস্কৃতিৰ মাজত তামোল-পাণ অন্যতম। ঐতিহাসিক দিনৰপৰা, ককা-আইতাহঁতৰ দিনৰেপৰা শুনি আহিছোঁ এই দুইটি শব্দ— 'তামোল-পাণ', অসমীয়াৰ মান তমোল-পাণ। ঘৰলৈ এজন জ্যেষ্ঠ মানুহ আহিলে সন্মান জনোৱাৰ বাবে আমি আৰম্ভণিতে খাবলৈ তামোল-পাণ আগবঢ়াই দিওঁ। ভাত খাই মুখখনক অলপ আমেজ দিয়াৰ কাৰণে তামোলখন প্ৰথমে বিচাৰোঁ। তামোল-পাণ এনেকুৱা বস্তু, এবাৰ মুখত জুতি লগাৰ পিচত এৰাটো বহুত টান।



**প্ৰভাৱ ঃ** উচ্চ খাপৰ লোকসকলৰ ল'ৰা-ছোৱালীবোৰে এতিয়াও বুজি নাপায়, তামোল-পাণ মানে কি? চিনি নাপায়! কিন্তু আমাৰ গাঁৱৰ ল'ৰা-ছোৱালীবোৰে ভালদৰে চিনি পায়। গাঁৱৰ মানুহৰ ঘৰে ঘৰে তামোল-পাণৰ গছ তথা কাৰোবাৰ বাগান থকা দেখিবলৈ পোৱা যায়।

**লোক-সংস্কৃতিত তামোল-পাণ ঃ** তামোল-পাণ এনেকুৱা এটা বস্তু— য'ত সন্মান, তাত তামোল-পাণ; বিয়া-সবাহ, মানুহৰ ঘৰলৈ গ'লে আদি। তামোল-পাণৰ লগত জুতি ল'বলৈ চুণ ব্যৱহাৰ কৰি খোৱাৰ আমেজ বেলেগ। সংস্কৃতিত তামোল-পাণটো সন্মান বুলি আমি অসমীয়াসকলে ধৰি লওঁ। আইতাহঁতৰ দাঁত নাই, তথাপিও খুন্দি হ'লেও তামোলখন খায়। অসমত কিছুমান পিচপৰা গাঁৱৰ নিবনুৱাই তামোল-পাণৰ দোকান দিয়েই কাৰ্যনিৰ্বাহ কৰি আছে, ঘৰ এখন চলাই আছে। বিভিন্ন ধৰণৰ মানুহে দোকানৰপৰা তামোল কিনি খায়। বৰ্তমানত অসমত তামোল এখনৰ দাম চাৰি/পাঁচ টকা। গাঁৱত থকা নিবনুৱাসকলেও সেই কাৰ্যটোৰে চলি আছে— তামোল বিক্ৰী কৰি নতুবা পাণ বিক্ৰী কৰি। বিয়া এখনত কইনাজনী বা দৰাজনে শৰাইখনত তামোল-পাণ লৈয়ে থিয় হৈ থাকে। মানুহে এখন তামোল খাই আশীৰ্বাদ দি ঘৰলৈ যায়। বিয়ালৈ নিমন্ত্ৰণ জনালেও গাঁৱৰ মানুহক তামোল-পাণেৰেহে নিমন্ত্ৰণ কৰে। এই পৰম্পৰা এতিয়াও চলি আছে।

**সামৰণি ঃ** শেষত তামোল-পাণৰ বিষয়ে ক'বলৈ গ'লে অসমৰ অমূল্য সম্পদ বুলি ক'ব লাগিব। তামোল-পাণ নহ'লে অসমীয়া সংস্কৃতি আধৰুৱা। সন্মান, আশীৰ্বাদ আদি সকলো ব্যৰ্থ তামোল-পাণ অবিহনে। ❑

দ্বিতীয় স্থানপ্ৰাপ্ত

# লোক-সংস্কৃতিত তামোল-পাণ

❖ জুমি দাস
স্নাতক তৃতীয় ষাণ্মাসিক
গণ সংযোগ আৰু সাংবাদিকতা

**আৰম্ভণি ঃ** লোক-সংস্কৃতিত তামোল-পাণে বহু বিশেষ ধৰণৰ প্ৰভাৱ পেলাইছে। অসমৰ বিভিন্ন লোক-সংস্কৃতি হৈছে তামোল-পাণ, গামোচা, চাহ বাগান ইত্যাদি। লোক-সংস্কৃতিত তামোল-পাণে এক নাম ৰাখি গৈছে।

**বিষয়বস্তু ঃ** তামোল-পাণ হৈছে এক লোক-সংস্কৃতি। তামোল হৈছে অসমীয়া মানুহৰ বাবে এক উপহাৰ। তামোলৰ লগত পাণে লোক-সংস্কৃতিত এক উল্লেখযোগ্য প্ৰভাৱ পেলায়।

তামোল-পাণ হৈছে লোক-সংস্কৃতিৰ এক উপহাৰ। তামোল-পাণৰ উল্লেখযোগ্যতাৰ কাৰণ হ'ল— অসমীয়া মানুহৰ ঘৰত কোনোবা মানুহ আহিলে তামোল-পাণ দিয়া হয়েই। অসমীয়া মানুহৰ ঘৰে ঘৰে তামোল-পাণ পোৱা যায়। মানুহবোৰৰ বিয়া আদিত নিমন্ত্ৰণ কৰিবলৈ আৰু সম্বোধন কৰিবলৈ তামোল-পাণ ব্যৱহাৰ কৰা হয়। মুঠতে তামোল-পাণ নহ'লে অসমীয়া চলিব নোৱাৰে।

**তামোল-পাণৰ লোক-সংস্কৃতি ঃ** তামোল-পাণৰ প্ৰভাৱ অসমতে নহয়, ভাৰততো পৰে; কিন্তু সেইবোৰৰদ্বাৰা বাহিৰত বিশেষ ধৰণৰ চুপাৰি, গুট্‌খা আদি বনোৱা হয়। তামোল-পাণৰ প্ৰভাৱ আমাৰ লোক-সংস্কৃতিত বিশেষ ধৰণে পোৱা দেখা যায়, কিয়নো ঘৰে ঘৰে অসমীয়া মানুহৰ তামোল-পাণ থকা দেখাই যায়। মানুহক আদৰণি জনোৱা আৰু বিভিন্ন ধৰণৰ কাৰ্যৰ বাবে তামোল-পাণ বিশেষকৈ লোক-সংস্কৃতিত ব্যৱহাৰ কৰা হয়। তামোল-পাণ বুলিলে অসমীয়া লোক-সংস্কৃতি বুলি বুজা যায়।

**ইয়াৰ অপকাৰ ঃ** তামোল-পাণ অসমীয়া লোক-সংস্কৃতিৰ উপহাৰ যদিও বহু মানুহে এই তামোলৰ চুপাৰি আদি বনাই পেকেটিং কৰি বিক্ৰী কৰে; যাৰদ্বাৰা আজি বেছিভাগ মানুহৰে কেন্সাৰ আদি বহু ধৰণৰ ৰোগ হোৱা দেখা যায়। ইয়াৰ উপৰিও বহু মানুহে এই তামোলৰ চুপাৰি বনাই বহু ধৰণৰ মেডিচিন, ৰং আদি লগ কৰি নকল চুপাৰিও বিক্ৰী কৰে। যাৰদ্বাৰা সৰু ল'ৰা-ছোৱালীকে ধৰি বহুতো মানুহৰ ইয়াৰদ্বাৰা বহুতো বেমাৰ হোৱা দেখা যায়। সেয়েহে ই উপকাৰ কৰাৰ উপৰিও বহুতো অপকাৰো কৰে।

**সামৰণি ঃ** তামোল-পাণ লোক-সংস্কৃতিৰ উপহাৰ যদিও আমি তামোল-পাণৰ সন্মান বজাই ৰাখিব লাগে, লগতে সু-ব্যৱহাৰ কৰিব লাগে। তামোল-পাণ বুলি ক'লে যাতে আমি প্ৰথমে সন্মান ভাব আমাৰ মনলৈ আনিব পাৰোঁ— এইটো আমাৰ লোক-সংস্কৃতি বুলি। ❑





তৃতীয় স্থানপ্ৰাপ্ত

# অসমৰ লোক-সংস্কৃতিত তামোল-পাণ

❖ চাৰ্জিদা বেগম
স্নাতক তৃতীয় ষাণ্মাসিক

**আৰম্ভণি ঃ** অসমৰ লোক-সংস্কৃতি বাৰেৰহণীয়া। ইয়াত বিভিন্ন জাতি-উপজাতি, ধৰ্মীয়, ভাষা-সংস্কৃতিৰ লোকে বসবাস কৰে। অসমীয়া, বড়ো, ৰাভা, কছাৰী, তিৱা, মিচিং, খাচী আদি বিভিন্ন জনগোষ্ঠীৰ লোকে বসবাস কৰে। জাতি-গোষ্ঠীভেদে সকলোৰে সংস্কৃতিও ভিন্ ভিন্ হয়। অসমৰ সংস্কৃতিৰ প্ৰতীকী স্বৰূপ গামোচা, এশিঙীয়া গঁড় আদি। ইয়াৰোপৰি অসমৰ সংস্কৃতিত অন্যতম ভূমিকা পালন কৰে তামোল-পাণে।

**লোক-সংস্কৃতিত তামোল-পাণৰ ভূমিকা ঃ** অসমত বাস কৰা ভিন্ন সংস্কৃতিৰ লোকৰ ভিন্ ভিন্ আচাৰ-ব্যৱহাৰ, খাদ্যাভ্যাস আছে। সকলো জাতি-জনগোষ্ঠীয়ে নিজৰ নিজৰ সংস্কৃতি বৰ্তাই ৰাখিবলৈ চেষ্টা কৰে। ইয়াৰ ভিতৰত তামোল-পাণৰ ভূমিকা অপূৰ্ব। তামোল-পাণ হৈছে অসমীয়া সংস্কৃতিৰ প্ৰাণস্বৰূপ। অসমীয়াৰ মান তামোল-পাণ। অসমীয়া সংস্কৃতিত আতিথ্যপৰায়ণত মুখ্য ভূমিকা পালন কৰে তামোল-পাণে। ইয়াৰোপৰি অসমীয়া সমাজত বিভিন্ন ধৰণৰ উৎসৱ-পাৰ্বণ; যেনে— বিয়া-সবাহ, পূজা-পাৰ্বণ আদিতো মুখ্য ভূমিকা পালন কৰে তামোল-পাণে। অসমীয়া সমাজৰ প্ৰায় বিশ শতাংশ লোকে তামোল-পাণৰ খেতি কৰিয়েই জীৱিকা নিৰ্বাহ কৰে। ইয়াৰ জৰিয়তে মানুহে আৰ্থিকভাৱে লাভান্বিত হ'ব পাৰে। অসমীয়া লোকে আতিথ্যপৰায়ণৰ উপৰিও প্ৰতিসাঁজ খাদ্য গ্ৰহণৰ পিচতে তামোল-পাণ বিচাৰে। তামোল-পাণে অসমীয়া লোকৰ স্বাদ বৰ্ধন কৰে।

তামোল-পাণে যেনেকৈ আমাক উপকাৰ কৰে, ঠিক তেনেকৈ ইয়াৰ অপকাৰো অস্বীকাৰ কৰিব নোৱাৰি। তামোল-পাণৰদ্বাৰা মানুহে বিভিন্ন ধৰণে বিপদৰ সন্মুখীন হয়। তামোল-পাণৰ অত্যধিক সেৱনৰ ফলত বিভিন্ন প্ৰকাৰৰ ৰোগত আক্ৰান্ত হোৱা পৰিলক্ষিত হয়।

**সামৰণি ঃ** তামোল-পাণ অসমীয়া সংস্কৃতিৰ প্ৰাণ। অসমীয়া সমাজত ইয়াৰ ভূমিকা গুৰুত্বপূৰ্ণ। অসমৰ তামোল-পাণ বিদেশলৈও ৰপ্তানি হয়। গতিকে ই আৰ্থিকভাৱেও লাভান্বিত কৰে। গতিকে প্ৰতিগৰাকী অসমীয়াই ইয়াৰ অস্তিত্বক জীয়াই ৰাখিবলৈ চেষ্টা কৰা উচিত। ❑

উদগনিমূলক বঁটাপ্ৰাপ্ত

# অসমৰ লোক-সংস্কৃতিত তামোল-পাণ

❖ কৰবী দাস
স্নাতক প্ৰথম ষাণ্মাসিক

**আৰম্ভণি ঃ** অসমৰ লোক-সংস্কৃতিত তামোল-পাণ এক আপুৰুগীয়া সম্পদ। তামোল-পাণে অসমীয়া মানুহৰ মান-মৰ্যাদাক সূচায়। অসমীয়া সংস্কৃতিত যি কোনো কাম আৰম্ভ কৰাৰ আগত তামোল-পাণক আগস্থান দিয়া হয়।

যি কোনো কাম বা বিয়া-সবাহ আদি বিভিন্ন অনুষ্ঠানত তামোল-পাণ ব্যৱহাৰ হয়। আগৰ দিনত মানুহে তামোল-পাণেৰে বিয়াৰ নিমন্ত্ৰণ কৰিছিল। আহাৰ সেৱন কৰাৰ পিচত তামোল-পাণ খোৱাটো এটা নিয়ম আছিল, যিটো নিয়ম আজিৰ সমাজত কিছু কিছু মানুহেহে বজাই ৰাখিছে। যি কোনো পূজা, বিবাহ, ৰাজহুৱা অনুষ্ঠান; যেনে— দুৰ্গা পূজা, লক্ষ্মী পূজা আদিত তামোল-পাণক মূল সম্পদ হিচাপে ব্যৱহাৰ কৰে। অসমীয়া লোক-সংস্কৃতিৰ তামোল-পাণ আজি বিশ্বৰ বিভিন্ন ঠাইত ব্যৱহাৰ কৰা হয়। অসমীয়া তামোল-পাণে অসমৰ মান-মৰ্যাদা বজাই ৰাখি অহাৰ লগতে মানুহৰ বিভিন্ন খাদ্যালৈও ৰূপান্তৰ কৰি আহিছে।

**অসমৰ লোক-সংস্কৃতিত তামোল-পাণৰ মূল্য ঃ** আজিৰ লোক-সমাজত তামোল-পাণৰ মূল্য বহুত বেছি। বয়োজ্যেষ্ঠ সমাজৰ এচাম মানুহে আজিও তামোল-পাণেৰে অনুষ্ঠান-প্ৰতিষ্ঠান চলাই আহিছে। ❑

# থিতাতে লিখা ৰস-ৰচনা প্ৰতিযোগিতা

বিষয় ঃ নাৰীৰ সৌন্দৰ্য ✦ তাৰিখ ঃ ১০/১/২০২২ ইং

প্ৰথম স্থানপ্ৰাপ্ত

## নাৰীৰ সৌন্দৰ্য

❖ চাৰ্জিদা বেগম
স্নাতক তৃতীয় ষাণ্মাসিক



**সৌন্দৰ্যই** মানুহক আকৰ্ষণ কৰে। নাৰীৰ সৌন্দৰ্যও এক বিশেষ গুণ; কিন্তু এই সৌন্দৰ্যই কেৱল ৰূপ অথবা ধুনীয়া হোৱাটোকে নুবুজায়। এগৰাকী নাৰীৰ বা এজন মানুহৰ সৌন্দৰ্য প্ৰকাশ পায় তেওঁ আচাৰ-আচৰণ, ব্যৱহাৰ, পোছাক পৰিধান আদিৰ ওপৰত। নাৰীৰ সৌন্দৰ্যও এক অপূৰ্ব বিষয়।

বৰ্তমান সময়ত নাৰীৰ সৌন্দৰ্য বুলি ক'লে নাৰীৰ ৰূপ-লাৱণ্যৰ কথাকে বুজায়। নাৰী এগৰাকীয়ে তেওঁৰ ৰূপেৰে মানুহক আকৰ্ষণ কৰিবৰ বাবে নানা ধৰণৰ ৰহণ-প্ৰলেপ আদি ব্যৱহাৰ কৰে। ইয়াৰ জৰিয়তে নিজৰ সৌন্দৰ্য বৰ্ধনৰ চেষ্টা কৰে। বৰ্তমান সময়ত বিভিন্ন ধৰণৰ মেক্‌আপ, বিউটি পাৰ্লাৰ, শৰীৰৰ সৌন্দৰ্য চৰ্চাৰ লগত জড়িত বিভিন্ন প্ৰতিষ্ঠানৰ সৈতে সম্পৰ্ক ৰাখে আৰু নিজকে আকৰ্ষণীয় কৰি তুলিবলৈ চেষ্টা কৰে আৰু সৌন্দৰ্যৰ জৰিয়তে নিজৰ ব্যক্তিত্ব বিকশাই তুলিব বিচাৰে। সমাজৰ ভিতৰতে নিজকে আকৰ্ষণীয় কৰি তুলিবলৈ চেষ্টা কৰে। এগৰাকী নাৰীয়ে আনৰ মুখেৰে তেওঁৰ সৌন্দৰ্যৰ চৰ্চা হোৱাটো বিচাৰে।

কিন্তু এইবোৰৰ জৰিয়তে তেওঁ কেৱল নিজৰ বাহ্যিক সৌন্দৰ্যহে প্ৰস্ফুটিত কৰি পাৰে, তেওঁৰ আভ্যন্তৰীণ সৌন্দৰ্য বিকাশৰ নোৱাৰে। এই সৌন্দৰ্য বৰ্ধনৰ বাবে বিভিন্ন ধৰণৰ সাজ-পোছাক পৰিধান কৰে। এই সৌন্দৰ্য কিন্তু স্থায়ী নহয়। ইয়াত কেৱল তেওঁৰ ৰূপৰ সৌন্দৰ্যহে প্ৰকাশ পাইছে; কিন্তু তেওঁৰ আচাৰ-ব্যৱহাৰ, চাল-চলন, কথা-বতৰা আদিৰ জৰিয়তে তেওঁৰ প্ৰকৃত সৌন্দৰ্য প্ৰকাশ পায়। কথাতেই আছে— 'ৰূপে কি কৰে, গুণেহে সংসাৰ তৰে।' কিন্তু বৰ্তমান সময়ত এই কথাষাৰৰ সম্পূৰ্ণ বৈপৰীত্য দেখা যায়। বৰ্তমান সময়ত সকলোৱে বাহ্যিক সৌন্দৰ্যহে বিচাৰে— আভ্যন্তৰীণ ৰূপ-গুণ নিবিচাৰে। আগৰ দিনৰ মানুহে বিয়া-বাৰুৰ ক্ষেত্ৰত গুণী-জ্ঞানী ৰূপহী ছোৱালী বিচাৰিছিল; কিন্তু বৰ্তমান সময়ত ইয়াৰ বিপৰীত ৰূপ দেখা যায়। এতিয়া ৰূপ হ'লেই যথেষ্ট, গুণৰ প্ৰয়োজন নাই।

কিন্তু বাহ্যিক সৌন্দৰ্য যে স্থায়ী নহয়, বয়সৰ চাপত সৌন্দৰ্যও এদিন বিলীন হৈ যাব; কিন্তু সুন্দৰ মনৰ গৰাকী হ'লে তেওঁ মানুহৰ মাজত চিৰস্মৰণীয় হৈ থাকিব। বৰ্তমান সময়ত গুণৰ প্ৰাসংগিকতা হ্ৰাস পাইছে। বৰ্তমান সময়ত গুণতকৈ ৰূপহে শ্ৰেষ্ঠ। ❑

■ ■ ■ ■

*বাহ্যিক সৌন্দৰ্য যে স্থায়ী নহয়, বয়সৰ চাপত সৌন্দৰ্যও এদিন বিলীন হৈ যাব; কিন্তু সুন্দৰ মনৰ গৰাকী হ'লে তেওঁ মানুহৰ মাজত চিৰস্মৰণীয় হৈ থাকিব। বৰ্তমান সময়ত গুণৰ প্ৰাসংগিকতা হ্ৰাস পাইছে। বৰ্তমান সময়ত গুণতকৈ ৰূপহে শ্ৰেষ্ঠ।*

■ ■ ■ ■



দ্বিতীয় স্থানপ্ৰাপ্ত

## নাৰীৰ সৌন্দৰ্য

❖ চিত্ৰলেখা দিয়া
উঃ মাঃ প্ৰথম বৰ্ষ


**সূচনা ঃ** নাৰী সৌন্দৰ্য সচেতন। সকলো নাৰীয়ে নিজৰ চেহেৰা ধুনীয়া কৰি তুলিবলৈ চেষ্টা কৰে বা বিচাৰে। বিভিন্ন আ-অলংকাৰ, সাজ-পোছাকেৰে নিজকে সজাই তুলিবলৈ যত্ন কৰে। মুঠতে নাৰীয়ে নিজকে ধুনীয়া দেখাটো বিচাৰে।

অসমীয়া ছোৱালীৰ সৌন্দৰ্য মেখেলা-চাদৰত। যেতিয়া ছোৱালীবোৰে সুচাৰুৰূপে মেখেলা-চাদৰ পিন্ধে, তেতিয়া ইমানেই ধুনীয়া দেখি যে কোনো মেক্‌আপৰ প্ৰয়োজন নহয়; কিন্তু বৰ্তমান সময়ত দুখলগা কথা যে, আধুনিকতাই মেখেলা-চাদৰৰ প্ৰতি গুৰুত্ব নোহোৱা কৰি পেলাইছে। সকলো ছোৱালী (নাৰী)ৰ সৌন্দৰ্য বেলেগ বেলেগ। কোনোজনীৰ চুলিকোছা কঁকাললৈকে পৰা। আন কোনোজনীৰ চকু দুটি ধুনীয়া। আন কোনোবাৰ হাঁহি ধুনীয়া।

নাৰীৰ সৌন্দৰ্যৰ সকলোতকৈ ধুনীয়া অলংকাৰবিধ হ'ল চুলি। চুলিকোছা যেতিয়া দীঘল, ঘন আৰু চিধা হয়, তেতিয়া সেই ছোৱালীজনীক অতি শুৱনি দেখা যায়।

**সচেতনতা ঃ** নাৰীয়ে যেতিয়া দাপোণখনৰ আগত থিয় হৈ মনত বিভিন্ন কথাই টো খেলে— "মোৰ চুলিখিনি অলপ বেছি দীঘল হ'লে বেছি ভাল আছিল। মোৰ মুখত কিহৰ দাগ! দেখি বেয়া লাগে।" এনেবোৰ কথাই মনত বেজাৰ দিয়ে আৰু তেতিয়া সেইবোৰৰ যত্ন ল'বলৈ উঠি-পৰি লাগে। মুখখনিত কেঁচা হালধি ঘঁহে, যাতে মুখখনিৰ দাগ গুচি উজ্জ্বল হৈ পৰে। গতিকে নাৰীয়ে অনবৰত নিজৰ সৌন্দৰ্য কেনেকৈ বঢ়াব পাৰি, তাকেই চিন্তা কৰে।

যিয়ে নহওক, নাৰীৰ সৌন্দৰ্যৰ অপাৰ শক্তি। আৰু সকলোতকৈ ধুনীয়া হৈ পৰে নাৰীয়ে যেতিয়া 'মা' হয়। ❑




তৃতীয় স্থানপ্ৰাপ্ত

## নাৰীৰ সৌন্দৰ্য

❖ কবৰী দাস
স্নাতক প্ৰথম ষাণ্মাসিক

**আৰম্ভণি ঃ**

নাৰী হৈছে সমাজৰ মূল। নাৰী অবিহনে সমাজৰ বংশ বৃদ্ধি কেতিয়াও হ'ব নোৱাৰে। মানুহক এটা প্ৰজন্মৰপৰা আন এটা প্ৰজন্মলৈ নাৰীয়ে সৃষ্টি কৰে। ঠিক তেনেদৰে নাৰীৰ সৌন্দৰ্যইও সমাজত আগস্থান পাই আহিছে।

**নাৰীৰ সৌন্দৰ্যৰ ভাল প্ৰভাৱ ঃ**

আজিৰ সমাজত সুন্দৰ নাৰীৰ মূল্য বহুত বেছি। কিয়নো, এগৰাকী নাৰীৰ যদি সৌন্দৰ্য থাকে, তেতিয়া সমাজৰ সকলোৱে তেওঁৰ ওপৰত দৃষ্টি নিক্ষেপ কৰে। সমাজৰ প্ৰত্যেকজন ব্যক্তিক তেওঁ প্ৰভাৱান্বিত কৰিব পাৰে। সৌন্দৰ্যই নাৰী এগৰাকীক সমাজত এটা বিশেষ স্থানত স্বীকৃত কৰায়। আজিৰ সমাজত সৌন্দৰ্যময়ী নাৰীক বিভিন্ন স্থানত বঁটা প্ৰদান কৰা হয়। বিশ্বৰ ভিতৰত সুন্দৰী নাৰী হিচাপে আজিৰ সমাজে নাৰীক স্বীকৃতি প্ৰদান কৰে। এগৰাকী নাৰী সৌন্দৰ্যময়ী হ'বলৈ হ'লে সুস্বাদু খাদ্যৰ লগতে সু-স্বাস্থ্যৰ প্ৰয়োজন। কিয়নো, সুন্দৰ স্বাস্থ্য আৰু সুন্দৰ চৰিত্ৰ লগতে সুস্বাদু খাদ্যই নাৰী এগৰাকীক সুন্দৰী কৰি তোলে।

**নাৰী সৌন্দৰ্যৰ বেয়া প্ৰভাৱ ঃ**

এগৰাকী নাৰী সুন্দৰী হ'লে তেওঁৰ বাবে যিমান ভাল হ'ব পাৰে, তাতোকৈ বেছি বেয়া প্ৰভাৱো পৰিব পাৰে। এক কথাত ক'বলৈ গ'লে, নাৰীৰ সৌন্দৰ্যই তেওঁৰ বৈৰীও হয়। এগৰাকী নাৰী সুন্দৰী হ'লে সমাজৰ বিভিন্ন ব্যক্তিয়ে তেওঁৰ সৌন্দৰ্য নাশ কৰিবৰ বাবে যি কোনো বেয়া কাম কৰিব পাৰে, নাৰীৰ অনিষ্ট কৰিব পাৰে। সমাজৰ এচাম মানুহে নাৰীক দেৱী দুৰ্গা বুলি বিবেচনা কৰাৰ পৰিবৰ্তে তেওঁ ব্যভিচাৰী বুলি গণ্য কৰে। নাৰীৰ সৌন্দৰ্যক লৈ খেলা কৰে। হৰিণাৰ যেনেদৰে মাংসই বৈৰী, ঠিক তেনেদৰে নাৰীৰ কাৰণে তেওঁৰ সৌন্দৰ্যও বৈৰী হ'ব পাৰে। নাৰীৰ সৌন্দৰ্যৰ যোগেদি আজিৰ সমাজত এচাম মানুহে পইচা অৰ্জন কৰা দেখা যায়।

সেয়েহে আজিৰ সমাজত নাৰীৰ সৌন্দৰ্যক যিমান প্ৰাধান্য দিয়া হয়, তাৰ বিপৰীতে সেই সৌন্দৰ্যক লৈ খেলা কৰাও দেখা যায়। তদুপৰি নাৰীৰ সৌন্দৰ্যৰ যোগেদি এখন দেশৰ সন্মান বঢ়োৱাও হয়। এগৰাকী নাৰীক বিশ্বৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ সুন্দৰী ৰূপে অভিহিত কৰা হয়।

নাৰী সৌন্দৰ্যই সমাজৰ স্বীকৃতিও হ'ব পাৰে আৰু নিজক তললৈ নিয়াৰ কাৰণো হ'ব পাৰে। ❑

# থিতাতে লিখা কবিতা প্ৰতিযোগিতা

বিষয় ঃ নাৰী ✦ তাৰিখ ঃ ১০/১/২০২২ ইং

**প্ৰথম স্থানপ্ৰাপ্ত**

## নাৰী তুমি মোহময়ী

◆ অনিন্দিতা ৰাভা
বি.এম.চি. তৃতীয় ষাণ্মাসিক

এই সংসাৰৰ মায়া
তোমাৰ মায়াৰেই আবৰা,
তুমিয়ে সাতসৰী অলকানন্দা
নাৰী তুমি অনন্যা।

তুমিয়ে জন্মদাত্ৰী এই মানৱ কুলৰ
তুমিয়ে সংসাৰ গঢ়োঁতা, সংসাৰ ধৰোঁতা,
তুমিয়ে স্বাভিমানী।

তোমাৰ শিৰতেই জিলিকে
সংসাৰৰ জ্যোতি,
তোমাৰ সাজযোৰতেই সাৰ পাই উঠে
জাতিটোৰ কৃষ্টি-সংস্কৃতি।

তোমাতেই আৰম্ভ হয়
প্ৰতিটো পৰিয়ালৰ পুৱা
তুমিয়ে দিনৰ বেলি, ৰাতিৰ জোনটি,
তুমি বিনে সংসাৰ আধৰুৱা।

নাৰী, তুমি সঁচাকৈ মোহময়ী। ■



**দ্বিতীয় স্থানপ্ৰাপ্ত**

## মই নাৰী

◆ লীনা দাস
বি.এম.চি. পঞ্চম ষাণ্মাসিক

কলি হৈ ওলালোঁ
সকলোকে মুহিলোঁ
অহাই-যোৱাই চায় মোক বাটৰুৱাই
কিমান নো বাঢ়িলোঁ।

সময়ৰ সোঁতত গৈ ভৰি দিলোঁ এদিন
ৰঙে-ৰূপে ভৰপুৰ মোহময়ী ৰূপত,
মোৰ মোহময়ী ৰূপত যেন
মুগ্ধ হয় সমস্ত পৃথিবী
নিজৰ সমস্ত বাদ দি যেন
গুচি আহিব মোৰেই পৃথিৱীলৈ।

আকৌ
সময়ৰ সোঁতত গৈ ভৰি দিলোঁ এদিন
শুকান নীৰস মোৰ কুৎসিত ৰূপত,
নাই মোৰ এতিয়া সেই মোহময়ী ৰূপ
নাই মোৰ এতিয়া সেই সুগন্ধি।

জন্মিছিলোঁ যিজোপা গছত
প্ৰয়োজনহীন হৈ পৰিছোঁ এতিয়া
সেইজোপা গছত,
ৰ লাগি চোৱা বাটৰুৱায়ো যেন এতিয়া
গচকিছে মোক।

যিয়ে বিলাই দিছিলে মোৰ সুগন্ধি চৌদিশে
কোবাইছে এতিয়া মোক সেই বতাহজাকে,
পাইছিলোঁ যাৰপৰা শক্তি মই
নীৰস কৰিছে এতিয়া সেই সূৰ্যই মোক।

হয়তো এয়াই নাৰীৰ জীৱন
যি সময়ৰ সোঁতত সলনি হয়। ■



**তৃতীয় স্থানপ্ৰাপ্ত**

## মই নাৰী

◆ ৰীতা দাস
বি.এম.চি. তৃতীয় ষাণ্মাসিক

খোজে প্ৰতি উজুটি খাওঁ
তথাপিও আগুৱাই যাওঁ
জয়ৰ পিচত দৌৰি পৰাজয়হে পাওঁ
তথাপিও আগুৱাই যাওঁ।

সমাজৰ ডেউকা পাৰ কৰি
দৌৰিছোঁ জয় জয় বুলি
পখিলাৰ দৰে উৰি ফুৰা
পখিলী আজি থমকি ৰ'লোঁ।

ক'ত হেৰাল মোৰ জয়ৰ ধ্বনি
বুকুত জ্বলিছে কেৱল কান্দোনৰ বোল
সেই মানৱৰূপী দানৱজনে
অৰণ্যৰ মাজত নি মোৰ সৰ্বনাশ কৰিলে।

কি ভুল, কি পাপ,
ক'ত হেৰাল জয় জয়
ব্যৰ্থ মই, ব্যৰ্থ মই
মোৰ কি ভুল? ■



# থিতাতে লিখা পেৰডী কবিতা প্ৰতিযোগিতা

বিষয় ঃ ভোগালী বিহু ✦ তাৰিখ ঃ ১০/১/২০২২ ইং

**প্ৰথম স্থানপ্ৰাপ্ত**

## খুড়া আৰু অকণি

◆ ৰীতা দাস
বি.এম.চি. তৃতীয় ষাণ্মাসিক

দোমাহীৰ দিনা শুই উঠি
মেজিৰ জুই পুৱাবলৈ
ওলালোঁ ৰাতিপুৱা।
মা-দেউতাক সেৱা জনাই
ভোগ খালোঁ পেট ভৰাই।
তেনেতে আহিল খুড়া
বহিব দিলোঁ পীৰা।
খুড়ালৈ বুলি আগবঢ়াই দিলোঁ—
তিল পিঠা, ঘিলা পিঠা, নাৰিকলৰ লাড়ু
মৰমৰ খুড়া তুমি খাই কেনে পালা বাৰু!
খুড়াই ক'লে—
ঘিলা পিঠা ঘূৰণীয়া খাবলৈ মজা
তিল পিঠা সোৱাদযুক্ত ভিতৰখন ক'লা
দেখিবলৈ বগা নাৰিকলৰ লাড়ু
খালে পেট বেয়া কৰে
পায়খানালৈ লৰোঁ।
সান্দহৰ গুড়ি কিনো খাম
পেট গুৰ্ গুৰ্ কৰে
খুড়ীয়েও নিগনি বুলি
হেই ধুৰ্ ধুৰ্ কৰে।
জহা ধানৰ চিৰাৰ লগত
বাঁহৰ চুঙাৰ দৈ
নাকেৰে বৈ যায় ব্ৰহ্মপুত্ৰ নৈ। ■



**দ্বিতীয় স্থানপ্ৰাপ্ত**

## ভোগালী বিহু

◆ মুকুতা মেধি
স্নাতক তৃতীয় ষাণ্মাসিক

ভাগিল, ঐ ভাগিল!
গুড়াৰ লাৰু খাওঁতে
নগেনৰ দাঁত ভাগিল।

কিছু সময়ৰ আগলৈ
টেমা ভৰ্তি নাৰিকলৰ লাড়ু আছিল
এতিয়া দেখিছোঁ টেমা খালী (নগেনে খাইছে)
নগেন আছে পেটৰ বিষত কান্দি।

জলপান (দৈ-চিৰা) দেখিলেই হেনো
নগেনৰ লোভ লাগে,
জলপান খোৱাৰ কোবত (বেছিকৈ খোৱা)
নগেনে মাথোঁ গোটেই দিনটো
শৌচালয়ৰপৰা অহা-যোৱা কৰে। ■

**তৃতীয় স্থানপ্ৰাপ্ত**

## ভোগালী বিহু

◆ চিত্ৰলেখা দিয়া
উঃ মাঃ দ্বিতীয় বৰ্ষ

আহিল, আহিল,
ভোগালী বিহু
মদে-ভাতে এসাঁজ খাম
তাকে ভাবি তেখেতৰ
তত্ নাই গাত।
পাচে এইবাৰ হেনো
বিহুৰ দিনা
শুক্ৰবাৰৰ দিন
তেখেতৰ মনত ফটকা ফুটিল
খোৱা-লোৱা বন্ধ।
বিহুৰ দিনা ওলাল তেখেত
মনত গুৰুৰ ভাব,
লগৰীয়াক লগ পাই তেখেতে
মদে-মাংসেই মাৰিলে এসাঁজ। ■

# থিতাতে লিখা মুকলি চিঠি প্ৰতিযোগিতা

বিষয় ঃ স্থানীয় বিধায়কলৈ নিবনুৱা সমস্যা সম্পৰ্কে অৱগত কৰোৱা ✦ তাৰিখ ঃ ১০/১/২০২২ ইং

## প্ৰথম স্থানপ্ৰাপ্ত

প্ৰতি,

পলাশবাৰী সমষ্টিৰ স্থানীয় বিধায়ক মহোদয়ৰ সমীপেষু,

বিষয় ঃ নিবনুৱা সমস্যা সমাধান কৰা।

মহাশয়,

বিনীত নিবেদন এই যে, বৰ্তমান দিনক দিনে পলাশবাৰী সমষ্টিত শিক্ষিত নিবনুৱা সমস্যা দ্ৰুতগতিত বৃদ্ধি পাবলৈ ধৰিছে। ফলত প্ৰতিটো পৰিয়ালেই কম-বেছি পৰিমাণে আৰ্থিক সমস্যাত ভুগিবলগীয়া হৈছে। বহুতো শিক্ষিত ল'ৰা-ছোৱালীয়ে কেৱল আৰ্থিক সমস্যাৰ বাবে অতি কম মূল্যত দিন হাজিৰা কৰি কোম্পানীত কাম কৰি জীৱন নিৰ্বাহ কৰিবলগীয়া হৈছে। সেয়েহে মহাশয়ৰ ওচৰত মোৰ সবল মিনিতি, যেন আপুনি উক্ত সমস্যাসমূহৰ সমাধানৰ প্ৰতি বিহিত ব্যৱস্থা গ্ৰহণ কৰে। ইতি—

আপোনাৰ বিশ্বাসী—
**মুকুতা কলিতা**
গাঁও ঃ সৰপাৰা
(স্নাতক তৃতীয় ষাণ্মাসিক)

## দ্বিতীয় স্থানপ্ৰাপ্ত

প্ৰতি,

মাননীয় ৫০নং পলাশবাৰী সমষ্টিৰ বিধায়ক মহোদয়ৰ সমীপেষু।

বিষয় ঃ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত নিবনুৱা সমস্যাৰ প্ৰতি দৃষ্টিগোচৰ কৰাৰ বাবে আবেদন।

দিনাংক ঃ ইং ১০-০১-২০২২

মহাশয়,

সন্মানপূৰ্বক বিনীত নিবেদন। মহাশয়, আপোনাৰ জ্ঞাতাৰ্থে জনাওঁ যে, পলাশবাৰী অঞ্চলত অসংখ্য যুৱক-যুৱতীয়ে বি.এ., এম.এ. পাছ কৰাৰ পিচতো চাকৰিৰ অভাৱত ঘৰতে বহি থাকিবলগা হৈছে। উচ্চ শিক্ষা লাভৰ বাবে বহুতেই ঋণ ল'বলগাও হৈছিল; কিন্তু বৰ্তমান শিক্ষাৰ পৰিসমাপ্তিৰ পিচত ঘৰতে বহি থাকিবলগা হোৱাৰ ফলত সেই ঋণসমূহো পৰিশোধ কৰিব পৰা নাই। ইয়াৰোপৰি বহুতেই নিজাকৈ স্থানীয় ক্ষুদ্ৰ ব্যৱসায় আৰম্ভ কৰিব বিচাৰে; কিন্তু আৰ্থিক দুৰৱস্থাৰ বাবে তাকো হৈ উঠা নাই।

সেয়েহে মহোদয়ে দয়া কৰি এই সমস্যাবোৰৰ প্ৰতি লক্ষ্য ৰাখি যুৱক-যুৱতীসকলক কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰি দিয়ে যেন। অন্যথা তেওঁলোকৰ বহুতেই আত্মহননৰ পথ বাছি লোৱাও পৰিলক্ষিত হৈছে।

গতিকে মহোদয়ৰ ওচৰত এয়ে সবল মিনতি, যেন অনতি পলমে আমাৰ অঞ্চলৰ নিবনুৱা সমস্যাটো সমাধানৰ চেষ্টা চলায়। ইতি—

পলাশবাৰী সমষ্টিৰ যুৱ সংঘৰ হৈ
**চাৰ্জিদা বেগম**
স্নাতক তৃতীয় ষাণ্মাসিক

## তৃতীয় স্থানপ্ৰাপ্ত

প্ৰতি,

মাননীয় ৫০নং পলাশবাৰী সমষ্টিৰ বিধায়ক মহোদয়ৰ সমীপেষু।

বিষয় ঃ কামৰ বাবে আবেদন।

মহাশয়,

সন্মানপূৰ্বক বিনীত নিবেদন জনাওঁ যে, যোৱা দুবছৰে মই কামৰ সন্ধানত ঘূৰি আছোঁ; কিন্তু কোনো এটা কাম হাতত ল'ব পৰা নাই। সেয়েহে মহোদয়ে মোক কাম এটা দি বাধিত কৰে যেন। ইতি—

আপোনাৰ প্ৰিয় প্ৰাৰ্থী—
**চিত্ৰলেখা দিয়া**
উঃ মাঃ দ্বিতীয় বৰ্ষ

## উদগনিমূলক বঁটাপ্ৰাপ্ত

প্ৰতি,

মাননীয়, পলাশবাৰী সমষ্টিৰ স্থানীয় বিধায়ক মহোদয়ৰ সমীপেষু।

বিষয় ঃ স্থানীয় বিধায়কলৈ নিবনুৱা সমস্যাৰ সম্পৰ্কে অৱগত কৰোৱা।

মহাশয়,

সন্মানপূৰ্বক বিনীত নিবেদন এই যে, আমাৰ গাঁৱত উচ্চ শিক্ষা গ্ৰহণ কৰি কিছুমান ল'ৰা-ছোৱালী নিবনুৱা হৈ আছে। সেয়েহে আপোনাক অনুৰোধ জনাওঁ যে, এই নিবনুৱা সমস্যাৰ কিছু ব্যৱস্থা লয় যেন। এয়ে মোৰ মহোদয়ৰ ওচৰত সবল মিনতি। ইতি—

আপোনাৰ বিশ্বাসী—
**বনজিতা ৰাভা**
গাঁও- ধাঙ্গাৰগাঁও
স্নাতক তৃতীয় ষাণ্মাসিক



# থিতাতে লিখা চুটিগল্প প্ৰতিযোগিতা

তাৰিখ ঃ ১১/১/২০২২ ইং

## প্ৰথম স্থানপ্ৰাপ্ত

## সপোনে পাখি মেলিলে

◆ জুপিতৰা দাস
স্নাতক তৃতীয় ষাণ্মাসিক (বি.এম.চি.)

সপোন সকলোৱে দেখে; কিন্তু সেই সপোন বাস্তৱ কৰা প্ৰায় কমসংখ্যকে দেখোঁ। পাখি মেলি উৰিব খোজে জীৱনৰ সপোনবোৰ।

বৰিহাটৰ এজনী ছোৱালী— নাম পাহি। সৰুৰেপৰা সপোনবোৰ বহু ডাঙৰ। মন যায় তাইৰ সপোনৰ স'তে তাই আকাশত উৰিব; কিন্তু অনেক বাধাই তাইৰ পাখি কাটি দিয়ে।

পাহি সৰুৰেপৰা পঢ়া-শুনাত খুব চোকা। বয়স তাইৰ দহ বছৰ। ঘৰত বেমাৰী মাক আৰু নিবনুৱা দেউতাক। বহুত দুখীয়া ঘৰৰ ছোৱালী পাহি। খেৰৰ ঘৰৰ খিৰিকীখন মেলি সদায় ৰাতি আকাশলৈ চাই ভাবে— তাইৰ সেই মিঠা সপোনৰ কথা। যিবোৰ সপোন হয়তো বাস্তৱ নহ'ব।

ওচৰত থাকিলহেঁতেন। তাই সেইদিনাই ঠিক কৰিলে যে, তাই ডাঙৰ হৈ এজন ভাল চিকিৎসক হ'ব বৰিহাট চিকিৎসালয়ত আৰু অসহায় লোকক সহায় কৰিব।

দেউতাক বৰ অসহায় হৈ পৰিল। পাহিৰ বাবে এজনী মাক বিয়া পাতিলে। পাহিও বহু সুখী হৈছিল; কিন্তু তাইক মাহীমাকে কেতিয়াও নিজৰ বুলি ভবা নাছিল। ঘৰত নানা অশান্তিয়ে বাহ ল'লে। দেউতাকেও তাইক দিনক দিনে ভাল নোপোৱা হৈ পৰিল। পাহি সঁচাকৈ মাকক হেৰুৱাই বহু অকলশৰীয়া হৈ পৰিল।

দিন বাগৰিল, পাহিও ডাঙৰ হৈ আহিল। সেই কণমানি পাহিজনী এতিয়া বাইশ বছৰীয়া ছোৱালী। গাঁৱত পাহিয়ে এটি টিউচন চেণ্টাৰ

> *“দেউতাক বৰ অসহায় হৈ পৰিল। পাহিৰ বাবে এজনী মাক বিয়া পাতিলে। পাহিও বহু সুখী হৈছিল; কিন্তু তাইক মাহীমাকে কেতিয়াও নিজৰ বুলি ভবা নাছিল। ঘৰত নানা অশান্তিয়ে বাহ ল'লে। দেউতাকেও তাইক দিনক দিনে ভাল নোপোৱা হৈ পৰিল। পাহি সঁচাকৈ মাকক হেৰুৱাই বহু অকলশৰীয়া হৈ পৰিল।”*

এদিন-দুদিনকৈ বহুদিনেই পাৰ হ'ল; কিন্তু পাহিৰ ঘৰলৈ সুখৰ মুখখন ঘূৰি নাহিল। অসুস্থ মাক আকৌ বেছি অসুস্থ হৈ গৈ আছে। টকা-পইচাৰ অভাৱত ভাল চিকিৎসা কৰিব পৰা নাই। কি কৰিব উপায় নাই, নিবনুৱা পৰিয়াল। এদিন মাক ইমানেই অসুস্থ হৈ পৰিল যে, মাকৰ উশাহ-নিশাহ বন্ধ হৈ পৰিল। পাহি আৰু দেউতাকে মাকক বৰিহাটৰ চৰকাৰী চিকিৎসালয়খনত ভৰ্তি কৰালে; কিন্তু সেই সময়ত চিকিৎসালয়ত এজনো চিকিৎসক উপস্থিত নাছিল। যাৰ ফলত সময়ৰ অভাৱ আৰু চিকিৎসকৰ অনুপস্থিতিত মাকৰ চিকিৎসা কৰিব নোৱাৰিলে আৰু পাহিৰ মাকে চিৰদিনৰ বাবে এই পৃথিৱীৰপৰা বিদায় ল'লে।

পাহিয়ে বহুত কান্দিলে। ইমান সৰুতে তাইৰ মূৰৰপৰা মাকৰ ছাঁ নোহোৱা হ'ল। সঁচাকৈ তাই বৰ অকলশৰীয়া হৈ পৰিল। আচলতে তাইৰ মাকক সময়ত চিকিৎসা কৰা হ'লে তাইৰ মাক আজি তাইৰ

খুলিছে। তাত সৰু ল'ৰা-ছোৱালীক পঢ়ায় আৰু টকা উপাৰ্জন কৰে। সেই টকাৰে তাই পঢ়ি আছে। তাইৰ সপোন চিকিৎসক হোৱাৰ। পাহিৰ প্ৰতিভা আৰু আগ্ৰহৰ বাবে তাই সপোনৰ বাটত আগবাঢ়ি গৈ আছে। তাই দিল্লীত মেডিকেল কলেজৰপৰা ডাক্তৰ হৈ ওলাল। পাহিয়ে ডাক্তৰী পঢ়া খৰচ এটি এন.জি.অ'ৱে বহন কৰে। কাৰণ তাই উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অসমৰ ভিতৰতে পঞ্চম স্থান পাইছিল।

তাই বহু সুখী। সপোনবোৰ পূৰণ হ'ল অৱশেষত। পাহিয়ে নিজ ঠাইলৈ ঘূৰি আহে আৰু বৰিহাটৰ সেই চিকিৎসালয়খনত যোগদান কৰে। পাহি এগৰাকী সু-চিকিৎসক হৈ সমাজৰ ওচৰত থিয় হ'ল। সঁচাকৈ পাহিৰ অলেখ চেষ্টা আৰু সাহসৰ বলত তাইৰ সপোন পূৰণ হ'ল আৰু তাইৰ সপোনে পাখি মেলিলে। দেউতাকেও তাইৰ এই সৎ কৰ্ম দেখি চকু ভৰি পৰিল আৰু তাইক সাঁকোৱালি ল'লে। ■

## দ্বিতীয় স্থানপ্ৰাপ্ত

# স্মৃতি

◆ **চিত্ৰলেখা দিয়া** | উঃ মাঃ দ্বিতীয় বৰ্ষ

আগৰ বগলী পিচত, পিচৰ বগলী আগত.... কথাষিনিয়ে ৰূপালীক মাজে মাজে এৰি থৈ অহা অতীতক বিচাৰি যাতে। যেনেকৈ সোণটি, মৰমী, জোনালী আটায়ে মিলি আবেলি বাটৰ দাঁতিত বহি চেনিগুটি, লাচগুটি খেলি থকাৰ মাজতে পশ্চিমৰ ফালৰপৰা উৰি উৰি অহা বগা বগলীজাকক দেখি আটায়ে চিঞৰি চিঞৰি কৈছিল—

"আগৰ বগলী পিচত
পিচৰ বগলী আগত
লৈ যোৱা উৰুৱাই বগাকৈ বগলী
লৈ যোৱা উৰুৱাই আমাৰ মনবোৰ
চেনিগুটি, লাচগুটি আৰুনো কিমান খেলিম
মুকলি আকাশত পাতিম মেলা
তাতেই থাকিব জীৱনৰ খেলা....।"

কথাখিনিৰ শেষত আটায়ে হাত চাপৰি বজাই বজাই হাঁহি মৰা কথাটোৱে যে কিমান তৃপ্তি দিয়ে, এতিয়া ভাবিলে কিমান ভাল লাগে! এতিয়া ক'ত সেই হাঁহি! ক'ত চেনিগুটি, লাচগুটি! সকলো হেৰাই গ'ল। বগলীজাক যেন বহু দূৰলৈ গুচি গ'ল। চেনিগুটি, লাচগুটিৰ শিলবোৰ মাটিত পোত খাই ৰ'ল। আনকি লগৰীবোৰো আঁতৰি গ'ল। মাথোঁ ৰূপালীৰ বাবে হৈ ৰ'ল এক স্মৃতি।

ঃ মা, মা....। — হঠাৎ পিচফালৰপৰা পোনাকণৰ মাত শুনিলে।

ঃ মা, মোক ম'বাইলটো দিয়াচোন; মই গেম খেলোঁ।

ঃ পোনা, আজি ম'বাইলত গেম খেলিব নালাগে। মই আজি তোমাক এটা ধুনীয়া খেল শিকাম আহাচোন।

ঃ মা, কিনো খেল শিকাবা?

ঃ ব'বা, আজি তোমাক মই লাচগুটি খেলিবলৈ শিকাম। ব'বা, শিল কেইটামান বিচাৰি আনো।

ৰূপালীয়ে শিলগুটিৰে পুতেক পোনাকণক লাচগুটি খেলটো শিকাবলৈ বহুত চেষ্টা কৰিলে; কিন্তু পোনাকণে ক'লে—

ঃ মা, কি এইবোৰ খেল! মোৰ অলপো ভাল লগা নাই। দিয়া, মোক ম'বাইলটো। মই গেম খেলোঁ।

ৰূপালীয়ে পোনাকণক বুজাবলৈ চেষ্টা কৰিলে যে, এয়া পুৰণি খেল। সিহঁতে যে সৰু থাকোঁতে কিমান খেলিছিল! কিমান ভাল লাগিছিল! কিন্তু এই আধুনিক প্ৰযুক্তিবিদ্যাই এইবোৰ খেলৰ আনন্দ হ্ৰাস কৰি পেলালে।

ৰূপালীয়ে খঙত নে দুখত শিলবোৰ দলিয়াই দিলে। এনেকুৱা লাগিছিল যেন তাইৰ মনৰ মাজত লুকাই থকা হেজাৰ হেজাৰ স্মৃতিবোৰ দলিয়াই পেলাই দিব বিচাৰিছে; কিন্তু সকলো মৃত্যু হ'লেও স্মৃতিৰ কেতিয়াও মৃত্যু নহয়। ■

## তৃতীয় স্থানপ্ৰাপ্ত

# বেদনা অন্তহীন

◆ **নিবেদিতা ৰাজবংশী** | স্নাতক প্ৰথম ষাণ্মাসিক

"ঐ শুনচোন, ক'ত যা?" —বুলি ৰাহুলে ৰূপমক মাতিলে।

তাৰ উত্তৰত সি ক'লে— "কি হ'ল অ'?"

ৰাহুলে ক'লে— "মীনা বাইতৰ ঘৰখন কি হ'ল গৈ চাচোন! ইমান ধুনীয়াকৈ চলি থকা সুখৰ সংসাৰখন.....!"

এখন সৰু চহৰত বাস কৰে গোপাল আৰু মীনা। গোপালে মীনাক ঘৰৰ অমতত বিবাহ কৰাইছিল। কাৰণ গোপাল আছিল ব্ৰাহ্মণ সম্প্ৰদায়ৰ ল'ৰা আৰু মীনা আছিল শূদ্ৰ পৰিয়ালৰ ছোৱালী। সেইবাবে সিহঁতক গোপালৰ ঘৰত থাকিবলৈ বাধা দিয়া হৈছিল। সিহঁত দুজনে মিলি নিগাজিকৈ বাস কৰিলে। সৌভাগ্যক্ৰমে আৰু ভগবানৰ আশীৰ্বাদত গোপাল এজন ডাঙৰ অফিচাৰ হ'ল আৰু মীনা এখন চৰকাৰী স্কুলৰ শিক্ষয়িত্ৰী হ'ল। সিহঁতৰ সংসাৰখন ধুনীয়াকৈ চলিব ধৰিলে।

এদিন গোপালৰ মাকে সিহঁতক ক্ষমা বিচাৰি ক'লে— "বাপা ঐ, মোৰ সোণ, মোৰ বহুত ডাঙৰ ভুল হৈ গ'ল গৈ অ'! আৰু মোৰ বোৱাৰীজনী, তহঁতে ইয়াত আৰু থাকিব নালাগে। ব'ল, ঘৰৰ মানুহ ঘৰলৈ ব'ল।" সিহঁতে মাকৰ কথা শুনি ঘৰলৈ গ'লগৈ। দুদিনমান ভালকৈ চলিব ধৰিলে। দিন বাগৰাৰ পিচত সিহঁতৰ দৰমহা গোপালৰ ঘৰৰ মানুহে হাত কৰিব ধৰিলে আৰু মীনাক বহুত অত্যাচাৰ কৰিব ধৰিলে। গোপালৰ ঘৰত আছিল মাক-দেউতাক আৰু ভনীয়েক দুজনী। সিহঁতৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি এদিন সিহঁত আকৌ আগৰ থকা ঠাইলৈ উভতি আহিল। সিহঁতৰ এটা ল'ৰা সন্তান জন্ম পালে। এতিয়া সিহঁতৰ সুখৰ সীমা নাই। ল'ৰাজনেও বাৰ বছৰত ভৰি দিলেহি। ল'ৰাজন পঢ়া-শুনাত বৰ চোকা।

আন এদিনৰ কথা। গোপাল ক'ৰবাত যাবলগা হ'ল। উভতি অহাত গোপাল অহা গাড়ীখনৰ ব্ৰেক ফেইল হৈ গোপাল মৃত্যুমুখত পৰিল। খবৰটো শুনি মীনাৰ মূৰত সৰগ ভাগি পৰিল। তাই অকলে ল'ৰাটো লৈ কি কৰিব? মীনাৰ সদায় একেটাই চিন্তা— তাই পাহৰিব পৰা নাই গোপালৰ স্মৃতি। বহু সপোন আছিল গোপালৰ। এতিয়া কেনেকৈ মীনাই অকলে সেই সপোনবোৰ পূৰণ কৰিব?

মীনাৰ যেন দিন যোৱাৰ লগে লগে একো কথা মনত নথকা হৈ পৰিল। অৱশেষত তাই চাকৰিটোও এৰি দিবলগাত পৰিল। অসুস্থ হৈ পৰিল মীনা। ল'ৰাজনে ঘৰৰ সকলোবোৰ কাম-কাজ কৰে। মাকৰো বহুত যত্ন লয়।

এদিন মীনাও এই পৃথিৱীৰপৰা একেবাৰে গ'লগৈ। ল'ৰাজন এতিয়া অকলশৰীয়া হৈ পৰিল। ল'ৰাজনৰ দুখৰ সীমা নোহোৱা হ'ল। এক বুজাব নোৱাৰা মৰ্মান্তিক বেদনাত সি ভুগিব ধৰিলে। তাৰ যেন বেদনা অন্তহীন। ■



## উদগনিমূলক বঁটাপ্ৰাপ্ত

# মাহীমাৰ শাস্তি

◆ **ৰীতা দাস** | স্নাতক তৃতীয় ষাণ্মাসিক

ৰীমা এজনী বাৰ বছৰীয়া ছোৱালী। তাই সৰু থাকোঁতে মাক ঢুকাইছিল। ৰীমা বহুত শান্ত-শিষ্ট ছোৱালী। পঢ়া-শুনাত বৰ চোকা তাই। দেউতাকে ৰীমাৰ কথা ভাবি দ্বিতীয় বিবাহ কৰালে। ৰীমাই তাইৰ মাহীমাকক মাক বুলি ভাবি বহুত মৰম কৰিছিল; কিন্তু মাহীমাকে তাইক অলপো ভাল নাপায়। দেউতাক থকা অৱস্থাত ভালপোৱাৰ অভিনয় কৰে, নথকাত ৰীমাৰ আলৈ-আথানি কৰে।

ৰীমাক বিদ্যালয়ৰ ছাত্ৰ-বাইদেউসকলে বহুত মৰম কৰে। তাইৰ ব্যৱহাৰ-পাতিও খুব সুন্দৰ আৰু গাঁৱৰ মানুহৰ প্ৰশংসাও ৰীমাই বুটলিবলৈ সক্ষম হৈছে।

এদিন দেউতাক ব্যৱসায়ৰ কাৰণে বিদেশলৈ গ'ল। মাহীমাকে দেউতাক নথকা অৱস্থাত ৰীমাক বহুত শাস্তি দিয়ে। ৰীমাই তাৰ পিচতো মাহীমাকক ভাল পাইছিল। দিন বাগৰি ৰীমাৰ মেট্ৰিক পৰীক্ষা কাষ চাপিল। ৰীমাই কিতাপ পঢ়িবলৈ ল'লে মাহীমাকে ৰীমাক গৰম লোহাৰে কোবায়। ঘৰৰ কাম-বন কৰিও ৰীমাই বহুত কষ্টত দিন কটাই আছে। এদিন পঢ়ি থকা অৱস্থাত ৰীমাৰ বহী-কিতাপ মাহীমাকে জ্বলাই দিয়ে। ৰীমাই কান্দি কান্দি উপায়বিহীন হৈ পৰে। এই কথা বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ কাণত পৰে, লগতে লগৰীয়া ছোৱালীকেইজনীৰ কাণত পৰে। ৰীমালৈ সিহঁতৰ দুখ ওপজে। এদিন ৰীমাক প্ৰধান শিক্ষক আৰু লগৰীয়াকেইজনীয়ে মাতি আনি ক'লে— "তুমি আমাৰ ঘৰত থাকি পঢ়িবা।" প্ৰধান শিক্ষকজনে এনেদৰে ক'লে— "তুমি আমাৰ মাইনাৰ লগত পঢ়িব পাৰিবা।" লগৰীয়া ছোৱালীকেইজনীয়েও তেখেতৰ কথাত হয়ভৰ দিলে— "আমিও তোমাক সহায় কৰিম।" তেতিয়া ৰীমাৰ মুখত হাঁহি বিৰিঙি উঠিল।

দিন বাগৰি মেট্ৰিক পৰীক্ষা কাষ চাপিল। প্ৰধান শিক্ষকৰ ঘৰৰপৰা ৰীমাই পৰীক্ষা দিলে। পৰীক্ষা শেষ হোৱাৰ পিচত ঘৰলৈ অহাত মাহীমাকে ৰীমাক আকৌ আগৰ দৰে শাস্তি দিবলৈ ধৰিলে। ৰীমাই তেনেকৈ থাকি মাকলৈ মনত কৰি কান্দি থাকে। অৱশেষত মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট ওলাল। ৰীমা প্ৰথম হৈ উত্তীৰ্ণ হ'ল। এই কথা মাহীমাকে শুনি ৰীমাক মাৰিবলৈ ওলাল। তেনেতে দেউতাক আহি তাইক বাধা দিলে আৰু সকলো কথা ৰীতাই বিৱৰি ক'লে। দেউতাকে মাহীমাকক মাৰি মাৰি ঘৰৰপৰা খেদি পঠালে। ৰীমা আৰু দেউতাক সুখেৰে চলি থাকিল। ৰীমাই ডাক্তৰ কলেজ এখনত ছিট পালে আৰু দিনবোৰ ধুনীয়াকৈ দেউতাকৰ লগত পাৰ কৰিব ধৰিলে। এদিন ৰীমাই ডাক্তৰনী বাইদেউ হৈ গাঁৱৰ মানুহৰ যতন ল'লে। ■

# এটি কৰুণ কাহিনী

◆ **সংগীতা বৈশ্য** | স্নাতক প্ৰথম ষাণ্মাসিক

দুজনী ছোৱালী আৰু এজন ল'ৰা। সিহঁতৰ মাক-দেউতাক নাছিল। সিহঁতে সৰুৰেপৰা বহু কষ্ট আৰু অভাৱৰ মাজেৰে ডাঙৰ-দীঘল হৈছে। ডাঙৰ ছোৱালীজনী পঢ়াত বহুত চোকা আছিল। তাই আনৰ ঘৰত কাম কৰি যিখিনি পইচা পায়, ঘৰখন চলাওঁতেই যায়। তেতিয়া তাৰ সৰু ভনীয়েক চুমি আৰু ভায়েক বিংকু সৰু আছিল। তাই এইফালে ভায়েক-ভনীয়েক আৰু আনফালে স্কুল আৰু কাম— দুয়োখিনি কাম তাই ভাঙৰ হিচাপে চম্ভালিবলগা হয়।

পিংকীয়ে গাঁৱৰে এখন হাইস্কুলত পঢ়ে। তাই এতিয়া দশম শ্ৰেণীৰ ছাত্ৰী। তাইৰ এতিয়া মেট্ৰিক পৰীক্ষা। তাইক স্কুলৰ ছাত্ৰ-বাইদেউসকলে বহুত ভাল পাইছিল। তাইক যিমান পাৰে শিক্ষক-শিক্ষয়িত্ৰীসকলে সহায় কৰিছিল। তাই মেট্ৰিক পৰীক্ষাত প্ৰথম স্থান লাভ কৰিলে আৰু তাই সেইদিনা বহুত সুখী। তাইৰ লগতে স্কুলৰ ছাত্ৰ-বাইদেউ, বন্ধু-বান্ধৱী, ভায়েক-ভনীয়েক সেইদিনা বহুত সুখী হৈছিল। এতিয়া তাইৰ এটাই চিন্তা, তাই এখন ভাল কলেজত নামভৰ্তি কৰিব; কিন্তু সেই সময়ত কলেজবোৰত বহুত পইচা লাগিছিল। তাই আছিল এগৰাকী অভাৱী ঘৰৰ ছোৱালী। তাই ভাবিবলৈ ধৰিলে যে, তাই এইখিনিতে পঢ়া সামৰিব লাগিব। এইবাৰ তাইৰ ভনীয়েক অষ্টম শ্ৰেণীত আৰু ভায়েক তৃতীয় শ্ৰেণীত। ইফালে তাই পঢ়াৰ খৰচ উলিয়াব নে ভায়েক-ভনীয়েকক পঢ়াব— তাই দোমোজাত পৰিল। এদিন এগৰাকী তাইৰ স্কুলৰ শিক্ষয়িত্ৰী তাইৰ ঘৰলৈ আহি তাইক সুধিছিল— "তুমি আৰু কি পঢ়িবা?" তেতিয়া তাইৰ দুচকুৰে চকুপানী নিগৰি আহিল আৰু তাই কান্দি কান্দি ক'লে— "বাইদেউ, মোৰ আৰু পঢ়া নহ'ব। মই কেনেকৈ পঢ়িম? মোৰ পঢ়াৰ পইচা ক'ত পাম?" তেতিয়া শিক্ষয়িত্ৰীগৰাকীয়ে তাইৰ পঢ়াৰ বাবে প্ৰয়োজন হোৱা সকলো সাজ-পোছাক, টকা-পইচা আদি সকলো দিম বুলি ক'লে। তেতিয়া তাই শিক্ষয়িত্ৰীগৰাকীক সাবটি ধৰি ক'লে— "সঁচাই আজি মই বহুত সুখী বাইদেউ।" শিক্ষয়িত্ৰীগৰাকীয়ে তেনেদৰে কোৱাৰ পিচত পিংকীয়ে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তি কৰিলে। এতিয়া তাই ভালদৰে পঢ়া-শুনা কৰি আছে।

বৰ্তমান পিংকী এগৰাকী শিক্ষয়িত্ৰী। তাই আজি বহুত সুখী। তাই এতিয়া এখন বিদ্যালয়ত কৰ্মৰত। এদিন সিহঁতৰ ঘৰলৈ এজন অচিনাকি মানুহ আহিছিল আৰু তাইৰ ভায়েকে তাইক মাতিবলৈ বিদ্যালয়লৈ গৈছিল, যিহেতু তাই কৰ্মৰত হৈ থকা বিদ্যালয়খন ওচৰতে। তাইক মাতিবলৈ গৈ থাকোঁতে এটা মটৰ দুৰ্ঘটনাত ভায়েক ঢুকাই থাকিল। যদিও তাক চিকিৎসালয়লৈ লৈ গৈছিল, তথাপি ভায়েকক বচাব নোৱাৰিলে। ঠিক সেইদৰে ভনীয়েকো স্কুললৈ গৈ থাকোঁতে মটৰ দুৰ্ঘটনাত ঢুকাল।

সঁচাই পিংকীৰ জীৱনটো বহুত দুৰ্ভগীয়া। এতিয়া তাই হাঁহিবলৈ পাহৰি গৈছে আৰু মানসিকভাৱেও ভাগি পৰিছে। ■

# আকস্মিক লিখিত প্ৰতিযোগিতা

তাৰিখ ঃ ১১/১/২০২২ ইং

প্ৰথম স্থানপ্ৰাপ্ত

## বন্ধুত্ব

◆ **জুপিতৰা দাস** | বি.এম.চি. তৃতীয় ষাণ্মাসিক

বন্ধুত্ব এটি শব্দ নহয়, নহয় অৰ্থহীন শব্দ। বন্ধুত্ব এটি মিঠা অনুভূতি, প্ৰতিজন লোকৰ হৃদয়ৰ ধপ্‌ধপনি সদৃশৰ দৰে এটি কোমল হৃদয়ৰ স্পন্দন। বন্ধুত্বৰ কথা কৈ কেতিয়াও শেষ কৰিব নোৱাৰি। আমি জন্মৰপৰা সম্পৰ্কবোৰ মা, মামা, আইতা, ভাই, ভনী— এইবোৰ নিজে হৈ যোৱা সম্পৰ্ক; কিন্তু বন্ধুত্ব সম্পৰ্কটো আমি নিজে গঢ়োঁ আৰু সেই সম্পৰ্কটো ভালে ৰাখিলে চিৰস্থায়ী হৈ ৰৈ যায়। বন্ধুত্বৰ সম্পৰ্ক সদায় এটি বুজাব নোৱাৰা সম্পৰ্ক।

আমি কিছুমান কথা ঘৰৰ মানুহৰ স'তে Share কৰিব নোৱাৰোঁ; কিন্তু বন্ধুৰ স'তে Share কৰিব পাৰোঁ আৰু মনটো অলপ পাতল কৰিব পাৰোঁ। আমি সদায় বন্ধুৰ স'তে একতা হৈ থাকিব লাগে। আমাৰ জীৱনত বহু বন্ধু আহে আৰু বহু গুচি যায়; কিন্তু কিছুমান বন্ধু সদায় আমাৰ ওচৰত থাকে। আমাৰ জীৱনত বহু বন্ধু থাকে, কিন্তু সকলোৰে এজন বা দুজন অন্তৰংগ বন্ধু থাকে। যিয়ে নিজ বন্ধুৰ বাবে সকলো কৰিব পাৰে।

আমি সদায় সৎ বন্ধুৰ স'তে বন্ধুত্ব স্থাপন কৰিব লাগে। সৎ বন্ধুৱে আমাক সৎ পথ দেখুৱায় আৰু আমাৰ জীৱন ৰঙীণ কৰি তোলে। আচলতে বন্ধুত্ব মানুহ চাই নহয়, কোনো Specialৰ লগত নহয়; যাৰ লগত হয়, তেৱেঁই Special হৈ যায়।

সঁচা বন্ধুত্ব গঢ়িবলৈ হ'লে আমি নিজে সঁচা আৰু Loyal হ'ব লাগে। বন্ধুত্ব যদিও তিনিটা আখৰৰ এটি শব্দ, তাত লুকাই থাকে অনেক লোকৰ হৃদয়ৰ অনুভূতি। আমি বন্ধুৰ লগত দুদিনমান লগ হৈয়ে গম পাব লাগে, আচলতে কোন আমাৰ প্ৰকৃত বন্ধু। বন্ধুত্ব গঢ়াৰ পিচত কেতিয়াও বন্ধুৰ লগত বেইমানী কৰিব নালাগে।

সুখ-দুখৰ সময়ত প্ৰকৃত বন্ধু আমাৰ ওচৰত সদায় থাকে। এই ডাঙৰ পৃথিৱীখনত ভাল Best Friend পোৱাটো সঁচাকৈ বহু ভাগ্যৰ কথা।

শেষত সকলোৰে বন্ধুত্বৰ এনাজৰীডাল যাতে টান হৈ ৰয়, তাৰে কামনা কৰিলোঁ। Love You মোৰ প্ৰিয় বন্ধু-বান্ধৱীসকল, ভগৱানে তোমালোকক সদায় কুশলে ৰাখে যাতে। Love You— বহুত ভালপাওঁ মোৰ প্ৰিয় বন্ধু-বান্ধৱীসকল। মোৰ Best Friend কেইজনী হ'ল— জুৰি, ভাৱনা, বুলি; সিহঁতে মোক বহুত ভাল পায় আৰু ময়ো খুব ভালপাওঁ। ■

দ্বিতীয় স্থানপ্ৰাপ্ত

## ক'ৰোনা মহামাৰী

◆ **ৰীতা দাস** | স্নাতক তৃতীয় ষাণ্মাসিক

বৰ্তমান দেশত ক'ৰোনা মহামাৰী এটা জ্বলন্ত সমস্যা। দেশৰ চুকে-কোণে সকলো ঠাইতে বিয়পি পৰিছে এই ভাইৰাছবিধ। ইয়াৰ উৎপত্তি হৈছে চীন দেশত। আমি জনা মতে, চীন আমাৰ দেশতকৈ বৈজ্ঞানিকৰ ফালৰপৰা চহকী, উৎকৃষ্ট মানৱ দৰবেৰে মানুহৰ কাৰণে চীনে এই ভাইৰাছবিধ আবিষ্কাৰ কৰে। ২০১৯ চনৰপৰা দেশত হাবাশান্তি হৈ পৰে। ইফালে এযাৰ কথা আছে— আনলৈ বুলি খন্দ পুতি, নিজে মৰে ফুটি। অৰ্থাৎ চীন দেশত এইবিধ ভাইৰাছত বহুতো মানুহৰ প্ৰাণহানি হয়। লগতে চুবুৰীয়া দেশ তথা ৰাজ্যজুৰি সকলোতে এইবিধ ভাইৰাছে মাৰাত্মক ৰূপ ধাৰণ কৰিছে। শ্মশানৰ ঠাইৰ অভাৱ হৈ পৰিছে মানুহৰ মৃতদেহ জ্বলাবলৈ। ক'ৰোনা ভাইৰাছৰ আন এটি নাম Covid-19। এদিনত প্ৰায় হাজাৰ-দুই হাজাৰ মানুহৰ মৃত্যু হয়। ২০১৯ চনত লাহে লাহে আহি ২০২০ চনতো মাৰাত্মক কৰি তুলিছে। দেশত লক্‌ডাউন, মাথোঁ লক্‌ডাউন। চাৰিওফালে লক্‌ডাউন। মধ্যবিত্ত মানুহৰ লগতে দুখীয়া মানুহখিনি বহুতো অসুবিধাৰ সন্মুখীন হ'বলগা হৈছিল। দিন হাজিৰা কৰা মানুহে দিনত যি দুপইচা পায়, সেইখিনিও নোপোৱা পৰিস্থিতি হৈছিল। কেনেকৈ' যে পাৰ কৰিছিল দিনবোৰ। ভাবিলে ভয় লাগে— স্কুল-কলেজ, সকলো শিক্ষানুষ্ঠান বন্ধ কৰি দিছিল। ল'ৰা-ছোৱালীবোৰৰ পঢ়া-শুনাত বাধা হৈ পৰিছিল। এই ক'ৰোনা মহামাৰীৰ বাবে। দোকান-পোহাৰ, সকলো চৰকাৰী-বেচৰকাৰী অনুষ্ঠান বন্ধ কৰি দিছিল। লক্‌ডাউনত উচ্চখাপৰ মানুহখিনিয়ে দুখীয়া শ্ৰেণীৰ মানুহখিনিক সাহায্য প্ৰদান কৰি কিছু সকাহ দিছিল। ২০২১ চনতো ঠিক তেনেকৈয়ে এই মহামাৰীৰ বাবে ইমান ডাঙৰ ডাঙৰ পৰীক্ষাবোৰ বাতিল কৰিবলৈ বাধ্য হৈছিল চৰকাৰে। লগতে ক'ৰোনা মহামাৰীৰপৰা পৰিত্ৰাণ পোৱাৰ নিয়ম কিছুমান—

(১) মাস্ক পৰিধান

(২) Hand Washing কৰা

(৩) ঘৰত থাকক, সুৰক্ষিত থাকক

(৪) লগতে চৰকাৰৰ ফালৰপৰা দেশৰ কোটি কোটি মানুহলৈ ভেক্‌চিন 1st Dose, 2nd Dose প্ৰদান কৰিছে।

এনেকৈ ২০২১ বৰ্ষৰ ছমাহ যোৱাৰ পিচত অলপ সীমিত হ'ল এই ভাইৰাছবিধ। বৰ্তমান ২০২২ চনত আকৌ লাহে লাহে দেখা দিছে এই ভাইৰাছবিধ। ■



তৃতীয় স্থানপ্ৰাপ্ত

## গছ

◆ **ভনিতা দাস** | উঃ মাঃ প্ৰথম বৰ্ষ


প্ৰকৃতিৰ সকলোতকৈ মূল্যবান সম্পদ হ'ল গছ। বৰ্তমান যুগত গছ-গছনিৰ পৰিমাণ দিনক দিনে কমি আহিছে আৰু এনেকৈ গছ-গছনিৰ পৰিমাণ কমি গৈ থাকিলে আমাৰ আহি থকা নৱ-প্ৰজন্মৰ বাবে গছ-গছনি আৰু অক্সিজেনৰ অসুবিধা হ'ব। দিনক দিনে পাহাৰৰ মাটি কটা আৰু গছ-গছনি কটা বাবে ভূমিৰ অৱক্ষয় হ'ব ধৰিছে আৰু আমি মাটিৰ অৱক্ষয় হ্ৰাস কৰিবলৈ পাহাৰৰ এঢলীয়া ঠাইত গছ-গছনি ৰোপণ কৰি মাটিৰ অৱক্ষয় ৰোধ কৰিব পাৰোঁ। গছ-গছনিৰপৰা গৃহ নিৰ্মাণৰ সামগ্ৰী নিৰ্মাণ কৰিব পাৰি, বিভিন্ন ঔষধি ফল-মূল আদিও পাব পাৰি। গছ-গছনি কমি যোৱাৰ লগে লগে প্ৰদূষণৰ পৰিমাণ দিনক দিনে বাঢ়িব ধৰিছে। আমি গছ-গছনি বা শস্য উৎপাদন কৰিলে ৰাসায়নিক বা কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰিব নালাগে, কাৰণ ৰাসায়নিক বা কীটনাশক দ্ৰব্যই মাটিৰ গুণাগুণ হ্ৰাস কৰে আৰু মাটি প্ৰদূষণ কৰে। গছ-গছনি বা শস্য ৰোপণ কৰোঁতে জৈৱিক সাৰ ব্যৱহাৰ কৰিব লাগে। যি এই মাটিৰ গুণাগুণ বৃদ্ধি কৰে আৰু মাটিৰ কোনো ধৰণৰ ক্ষতিসাধন নকৰে, বৰং গছ-গছনিক ভালকৈ ডাঙৰ-দীঘল হোৱাত সহায় কৰে। আপোনালোকে যদি এখন সুস্থ-সবল পৃথিৱীত বাস কৰিব বিচাৰে, তেনেহ'লে গছ-গছনি কটা কম কৰক। এডাল গছ কাটিলে দহডাল গছ ৰোপণ কৰিব লাগে। গছ-গছনি কমি যোৱাৰ ফলত সূৰ্যৰ অতি বেঙুনীয়া ৰশ্মি আমাৰ শৰীৰত পৰিবলৈ ধৰিছে, যাৰ ফলত বিভিন্ন ধৰণৰ বেমাৰবোৰ হ'বলৈ ধৰিছে। কাৰণ সূৰ্যৰ অতি বেঙুনীয়া ৰশ্মিৰপৰা আমাক বায়ুমণ্ডলৰ ষ্ট্ৰেটোস্ফিয়েৰ অঞ্চলত বিয়পি থকা অ'জ'ন গেছে গ্ৰাস কৰে আৰু গছ-গছনি কমি যোৱাৰ ফলত সেই অ'জ'ন গেছত কিছুমান সৰু ফুটা হ'বলৈ ধৰিছে। যাৰ ফলত সূৰ্যৰ অতি বেঙুনীয়া ৰশ্মি আমাৰ শৰীৰত পৰিছে। ❑

## ওঁঠ

◆ **চিত্ৰলেখা দিয়া** | উঃ মাঃ দ্বিতীয় বৰ্ষ

ওঁঠ হৈছে মানুহৰ শৰীৰৰ এটা অংগ। যাৰ সহায়ত আমি কথা ক'ব পাৰোঁ। ওঁঠযুৰিৰ সহায়েৰে আমি খোৱা-লোৱা কৰিব পাৰোঁ। ওঁঠযুৰি নহ'লে আমি জীয়াই থকাটো সম্ভৱ নহয়; কাৰণ ওঁঠযুৰিৰ সহায়ত আমি মানুহৰ লগত মনৰ ভাব প্ৰকাশ কৰিব পাৰোঁ। তদুপৰি ওঁঠ দুটিয়ে মুখৰ সৌন্দৰ্য বঢ়ায়। যেতিয়া ছোৱালীবোৰে ওঁঠযুৰিত ৰঙা বা গুলপীয়া ৰং বোলায়, তেতিয়া দেখিবলৈ মোহনীয় হৈ পৰে।

সকলো মানুহৰে ওঁঠযুৰিৰ আকাৰ অলপ সৰু-ডাঙৰ হয়— কাৰোবাৰ সৰু, আন কাৰোবাৰ অলপ ডাঙৰ। গতিকে ওঁঠযুৰিয়ে আমাক জীয়াই থকাত সহায় কৰাৰ লগতে সৌন্দৰ্য বঢ়ায়। ওঁঠ দুটি ধুনীয়া কৰি ৰাখিবলৈ ছোৱালীবোৰে যত্ন কৰে। বহুতো দোকানত পোৱা বস্তু ব্যৱহাৰ কৰি ওঁঠযুৰিৰ সৌন্দৰ্য বঢ়াব বিচাৰে। ❑



## MOBILE PHONE

◆ **Sehnaz Parveen** | H.S. 2nd Year

Mobile phone is our part of life. Without mobile phone we cannot survive properly now a day. Mobile phone important part of our daily life, because now phone is need for student more online classes, notes etc. because of Covid-19. It is not only important for student for teacher also other people to contact relative and friends now people for video calling, whatsapp, other social media they keeped contact that social media so on. Mobile phone has bad and good qualities. Bad qualities are mobile phone maked weak our eyes more students, for daily use children are not playing out door game because of mobile phone they play game in mobile so. Good qualities are it is more helpful also student for study. If we use more than how much to need it is harmful for us so we need mobile phone but we have to know properly to use. ❑

# DIFFERENT ACTIVITIES OF
## N.S.S. UNIT : 2021-2022

**1.** Gandhi Jayanti Celebration at Dakshin Kamrup Girls' College, Mirza. The National Service Scheme unit of Dakshin Kamrup Girls' College, Mirza celebrated Gandhi Jayanti on 02/10/2021. AS a part special occasion, the NSS volunteers of the College participated in plug and freedom run under the guidance of the NSS programme officer Dr. Mitali Kathkatia. The volunteers devoted their day by cleaning the surrounding of their localities to promote a sense of cleanliness among people. The programme was inaugurated by singing the devotional song widely popularized by Mahatma Gandhi "Raghupati Raghava Rajaram" A plantation derive was also organized. Former principal of the college Dr. Gajendra Adhikary and Principal Dr. Ranjan Bhuyan inaugurated the plantation drive by planting saplings. Faculty members of the college took active part in the programme. The event ended with a light refreshment.

**2.** The COVID-19 pandemic has had a major impact on people's mental health. Some groups, including health and other frontline workers, students, people living alone, and those with pre-existing mental health conditions, have been particularly affected.

During the world Health Assembly in May 2021, Governments around the world recognized the need to scale up quality mental health services at all levels.

The theme of World 0 Day 2021 is "Mental Health in an Unequal World"

Accordingly, the NSS Unit and Dept of English, Dakshin Kamrup Girls' College, Mirza celebrated the World Mental Health Day on 10-10-2021.

The keys to mental health were discussed by Dr. Mitali kathkatia, PO, NSS Unit.

Dr. Minakshi Bairagi, Associate professor Dept. of English delivered her speech on the importance of maintaining a sound mental health for a balanced life.She also encouraged the volunteers to devote their leisure time to creative work. Few physical exercises were also demonstrated by Dr. Mitali Kathkatia.

40 students of the college participated in the programme.

**3.** "Rashtriya Ekta Diwas" or the National Unity Day was celebrated on 31st October 2021 in Dakshin Kamrup Girls'College, Mirza under the initiative of the NSS Unit of the College. The day commemorates the birth anniversary of Sardar Vallabhbhai Patel who played an important role in uniting India. Known as the 'Iron Man' of was also a founding leader of the Republic of India. A series of activities were conducted by the Unit to mark the occasion. The "Rashtriya Ekta Diwas Pledge" was taken by all the students of college under the guidance of the faculty members. It was followed by brief lectures delivered by Dr. Ranjan Bhuyan, Principal, in-charge of the College, and faculty members. A painting competition was also organized in Sontola primary school on "Ekota" which was followed by an awareness speech on the importance of the day by Dr. Mitali Kathkatia, PO, NSS unit of the college. The volunteers also actively participated in a campus-cleaning activity. The occasion reaffirmed the importance of unity, integrity and security amongst the students and staff and the inherent strength and resilience of our nation to withstand any actual and potential threat.

**4.** The National Constitution Day was celebrated by the NSS Unit of Dakshin Kamrup Girls' College, Mirza in association with the Dept. of Political Science on 26th of November 2021. As a part of the celebration, a lecture was organized by the unit on the need of celebration of the Day and on the significance of the Constitution Preamble. The keynote speaker of the programme was Prof. Haren Das, Associate professor, Dept. of political science Dakshin Kamrup Girls' College, Mirza.

Students and teachers from different departments, NSS volunteers and the Program Officer attended the talk.

During the talk, the speaker explained in details

- the need of the constitution
- the history of the Indian Constitution
- People behind Constitution of India, and the Preamble to the constitution.

Dr. Ranjan Bhuyan, Principal in-charge of the College also delivered a brief speech on the significance of celebrating the Day. The lecture ended with an interactive session which lasted for almost half an hour.

**5.** The National Youth Day was celebrated by the NSS unit of Dakshin Kamrup Girls' College, Mirza on 12-01-2022 in association with District Sports office, Kamrup, Amingaon. Physical instructors Smti Rumi Bhuya, Mamoni Baishya, Manisha Sarma Baruah, Pankaj Bharali, Dimbeshwar Das and Binoy Medhi were present in the event.

The significance of Swami Vivekananda's teachings and philosophy for the youth at present was discussed by them.

A speech competition was also organized on the topic "Swami Vivekananda and the relevance of his philosophy in the present-day scenario"

The session ended with a beautiful song performance by Smti. Rumi Bhuyan.

Dr. Mitali Kathkatia, Associate Prof and the PO, NSS Unit of the college coordinated the event.

**6.** The 'National Girl Child Day' is observed every year in India on January 24 to promote awareness about the rights of a girl child and to create awareness about the importance of their education, health, and nutrition.

The NSS Unit of Dakshin Kamrup Girls' College, Mirza joined hand in the mass awareness venture by celebrating the 'National Girl Child Day' on 24th of January,2022 in the college premise.

Two NSS volunteers of the college who have made outstanding contribution towards the society by rendering social service had been felicitated in a virtual programme organized by the Gauhati University NSS Cell.

(i) Miss Jyotirupa Goswami's contribution as Covid warriors is truly appreciable.

(ii) Miss Dipa Rongpi

Apart from her remarkable contribution towards social service she also bought laurels to the state as well as to the community as National Champion in Martial Art. She also organizes regular training sessions for girls on Martial art and self-defense in her community.

In a separate programme, the NSS Unit of the college also felicitated two girls of Sontola Village for their good performance in co-curricular activities.

**7. NSS SPECIAL CAMP 24-01-2022 to 30-01-2022 :** The National Service Scheme Unit of Dakshin Kamrup Girls' College Mirza organized a Seven Day NSS Special Camp at Sontola village, Mirza from 24-01.2022 to 30.01.2022. 30. The NSS volunteers from the college participated in the camp. The camp was inaugurated by the Principal i/c of the college Dr. Ranjan Bhuyan by hoisting the NSS flag.

The volunteers along with the Programme Officer Dr. Mitali Kathkatia organized various activities which include plantation, cleaning drive, yoga session, craft workshop, academic sessions on health and nutrition, wall painting, workshop on Madhubani painting and pickle making.

The Unit also distributed blankets to 30 students of the Sontola Anchalik ME school of Sontola village.

The prime objectives of this camp were to inculcate the spirit of selfless service and voluntary work among the volunteers, to prepare the young mind to work for the upliftment of the common masses of the society. The camp concluded with the valedictory session with a brief cultural programme.

**8.** The International Day of Action for Women's Health was celebrated in the Dakshin Kamrup Girls' college Mirzaon 28th of May 2022. The prime objective of celebrating the day was to take action, mobilize, and highlight demands towards the fulfillment of women's right to health.

The event was organized by the NSS Unit, Dept. of Education and the Dept of English, DKGC, Mirza. The resource person Dr. Malabika Debi Associate

professor, Dept. of Anatomy, Tezpur Medical College and Hospital, Tezpur delivered her speech on various issues related to women's reproductive health and rights. Dr. Nara Kanta Adhikary, Principal of the college also offered his valuable suggestions on maintaining a sound physical and mental health for a healthy living.

**9.** The 'World No Tobacco Day' is observed every year on May 31st to raise awareness about the damage caused by tobacco consumption. Apart from causing environmental degradation, tobacco kills over 80 lakh people across the world every year. The NSS Unit and the Dept. of History of *Dakshin Kamrup Girls' college* joined hands to observe the day on 31-5-2022 with a view to create an awareness among its students about the hazards of tobacco consumption. *Dr. Nara Kanta Adhikary, Principal* of the college, Dr. Mitali Kathkatia, PO, NSS Unit and Dr. Ripun Doley of Dept. of History delivered speeches on various aspects of the issue. Students took the anti- tobacco pledge and distributed stickers bearing Anti-Tobacco message among the teachers, students and staff.

**10.** As a part of the celebration of "Azadi Ki Amrit Mahotsav" the World Bicycle Day was observed on June 3, 2022 in Dakshin Kamrup Girls college Mirza. The event was organized by the NSS unit and the students Union of the college. The prime objective of the celebration is to spread awareness about various benefits of using a bicycle. According to the United Nations, the day highlights the "uniqueness, longevity and versatility of the bicycle". Students, Principal and faculty members of the college extended their cooperation in successful accomplishment of the event.

**11. World Environment Day :** Led by the United Nations Environment Programme (UNEP), the World Environment Day is celebrated on June 5 every year to raise awareness about degrading environmental conditions and to encourage people globally to take positive environmental actions, to help create a better future. The NSS Unit and Students' Union of Dakshin Kamrup Girls' college Mirza celebrated the World Environment Day 2022 at Nahira LN Senior basic school, Nahira with a day long programme. The activities include pledge taking ceremony, Painting competition on Environment, plantation programme and speech by NSS volunteers on the duties and responsibilities of the students to stop environmental degradation.

**12.** The International Yoga Day was celebrated at Dakshin Kamrup Girls' College premises on 21-06-2022 with a day long programme.

The event was jointly organized by the Student Support and Progression committee of IQAC and the NSS unit of the college.

The students practiced yoga under the guidance of Yoga Bistarok Sri Troilokya Kalita and Ms. Dipali Nath.

The main aim of the celebration is to help people become aware of the close connection between the body and the mind and the vital role of yoga in healthy living.

The resource person elaborated on how yoga practice helps in increasing self-awareness, decision making and also in taking actions that benefit the society. In keeping with the central focus of overall physical and spiritual wellness of International Yoga Day, the Women Cell, the NSS Unit and the Student Union of Dakshin Kamrup Girls' College, Mirza today organized a speech cum demonstration programme on physiotherapy.

**13.** In 1987, the United Nations General Assembly decided to observe 26th June as the International Day against Drug Abuse and Illicit Trafficking as an expression of its determination to strengthen action and cooperation to achieve the goal of an international society free of drug abuse. Accordingly, the NSS Unit of Dakshin Kamrup Girls' College Mirza celebrated the day by making posters on drug abuse to create awareness about its ill effects and how to deal with it.

**14.** The lecture titled, "Importance of Physiotherapy for Neurological, Musculoskeletal and Cardiovascular Problems" was delivered by Physiotherapist Dr. Seema Das.

The valuable insight and guidance the resource person provided on the topic was highly appreciated. Her exceedingly satisfying speech tuned with professionalism and commitment to the area of Physiotherapy was truly beneficial to the participants. ■



# বিভাগীয় প্ৰতিবেদন

## সভানেত্ৰীৰ প্ৰতিবেদন



দক্ষিণ কামৰূপৰ একমাত্ৰ স্ত্ৰী-শিক্ষাৰ কেন্দ্ৰস্থল দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খনি যিসকল জ্ঞানপিপাসু, দূৰদৰ্শী মহান ব্যক্তিৰ ঐকান্তিক প্ৰচেষ্টাত গঢ় লৈ উঠিছিল, তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ।

আপোন মহাবিদ্যালয়খনিৰ প্ৰতি কিবা এটা কৰাৰ দুৰান্ত হেঁপাহ আৰু সপোন পূৰ্ণ হয়, যেতিয়া ২০২১-২০২২ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ সভানেত্ৰী পদৰ বাবে মই নিৰ্বাচিত হওঁ। মোক নিৰ্বাচনত সহায় কৰি সভানেত্ৰী পদত অৱতীৰ্ণ হৈ মহাবিদ্যালয়ৰ প্ৰত্যক্ষ সেৱা আগবঢ়াবলৈ সুযোগ দিয়া ছাত্ৰী-বান্ধৱী আৰু ছাৰ-বাইদেউসকললৈ মই ধন্যবাদ যাচিলোঁ। যদিও এই পদটিত মোৰ কোনো প্ৰতিদ্বন্দ্বী নাছিল, তথাপি বহু সময়ত মই বহুতৰেপৰা সহায় পাইছোঁ। মোৰ কাৰ্যকালত মই কিমানখিনি কাম কৰিলোঁ, সেইখিনি আপোনালোকৰ বিচাৰ্য।

### মোৰ কাৰ্যকালৰ কিছু বিৱৰণ (২০২১-২২)

**মহাবিদ্যালয়ৰ নিৰ্বাচন আৰু শপত :** ২৭/১১/২০১১ ইং তাৰিখে মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচন হয় আৰু ১/১২/২০২১ ইং তাৰিখে মহাবিদ্যালয়ৰ কাম-কাজৰ বাবে সভানেত্ৰী পদৰ দায়িত্বভাৰ গ্ৰহণ কৰোঁ।

**মহাবিদ্যালয় সপ্তাহ :** অইনবেলিৰ দৰে এইবেলিও মহাবিদ্যালয় সপ্তাহ পতাৰ বাবে আৰু সেই বিষয়ত আলোচনাৰ বিষয়ে ৫/১১/২০২২ ইং তাৰিখে এখন সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। সভাত আলোচনামৰ্মে ৪ জানুৱাৰী, ২০২২ ৰপৰা ১২ জানুৱাৰী, ২০২২ তাৰিখলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ পতাৰ যো-জা কৰা হয়। সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতা, সাহিত্য বিভাগৰ প্ৰতিযোগিতাসমূহৰ লগতে ছাত্ৰী জিৰণি কোঠাৰ আৰু খেল বিভাগৰ বিভিন্ন প্ৰতিযোগিতা সুকলমে অনুষ্ঠিত হয় যদিও শেষৰ সময়খিনিত ক'ৰোনা মহামাৰীৰ বাবে সাংস্কৃতিক বিভাগৰ শোভাযাত্ৰা কৰিব পৰা নগ'ল, তাৰ বাবে আমি মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গ অতি দুঃখিত।

**গণৰাজ্য দিৱস :** ২৬/০১/২০২২ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ৰ ছাৰ-বাইদেউ, কৰ্মচাৰীবৃন্দ, ছাত্ৰী একতা সভাৰ সদস্যাসকল আৰু ছাত্ৰীসকলৰ সহযোগত গণৰাজ্য দিৱস পালন কৰা হয়।

**সৰস্বতী পূজা :** অইনবেলিৰ দৰে এইবেলিও পৰম্পৰাগত আৰু জাকজমকতাৰে ০৫/০২/২০২২ ইং তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীবৃন্দৰ সহযোগত সমূহীয়াভাৱে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী মা সৰস্বতীৰ শ্ৰীচৰণত পুষ্পাঞ্জলি প্ৰদান কৰা হয়। সেইদিনা আমাৰ ওচৰ-পাঁজৰৰ মহাবিদ্যালয় তথা স্কুলসমূহৰ ছাত্ৰ-ছাত্ৰী আৰু আমাৰ মহাবিদ্যালয় বিভিন্ন কাম-কাজত জড়িত থকা ব্যক্তিসকলক আমাৰ পূজাভাগলৈ আমন্ত্ৰণ জনোৱা হয়। বিভিন্ন ৰং-বিৰঙৰ সাজ-পোছাকেৰে আটকধুনীয়া হৈ উঠা ছাত্ৰীসকলে পূজাৰ পৰিৱেশটো সোণত সুৱগা চ'ৰা কৰি তুলিছিল।

**সংগ্ৰহালয় স্থাপিত দিৱস উদ্‌যাপন :** এই দিনটোত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ এটি ভৱন অসম চৰকাৰৰ শিক্ষা উপদেষ্টা অধ্যাপক ননীগোপাল মহন্তদেৱে ২৯ ছেপ্তেম্বৰ, ২০২১ ইং তাৰিখ বুধবাৰে অসমৰ বাণিজ্যিক সংগ্ৰহালয়ৰ সঞ্চালক ড° বাই. এছ. উংলেংটনৰ উপস্থিতিত মুকলি কৰে।

**নাৰী দিৱস উদ্‌যাপন :** ০৮/০৩/২০২২ ইং তাৰিখে আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানটিত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপিকা ফুলৰাণী ডেকা বাইদেউ, সোণতলা

গাঁৱৰ গাঁওপ্ৰধান ভাভৰীয়া উপস্থিত থাকে। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি সেইদিনাখন এখনি প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হয়। ছাত্ৰ-বাইদেউৰ লগতে ছাত্ৰীসকলৰ সহযোগত দিনটো সুকলমে পাৰ হয়।

**অধ্যক্ষ মহোদয়ক আদৰণি ঃ** ১২/০৫/২০২২ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ৰ নৱনিৰ্বাচিত লগতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ চতুৰ্থগৰাকী (স্থায়ীভাৱে) অধ্যক্ষ শ্ৰদ্ধাৰ ড° নৱকান্ত অধিকাৰী ছাৰক আদৰ-সম্ভাষণ জনোৱা হয়।

**বিশ্ব পৰিৱেশ দিৱস ঃ** ০৫-০৬-২০২২ ইং তাৰিখে বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয় চৌহদত গছপুলি ৰোপণ কৰা হয়।

**ৰাভা দিৱস উদ্‌যাপন ঃ** ২০/০৬/২০২২ ইং তাৰিখে মহাবিদ্যালয় পৰিয়ালবৰ্গৰ সৈতে ৰাভা দিৱস উদ্‌যাপন কৰা হয়।

**স্বাধীনতা দিৱস ঃ** ১৫ আগষ্টত আমাৰ দেশ স্বাধীন হৈছিল। সেইমৰ্মে আমাৰ মহাবিদ্যালয়ত ১৪/০৭/২০২২ ইং তাৰিখে স্বাধীন ভাৰতৰ লগত সংগতি ৰাখি এক শোভাযাত্ৰা উলিওৱা হয় আৰু ১৫/০৭/২০২২ ইং তাৰিখে অনলাইন নৃত্য প্ৰতিযোগিতাত স্থান লাভ কৰাসকলক বঁটা প্ৰদান কৰা হয়।

**নৱাগত আদৰণি সভা ঃ** ২৪/০৯/২০২২ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাখন উলহ-মালহেৰে অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানৰ পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰদ্ধাৰ ড° নৱকান্ত অধিকাৰী ছাৰদেৱে। দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীযুত জিতুল কুমাৰদেৱে (শ্বহীদ তৰ্পক), দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সমন্বয়ক, আভ্যন্তৰীণ মান প্ৰত্যায়ন কোষৰ ড° জগন্নাথ বৰ্মন ছাৰদেৱে প্ৰাচীৰ পত্ৰিকা 'হাৰাঘাট' উন্মোচন কৰে। দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ শ্ৰীযুত বেদব্ৰত দাসদেৱে প্ৰাচীৰ পত্ৰিকা 'জোনাকী' উন্মোচন কৰে। সভাৰ মঞ্চ মুকলি কৰে প্ৰাক্তন ছাত্ৰী সন্থাৰ সভানেত্ৰী শ্ৰীযুতা ৰুমাৰাণী শইকীয়া বাইদেৱে। সভাত বিশিষ্ট অতিথি হিচাপে ড° সমুজ্জ্বল ভট্টাচাৰ্যদেৱ, মুখ্য অতিথি হিচাপে পলাশবাৰী সমষ্টিৰ বিধায়ক শ্ৰীযুত হেমাংগ ঠাকুৰীয়াদেৱ, সন্মানীয় অতিথি হিচাপে শ্ৰীযুত অনিল দাস (দাতা সদস্য, বিশিষ্ট উদ্যোগপতি), ড° ৰমেশ চন্দ্ৰ কলিতা (সভাপতি, পৰিচালনা সমিতি, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়) উপস্থিত থাকে। বিশিষ্ট শিক্ষাবিদ প্ৰয়াত যতীন বৰুৱাদেৱৰ ব্যক্তিগত পুথিভঁৰাল দাতা শ্ৰীযুতা নিৰু বৰুৱা, অসম (ৰবিহাট)ৰপৰা পদব্ৰজে লাডাখ যাত্ৰা সম্পূৰ্ণ কৰা শ্ৰীযুতা অঞ্জলি দাসক বিশেষ সম্বৰ্ধনা জনোৱা হয়। শিল্পী অতিথি হিচাপে উপস্থিত থাকে জনপ্ৰিয় কণ্ঠশিল্পী লক্ষীচন্দ্ৰ আৰু মানসপ্ৰতীম।

**সামৰণি ঃ** প্ৰতিবেদনৰ শেষত মোক সকলো সময়তে সহায়-সহযোগিতা আগবঢ়োৱা তত্বাৱধায়ক ড° ৰঞ্জন ভূঞা ছাৰলৈ লগতে অধ্যক্ষ মহোদয় শ্ৰদ্ধাৰ ড° নৱকান্ত অধিকাৰী ছাৰদেৱলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ। বিভিন্ন কামত বিভিন্ন সময়ত মোক দিহা-পৰামৰ্শ দিয়া সমূহ বিভাগীয় ছাৰ-বাইদেউসকল তথা কৰ্মচাৰীবৃন্দলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে ছাত্ৰী একতা সভাৰ সমূহ সদস্যা, বান্ধৱী তথা ভণ্টিসকললৈ অশেষ মৰম আৰু ধন্যবাদ থাকিল।

আমাৰ মহাবিদ্যালয়ে যি উন্নতি আৰু বিজয়ৰ জখলাৰে আগবাঢ়ি গৈ আছে, তাতকৈ বেছি উন্নতিৰ জখলাৰে আগবাঢ়ি গৈ থাকে যেন— তাকে নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। মোৰ কাৰ্যকালত অজানিতে হোৱা কিবা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয় আই অসম
জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়
জয়তু ছাত্ৰী একতা সভা

ধন্যবাদেৰে—
**জিন্তি তালুকদাৰ**



# উপ-সভানেত্ৰীৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ, যিসকল ব্যক্তিৰ অশেষ পৰিশ্ৰম, মহানুভৱতা, কষ্টৰ ফলত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল।

যোৱা ২০২১-২০২২ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ উপ-সভানেত্ৰীৰ পদত মোক অধিষ্ঠিত কৰাই মনৰ অদম্য হেঁপাহক বাস্তৱ ৰূপ দিবলৈ লগতে মহাবিদ্যালয়ৰ হকে কাম কৰাৰ বাবে সুযোগকণ দিয়া বাবে সমূহ ছাত্ৰী-বান্ধৱী, বাইদেউ আৰু ভণ্টিসকললৈ মোৰ অন্তৰৰ নিভৃত কোণৰপৰা আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

## কাৰ্যকালৰ কিছু বিৱৰণ

**(ক) মহাবিদ্যালয় সপ্তাহ ঃ** বিগত বছৰকেইটিৰ দৰে এইবেলিও ০৮/০১/২০২২ ইং তাৰিখৰপৰা ১২/০১/২০২২ ইং তাৰিখলৈ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ পতা হয়। মহাবিদ্যালয় সপ্তাহ ৮, ৯, ১০ ইং তাৰিখলৈ অনুষ্ঠিত কৰা হয় যদিও দুৰ্ভাগ্য এই যে, ক'ভিড-১৯ৰ বাবে বাকী থকা প্ৰতিযোগিতাসমূহ আৰু বঁটা বিতৰণী অনুষ্ঠানসমূহ স্থগিত কৰা হয়।

**(খ) সৰস্বতী পূজা ঃ** ০৫/০২/২০২২ ইং তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভা আৰু শিক্ষক-কৰ্মচাৰীবৃন্দৰ একান্ত সহযোগত বিদ্যাৰ দেৱী মা সৰস্বতীৰ শ্ৰীচৰণত পুষ্পাঞ্জলি প্ৰদান কৰা হয়। অইনবেলিতকৈ আমাৰ কাৰ্যকালৰ সৰস্বতী পূজাখন ক'ভিড-১৯ৰ বাবে কিছু সুকীয়া আছিল।

**(গ) আন্তৰ্জাতিক নাৰী দিৱস ঃ** ০৮/০৩/২০২২ ইং তাৰিখে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰা হয়।

**(ঘ) নৱাগত আদৰণি সভা ঃ** ন-পুৰণি ছাত্ৰীৰ হেঁপাহৰ অনুষ্ঠানৰ লগতে ৰঙীণ সপোন বাস্তৱায়িত কৰাৰ আশাৰে মহাবিদ্যালয়ত খোজ পেলোৱা নৱাগত ছাত্ৰীসকলক আদৰণি জনোৱাৰ উদ্দেশ্যে ২৪/০৯/২০২২ ইং তাৰিখে নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। পৰম্পৰাগত তথা ৰং-বিৰঙৰ সাজ-পোছাকেৰে উজলি উঠা ছাত্ৰীসকলৰ উপস্থিতিয়ে আমাক উৎসাহিত কৰি তুলিছিল।

নৱাগত আদৰণি সভাৰ বিষয়বস্তু নিৰ্বাচন কৰোঁতে কেতবোৰ দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠানেৰে উখল-মাখল পৰিৱেশৰ মাজেৰে সময়বোৰ অতিবাহিত হয়।

নৱাগত আদৰণি সভাত নিমন্ত্ৰিত অতিথি শিল্পীৰূপে উপস্থিত থাকে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী মানসপ্ৰতীম আৰু লক্ষ্মীচন্দ্ৰ দাস।

**সামৰণি ঃ** এই সুযোগতে মোক সকলো সময়তে দিহা-পৰামৰ্শ দি আগবাঢ়ি যোৱাত সহায় কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ প্ৰতিজন ছাৰ-বাইদেউলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্যকালত দায়িত্ব পালনৰ ক্ষেত্ৰত হোৱা অনিচ্ছাকৃত ভুলৰ বাবে ছাত্ৰী একতা সভাৰ সদস্যাসকল তথা মোৰ মৰমৰ ছাত্ৰী-বান্ধৱীসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। ছাত্ৰী-বান্ধৱী তথা ভণ্টিসকলৰ অগাধ মৰম-ভালপোৱা, উৎসাহ-উদ্দীপনাইহে মোক উপ-সভানেত্ৰী হোৱাৰ বাট মুকলি কৰিছিল। গতিকে এওঁলোকৰ ওচৰত মই সদায় ঋণী হৈ ৰ'ম।

সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনাৰে মই মোৰ প্ৰতিবেদনৰ অন্ত পেলালোঁ।

জয় আই অসম
জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়
জয়তু ছাত্ৰী একতা সভা

ধন্যবাদেৰে—
**মণিকংকনা দাস**

# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন



দক্ষিণ কামৰূপৰ অন্যতম স্ত্ৰী শিক্ষাৰ উচ্চ শিক্ষানুষ্ঠান 'দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'খনৰ জন্মৰ আঁৰত থকা প্ৰতিগৰাকী মহানুভৱী, ত্যাগী, অক্লান্ত পৰিশ্ৰমী বৰেণ্য ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণাম জনাই মই মোৰ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদনখন আৰম্ভ কৰিবলৈ লৈছোঁ।

মহাবিদ্যালয়খনত ভৰি দিয়াৰপৰাই মহাবিদ্যালয়খনৰ হকে কাম কৰাৰ হেঁপাহ এটা মনতেই জাগি উঠিছিল আৰু এই হেঁপাহবোৰেই সকলোৰে মৰম আৰু সহযোগিতাত দায়িত্ব আৰু কৰ্তব্যৰ ৰূপ লৈছিল ২০২১ ইং চনত, যেতিয়া মই এগৰাকী সাধাৰণ সম্পাদিকাৰূপে দায়িত্বভাৰ গ্ৰহণ কৰিছিলোঁ। মোক যোগ্য বুলি ভাবি আগবঢ়াই লৈ যোৱা মোৰ শ্ৰদ্ধাৰ আৰু অতি মৰমৰ ছাত্ৰী-বান্ধৱীসকললৈ মই এই প্ৰতিবেদনৰ জৰিয়তে অশেষ ধন্যবাদ জনালোঁ।

**মোৰ কাৰ্যকালৰ চমু বিৱৰণ আগবঢ়াইছোঁ ঃ**

২৭/১১/২০২১ ইং তাৰিখে মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদিকাৰ পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই নিৰ্বাচিত হোৱাত ০১/১২/২০২১ ইং তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষকে ধৰি মহাবিদ্যালয়ৰ বিভাগীয় শিক্ষাগুৰুসকল আৰু ছাত্ৰী একতা সভাৰ ছাত্ৰীসকলৰ উপস্থিতিত প্ৰতিগৰাকী ছাত্ৰীৰ শপত গ্ৰহণ কাৰ্য সম্পন্ন হয়।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ** ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকাৰূপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিচত মোৰ প্ৰথম কাৰ্যসূচী আছিল বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ (২০২১-২০২২ বৰ্ষ)।

বিগত বৰ্ষবোৰৰ দৰেই এইবেলিও মহাবিদ্যালয় সপ্তাহ পতাৰ উদ্দেশ্যেৰে এখন সাধাৰণ সভা অনুষ্ঠিত কৰা হৈছিল। সেই আলোচনা মৰ্মেই ০৮/০১/২০২২ ইং তাৰিখৰপৰা ১২/০১/২০২২ ইং তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হৈছিল যদিও ক'ৰোনা মহামাৰীৰ প্ৰকোপ পুনৰ বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে নিৰ্ধাৰিত কৰা বিধি-নিষেধ মতে মহাবিদ্যালয় সপ্তাহৰ কিছু প্ৰতিযোগিতাৰ লগতে মহাবিদ্যালয় সপ্তাহৰ অন্যতম অংশ সাংস্কৃতিক শোভাযাত্ৰা আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত কৰিব পৰা নগ'ল। মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰী হোৱাৰ লগতে ছাত্ৰী একতা সভাৰ এগৰাকী সদস্যা হিচাপে আমাৰ বাবে ই এক অতি দুখৰ বিষয়।

এনেদৰেই আমাৰ মহাবিদ্যালয় সপ্তাহ সমাপ্ত হৈছিল আৰু পৰৱৰ্তী সময়ত বঁটাপ্ৰাপকসকলক বঁটাসমূহ সুকীয়াকৈ প্ৰদান কৰা হৈছিল।

**গণতন্ত্ৰ দিৱস ঃ** প্ৰতি বছৰৰ দৰেই গণতন্ত্ৰ দিৱস উপলক্ষে এইবেলিও মহাবিদ্যালয়ত ৰাতিপুৱা ৮-০০ বজাত মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষকে ধৰি আন শিক্ষাগুৰুসকলৰ লগতে ছাত্ৰীসকলৰ উপস্থিতিত ৭৩ তম গণতন্ত্ৰ দিৱসৰ পতাকা উত্তোলন কৰা হয়। ইয়াৰ পিচত অধ্যক্ষ, উপাধ্যক্ষ মহোদয়ৰ লগতে বিভাগীয় শিক্ষকসকলে ভাষণ ৰাখে। ইয়াৰ পিচত গণতন্ত্ৰ দিৱসৰ লগত সংগতি ৰাখি ৰচনা প্ৰতিযোগিতা এখনৰ আয়োজন কৰা হয়।

ইয়াৰ লগতে পলাশবাৰী চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ নিমন্ত্ৰণ ৰক্ষা কৰি সাংস্কৃতিক বিভাগৰ তত্বাৱধায়িকা জিনু দাস বাইদেউৰ সৈতে আমাৰ ছাত্ৰী একতা সভাৰ সদস্যাসকলৰ লগত মহাবিদ্যালয়ৰ কিছু আন ছাত্ৰী গৈ তেওঁলোকৰ অনুষ্ঠানত অংশগ্ৰহণ কৰোঁ।

**সৰস্বতী পূজা উদযাপন ঃ** ০৫/০২/২০২২ ইং তাৰিখে বিগত বৰ্ষবোৰৰ দৰেই বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী মাৰ পূজাভাগ কিছু অনুষ্ঠুপীয়াকৈ অনুষ্ঠিত কৰিবলগীয়া হৈছিল। অধ্যক্ষ, উপাধ্যক্ষকে ধৰি শিক্ষক-কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰীসকলৰ সহযোগত কামবোৰ খুব নিয়াৰিকৈ পালন কৰা হৈছিল।

পঞ্চমী তিথিত পতা সৰস্বতী মাৰ পূজাভাগৰ লগত সংগতি ৰাখি সাহিত্য আৰু আলোচনী বিভাগৰ তত্বাৱধায়িকা ড° লীলাৱতী চৌধুৰী বাইদেউৰ দিহা-পৰামৰ্শত সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা



অঞ্জলি নাথৰ সহযোগত মহাবিদ্যালয়ৰ ছাত্ৰীসকলে আটকধুনীয়াকৈ প্ৰাচীৰ পত্ৰিকা 'শ্ৰীপঞ্চমী'খন সাজি উলিয়াইছিল।

ভিন্নৱৰ্ণী কামৰূপাৰে মহাবিদ্যালয়খন আৰু অধিক ধুনীয়া হৈ পৰিছিল। এনেদৰেই মাৰ আশিস লৈ দিনটো সুকলমে পাৰ হৈছিল।

**আন্তৰ্জাতিক নাৰী দিৱস উদযাপন ঃ** ০৮ মাৰ্চ, ২০২২ ইং তাৰিখে কিছু পৃথকভাৱে আমাৰ মহাবিদ্যালয়তো আন্তৰ্জাতিক নাৰী দিৱস পালন কৰা হৈছিল। এই বছৰ আমাৰ মহাবিদ্যালয়ে দক্ষিণ কামৰূপ অঞ্চলৰ কিছুসংখ্যক স্বাৱলম্বী নাৰীক নিমন্ত্ৰণ কৰি আনি তেওঁলোকে নিজহাতে প্ৰস্তুত কৰা পিঠা-পনা, বোৱা কাপোৰ, বাঁহৰ আ-অলংকাৰ, ঘৰ সজোৱা সামগ্ৰী আদিৰ এখন প্ৰদৰ্শনী আৰু বিপণীৰ ব্যৱস্থা কৰা হৈছিল।

এই প্ৰদৰ্শনী তথা বিপণীখনৰ বিশিষ্ট ব্যক্তিৰূপে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ফুলবাণী ডেকা, সোণতোলা গাঁৱৰ গাঁওপ্ৰধান, অভিভাৱক গোটৰ সভাপতি-সম্পাদকক নিমন্ত্ৰণ জনোৱা হৈছিল। নিমন্ত্ৰিত বিশিষ্ট অতিথিসকলৰ লগতে আমাৰ মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকল আৰু ছাত্ৰীসকলৰ উপস্থিতিত অনুষ্ঠানটোৰ শুভাৰম্ভণি কৰা হৈছিল। এনেদৰেই এই অনুষ্ঠানটো সফলৰূপে সম্পন্ন হৈছিল।

**নতুন অধ্যক্ষৰ দায়িত্ব গ্ৰহণ ঃ** আমাক কাৰ্যকালৰ সময়ছোৱাতে অৰ্থাৎ ১২/০৫/২০২২ ইং তাৰিখে মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ অধ্যাপক ড° নৱকান্ত অধিকাৰী মহোদয়ে অধ্যক্ষ হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে।

**নৱাগত আদৰণি সভা উদযাপন ঃ** প্ৰতিগৰাকী ছাত্ৰীৰ হেঁপাহৰ অনুষ্ঠান নৱাগত আদৰণি সভা। হাজাৰ আশা বুকুত বান্ধি সপোনক বাস্তৱ কৰাৰ আশাৰে আমাৰ মহাবিদ্যালয়ত ভৰি থোৱা কলিবোৰক আদৰাৰ এক আয়োজন। প্ৰতি বৰ্ষৰ দৰেই কোনো ব্যতিক্ৰম নোহোৱাকৈ এইবেলিও ২৪/০৯/২০২২ ইং তাৰিখে নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। ছাত্ৰীসকলে খুব আগ্ৰহেৰে প্ৰতিটো অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল। নৱাগতাসকলৰ লগতে মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰীৰ আগ্ৰহ আৰু উৎসাহে অনুষ্ঠানটো আৰু অধিক ধুনীয়া কৰি তুলিছিল। এইবেলি নৱাগত আদৰণি সভাৰ বিশেষ অতিথি হিচাপে সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্য মহোদয়, খোজকাঢ়ি লাভাৰ পোৱা ৰবিহাট অঞ্চলৰ অঞ্জলি দাস মহোদয়া, দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি জিতুল কুমাৰ মহোদয়ৰ লগতে আন বহুজন শ্ৰদ্ধেয় ব্যক্তি উপস্থিত থাকে। নৱাগত আদৰণি সভাৰ সাংস্কৃতিক অনুষ্ঠানৰ বাবে নিমন্ত্ৰিত শিল্পী অতিথিৰূপে উপস্থিত থাকে মানপ্ৰতীম আৰু লক্ষ্মীচন্দ্ৰ।

**অন্যান্য ঃ** উল্লিখিত অনুষ্ঠানবোৰৰ উপৰিও মহাবিদ্যালয়ত আৰু বহুতো অনুষ্ঠান অনুষ্ঠিত হৈছিল; যিবোৰৰ অংশ হৈ প্ৰতিটো পৰিস্থিতিৰে অভিজ্ঞ হ'বলৈ পাই নিজকে খুব সুখী অনুভৱ কৰোঁ।

এক বিশেষ বাৰ্তা দিবলৈ পাই আনন্দিত হ'ম যে, মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ সুবিধাৰ্থে বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ উদ্দেশ্যৰে আমি মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ পুঁজিৰে এটা Water Coolerৰ ব্যৱস্থা কৰোঁ।

**সামৰণি ঃ** এইখিনিতে মোক দিহা-পৰামৰ্শ দি সহায় কৰা অধ্যক্ষ ড° নৱকান্ত অধিকাৰী ছাৰ আৰু মোৰ তত্বাৱধায়ক ড° জগন্নাথ বৰ্মন ছাৰলৈ অশেষ ধন্যবাদ আৰু শ্ৰদ্ধা জনাইছোঁ। বিশেষভাৱে আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী ছাৰলৈ মোৰ শ্ৰদ্ধা আৰু সেৱা আগবঢ়াইছোঁ। লগতে উপাধ্যক্ষ ড° ৰঞ্জন ভূএগ ছাৰলৈও মোৰ সেৱা আগবঢ়াইছোঁ, প্ৰতিটো সময়ত মৰমেৰে দিহা-পৰামৰ্শ আৰু সাহস দি আগুৱাই লৈ যোৱা বাবে। বিভাগীয় শিক্ষাগুৰুসকললৈও মোৰ শ্ৰদ্ধা জনাইছোঁ লগতে মহাবিদ্যালয় N.S.S গোটলৈ মোৰ শ্ৰদ্ধা আৰু মৰমৰ প্ৰতিগৰাকী ছাত্ৰী-বান্ধৱীৰ লগতে ছাত্ৰী একতা সভাৰ সমূহ সদস্যালৈ মোৰ শ্ৰদ্ধা আৰু মৰম আগবঢ়াইছোঁ।

মোৰ কাৰ্যকালত অজানিতে কৰা ভুলবোৰৰ বাবে মই ক্ষমা বিচাৰিছোঁ। সদৌ শেষত মহাবিদ্যালয়ৰ আৰু অধিক উন্নতি কামনাৰে মই মোৰ প্ৰতিবেদন সামৰিলোঁ।

জয় আই অসম

জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়

জয়তু ছাত্ৰী একতা সভা

ধন্যবাদেৰে—

**হৰ্ষিতা গোস্বামী**

# সহঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণি কৰাৰ আগতে মই সেইসকল মহান ব্যক্তিক শ্ৰদ্ধা তথা সন্মান সহকাৰে সুঁৱৰিছোঁ— যিসকল ব্যক্তিৰ অশেষ পৰিশ্ৰম, মহানুভৱতা, কষ্টৰ ফলত আজি আমাৰ এই অঞ্চলত নাৰী শিক্ষাৰ সুবিধাৰ্থে আমাৰ অতিকৈ আপোন মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল।

যোৱা ২০২১-২০২২ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত সহঃ সাধাৰণ সম্পাদিকা হিচাপে মোক নিৰ্বাচিত কৰা মহাবিদ্যালয়ৰ বাইদেউ, ভণ্টি, বান্ধৱীসকলক আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰিছোঁ। মোক নিৰ্বাচনত সহায়-সহযোগিতাৰ হাত আগবঢ়াই মোক মহাবিদ্যালয়খনত প্ৰত্যক্ষ সেৱা-সুযোগ দিয়াৰ বাবে অশেষ ধন্যবাদ জনাইছোঁ।

২০২১-২০২২ ইং বৰ্ষৰ নৱ-নিৰ্বাচিত ছাত্ৰী একতা সভাই সকলো সময়তে মহাবিদ্যালয়ৰ সংবিধানৰ পবিত্ৰতা আৰু মৰ্যাদা ৰক্ষা কৰি নিজৰ নিজৰ দায়িত্ব সুকলমে পালন কৰিম বুলি শপত লৈছিলোঁ; কিন্তু কিমান সফল হ'ব পাৰিছোঁ, সেয়া আপোনালোকৰ বিচাৰ্য।

**মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ**

(১) **মহাবিদ্যালয় সপ্তাহ ঃ** বিগত বছৰবোৰৰ দৰেই এইবেলিও ০৮/০১/২০২২ ইং তাৰিখৰপৰা ১২/০১/২০২২ ইং তাৰিখলৈ পাঁচদিনীয়াকৈ মহাবিদ্যালয় সপ্তাহৰ আয়োজন কৰা হৈছিল। মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন ধৰণৰ খেলসমূহৰ লগতে ৰন্ধন, জেতুকা বোলোৱা, বংগোলী আদি বিভিন্ন প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হৈছিল।

(২) **গণতন্ত্ৰ দিৱস ঃ** প্ৰতি বছৰৰ দৰে এইবেলিও ২৬/০১/২০২২ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ত সন্মানীয় ছাৰ-বাইদেউসকলৰ লগতে ছাত্ৰী একতা সভাৰ সদস্যা তথা ছাত্ৰীসকলৰ সহযোগিতাত গণতন্ত্ৰ দিৱস পালন কৰা হয়।

(৩) **সৰস্বতী পূজা ঃ** বিগত বছৰৰ দৰে এইবেলিও ০৫/০২/২০২২ ইং তাৰিখে মহাবিদ্যালয়ত উলহ-মালহেৰে আমি সকলোৱে সৰস্বতী পূজাখন উদ্‌যাপন কৰিছিলোঁ। আমি ছাত্ৰী একতা সভাৰ সদস্যাসকলে এই পূজাখন চলাই নিবৰ বাবে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াইছিলোঁ। ছাৰসকলৰ লগতো সকলো কামত সহায় কৰি মিলিজুলি আনন্দৰে পূজাখন পাতিছিলোঁ।

(৪) **আন্তৰ্জাতিক নাৰী দিৱস ঃ** ০৪/০৫/২০২২ ইং তাৰিখত মহাবিদ্যালয়ত আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰা হয়। বিশিষ্ট অতিথি আছিল দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ফুলবাণী ডেকা আৰু সোণতোলা গাঁৱৰ গাঁওপ্ৰধান।

(৫) **নতুন অধ্যক্ষক সম্বৰ্ধনা ঃ** ১২/০৫/২০২২ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ত নতুন অধ্যক্ষ মহোদয় ছাৰক সম্বৰ্ধনা জনোৱাৰ লগতে দায়িত্বভাৰ অৰ্পণ কৰে।

(৬) **স্বাধীনতা দিৱস ঃ** প্ৰতি বছৰৰ দৰে এইবেলিও ১৫ আগষ্টত মহাবিদ্যালয়ত সকলো ছাৰ-বাইদেউৰ লগতে ছাত্ৰীসকলৰ সহযোগত পালন কৰা হয়।

(৭) **নবাগত আদৰণি সভা ঃ** মোৰ কাৰ্যকালৰ শেষ কাৰ্যসূচী আছিল নবাগত আদৰণি সভা। ২৪/০৯/২০২২ ইং তাৰিখে অতি উলহ-মালহেৰে আমি সকলোৱে নবাগত আদৰণি সভাখন অনুষ্ঠিত কৰোঁ। নবাগত আদৰণি সভাখনৰ মূল উদ্দেশ্য হৈছে— নতুন ছাত্ৰীসকলক আদৰণি জনোৱা। ইয়াত প্ৰতি বছৰৰ দৰে এইবেলিও বিশিষ্ট ব্যক্তিসকলৰ বহুমূলীয়া ভাষণৰ লগতে ছাত্ৰীসকলৰ নৃত্য-গীত আদি বিভিন্ন কাৰ্যসমূহ থাকে।

অৱশেষত মোৰ কাৰ্যকালত অজ্ঞাতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিছোঁ।

জয় আই অসম

জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়

জয়তু ছাত্ৰী একতা সভা

ধন্যবাদেৰে—

সংগীতা দাস



# তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতেই মই সেইসকল ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ— যিসকল ব্যক্তিয়ে নিজৰ স্বাৰ্থ বলিদান দি অত্যধিক পৰিশ্ৰম, ত্যাগ আৰু মহানুভৱতাৰ ফলত দক্ষিণ কামৰূপৰ একমাত্ৰ নাৰী শিক্ষাৰ কেন্দ্ৰস্থল 'দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'খনি গঢ়ি উঠিবলৈ সক্ষম হৈছিল।

যোৱা ২০২১-২০২২ ইং বৰ্ষৰ ছাত্ৰী একতা সভাত মই তৰ্ক আৰু আলোচনা চক্ৰ (Debate and Symposium) সম্পাদিকা পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলোঁ। ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচন ২৭/১১/২০২১ ইং তাৰিখে অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ ভণ্টি-বান্ধৱী, বাইদেউ তথা শিক্ষাগুৰুসকলৰ আশীৰ্বাদত (তিনি প্ৰতিদ্বন্দ্বীৰ মাজত) মই নিৰ্বাচিত হ'বলৈ সক্ষম হৈছিলোঁ।

উল্লেখনীয় যে, এই বছৰটোতেই ছাত্ৰী একতা সভাৰ প্ৰতিদ্বন্দ্বীসকলৰ মাজত মহাবিদ্যালয়ৰ ফালৰপৰা নতুনকৈ এখনি মুকলি সভাৰ আয়োজন কৰিছিল, য'ত প্ৰতিগৰাকী প্ৰতিদ্বন্দ্বীক নিজৰ নিজৰ পদৰ বিষয়ে মন্তব্য কৰিবলৈ কৈছিল।

## মোৰ কাৰ্যকালৰ কিছু বিৱৰণ (২০২১-২০২২ বৰ্ষ)

**শপত গ্ৰহণ ঃ** মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ প্ৰতিগৰাকী সম্পাদিকাৰ লগতে প্ৰতিটো পদৰ তত্ত্বাৱধায়কৰ সৈতে মহাবিদ্যালয়ৰ হকে ভাল কাম কৰাৰ প্ৰতিশ্ৰুতিৰে ০১/১২/২০২১ ইং তাৰিখে শপত লোৱাৰ পাচত মোৰ প্ৰথম কাৰ্যসূচী আছিল বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ** প্ৰত্যেক বছৰৰ দৰে এইবেলিও মহাবিদ্যালয় সপ্তাহ পতাৰ বিষয়ে এখন সাধাৰণ সভা অনুষ্ঠিত কৰে আৰু সেইমৰ্মে ০৮/০১/২০২২ ইং তাৰিখৰপৰা ১২/০৫/২০২২ ইং তাৰিখলৈ পাঁচদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ পতাৰ যো-জা কৰা হয়। মোৰ বিষয়ৰ তত্ত্বাৱধায়ক ৰাজনীতি বিভাগৰ ড° হৰেণ চন্দ্ৰ কলিতা ছাৰৰ লগত আলোচনা কৰি ০৮/০১/২০২২ ইং তাৰিখে কুইজ প্ৰতিযোগিতা, ১৯/০১/২০২২ ইং তাৰিখে বাতৰি পৰিৱেশন আৰু কবিতা আবৃত্তি (অসমীয়া আৰু ইংৰাজী) প্ৰতিযোগিতা, ১০/০১/২০২২ ইং তাৰিখে আকস্মিক বক্তৃতা প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হয় যদিও দুৰ্ভাগ্যবশতঃ ক'ভিড-১৯ৰ বাবে বাকী থকা প্ৰতিযোগিতাসমূহৰ লগতে বঁটা বিতৰণী অনুষ্ঠানসমূহ স্থগিত কৰিবলগা হয়।

**গণতন্ত্ৰ দিৱস ঃ** মহাবিদ্যালয়ত প্ৰতি বছৰৰ দৰে এইবছৰো ৭৪ তম গণতন্ত্ৰ দিৱস পালন কৰা হয়। ২৬ জানুৱাৰী তাৰিখে ৰাতিপুৱা ৮-০০ বজাত মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ, শিক্ষক-কৰ্মচাৰী তথা ছাত্ৰ একতা সভাৰ সম্পাদিকাসকল উপস্থিত থাকে।

**সৰস্বতী পূজা ঃ** বিগত বছৰৰ দৰে এইবেলিও ০৫/০২/২০২২ ইং তাৰিখে মহাবিদ্যালয়ত সৰস্বতী পূজা পালন কৰা হয়। ন-পুৰণি ছাত্ৰীসকলে পৰম্পৰাগত সাজ-পাৰ পৰিধান কৰি মহাবিদ্যালয়খনি জাকত জিলিকা কৰাৰ লগতে দেৱী মাৰ চৰণত পুষ্পাঞ্জলি প্ৰদান কৰে। পূজাৰ আগদিনা মহাবিদ্যালয়ৰ বহুতো ছাত্ৰী-বান্ধৱীৰ লগতে শিক্ষক-কৰ্মচাৰীসকলেও আমাক সহযোগিতা আগবঢ়ায়।

**সংগ্ৰহালয় প্ৰতিষ্ঠা দিৱস (Museum Foundation Day) ঃ** ১৯/০২/২০২২ ইং তাৰিখে মহাবিদ্যালয়ত সংগ্ৰহালয় প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত অতিথি হিচাপে অধ্যাপক সঞ্জীৱ গোস্বামীদেৱ উপস্থিত থাকে। অধ্যাপক গোস্বামীদেৱে শিক্ষা আৰু লিংগ সমতাৰ ওপৰত বহুতো বহুমূলীয়া বক্তৃতা প্ৰদান কৰে।

**আন্তঃৰাষ্ট্ৰীয় মহিলা দিৱস (Internatiobal Women's Day) ঃ** মহাবিদ্যালয়ত ০৮/০৩/২০২২ ইং তাৰিখে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস পালন কৰা হয়। এই দিৱস উপলক্ষে মহাবিদ্যালয়ৰ এন.এছ.এছ. গোটৰ ফালৰপৰা এখনি সভা অনুষ্ঠিত কৰে। এই সভাত বৃক্ষৰোপণৰ বাবে সোণতোলা গাঁৱৰ গাঁওপ্ৰধান আৰু দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অধ্যাপিকা ফুলবাণী ডেকা বাইদেউ উপস্থিত থাকে।

**কিতাপ মুক্তিৰ অনুষ্ঠান (Book Releasing Event) ঃ** মহাবিদ্যালয়ত শিক্ষক ইউনিট আৰু কাৰ্যালয় কৰ্মচাৰী সন্থাৰ উদ্যোগত ০৯/০৫/২০২২ ইং তাৰিখে মহাবিদ্যালয়তকিতাপ মুক্তিৰ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। আমন্ত্ৰিত বিশিষ্ট ব্যক্তিসকলৰ সম্বৰ্ধনা অনুষ্ঠানৰ পিচত মহাবিদ্যালয়ৰ অধ্যক্ষদেৱে ৰচনা কৰা তিনিখনকৈ গ্ৰন্থ মুকলি কৰে—

(১) ছমৰীয়া সত্ৰৰ ঐতিহাসিক গুৰুত্ব, (২) শ্ৰীমন্ত শংকৰদেৱ আৰু সত্ৰৰ ওপৰত এটি নিৰ্বাচিত প্ৰবন্ধ, (৩) প্ৰসংগ ঃ শ্ৰীমন্ত শংকৰদেৱ।

এই অনুষ্ঠানত উপস্থিত বিশিষ্ট ব্যক্তি আছিল পলাশবাৰী সমষ্টিৰ বিধায়ক শ্ৰীযুত হেমাংগ ঠাকুৰীয়াদেৱ, দক্ষিণ কামৰূপৰ প্ৰখ্যাত সমাজকৰ্মী তথা উদ্যোগপতি শ্ৰীযুত অনিল দাসদেৱ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° দিলীপ মেধী আৰু দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষৰ লগতে আমাৰ মহাবিদ্যালয়ৰ সভাপতি ড° ৰমেশ চন্দ্ৰ কলিতা ছাৰ।

**নৱনিযুক্ত অধ্যক্ষ মহোদয়ৰ শপত গ্ৰহণ ঃ** ১২/০৫/২০২২ ইং তাৰিখে মহাবিদ্যালয়ৰ নৱনিযুক্ত অধ্যক্ষ ড° নৱকান্ত অধিকাৰী মহোদয়ে শপত গ্ৰহণৰ এটি অনুষ্ঠান অনুষ্ঠিত কৰে আৰু অধ্যক্ষ মহোদয়ে মহাবিদ্যালয়ৰ দায়িত্বভাৰ গ্ৰহণ কৰে। অধিকাৰী মহোদয় আছিল মহাবিদ্যালয় চতুৰ্থগৰাকী অধ্যক্ষ।

**বিশ্ব পৰিৱেশ দিৱস (World Environmental Day) ঃ** ৫ জুন, ২০২২ ইং তাৰিখে মহাবিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। এই দিৱসৰ উদ্দেশ্য আছিল কেৱল এখন সেউজীয়া পৃথিৱী গঢ়া। সেই অনুসাৰে মহাবিদ্যালয়ৰ চৌহদত ফলৰ গছপুলি ৰোপণৰ অভিযান চলাইছিল জুবানী ধৰ্ণা এণ্ড বিচাৰ্চ, ইনোভেছন এণ্ড এক্সটেনচনচেলে আৰু মহাবিদ্যালয়ৰ আই.কিউ.এ.চি (IQAC)ৰ ফালৰপৰা।

**কেন্দ্ৰীয় পুথিভঁৰালৰ আধাৰশিলা স্থাপন ঃ** মহাবিদ্যালয়ত ৩০/০৫/২০২২ ইং তাৰিখে কেন্দ্ৰীয় পুথিভঁৰালৰ আধাৰশিলা স্থাপন কৰে প্ৰখ্যাত সমাজকৰ্মী তথা উদ্যোগপতি শ্ৰীযুত অনিল দাস ডাঙৰীয়াই। ইয়াত উপস্থিত থাকে মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ, পৰিচালনা সমিতিৰ সভাপতি, শিক্ষক-কৰ্মচাৰীৰ লগতে ছাত্ৰী একতা সভাৰ সম্পাদিকাসকল।

**ৰাভা দিৱস ঃ** ২০ জুন তাৰিখে মহাবিদ্যালয়ত ৰাভা দিৱস পালনৰ উদ্দেশ্যে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱক শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। ৰাভা দিৱস উপলক্ষে মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ মাজত বিষ্ণু ৰাভাদেৱৰ বিষয়ক আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ শেষত অধ্যক্ষ সমন্বিতে উপস্থিত থকা ছাৰ-বাইদেউ তথা শিক্ষাৰ্থীসকলে গীত পৰিৱেশন কৰে।

**ৰেড ক্ৰ'ছ ছ'চাইটি (Red Cross Unit) গঠন ঃ** ১৫/০৭/২০২২ ইং তাৰিখে মহাবিদ্যালয়ত কামৰূপ শাখাৰ ৰেড ক্ৰ'ছ ছ'চাইটিৰ অধীনত যুৱ ৰেড ক্ৰ'ছ ইউনিট গঠন কৰে। কামৰূপ শাখাৰ আই.আৰ.চি.এছ (IRCS)ৰ সাধাৰণ সম্পাদক আৰু সভাপতি কনক চন্দ্ৰ তালুকদাৰে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে মহাবিদ্যালয়ৰ প্ৰায় ছাত্ৰীয়ে এই কাৰ্যসূচীত উপস্থিত থাকে।

**৭৬ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন ঃ** ৭৬ সংখ্যক ভাৰতৰ স্বাধীনতা দিৱস আৰু 'আজাদী কা অমৃত মহোৎসৱ' উপলক্ষে মহাবিদ্যালয়ত দুদিনীয়াকৈ কাৰ্যসূচী অনুষ্ঠিত কৰে। ১৪/০৮/২০২২ ইং তাৰিখে মহাবিদ্যালয়ে শোভাযাত্ৰা আৰু প্ৰদৰ্শনীৰ আয়োজন কৰে আৰু এই শোভাযাত্ৰাত প্ৰায় ৬০০ জনী ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। স্বাধীনতা দিৱস উপলক্ষে 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ মাজত অনলাইন ভাৰতীয় দেশপ্ৰেমমূলক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰি ১৫ আগষ্ট তাৰিখে প্ৰথম দহগৰাকী ছাত্ৰীক নৃত্য প্ৰদৰ্শনৰ আহ্বান জনায় আৰু ছাত্ৰীসকলৰ মাজত বঁটাসমূহ বিতৰণ কৰে।

**নৱাগত আদৰণি সভা (Freshers) ঃ** মহাবিদ্যালয়ত আনুষ্ঠানিকভাৱে নৱাগত ছাত্ৰীসকলক আদৰাৰ উদ্দেশ্যে ২৪/০৯/২০২২ ইং তাৰিখে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। সেই উপলক্ষে ৰাতিপুৱা ৯-০০ বজাত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° নৱকান্ত অধিকাৰীদেৱে পতাকা উত্তোলন কৰি দিনজোৰা কাৰ্যসূচীৰে আৰম্ভ কৰে।

এই মুকলি সভাখনৰ সভাপতি আছিল মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, মুখ্য অতিথি হিচাপে আছিল পলাশবাৰী সমষ্টিৰ বিধায়ক শ্ৰীযুত হেমাংগ ঠাকুৰীয়াদেৱ, সন্মানীয় অতিথি হিচাপে আছিল মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° ৰমেশ চন্দ্ৰ কলিতাদেৱ আৰু দাতা সদস্য, বিশিষ্ট উদ্যোগপতি তথা সমাজকৰ্মী শ্ৰীযুত অনিল দাসদেৱ।

বিশিষ্ট অতিথি হিচাপে আছিল সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য। বিশেষ সম্বৰ্ধনাৰ বাবে আমন্ত্ৰণ কৰা হয় অসমৰ দক্ষিণ কামৰূপস্থিত (বৰিহাট)ৰপৰা পদব্ৰজে লাডাখ যাত্ৰা সম্পূৰ্ণ কৰা শ্ৰীযুতা অঞ্জলি দাস বাইদেউক। সভাৰ শেষত ছাত্ৰীসকলৰ মনবোৰ উখল-মাখল কৰিবলৈ জনপ্ৰিয় কণ্ঠশিল্পী হিচাপে উপস্থিত আছিল মানসপ্ৰতীম আৰু লক্ষ্মীচন্দ্ৰ।

**সামৰণি ঃ** প্ৰতিবেদনৰ শেষত মোক সকলো সময়ত সহায়-সহযোগিতা আগবঢ়োৱা, বিভিন্ন সময়ত দিহা-পৰামৰ্শ দি পৰিচালনা কৰা তত্বাবধায়ক ড° হৰেণ চন্দ্ৰ কলিতা ছাৰলৈ আন্তৰিক শ্ৰদ্ধা তথা ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে ছাত্ৰী একতা সভাৰ প্ৰতিগৰাকী সম্পাদিকা, মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ, ছাৰ-বাইদেউ, কৰ্মচাৰীবৃন্দ তথা ছাত্ৰী-বান্ধৱীসকলক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শেষত মোৰ কাৰ্যকালৰ সময়ত অজানিতে হোৱা ভুলবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আমাৰ সকলোৰে মৰমৰ মহাবিদ্যালয়খনৰ উন্নতিৰ জখলাডাল আগবাঢ়ি তথা উজ্জ্বল ভৱিষ্যৎ কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয় আই অসম
জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়
জয়তু ছাত্ৰী একতা সভা

ধন্যবাদেৰে—
মন্দিৰা দলৈ



# সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



গুৰু ব্ৰহ্মা গুৰু বিষ্ণুঃ
গুৰু দেৱ মহেশ্বৰ,
গুৰু সাক্ষাৎ পৰম ব্ৰহ্মা
তস্মৈ শ্ৰীগুৰুৱে নমঃ।।

প্ৰতিবেদনৰ প্ৰাক্‌মুহূৰ্তত যিসকল মহান ব্যক্তিয়ে ত্যাগ, সাধনা, মহানুভৱতা আৰু অক্লান্ত পৰিশ্ৰমৰ ফলস্বৰূপে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খন গঢ়ি তুলিছিল, সেইসকলক মোৰ শ্ৰদ্ধা তথা প্ৰণাম জনালোঁ।

মহাবিদ্যালয়ৰ স্বনামধন্য শিক্ষক-শিক্ষয়িত্ৰীলৈ মোৰ প্ৰণাম তথা শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। লগতে মৰমৰ ভণ্টি, বান্ধৱী আৰু বাইদেউসকললৈ অভিনন্দন জনালোঁ।

২০২১-২০২২ বৰ্ষৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত সাংস্কৃতিক সম্পাদিকাৰ পদত প্ৰতিদ্বন্দ্বী হিচাপে থিয় দিছিলোঁ। মই মহাবিদ্যালয়ত আহিয়ে নিৰ্বাচনত উঠাটো হয়তো অলপ কষ্টকৰ আছিল। অচিনাকী ঠাই, অচিনাকী মানুহ যেন এমাহ সম্পূৰ্ণ নহওঁতে আপোন হৈ পৰিল। মোৰ প্ৰতিদ্বন্দ্বী হিচাপে ডাঙৰ ডাঙৰ বাইদেউবোৰ উঠাৰ পাচতো যেন মোৰ ভয় লগা নাছিল। কাৰণ মহাবিদ্যালয়ৰ সকলো ছাত্ৰীয়ে মোক মৰম কৰি সহযোগ কৰিছিল সাংস্কৃতিক পদটোত নিৰ্বাচিত হ'বলৈ। সাংস্কৃতিক বিভাগৰ দৰে এটা ডাঙৰ দায়িত্বশীল পদত মোক সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ সকলো ছাত্ৰী-বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দন জনালোঁ।

## মোৰ কাৰ্যকালৰ কিছু বিৱৰণ (২০২২ বৰ্ষ)

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ** মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ। সাংস্কৃতিক বিষয়ৰ তত্বাৱধায়িকা জিনু দাস বাইদেউৰ লগত আলোচনা কৰি আমি ০৯/০১/২০২১ ইং তাৰিখৰপৰা ১২/০১/২০২১ ইং তাৰিখলৈ মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক বিভাগৰ তৰফৰপৰা বিভিন্ন প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হৈছিল। সংগীত প্ৰতিযোগিতাসমূহ আছিল এনেধৰণৰ— বৰগীত, লোকগীত, জ্যোতি সংগীত, বিষ্ণু ৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত, আধুনিক গীত, বিয়ানাম আদি। প্ৰতিযোগিতাসমূহৰ বিচাৰক হিচাপে উপস্থিত আছিল আমাৰ মহাবিদ্যালয়ৰ এসময়ৰ শ্ৰেষ্ঠা গায়িকা, সু-গায়িকা আৰু লগতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলেও বিচাৰকৰ আসন অলংকৃত কৰি আমাক উৎসাহিত কৰে। আনহাতে অন্য প্ৰতিযোগিতাসমূহ এনেধৰণৰ— একক নৃত্য, দলীয় নৃত্য, কইনা প্ৰতিযোগিতা, পৰম্পৰাগত সাজ-পাৰ প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হৈছিল। এই প্ৰতিযোগিতাসমূহত যথেষ্টসংখ্যক ছাত্ৰীয়ে যোগদান কৰিছিল। কিছু প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ বৈ গ'ল, কাৰণ ক'ৰোনা মহামাৰীৰ বতাহ অৰ্থাৎ আক্ৰমণ শেষ হোৱা নাছিল। মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ গায়িকা আৰু অসমীয়া বিভাগৰ স্নাতকোত্তৰ দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰী ৰৰষা মহন্ত (সুন্দৰ গায়িকা আৰু প্ৰতিভাশালী ছোৱালী), ছাত্ৰী বান্ধৱীসকলে ভালেসংখ্যক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাত আৰু প্ৰতিযোগিতাসমূহ চলাই নিয়াত মোক সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ তথা অধ্যাপক-অধ্যাপিকাসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**সৰস্বতী পূজা ঃ** ০৫/০২/২০২২ ইং তাৰিখে মহাবিদ্যালয়ত সৰস্বতী পূজা অনুষ্ঠিত কৰা হয়। দুৰ্ভাগ্যবশতঃ পূজাৰ দিনা মোৰ শাৰীৰিক অসুস্থতাৰ বাবে পূজাত উপস্থিত থাকিব নোৱাৰিলোঁ। ধন্যবাদ সেইসকল ছাত্ৰীৰ বাবে— যিসকল ছাত্ৰীৰ সহায়-সহযোগিতাত পূজাখন সুন্দৰভাৱে পাৰ হৈছিল।

**ৰাভা দিৱস ঃ** ২০/০৬/২০২২ ইং তাৰিখে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ মৃত্যু তিথি উদ্‌যাপন কৰা হৈছিল (অসমীয়া বিভাগৰ তৰফৰপৰা)। সেইদিনা সাংস্কৃতিক অনুষ্ঠান হিচাপে বিভিন্ন ধৰণৰ ৰাভা সংগীত পৰিৱেশন কৰা হৈছিল। তাত পৰিৱেশনকাৰী একমাত্ৰ ছাত্ৰীসকলেই নাছিল, আমাৰ নতুন অধ্যক্ষ তথা অন্য শিক্ষক-শিক্ষয়িত্ৰীসকলেও সংগীত পৰিৱেশন কৰিছিল। সঁচাকৈ এটা মনত ৰাখিবলগা দিন আছিল। অনুষ্ঠানটি ইমান সুন্দৰ আৰু ডাঙৰ কৰি তোলাৰ বাবে অসমীয়া বিভাগৰ সকলো শিক্ষাগুৰুলৈ মই ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**নৱাগত আদৰণি সভা ঃ** ২৪/০৯/২০২২ ইং তাৰিখে নৱাগত আদৰণি সভা উদ্‌যাপন কৰা হয়। নৱাগত আদৰণি সভাৰ সাংস্কৃতিক অনুষ্ঠানসমূহ আছিল এনেধৰণৰ— বৰগীতেৰে মুকলি কৰি ৰাভা সংগীত, আধুনিক গীত, ভূপেন্দ্ৰ সংগীত, একক নৃত্য, দলীয় নৃত্য, কবিতা আবৃত্তি, সমবেত সংগীত ইত্যাদি। এই সভাৰ অতিথিসকল হৈছে— ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, হেমাংগ ঠাকুৰীয়া, অনিল দাস, জিতুল কুমাৰ, অঞ্জলি নাথৰ লগতে জনপ্ৰিয় কণ্ঠশিল্পী লক্ষ্মীচন্দ্ৰ আৰু মানসপ্ৰতীম। নৱাগত আদৰণি সভাত মোৰ ফালৰপৰা এটা সৰু উপহাৰ হিচাপে এযোৰ তবলা মহাবিদ্যালয়ক দিছোঁ।

**সামৰণি ঃ** প্ৰতিবেদনৰ শেষত মোক সকলো সময়তে দিহা-পৰামৰ্শৰ লগতে সহায়-সহযোগিতা আগবঢ়োৱা তত্ত্বাৱধায়িকা জিনু দাস বাইদেউলৈ হিয়াভৰা মৰম, শ্ৰদ্ধা তথা ধন্যবাদ জ্ঞাপন কৰিলোঁ। আমাৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ৰ লগতে মহাবিদ্যালয়ৰ সমূহ বিভাগীয় ছাৰ-বাইদেউ তথা কৰ্মচাৰীবৃন্দলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ। মোৰ কাৰ্যকালত দায়িত্ব পালনৰ ক্ষেত্ৰত হোৱা অনিচ্ছাকৃত ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

সদৌ শেষত মহাবিদ্যালয়খন যি উন্নতিৰ পথত গৈ আছে, তেনেকৈ যেন গৈ থাকে। মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটো যেন আৰু আগবাঢ়ি গৈ থাকে— তাকে কামনা কৰিলোঁ।

বয়সে তোমাৰ পৰিচয় নিদিয়ে
তোমাৰ পৰিচয় দিয়ে
তোমাৰ অভিজ্ঞতাই।

জয় আই অসম
জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়
জয়তু ছাত্ৰী একতা সভা

ধন্যবাদেৰে—
**প্ৰিয়াংশী ডেকা**



# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল লোকে আমাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাত সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছে, তেওঁলোকক মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। লগতে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু শিক্ষাগুৰুসকললৈ মোৰ শ্ৰদ্ধা আৰু সমূহ বাইদেউ তথা ছাত্ৰী বান্ধৱী আৰু লগতে ভণ্টিসকলক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ হিয়াভৰা মৰম যাচিলোঁ।

২০২১-২০২২ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি সেৱা আগবঢ়াবলৈ সুযোগকণ দিয়াৰ বাবে সমূহ ছাত্ৰী বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ যাচিলোঁ।

নিৰ্বাচনৰ কিছুদিন পিচত ০১/১২/২০২১ ইং তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, তত্ত্বাৱধায়ক ছাৰ-বাইদেউসকলৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সদস্যাসকলৰ লগত শপত গ্ৰহণ কৰা হয়। সেইদিনাখন মই নিজেও শপত লৈছিলোঁ যে— মহাবিদ্যালয়ৰ সন্মান সদায় বজাই ৰাখিবলৈ চেষ্টা কৰিম।

## মোৰ কাৰ্যকালৰ কিছু বিৱৰণ

### (১) মহাবিদ্যালয় সপ্তাহ ঃ

বিগত বছৰৰ দৰেই এইবেলিও ০৮/০১/২০২২ ইং তাৰিখৰপৰা ১২/০১/২০২২ ইং তাৰিখলৈ পাঁচদিনীয়াকৈ মহাবিদ্যালয় সপ্তাহ আয়োজন কৰা হৈছিল। ছাত্ৰী জিৰণি কোঠাৰ তৰফৰপৰা ছাত্ৰীসকলৰ মাজত হোৱা প্ৰতিযোগিতাসমূহ হ'ল— ৰন্ধন, জেতুকা বোলোৱা (মেহেন্দী), ৰংগোলী, কেৰম, উঠা-বহা, খোপা বন্ধা, পানী-পাৰ, মিউজিক চেয়াৰ ইত্যাদি। ছাত্ৰীসকলে যথেষ্ট উৎসাহেৰে প্ৰতিযোগিতাত আগভাগ লৈছিল। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা সকলো ছাত্ৰী-বান্ধৱীক মই ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে এই প্ৰতিযোগিতাসমূহ পৰিপাটিকৈ চলাই নিয়াৰ বাবে বিচাৰকমণ্ডলীক মই আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

### (২) গণতন্ত্ৰ দিৱস ঃ

প্ৰতি বছৰৰ দৰে এইবেলিও ২৬/০১/২০২২ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ত ছাৰ-বাইদেউ, ছাত্ৰী একতা সভা আৰু ছাত্ৰীসকলৰ সহযোগত গণতন্ত্ৰ দিৱস পালন কৰা হয়।

### (৩) সৰস্বতী পূজা ঃ

বিগত বছৰৰ দৰে এইবেলিও ০৫/০২/২০২২ ইং তাৰিখে মহাবিদ্যালয়ত উলহ-মালহেৰে সৰস্বতী পূজা উদ্‌যাপন কৰা হৈছিল। মোৰ ফালৰপৰা এই পূজাখন চলাই নিবৰ বাবে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াইছিলোঁ। ছাৰ-বাইদেউসকলৰ লগতে সকলো কামত সহায় কৰি সকলোৰে মিলি খুব আনন্দৰে পূজাখন পাতিছিলোঁ।

### (৪) আন্তৰ্জাতিক নাৰী দিৱস ঃ

৪ মাৰ্চ, ২০২২ত আমাৰ মহাবিদ্যালয়ত আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰা হয়। য'ত বিশিষ্ট অতিথি আছিল দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ফুলবাণী ডেকা আৰু সোণতোলা গাঁৱৰ গাঁওপ্ৰধান।

### (৫) নতুন অধ্যক্ষক সম্বৰ্ধনা ঃ

১২/০৫/২০২২ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ত নতুন অধ্যক্ষ মহোদয় ছাৰক সম্বৰ্ধনা জনোৱাৰ লগতে দায়িত্বভাৰো অৰ্পণ কৰে। ভাল লগা কথা এইটোৱে যে, নতুন অধ্যক্ষ ছাৰ আন কোনো নহয়, আমাৰ মহাবিদ্যালয়ৰে ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক ড° নৱকান্ত অধিকাৰী ছাৰ। আমি ছাত্ৰী একতা সভাৰ তৰফৰপৰাও সেইদিনাখন তেখেতক সম্বৰ্ধনা জনাওঁ। লগতে ছাৰক আমাৰ ফালৰপৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

**(৬) স্বাধীনতা দিৱস ঃ**

প্ৰতি বছৰৰ দৰে এইবেলিও ১৫ আগষ্ট তাৰিখে আমাৰ মহাবিদ্যালয়ত সকলো ছাৰ-বাইদেউ, ছাত্ৰী একতা সভা আৰু ছাত্ৰীসকলৰ সহযোগত স্বাধীনতা দিৱস পালন কৰা হয়।

**(৭) নৱাগত আদৰণি সভা ঃ**

মোৰ কাৰ্যকালৰ শেষ কাৰ্যসূচী আছিল নৱাগত আদৰণি সভাখন। ২৪/০৯/২০২২ ইং তাৰিখে অতি উলহ-মালহেৰে নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। এই সভাত নতুন ছাত্ৰীক আদৰণি জনোৱাৰ লগতে বহুতো বিশিষ্ট ব্যক্তিৰ বহুমূলীয়া ভাষণ, নৃত্য-গীত, নাটক আদি কাৰ্যসূচী থাকে। সকলোৱে সহায়-সহযোগিতা আৰু ছাত্ৰী একতা সভাৰ উদ্যোগত সুচাৰুৰূপে এই সভাখন সম্পন্ন হৈছিল।

ছাত্ৰী জিৰণি কোঠাটোৰ মই মোৰ সকলো কাম সুকলমে পালন কৰিবলৈ চেষ্টা কৰিছোঁ। ছাত্ৰী জিৰণি কোঠাটো পৰিষ্কাৰ কৰি ৰখাটো কেৱল মোৰ বা মহাবিদ্যালয় কৰ্তৃপক্ষৰেই দায়িত্ব নহয়, মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰীৰেই সমান দায়িত্ব। সেয়েহে মই ছাত্ৰী-বান্ধৱীকে ছাত্ৰী জিৰণি কোঠাটো পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰাখিবলৈ অনুৰোধ জনালোঁ।

মোৰ কাৰ্যকালৰ সকলো সময়তে, সকলো বিষয়তে শুদ্ধ বিচাৰ-বিবেচনা আৰু উপদেশ দি সহায় কৰাৰ বাবে মই গৃহ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ৰঞ্জনা ডেকা বাইদেউক মোৰ ফালৰপৰা অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাৰ-বাইদেউলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু লগতে ছাত্ৰী একতা সভাৰ সকলো সদস্যাই মোৰ সকলো কামত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে তেওঁলোকক মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।


সদৌ শেষত মোৰ চমু কাৰ্যকালছোৱাত যদি অজানিতে কেতিয়াবা কিবা ভুল-ত্ৰুটি কৰিছোঁ, সকলোৱে যেন ক্ষমা কৰি দিয়ে। আৰু লগতে আমাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি আৰু উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয় আই অসম
জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়
জয়তু ছাত্ৰী একতা সভা

ধন্যবাদেৰে—
**চাবানা বেগম**







## সমাজসেৱা সম্পাদিকাৰ প্ৰতিবেদন

যিসকল মহান ব্যক্তিৰ প্ৰচেষ্টাত দক্ষিণ কামৰূপ অঞ্চলৰ আগশাৰীৰ স্ত্ৰী শিক্ষানুষ্ঠান 'দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'খন গঢ় লৈ উঠিছে, সেইসকললৈ মোৰ সেৱা আগবঢ়াই মোৰ প্ৰতিবেদনৰ আৰম্ভণি কৰিছোঁ।

২০২১-২০২২ ইং বৰ্ষত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোৰো সমাজসেৱা বিভাগত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ সৌভাগ্যকণ হৈছিল।

২৯/১১/২০২১ ইং তাৰিখে হোৱা মহাবিদ্যালয়ৰ এই সাধাৰণ নিৰ্বাচনত সমাজসেৱা পদত নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ হকে মনত পুহি ৰখা আশাবোৰে নতুনকৈ প্ৰাণ পাই উঠিছিল। মোক এই পদৰ বাবে যোগ্য বুলি ভাবি আগবঢ়াই লৈ যোৱাৰ বাবে মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰীৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম।

### মোৰ কাৰ্যকালৰ চমু বিৱৰণ

০১/১২/২০২১ ইং তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষকে ধৰি বিভাগীয় শিক্ষাগুৰুসকলৰ উপস্থিতিত মোৰ লগতে ছাত্ৰী একতা সভাৰ প্ৰতিগৰাকী ছাত্ৰীয়ে শপত গ্ৰহণ কৰে।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন ঃ** ছাত্ৰী একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদিকাৰূপে মোৰ প্ৰথম কাৰ্যসূচী আছিল বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ।

বিগত বছৰবোৰৰ দৰে এইবেলিও ০৮/০১/২০২২ ইং তাৰিখৰপৰা ১২/০১/২০২২ ইং তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হৈছিল। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি আৰু মহাবিদ্যালয়ৰ চাফ-চিকুণতাৰ প্ৰতি লক্ষ্য ৰাখি ০৭/০১/২০২২ ইং তাৰিখে মহাবিদ্যালয়ৰ চৌপাশ ছাত্ৰীসকলৰ সহযোগত পৰিষ্কাৰ কৰাৰ লগতে চৌদিশে বাঁহৰ হাতে বনোৱা ডাষ্টবিনৰ ব্যৱস্থাও কৰা হয়।

**সৰস্বতী পূজা উদ্‌যাপন ঃ** বিগত বৰ্ষবোৰৰ দৰে এইবেলিও ০৫/০২/২০২২ ইং তাৰিখে বিদ্যাৰ অধিষ্ঠাত্ৰী মা সৰস্বতীৰ পূজাভাগৰ আয়োজন কৰা হয়। পূজা উপলক্ষে ০৪/০২/২০২২ ইং তাৰিখে মহাবিদ্যালয়ৰ চৌহদ চাফ-চিকুণ কৰাৰ লগতে পূজাৰ যাৱতীয় কাম-কাজ, মণ্ডপ সজোৱা, পূজাৰ যোগাৰ কৰা আদি কামবোৰ মহাবিদ্যালয়ৰ ছাত্ৰী আৰু ছাত্ৰী একতা সভাৰ সদস্যাসকলৰ সহযোগত সম্পন্ন কৰোঁ।

**বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন ঃ** ০৫/০৬/২০২২ ইং তাৰিখে বিশ্ব পৰিৱেশ দিৱস উপলক্ষে ছাত্ৰীসকলৰ সহযোগত মহাবিদ্যালয় চৌহদ চাফ-চিকুণ কৰাৰ লগতে অধ্যক্ষ, উপাধ্যক্ষ প্ৰমুখ্যে বিভাগীয় শিক্ষাগুৰুসকলৰ উপস্থিতিত ঠায়ে ঠায়ে গছপুলি ৰোপণ কৰা হয়।

**নৱাগত আদৰণি সভা ঃ** ২৪/০৯/২০২২ ইং তাৰিখে নৱাগত আদৰণি সভাখন আয়োজন কৰা হয়। ২৩/০৯/২০২২ ইং তাৰিখে নৱাগত আদৰণি সভা উপলক্ষে মহাবিদ্যালয়খন ছাত্ৰীসকলৰ সহযোগত পৰিষ্কাৰ কৰা হয়। মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰীৰ সহযোগত নৱাগত আদৰণি সভাখন সুকলমে পাৰ হৈ যায়।

উল্লিখিত অনুষ্ঠানবোৰৰ উপৰিও মহাবিদ্যালয়খন চাফ-চিকুণ কৰি ৰখাৰ স্বাৰ্থত আৰু বহুতো অনুষ্ঠান অনুষ্ঠিত কৰা হৈছিল।

**সামৰণি ঃ** এইখিনিতে মোক প্ৰতিটো কামত সহায় আগবঢ়োৱা অধ্যক্ষ, উপাধ্যক্ষ মহোদয়ৰ লগতে তত্ত্বাৱধায়িকা মিতালী গোস্বামী বাইদেউলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। মোক প্ৰতিটো মুহূৰ্তত বিশেষভাৱে সহায় আগবঢ়োৱা এন.এছ.এছ. গোটৰ তত্ত্বাৱধায়িকা মিতালী কাঠকটীয়া বাইদেউৰ লগতে এন.এছ.এছ. গোটৰ ছাত্ৰী-বান্ধৱীসকললৈ অশেষ ধন্যবাদ জনালোঁ।

শেষত ছাত্ৰী একতা সভাৰ সদস্যাসকললৈ অশেষ ধন্যবাদ জনাই মোৰ অজানিতে হোৱা ভুলৰ ক্ষমা বিচাৰি প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

জয় আই অসম
জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়
জয়তু ছাত্ৰী একতা সভা

ধন্যবাদেৰে—
**সুস্মিতা মালী**

# খেল বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



**আৰম্ভণি ঃ**

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ— যিসকল ব্যক্তিৰ ত্যাগ, পৰিশ্ৰমৰ ফলশ্ৰুতিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খন এখন স্ত্ৰী-শিক্ষাৰ কেন্দ্ৰস্থলৰূপে গঢ়ি উঠিবলৈ সক্ষম হৈছিল। ইয়াৰ লগতে মই আমাৰ মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকললৈ আৰু ছাত্ৰী-বান্ধৱীসকললৈ অশেষ শ্ৰদ্ধা আৰু মৰম যাচিছোঁ।

বহুতো আশা বুকুত বান্ধি, বহুতো সপোন বাস্তৱ কৰাৰ আশাৰে মই এই মহাবিদ্যালয়খনত ভৰি দিছিলোঁ ২০১৯ ইং চনত। মহাবিদ্যালয়খনৰ প্ৰতি কিবা এটা নতুন কাম কৰাৰ উদ্দেশ্যে মই ২০২১-২০২২ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত 'খেল সম্পাদিকা' পদৰ বাবে নিৰ্বাচিত হৈছিলোঁ। মোৰ এই নিৰ্বাচনখনিত নিঃস্বাৰ্থভাৱে সহায়-সহযোগিতা আৰু ইমান মৰম দিয়া মোৰ ছাত্ৰী বান্ধৱী, মোৰ মৰমৰ ভণ্টিসকলৰ লগতে মোৰ শ্ৰদ্ধাৰ ছাৰ-বাইদেউসকললৈ ধন্যবাদ, শ্ৰদ্ধা যাচিছোঁ। মহাবিদ্যালয়খনৰ হকে কাম কৰিবলৈ সুযোগ দিয়া বাবে আৰু এই গধুৰ দায়িত্বৰ বাবে মোক যোগ্য বুলি ভবা সেইসকল ব্যক্তিৰ ওচৰত মই সদায় চিৰকৃতজ্ঞ হৈ ৰ'ম।

## মোৰ কাৰ্যকালৰ কিছু বিৱৰণ ঃ

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ**

ছাত্ৰী একতা সভাৰ খেল বিভাগৰ সম্পাদিকাৰূপে মোৰ প্ৰথম কাৰ্যসূচী আছিল মহাবিদ্যালয় সপ্তাহ। বিগত বছৰৰ দৰে এইবেলিও ০৮/০১/২০২২ ইং তাৰিখৰপৰা ১২/০১/২০২২ ইং তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হৈছিল। চৰকাৰৰ ক'ভিড বিধি মানি আমি মহাবিদ্যালয় সপ্তাহখন অনুষ্টুপীয়াভাৱে কৰিবলগীয়া হৈছিল, যাৰ বাবে আমি কিছু খেল বাতিল কৰিবলগীয়াও হৈছিল। ইয়াৰ বাবে মই খেল সম্পাদিকা হিচাপে দুখ অনুভৱ কৰিছিলোঁ।

ক'ভিড পৰিস্থিতিৰ মাজতে যিসমূহ খেল অনুষ্ঠিত কৰা হৈছিল, তাত অধিক আগ্ৰহেৰে অংশগ্ৰহণ কৰা ছাত্ৰী-বান্ধৱীসকলৰ লগত মোৰ বিশেষভাৱে সহায় আগবঢ়োৱা আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰদ্ধাৰ হবিবুৰ ৰহমান ছাৰ, মোৰ তত্বাৱধায়ক শ্ৰদ্ধাৰ নিপুণ দলৈ ছাৰকে ধৰি প্ৰশিক্ষক মহোদয়ক মই অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। মোক যথেষ্টভাৱে সহায়ৰ হাত আগবঢ়োৱা ছাত্ৰী একতা সভাৰ সদস্যাবৃন্দৰ লগতে মোৰ আন বান্ধৱীসকললৈ মৰম আৰু ধন্যবাদ জনালোঁ। এই কাৰ্যসূচীসমূহ নিয়াৰিকৈ পালন কৰিবলৈ পাই মই অতি আনন্দ লাভ কৰিছিলোঁ।

**দক্ষিণ কামৰূপ ক্ৰীড়া সমাৰোহ (২০২২) ঃ**

দক্ষিণ কামৰূপ ক্ৰীড়া সন্থাৰ বাৰ্ষিক ক্ৰীড়া সমাৰোহ উপলক্ষে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰীসকলকো নিমন্ত্ৰণ জনোৱা হৈছিল। সেই উপলক্ষে ০৪/০৩/২০২২ ইং তাৰিখৰপৰা ০৬/০৩/২০২২ ইং তাৰিখলৈকে অনুষ্ঠিত হোৱা খেলসমূহত মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি পোন্ধৰগৰাকী ছাত্ৰীক আমাৰ মহাবিদ্যালয়ৰ তৰফৰপৰা খেলৰ বাবে লৈ গৈছিলোঁ। তাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে ভাল প্ৰদৰ্শন দেখুৱাবলৈ সক্ষম হৈছিল। তাত বিভিন্ন ধৰণৰ খেল অনুষ্ঠিত হৈছিল আৰু তাৰে পোন্ধৰটা খেলৰ ভিতৰত চৈধ্যটাত মেডেল আনিবলৈ সক্ষম হৈছিল। ইয়াৰ লগতে আমাৰ মহাবিদ্যালয়ৰ কাবাদী দলটোৱে প্ৰথম স্থান লাভ কৰি জয়ী হৈছিল। তাত একক খেলসমূহ; যেনে— দৌৰ, হাইজাম্প, লংজাম্প, শ্বটপুট থ্ৰো, ডিচ্‌কাচ্ থ্ৰো আদি আটাইকেইটা খেলত আমাৰ মহাবিদ্যালয়ৰপৰা অংশগ্ৰহণ কৰা আটাইকেইগৰাকী ছাত্ৰীয়ে সুনাম কঢ়িয়াই আনিছিল। এই অনুষ্ঠানটোত আমাৰ মহাবিদ্যালয়ে ছয়টা সোণ, এটা ৰূপ আৰু ছয়টা ব্ৰঞ্জৰ পদক পাবলৈ সক্ষম হৈছিল।



এনে এটা অভিজ্ঞতাৰে অভিজ্ঞ হৈ মই নিজকে সঁচাকৈ সৌভাগ্যশালী যেন অনুভৱ কৰিছোঁ। যিসকল ছাত্ৰীয়ে মোক ইমান আগ্ৰহেৰে এই অনুষ্ঠানটো সাৰ্থক হোৱাত সহায় কৰিলে, লগতে মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিলে, সেই প্ৰতিযোগী ছাত্ৰীলৈ মোৰ ফালৰপৰা অভিনন্দন, মৰম যাচিছোঁ আৰু সেই প্ৰতিযোগী ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ। এই ছাত্ৰীসকলৰ দৰে আৰু আন দহগৰাকী ছাত্ৰীক মই আগুৱাই আহি মহাবিদ্যালয়ৰ হকে লগতে নিজৰ হকে খেলি এনেকৈ সুনাম কঢ়িয়াই আনিবলৈ অনুৰোধ জনালোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ খেলৰ প্ৰতি থকা আগ্ৰহ আৰু ছাত্ৰীসকলৰ জিৰণি সময়ৰ এক আহিলাৰূপে মই মহাবিদ্যালয়ৰ Sports Complexটো সদায় খুলি ৰাখিবলৈ যত্ন কৰিছিলোঁ। যাৰ বাবে ছাত্ৰীসকলে তাত বেডমিণ্টন, টেবুল টেনিছ আদি খেলসমূহ আজৰি সময়ত খেলি নিজৰ মধুৰ সময়খিনি অতিবাহিত কৰিছিল আৰু খেলৰ প্ৰতি আৰু অধিক আগ্ৰহী হৈ পৰা যেন অনুভৱ হৈছিল।

এনেধৰণৰ বহু খেল, বিভিন্ন অনুষ্ঠান আৰু হাঁহি-ধেমালিৰে আমাৰ বছৰটোৰ সমাপ্তি ঘটিছিল। এক বুজাব নোৱাৰা অনুভৱ বুকুত বান্ধি ৰাখিছিলোঁ। এই দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিচত বহুতো তিতা-মিঠা নতুন নতুন অভিজ্ঞতা আহৰণ কৰিবলৈ সক্ষম হৈছিলোঁ।

**সামৰণি ঃ**

সদৌ শেষত মোক আমাৰ মহাবিদ্যালয়ৰ হকে কিবা এটা কৰাৰ সুযোগকণ দিয়া বাবে মই মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰীক মোৰ হিয়াভৰা মৰম আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু শ্ৰদ্ধাৰ ছাৰ-বাইদেউসকলকো মোৰ শ্ৰদ্ধা যাচিছোঁ। মোৰ কাৰ্যকালত মোক সহায়-সহযোগিতা আৰু ইমানখিনি মৰম দিয়া আমাৰ মহাবিদ্যালয়ৰ আটাইকেইগৰাকী ছাত্ৰীকে মই পুনৰবাৰ ধন্যবাদ জনালোঁ। লগতে আমাৰ এই দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খনি আৰু বেছি জাকত জিলিকা হৈ মহাবিদ্যালয়ৰ প্ৰত্যেকটো দিশৰ ফালৰপৰা উন্নতিৰ পথেৰে আগবাঢ়ি যাবলৈ ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ।

মোৰ এই কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনাৰে মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয় আই অসম
জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়
জয়তু ছাত্ৰী একতা সভা

ধন্যবাদেৰে—
**ইন্দ্ৰাণী নাথ**



# ২০২১-২০২২ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাসমূহৰ ফলাফল

## সাহিত্য আৰু আলোচনী বিভাগ

১। থিতাতে লিখা কবিতা প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ অনিন্দিতা ৰাভা (স্নাতক তৃতীয় যাণ্মাসিক)
দ্বিতীয় স্থান ঃ লীনা দাস (বি.এম.চি. পঞ্চম যাণ্মাসিক)
তৃতীয় স্থান ঃ ৰীতা দাস (স্নাতক তৃতীয় যাণ্মাসিক)

২। থিতাতে লিখা পেৰডী কবিতা প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ ৰীতা দাস (স্নাতক তৃতীয় যাণ্মাসিক)
দ্বিতীয় স্থান ঃ মুকুতা মেধি (স্নাতক তৃতীয় যাণ্মাসিক)
তৃতীয় স্থান ঃ চিত্ৰলেখা দিয়া (উঃ মাঃ দ্বিতীয় বৰ্ষ)

৩। থিতাতে লিখা ৰচনা প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ ৰীতা দাস (স্নাতক তৃতীয় যাণ্মাসিক)
দ্বিতীয় স্থান ঃ জুমি দাস (স্নাতক পঞ্চম যাণ্মাসিক)
তৃতীয় স্থান ঃ চাৰ্জিদা বেগম (স্নাতক তৃতীয় যাণ্মাসিক)
উদগনি বটা ঃ কবৰী দাস (স্নাতক প্ৰথম যাণ্মাসিক)

৪। থিতাতে লিখা ৰস-ৰচনা প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ চাৰ্জিদা বেগম (স্নাতক তৃতীয় যাণ্মাসিক)
দ্বিতীয় স্থান ঃ চিত্ৰলেখা দিয়া (উঃ মাঃ দ্বিতীয় বৰ্ষ)
তৃতীয় স্থান ঃ কবৰী দাস (স্নাতক প্ৰথম যাণ্মাসিক)

৫। থিতাতে লিখা মুকলি চিঠি প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ মুকুতা মেধি (স্নাতক তৃতীয় যাণ্মাসিক)
দ্বিতীয় স্থান ঃ চাৰ্জিদা বেগম (স্নাতক তৃতীয় যাণ্মাসিক)
তৃতীয় স্থান ঃ চিত্ৰলেখা দিয়া (উঃ মাঃ দ্বিতীয় বৰ্ষ)
উদগনি বটা ঃ বনজিতা ৰাভা (স্নাতক তৃতীয় যাণ্মাসিক)

৬। থিতাতে লিখা চুটিগল্প প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ জুপিতৰা দাস (বি.এম.চি. তৃতীয় যাণ্মাসিক)
দ্বিতীয় স্থান ঃ চিত্ৰলেখা দিয়া (উঃ মাঃ দ্বিতীয় বৰ্ষ)
তৃতীয় স্থান ঃ নিবেদিতা ৰাজবংশী (স্নাতক প্ৰথম যাণ্মাসিক)
উদগনি বটা ঃ ৰীতা দাস (বি.এম.চি. তৃতীয় যাণ্মাসিক)
সংগীতা বৈশ্য (স্নাতক প্ৰথম যাণ্মাসিক)

৭। থিতাতে লিখা আকস্মিক লিখনি প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ জুপিতৰা দাস (বি.এম.চি. তৃতীয় যাণ্মাসিক)
দ্বিতীয় স্থান ঃ ৰীতা দাস (বি.এম.চি. তৃতীয় যাণ্মাসিক)
তৃতীয় স্থান ঃ চেহেনাজ পাৰবীন (উঃ মাঃ দ্বিতীয় বৰ্ষ)
চিত্ৰলেখা দিয়া (উঃ মাঃ দ্বিতীয় বৰ্ষ)
ভনিতা দাস (উঃ মাঃ প্ৰথম বৰ্ষ)

৮। থিতাতে অঁকা চিত্ৰাংকন প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ চেহেনাজ পাৰবীন (উঃ মাঃ দ্বিতীয় বৰ্ষ)
দ্বিতীয় স্থান ঃ চন্দ্ৰমিতা ঠাকুৰীয়া (উঃ মাঃ দ্বিতীয় বৰ্ষ)
ভনিতা দাস (উঃ মাঃ প্ৰথম বৰ্ষ)
তৃতীয় স্থান ঃ ৰীতা দাস (স্নাতক তৃতীয় যাণ্মাসিক)

## তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ

১। অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ ৰিমঝিম কৌশিক (স্নাতক দ্বিতীয় যাণ্মাসিক)
দ্বিতীয় স্থান ঃ সংগীতা বৈশ্য (স্নাতক চতুৰ্থ যাণ্মাসিক)
তৃতীয় স্থান ঃ টিনা কলিতা (স্নাতক চতুৰ্থ যাণ্মাসিক)

২। ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ ডিউলী কলিতা (স্নাতক চতুৰ্থ যাণ্মাসিক)
নিশিতা শৰ্মা (স্নাতক চতুৰ্থ যাণ্মাসিক)
দ্বিতীয় স্থান ঃ ৰুদ্ৰা ভৰালী (স্নাতক চতুৰ্থ যাণ্মাসিক)
জোনালী চুলতানা (স্নাতক দ্বিতীয় যাণ্মাসিক)
তৃতীয় স্থান ঃ অপৰ্ণা কছাৰী (স্নাতক চতুৰ্থ যাণ্মাসিক)
আবজুবাৰা বেগম (উঃ মাঃ দ্বিতীয় বৰ্ষ)

৩। আকস্মিক বক্তৃতা প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ জুপিতৰা দাস (স্নাতক ষষ্ঠ যাণ্মাসিক)
দ্বিতীয় স্থান ঃ ডিউলী কলিতা (স্নাতক চতুৰ্থ যাণ্মাসিক)
তৃতীয় স্থান ঃ ৰিমঝিম কৌশিক (স্নাতক তৃতীয় যাণ্মাসিক)

৪। আকস্মিক লিখিত প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ অনিন্দিতা ৰাভা (স্নাতক ষষ্ঠ যাণ্মাসিক)
দ্বিতীয় স্থান ঃ ডিউলী কলিতা (স্নাতক চতুৰ্থ যাণ্মাসিক)
ৰীতা দাস (স্নাতক ষষ্ঠ যাণ্মাসিক)
তৃতীয় স্থান ঃ নিকিতা গোস্বামী (স্নাতক ষষ্ঠ যাণ্মাসিক)
সংগীতা বৈশ্য (স্নাতক চতুৰ্থ যাণ্মাসিক)

৫। বাতৰি পৰিবেশন প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ সংগীতা বৈশ্য (স্নাতক চতুৰ্থ যাণ্মাসিক)
দ্বিতীয় স্থান ঃ ডিউলী কলিতা (স্নাতক চতুৰ্থ যাণ্মাসিক)
তৃতীয় স্থান ঃ জুপিতৰা দাস (স্নাতক ষষ্ঠ যাণ্মাসিক)
ইন্দ্ৰাণী নাথ (স্নাতক চতুৰ্থ যাণ্মাসিক)
হৰ্ষিতা গোস্বামী (স্নাতক চতুৰ্থ যাণ্মাসিক)

৬। কুইজ প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ তৃষ্ণা ৰাজবংশীৰ দল
দ্বিতীয় স্থান ঃ ৰীতা দাসৰ দল
তৃতীয় স্থান ঃ ভনিতা শৰ্মাৰ দল



## খেল বিভাগ

১। ১০০ মিটাৰ দৌৰ প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ মিতালী দাস (উঃ মাঃ প্ৰথম বৰ্ষ)
দ্বিতীয় স্থান ঃ চাহানাজ চুলতানা (উঃ মাঃ দ্বিতীয় বৰ্ষ)
তৃতীয় স্থান ঃ পৰিস্মিতা ৰাভা (স্নাতক পঞ্চম যাণ্মাসিক)

২। ২০০ মিটাৰ দৌৰ প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ চাহানাজ চুলতানা (উঃ মাঃ দ্বিতীয় বৰ্ষ)
দ্বিতীয় স্থান ঃ পৰিস্মিতা ৰাভা (স্নাতক পঞ্চম যাণ্মাসিক)
তৃতীয় স্থান ঃ অঞ্জনা কলিতা (উঃ মাঃ প্ৰথম বৰ্ষ)

৩। ৪০০ মিটাৰ দৌৰ প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ চিম্পী দাস (উঃ মাঃ প্ৰথম বৰ্ষ)
দ্বিতীয় স্থান ঃ চাহানাজ চুলতানা (উঃ মাঃ দ্বিতীয় বৰ্ষ)
তৃতীয় স্থান ঃ বনলতা কছাৰী (স্নাতক প্ৰথম যাণ্মাসিক)

৪। ৮০০ মিটাৰ দৌৰ প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ চিম্পী দাস (উঃ মাঃ প্ৰথম বৰ্ষ)
দ্বিতীয় স্থান ঃ মনস্মিতা কলিতা (উঃ মাঃ প্ৰথম বৰ্ষ)
তৃতীয় স্থান ঃ চাহানাজ চুলতানা (স্নাতক তৃতীয় যাণ্মাসিক)

৫। শ্বটপুট থ্ৰো প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ চাহানাজ চুলতানা (উঃ মাঃ দ্বিতীয় বৰ্ষ)
দ্বিতীয় স্থান ঃ ৰুমি দাস (স্নাতক পঞ্চম যাণ্মাসিক)
তৃতীয় স্থান ঃ চেহনাজ চুলতানা (স্নাতক পঞ্চম যাণ্মাসিক)

৬। জেভেলিন থ্ৰো প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ মনস্মিতা কলিতা (উঃ মাঃ প্ৰথম বৰ্ষ)
দ্বিতীয় স্থান ঃ ৰেহনাজ আখতাৰ (উঃ মাঃ প্ৰথম বৰ্ষ
তৃতীয় স্থান ঃ চাহানাজ চুলতানা (উঃ মাঃ দ্বিতীয় বৰ্ষ)

৭। ডিচ্‌কাচ্ থ্ৰো প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ চাহানাজ চুলতানা (উঃ মাঃ দ্বিতীয় বৰ্ষ)
দ্বিতীয় স্থান ঃ হীৰা দাস (স্নাতক প্ৰথম যাণ্মাসিক)
তৃতীয় স্থান ঃ বনলতা কছাৰী (স্নাতক প্ৰথম যাণ্মাসিক)

৮। হাইজাম্প প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ চাহানাজ চুলতানা (উঃ মাঃ দ্বিতীয় বৰ্ষ)
দ্বিতীয় স্থান ঃ চাজিমা বেগম (উঃ মাঃ প্ৰথম বৰ্ষ)
তৃতীয় স্থান ঃ মনোৰমা ৰাভা (স্নাতক প্ৰথম যাণ্মাসিক)
চিম্পী দাস (উঃ মাঃ প্ৰথম বৰ্ষ)

৯। লংজাম্প প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ গীতিকা ৰাভা (স্নাতক পঞ্চম যাণ্মাসিক)
দ্বিতীয় স্থান ঃ চিম্পী দাস (উঃ মাঃ প্ৰথম বৰ্ষ)
তৃতীয় স্থান ঃ চাহানাজ চুলতানা (উঃ মাঃ দ্বিতীয় বৰ্ষ)

১০। ৰছী টনা প্ৰতিযোগিতা ঃ
চেম্পিয়ন ঃ সুচিত্ৰা ৰাভা (স্নাতক পঞ্চম যাণ্মাসিক)
জবা বড়ো (স্নাতক প্ৰথম যাণ্মাসিক)
চাহানাজ চুলতানা (উঃ মাঃ দ্বিতীয় বৰ্ষ)
ববিতা দেৱী (স্নাতক প্ৰথম যাণ্মাসিক)
চেহনাজ চুলতানা (স্নাতক পঞ্চম যাণ্মাসিক)
ৰুমি দাস (স্নাতক পঞ্চম যাণ্মাসিক)
হীৰা দাস (স্নাতক প্ৰথম যাণ্মাসিক)
ৰেহনাজ আখতাৰ (উঃ মাঃ প্ৰথম বৰ্ষ)
চিম্পী দাস (উঃ মাঃ প্ৰথম বৰ্ষ)
কল্যাণী নাথ (স্নাতক প্ৰথম যাণ্মাসিক)
ৰাণাৰ্চ আপ ঃ আৰ্জিনা (উঃ মাঃ প্ৰথম বৰ্ষ)
আৰ্জিমা (উঃ মাঃ প্ৰথম বৰ্ষ)
মৌচুমী (উঃ মাঃ প্ৰথম বৰ্ষ)
চাজিমা (উঃ মাঃ প্ৰথম বৰ্ষ)
ৰুকচানা (উঃ মাঃ দ্বিতীয় বৰ্ষ)
ৰম্বা (উঃ মাঃ দ্বিতীয় বৰ্ষ)
চনালী (উঃ মাঃ প্ৰথম বৰ্ষ)
সৰস্বতী (উঃ মাঃ প্ৰথম বৰ্ষ)
ৰীণা (উঃ মাঃ প্ৰথম বৰ্ষ)
চাজিহা (স্নাতক পঞ্চম যাণ্মাসিক)

১১। বেডমিণ্টন প্ৰতিযোগিতা ঃ
প্ৰথম স্থান ঃ মুকুতা মেধি (স্নাতক তৃতীয় যাণ্মাসিক)
ৰাণাৰ্চ আপ ঃ হীৰা দাস (স্নাতক প্ৰথম যাণ্মাসিক)

১২। কাবাদী প্ৰতিযোগিতা ঃ
চেম্পিয়ন ঃ সুচিত্ৰা ৰাভা (স্নাতক পঞ্চম যাণ্মাসিক)
মইনা আহমেদ (উঃ মাঃ প্ৰথম বৰ্ষ)
ৰুমি দাস (স্নাতক পঞ্চম যাণ্মাসিক)
জবা বড়ো (স্নাতক প্ৰথম যাণ্মাসিক)
নুৰজাহান বেগম (স্নাতক প্ৰথম যাণ্মাসিক)
ৰোজা বেগম (উঃ মাঃ প্ৰথম বৰ্ষ)
তনুশ্ৰী মজুমদাৰ (উঃ মাঃ দ্বিতীয় বৰ্ষ)
হীৰা দাস (স্নাতক প্ৰথম যাণ্মাসিক)
ইন্দ্ৰাণী নাথ (স্নাতক প্ৰথম যাণ্মাসিক)
ৰাণাৰ্চ আপ ঃ চাহানাজ চুলতানা (উঃ মাঃ দ্বিতীয় বৰ্ষ)
চিম্পী দাস (উঃ মাঃ প্ৰথম বৰ্ষ)
ৰেহনাজ আখতাৰ (উঃ মাঃ প্ৰথম বৰ্ষ)
চেহনাজ চুলতানা (স্নাতক তৃতীয় যাণ্মাসিক)
সন্ধ্যা ৰাভা (উঃ মাঃ দ্বিতীয় বৰ্ষ)
চাহেবা চুলতানা (স্নাতক প্ৰথম যাণ্মাসিক)
মিনজোৰা বেগম (স্নাতক প্ৰথম যাণ্মাসিক)
ববিতা দেৱী (স্নাতক প্ৰথম যাণ্মাসিক)

কাবাদী প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ ঃ
(ক) সুচিত্ৰা ৰাভা (Rider) (স্নাতক পঞ্চম যাণ্মাসিক)
(খ) মইনা আহমেদ (Best Catcher) (উঃ মাঃ প্ৰথম বৰ্ষ)

২০২১-২২ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ খেলুৱৈ ঃ
প্ৰথম শ্ৰেষ্ঠ ঃ চাহানাজ চুলতানা (উঃ মাঃ দ্বিতীয় বৰ্ষ)
দ্বিতীয় শ্ৰেষ্ঠ ঃ চিম্পী দাস (উঃ মাঃ প্ৰথম বৰ্ষ)

শ্ৰেষ্ঠ বেডমিণ্টন খেলুৱৈ ঃ
ঃ মুকুতা মেধি (স্নাতক পঞ্চম যাণ্মাসিক)

# STUDENTS WHO SUCCESSFULLY COMPLETED
## B.A. in Major Course in the Year 2021

**ASSAMESE :**

1. Alimun Nessa
2. Anjali Kumari
3. Anupama Saloi
4. Arzu Ahmed
5. Asha Kalita
6. Barasha Kalita
7. Barasha Mahanta
8. Barnali Das
9. Bhaswati Nath
10. Chayanika Das
11. Chayanika Kalita
12. Dulu Das
13. Juri Boro
14. Kanika Das
15. Karishma Thakuria
16. Manjuwara Begum
17. Narjiara Begum
18. Pallabi Nath
19. Pinki Begum
20. Pinki Das
21. Priyanka Das
22. Priyanka Thakuria
23. Purabi Nath
24. Rima Kalita
25. Rubi Begum
26. Rumi Devi
27. Rumi Rabha
28. Sagarika Das
29. Sangita Kalita
30. Simakshi Deka
31. Tarali Das
32. Tina Kalita
33. Tina Talukdar
34. Tutumoni Kalita

**ECONOMICS :**

1. Barnali Boro
2. Barnali Das
3. Garima Thakuria
4. Himakshi Barman
5. Isha Talukdar
6. Junmoni Rabha
7. Manika Rabha
8. Pranami Talukdar

**EDUCATION :**

1. Angita Das
2. Banashree Mahanta
3. Bhanita Das
4. Chandrama Das
5. Chayanika Mali
6. Dharitri Nath
7. Dharitri Talukdar
8. Dharitri Das
9. Dimpal Kalita
10. Doli Kalita
11. Gitanjali Das
12. Gitanjali Das
13. Jutika Kalita
14. Jonali Baishya
15. Lipika Kalita
16. Manisha Kalita
17. Minakshi Rabha
18. Mitali Sharma
19. Pompitara Boro
20. Reeta Das
21. Ringkumoni Rabha
22. Sumi Das

**ENGLISH :**

1. Bedishikha Das
2. Kangkana Mazumdar
3. Manisha Sarma

**HISTORY :**

1. Aradhana Rabha
2. Beauty Kachari
3. Dimpal Das
4. Ilamayee Das
5. Ira Das
6. Jutika Das
7. Kabita Kalita
8. Kabita Rabha
9. Kalpana Kakati
10. Krishna Rabha
11. Marami Das
12. Marami Das
13. Nibha Rabha
14. Niharika Rabha
15. Purabi Kalita
16. Rehena Begum
17. Rijumoni Rabha
18. Ritumoni Das
19. Rosy Rabha
20. Shibani Das
21. Shikharani Thakuria
22. Tarali Talukdar
23. Trishnamoni Nath

**PHILOSOPHY :**

1. Arjima Begum
2. Jesmin Sultana
3. Junmoni Begum
4. Kabita Das
5. Kakali Das
6. Kalyani Kalita
7. Mamoni Das
8. Marami Kalita
9. Mitali Devi
10. Mitali Rabha
11. Nabanita Das
12. Namita Kalita
13. Nikumani Kalita
14. Nirmali Kalita
15. Pallabi Kalita
16. Rima Talukdar
17. Rujbin Sultana
18. Soniya Begum Choudhury

**POLITICAL SCIENCE :**

1. Afruja Sultana
2. Anamika Das
3. Ashrumoni Hira
4. Barasha Rabha
5. Dulumoni Das
6. Hiramoni Deka
7. Julena Begum
8. Jumoni Bharali
9. Jyotshna Begum
10. Nazmina Begum
11. Nijara Saloi
12. Ranjana Rabha
13. Rijumoni Rabha
14. Rinkumoni Basumatary
15. Rubi Begum
16. Shibani Boro
17. Shibani Rabha
18. Shikha Rabha
19. Smriti Kalita
20. Tapashi Mazumdar



## Students who successfully completed M.A. in Assamese in the Year 2021

1. Dharitri Thakuria ❖ 2. Namita Thakuria
3. Rakhi Mali ❖ 4. Rasmiul Sultana
5. Nasrin Sultana

# ACHIEVEMENTS OF OUR COLLEGE
## 2021-2022



**Rubha Bharali**
a student of 3rd semester, English honours has won the Miss Best Figure in North East Glamour Star, 2022. She is also ranked among the top ten runner-up and has received a direct entry of the North East Marvellous Season II.



**Dipa Rongpi**
is a student of B.A. 2nd semester who has won Medal in Wushu in the 9th Student Olympic National Games, 2022 held at Haridwar, Uttarakhand.

# PRINCIPAL AND TEACHING STAFF

**PRINCIPAL :**
**Dr. Narakanta Adhikary,** M.A., Ph.D.

**DEPT. OF ASSAMESE :**
1. Dr. Jahnobi Devi, *M.A., M.Phil, Ph.D., NET*
3. Jamuna Mali, *M.A.*
4. Dr. Jagannath Barman, *M.A., Ph.D. (HoD)*
5. Sewali Medhi, M.A. SLET

**DEPT. OF ECONOMICS :**
1. Jinu Das, *M.A. (HoD)*
2. Dr. Nibedita Devi, *M.A., Ph.D.*
3. Indrani Devi, *M.A.,*
4. Dr. Manashree Das, *M.Sc. Ph.D.*

**DEPT. OF EDUCATION :**
1. Habibur Rahman, *M.A. (HoD)*
2. Dr. Lilabati Choudhury, *M.A. (Double), M.Phil, Ph.D.*
3. Dr. Mitali Kathkatia, *M.A., B.Ed., Ph.D.*
4. Rita Bhattacharya, *M.A., B.Ed.*

**DEPT. OF ENGLISH :**
1. Dr. Malabika Roy, *M.A., Ph.D.*
2. Dr. Minakshi Bairagi, *M.A. Ph.D.*
3. Dr. Ranjan Bhuyan, *M.A., Ph.D. (HoD)*
4. Anisha Das, *M.A. (Guest Lecturer)*

**DEPARTMENT OF HISTORY :**
1. Sanghamitra Sinha, *M.A. (HoD)*
2. Dr. Narakanta Adhikary, *M.A., Ph.D.*
3. Ripun Doley, *M.A. Ph.D.*

**DEPT. OF HOME SCIENCE :**
1. Ranjana Deka, *M.Sc. M.Phil. (HoD)*
2. Richa Kalita, *M.Sc. (Guest Lecturer)*

**DEPT. OF PHILOSOPHY :**
1. Mitali Goswami, *M.A. (HoD)*
2. Alaka Das, *M.A.*
3. Kamaleswar Bora, *M.A., M.Phil., SLET*
4. Debajit Rabha, *M.A. (Guest Lecturer)*

**DEPT. OF POLITICAL SCIENCE :**
1. Haren Das, *M.A. (HoD)*
2. Dr. Azizul Haque, *M.A., Ph.D.*
3. Dr. Haren Ch. Kalita, *M.A., B.Ed., Ph.D.*
4. Saurah Kalita, *M.A. (Guest Lecturer)*

**ENVIRONMENTAL SCIENCE :**
1. Nibedita Thakuria, *M.Sc.*

**MASS COMMUNICATION JOURNALISM :**
1. Nabanita Barman, *M.C.J. (HoD)*
2. Mridusmita Das, *M.C.J.*

## THE LIBRARY STAFF OF OUR COLLEGE

1. Kishor Sarma, *M.A. M.L.I.Sc, B.Ed., NET, Ph.D.*
2. Khiroda Das, *Library Bearer*



# THE NON-TEACHING STAFF OF OUR COLLEGE

1. Sankar Kalita, *B.A., Head Assistant*
2. Suruchi Das, *B.A., Office Assistant*
3. Kalpana Mayee Mazumdar, *Office Assistant*
4. Pradip Ch. Borah, *Office Assistant*
5. Subala Thakuria, *Office Assistant*
6. Kushal Kalita, *B.A., Office Assistant*
7. Dhrubajyoti Kalita, *B.Com. (M)*
8. Rukmini Bora, *Laboratory Bearer*
9. Jiten Das, *Grade IV Employee*
10. Ratneswar Das, *Grade IV Employee*
11. Nirmal Das, *Grade IV Employee*
12. Nagen Ch. Das, *Grade IV Employee*
13. Jugal Das, *Grade IV Employee*
14. Nareswar Das, *Grade IV Employee*
15. Satyacharan Das, *Night Chowkidar*
16. Suren Talukdar, *Night Chowkidar*
17. Mousumi Kalita, *Computer Instructor*
18. Satyabrat Adhikary, *Night Chowkidar*

# THE UNION BODY AND THE TEACHERS IN-CHARGE

| DESIGNATION | STUDENT'S NAME | TEACHERS IN-CHARGE |
|---|---|---|
| President | Jinti Talukdar | Dr. Ranjan Bhuyan |
| Vice-President | Manikangkana Das | Dr. Ranjan Bhuyan |
| General Secretary | Harshita Goswami | Dr. Jagannath Barman |
| Asstt. General Secretary | Sangeeta Das | Dr. Jagannath Barman |
| Cultural Secretary | Priyanshi Deka | Prof. Jinu Das |
| Magazine Secretary | Anjali Nath | Dr. Lilabati Choudhury |
| Debate & Symposium Secretary | Mandira Doloi | Dr. Haren Ch. Kalita |
| Sports Secretary | Indrani Nath | Dr. Ripun Dole |
| Girls' Common Room Secretary | Sabana Begum | Prof. Ranjana Deka |
| Social Service Secretary | Susmita Mali | Prof. Mitali Goswami |

# Governing Body : 2021-2022

## D.K. Girls' College, Mirza

| | |
|---|---|
| 1. President | **Dr. Ramesh Ch. Kalita**<br>Ex. Principal, D.K. College, Mirza |
| 2. Secretary | **Dr. Narakanta Adhikary**<br>Principal, D.K. Girls' College, Mirza |
| 3. Special Invitee | **Mr. Hemanga Thakuria**<br>Honourable M.L.A. of Palashbari Assembly Constituency |
| 4. Donor Member | **Mr. Anil Das**<br>Social Worker & Industrialist |
| 5. G.U. Nominee | **Prof. Dilip Medhi**<br>Department of Hindi, Gauhati University |
| | **Dr. Harisankar Kakati**<br>Rtd. Associate Prof., Department of Chemistry, D.K. College, Mirza |
| 6. Members (Ex Officio) | **Dr. Ranjan Bhuyan**<br>Vice Principal, D.K. Girls' College, Mirza |
| | **Dr. Kishor Sarma**<br>Librarian, D.K. Girls' College, Mirza |
| 7. Teacher Members | **Mr. Habibur Rahman**<br>Associate Prof., Dept. of Education |
| | **Mr. Haren Das**<br>Associate Prof., Dept. of Political Science |
| 8. Guardian Members | **Mrs. Sanghamitra Bhuyan** |
| | **Mr. Kartik Ch. Mali** |
| | **Mr. Lakhinath Talukdar** |
| 9. Non-Teaching Member | **Mr. Sankar Kalita**<br>Head Assistant |



# EX-EDITORS AND IN-CHARGES OF 'SUDAKSHINA'

| VOLUME | YEAR | EDITOR | TEACHER IN-CHARGE |
|---|---|---|---|
| I | 1993 | Swapna Das<br>Beauty Kakati | Dr. Gajendra Adhikary<br>Bimal Mazumdar |
| II | 1994 | Kanan Kumari Talukdar | Dr. Gajendra Adhikary |
| III | 1995 | Jyotsna Kalita | Dr. Gajendra Adhikary |
| IV | 1996 | Chandramita Kalita | Dr. Gajendra Adhikary |
| V | 1997 | Dipika Das | Dr. Gajendra Adhikary<br>Dr. Jagannath Barman |
| VI | 1998 | Jonti Kalita | Dr. Gajendra Adhikary<br>Dr. Jagannath Barman |
| VII | 1999 | Pranita Das | Dr. Gajendra Adhikary<br>Dr. Jagannath Barman |
| VIII | 2000 | Kalyani Kalita | Dr. Jagannath Barman<br>Minakshi Bairagi |
| IX | 2001 | Babita Deka | Dr. Jahnobi Devi |
| X | 2002 | Pallabi Nath | Nara Kanta Adhikary |
| XI | 2003 | Jitumoni Rabha | Minakshi Bairagi |
| XII | 2004 | Parul Begum | Dr. Jagannath Barman |
| XIII | 2005 | Bandana Bordoloi | Dr. Ranjana Bhuyan |
| XIV | 2006 | Maina Thakuria | Dr. Jagannath Barman |
| XV | 2007 | Rubi Goswami | Dr. Haren Kalita |
| XVI | 2008 | Irani Kalita | Dr. Nibedita Devi |
| XVII | 2009 | Dipali Medhi | Dr. Jahnobi Devi |
| XVIII | 2010 | Kabita Das | Dr. Jahnobi Devi |
| XIX | 2011 | Reeta Kalita | Dr. Kamaleswar Borah |
| XX | 2012 | Minakshi Kumari | Dr. Jahnobi Devi |
| XXI | 2013 | Mitali Das | Dr. Jahnobi Devi |
| XXII | 2014 | Bhumika Nath | Dr. Mitali Kathkatiya |
| XXIII | 2015 | Barnali Talukdar | Dr. Lilabati Choudhury |
| XXIV | 2016 | Mamata Nazmin | Dr. Saraswati Kalita |
| XXV | 2017 | Priyanka Das | Jamuna Mali |
| XXVI | 2018 | Priyanka Das | Dr. Malabika Roy |
| XXVII | 2019 | Mitali Kalita | Dr. Lilabati Choudhury |
| XXVIII | 2020 | Madhusmita Rabha | Jinu Das |
| XXIX | 2021 | **Nil for Covid-19** | **Nil for Covid-19** |
| XXX | 2022 | Anjali Nath | Dr. Lilabati Choudhury |

# GENERAL SECRETARIES

## OF THE STUDENT'S UNION SINCE 1988

| SL. NO. | NAME | YEAR |
|---|---|---|
| 1. | Tanuja Goswami | 1988-1989 |
| 2. | Himadri Deka | 1989-1990 |
| 3. | Kamaljeet Sing Laumba | 1990-1991 |
| 4. | Manju Medhi | 1991-1992 |
| 5. | Mamani Baishya | 1992-1993 |
| 6. | Nani Mahanta | 1993-1994 |
| 7. | Seetala Das | 1994-1995 |
| 8. | Geetanjali Kalita | 1995-1996 |
| 9. | Rumarani Saikia | 1996-1997 |
| 10. | Geetika Thakuria | 1997-1998 |
| 11. | Nijara Kalita | 1998-1999 |
| 12. | Jayshree Choudhury | 1999-2000 |
| 13. | Nipumani Mali | 2000-2001 |
| 14. | Merina Begam | 2001-2002 |
| 15. | Deepika Thakuria | 2002-2003 |
| 16. | Alaka Das | 2003-2004 |
| 17. | Binita Kalita | 2004-2005 |
| 18. | Hemlata Rabha | 2005-2006 |
| 19. | Priyanka Thakuria | 2006-2007 |
| 20. | Runu Choudhury | 2007-2008 |
| 21. | Purnima Talukdar | 2008-2009 |
| 22. | Suman Kumari | 2009-2010 |
| 23. | Kalindri Das | 2010-2011 |
| 24. | Minakshi Thakuria | 2011-2012 |
| 25. | Purnima Das | 2012-2013 |
| 26. | Jutika Thakuria | 2013-2014 |
| 27. | Aliviya Talukdar | 2014-2015 |
| 28. | Dipti Choudhury | 2015-2016 |
| 29. | Malti Saha | 2016-2017 |
| 30. | Barasha Nath | 2017-2018 |
| 31. | Sikharani Thakuria | 2018-2019 |
| 32. | Jinti Talukdar | 2019-2020 |
| 33. | **Nil for Covid-19** | **2020-2021** |
| 34. | Harshita Goswami | 2021-2022 |



# মহাবিদ্যালয় সংগীত

অসমা সুষমা নিৰুপমা
আমি দক্ষিণৰ কামৰূপা
দক্ষিণ কোলেই আজি জ্ঞান বিদ্যাৰ শতৰূপা।।

আমি দক্ষিণৰ বালিকা
আমি জ্ঞানৰ শলিতা
পোহৰ বিচাৰি ওলাই অহা-আমি মনোৰমা।।

প্ৰজ্ঞা আমাৰ পুথিৰ আলয়
কৃষ্টি আমাৰ সংগ্ৰহ আলয়
প্ৰজ্ঞা-কৃষ্টিক লওঁ আহা আমি আঁকোৱালি।।

সাঁচিপাতত বিচাৰোঁ বতৰা
সুদক্ষিণাক দিওঁ মনৰ বতৰা
আমি সোণালী, ৰূপালী পাতোঁ আহা দীপাৱলী
আমি যে জ্যোতিৰূপা।।

সুদক্ষিণা আমাৰ মনৰ ভাষা
হাৰাঘাটি আমাৰ প্ৰেৰণাৰ আশা
মনৰ সূতাৰে তৰোঁ জীৱনৰ তাঁত।।

আমি দক্ষিণৰ বোৱণী শিপিনী
আমি দক্ষিণৰ আজিৰ ছোৱালী
মহা-জ্ঞানৰ আলয় আমাৰ হিয়াত
আমি যে জ্যোতিশিখা।।

কথা ঃ জগন্নাথ বৰ্মন
সুৰ ঃ আনন্দ দাস

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা










**Dr. Narakanta Adhikary**
Principal, Dakshin Kamrup Girls' College



**Dr. Ranjan Bhuyan**
Vice Principal, Dakshin Kamrup Girls' College

## PRINCIPAL WITH TEACHING STAFF




**From Left (Sitting) :** Dr. Malabika Roy, Dr. Jahnobi Devi, Ranjana Deka, Dr. Mitali Kathkatia, Haren Das, Dr. Ranjan Bhuyan (Vice-Principal), Dr. Narakanta Adhikary (Principal), Dr. Jagannath Barman, Indrani Devi, Dr. Ripun Dole, Jinu Das, Mitali Goswami.
**From Left (Standing 1st Line) :** Kamaleswar Bora, Dr. Haren Ch. Kalita, Dr. Minakshi Bairagi, Debajit Rabha, Pranjit Sarma, Ratna Das, Jibesh Ch. Roy, Dr. Azizul Haque, Reeta Bhattacharya, Dr. Lilabati Choudhury, Dr. Nibedita Devi, Jamuna Mali, Sewali Medhi, Dr. Manashree Das.
**From Left (Standing 2nd Line) :** Nibedita Thakuria, Nabanita Barman, Anisha Das, Richa Kalita.

## PRINCIPAL WITH NON-TEACHING STAFF




**From Left (Sitting) :** Manjit Das, Bitopan Das, Pradip Bora, Sankar Kalita, Dr. Narakanta Adhikary (Principal), Kalpana Mayee Mazumdar, Kushal Kalita, Nikhil Das, Surachi Das.
**From Left (Standing) :** Nirmal Das, Jugal Das, Nagen Ch. Das, Nareswar Das, Ratneswar Das, Jiten Das, Nisha Das, Diganta Kalita, Satyacharan Das, Satyabrat Adhikary.

## PRINCIPAL WITH LIBRARIAN & STAFF





**From Left (Sitting) :** Khiroda Das, Dr. Kishor Sarma, Dr. Narakanta Adhikary (Principal), Dr. Ranjan Bhuyan (Vice Principal), Subala Thakuria. **From Left (Standing) :** Pankaj Moni Das, Hrishikesh Malakar.

## UNION BODY OF D.K. GIRLS' COLLEGE



**From Left :** Indrani Nath (Secretary of Sports), Susmita Mali (Secretary of Social Welfare), Anjali Nath (Secretary of Literacy and Megazine), Mandira Doloi (Secretary of Debate), Monikangkana Das (Vice-President), Jinti Das (President), Sabana Begum (Secretary of Girls' Common Room), Harshita Goswami (General Secretary), Sangita Das (Assistant General Secretary), Priyangshi Deka (Cultural Secretary).

# GOVERNING BODY OF THE COLLEGE : 2021-22



President
**Dr. Ramesh Ch. Kalita**
Ex. Principal
D.K. College, Mirza



Secretary
**Dr. Narakanta Adhikary**
Principal
D.K. Girls' College, Mirza



Special Invitee
**Mr. Hemanga Thakuria**
M.L.A.
Palasbari Assembly Constituency



Donor Member
**Mr. Anil Das**
Social Worker & Industrialist



G.U. Nominee
**Prof. Dilip Kr. Medhi**
Department of Hindi, G.U.




G.U. Nominee
**Dr. Harisankar Kakati**
Rtd. Associate Professor
Dept. of Chemistry, D.K. College



Member (Ex-Officio)
**Dr. Ranjan Bhuyan**
Vice-Principal
D.K. Girls' College, Mirza



Member (Ex-Officio)
**Dr. Kishor Sarma**
Librarian
D.K. Girls' College, Mirza



Teacher Member
**Mr. Habibur Rahman**
Associate Professor
D.K. Girls' College, Mirza



Teacher Member
**Mr. Haren Das**
Associate Professor
D.K. Girls' College, Mirza




Guardian Member
**Smt. Sanghamitra Bhuyan**
G.B. Guardian Member



Guardian Member
**Sjt. Kartik Ch. Mali**
G.B. Guardian Member



Guardian Member
**Sjt. Lakshi Nath Talukdar**
G.B. Guardian Member



Non-Teaching Member
**Sjt. Sankar Kalita**
Head Asstt.
D.K. Girls' College, Mirza

# Different activities observed in the college : Session-2021 & 2022





Flag Hoisting, 26th January, 2022



Flag Hoisting, College Week, 8th January, 2022



Flag Hoisting, 26th January, 2022



Wall Magazine 'Haraghat'



Inauguration of Wall Magazine 'Haraghat'






Literary Competition



Rangoli Competition




Dance Competition




Sports Competition



Bride Competition




Sri Sri Saraswati Puja



Wall Magazine 'Sri Panchami'



Preparation for Inauguration of Wall Magazine 'Sri Panchami'





Inauguration of 'Sri Panchami'






International Women's Day



Environmental Women's Day



Inauguration of Newsletter, Dept. of English




World Environmental Day





New Building Construction









Wall Magazine 'Haraghat' inauguration in Freshman Social







Inauguration of Wall Magazine 'Haraghat'





Inauguration of Wall Magazine 'Kabas'






Cultural Rally



Inauguration of Wall Magazine 'Jonaki'




Freshman Social



Singer Manash Pratim in Freshman Social

# SUDAKSHINA

29th & 30th ISSUE
SESSION : 2021-2022



EDITOR
Anjali Nath